প্ৰবন্ধ প্ৰপাঞ্চ

ড° বিনীতা বৰুৱা

মুখ্য পৰিবেশক
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

PRABANDHA - PRAPANCHA

A collection of Articles on some aspects of Assamese Language, Literature and Culture, Written by ***Dr. Binita Baruah****, Senior Lecturer, Department of Assamese, Cotton College, Guwahati, published by* ***Kumud Baruah*** *and printed at Mississippi Printers, Guwahati-1*

First Eidition : February, 2006 *Price Rs. 60/-*

প্ৰকাশক

কুমুদ বৰুৱা

মুখ্য পৰিবেশক

চন্দ্ৰ প্ৰকাশ, পাণবজাৰ, গুৱাহাটী-১

প্ৰথম প্ৰকাশ

ফেব্ৰুৱাৰী, ২০০৬

প্ৰচ্ছদ শিল্পী

মনজিৎ ৰাজখোৱা

মূল্য ঃ ৬০ টকা

মুদ্ৰণ

মিছিছিপি প্ৰিণ্টাৰ্চ

দীঘলীপুখুৰীপাৰ (পূব)

গুৱাহাটী-৭৮১০০১

হাতত পাখি কলম গোঁজা মাৰি
মোক প্ৰথম আখৰ শিকোৱা
চিৰ-আৰাধ্য মাতৃ স্বৰ্গীয়া বগীতৰা বৰুৱাৰ
পুণ্য স্মৃতিত
আৰু
পৰম পূজনীয়
দেউতা শ্ৰীভুবন চন্দ্ৰ বৰুৱাৰ কৰকমলত
এই গ্ৰন্থখন অৰ্পণ কৰিলোঁ।

আগকথা

অসমীয়া সাহিত্য গল্প, কবিতা, উপন্যাস আদিৰ তুলনাত আপেক্ষিকভাৱে প্ৰবন্ধ সাহিত্যৰ ক্ষেত্ৰত দুখীয়া। ইয়াৰ কাৰণো আছে। সাহিত্যৰ জগতখনৰ প্ৰবন্ধ লেখকসকলে যিদৰে স্বীকৃতি পাব লাগে, তেনেদৰে নাপায়। প্ৰকাশকসকলেও পাঠ্যক্ৰমৰ লগত সম্পৰ্ক নাথাকিলে প্ৰবন্ধৰ পুথি ছপাব নোখোজে। কাৰণ, পাঠকৰ অভাৱ। আনহাতে এজন সাৰ্থক প্ৰবন্ধ লেখক হ'বলৈ হ'লে দেশী-বিদেশী সাহিত্য অধ্যয়নৰ যি ব্যাপক অধ্যয়নৰ প্ৰয়োজন, সেইখিনি অধ্যয়ন সীমিত দুগৰাকীমানৰ বাহিৰে বেছিভাগৰে নাই।

অসমীয়া সমালোচনা সাহিত্যৰ অন্য এটি আন্ধাৰ দিশ হ'ল গোষ্ঠীবাদ। এই গোষ্ঠী ৰাজনৈতিক, ব্যক্তিকেন্দ্ৰিক বা ভাৱকৰ চিন্তাৰ পৰা গঢ় ল'ব পাৰে। বিশেষ ৰাজনৈতিক মতাদৰ্শত বিশ্বাসী নহ'লে সেই মতাদৰ্শত বিশ্বাসী সমালোচকে আপোনাৰ লেখাৰ আলোচনা নকৰে। কেতিয়াবা আকৌ একোগৰাকী প্ৰতিষ্ঠিত কবি বা সমালোচকৰ শিবিৰভুক্ত হৈ তেখেতৰ বন্দনাত গদ্‌গদ্ নহ'লেও ন্যায্যপ্ৰাপ্তিৰ পৰা বঞ্চিত হ'ব পাৰে। নিৰপেক্ষ আৰু নিৰ্মোহ সমালোচনা আমাৰ সাহিত্যত অতি কম।

অসমীয়া সাহিত্যত সুস্থ বিতৰ্কৰ অভাৱো আন এটি আন্ধাৰ দিশ। মত-পাৰ্থক্য নহৈ যেনিবা মনোমালিন্যহে। গালি-গালাজ, ঠাট্টা-মস্কৰাহে এনে বিতৰ্কৰ মূল বস্তু। আনৰ লেখাৰ দুৰ্বল দিশ মাৰ্জিত ভাষাৰেও তথ্যসহ দেখুৱাব পাৰি। এনে কৰিলে লেখকজনেও নিজকে নিৰ্ভুল বুলি ভাবি উভতি ধৰিব নালাগে। পাঠক সমাজক মূৰ্খ বুলি ভাবি নিজৰ পাণ্ডিত্য জহাবলৈ বিষয়ৰ পৰা বিষয়ান্তৰলৈ গতি কৰিলে মূল বিষয় ক'ৰবাতে পৰি ৰয়; আনুষংগিক কথাবোৰে প্ৰাধান্য লভে।

দুৰ্ভাগ্যক্ৰমে, কোনোবাই কাৰোবাক ব্যক্তিগত আক্ৰমণ কৰি লিখা প্ৰবন্ধৰ প্ৰচাৰ বনজুইৰ দৰে বিয়পি পৰে আৰু বহুতো পাঠকে তেনে প্ৰবন্ধ অশেষ কষ্টৰে সংগ্ৰহ কৰি পঢ়ে। প্ৰয়োজনসাপেক্ষে শিবিৰবোৰো সজাগ হয় নিজৰ গোষ্ঠীৰ সেনাপতিক বচাবৰ বাবে।

ড° বিনীতা বৰুৱা অসমীয়া প্ৰবন্ধ সাহিত্যত নবাগতা। তেওঁৰ প্ৰবন্ধবোৰ বিদ্যায়তনিক পৰিসৰত সীমাবদ্ধ। প্ৰবন্ধবোৰ বিভিন্ন সময়ত বিভিন্ন সম্পাদকৰ তাগিদাত লিখা যেন মোৰ অনুভৱ হৈছে। কাৰণ, গ্ৰন্থখনত সন্নিবিষ্ট প্ৰবন্ধৰাজিৰ বিষয়বস্তু। কিতাপখনত মুঠতে পোন্ধৰটা প্ৰবন্ধ আছে— প্ৰথম সাতটা ভাষাৰ আৰু বাকী আঠটা সাহিত্য বিষয়ৰ। বিদ্যায়তনিক হ'লেও প্ৰবন্ধবোৰ তথ্যসমৃদ্ধ আৰু প্ৰতিটো ক্ষেত্ৰতে সততাৰে উৎস নিৰ্দেশ কৰিছে। আনৰ মত তেওঁৰ নিজা বুলি চলাবলৈ অপচেষ্টা কৰা নাই। গ্ৰন্থখনৰ ই এক

ইতিবাচক দিশ।

অসমীয়া গদ্যৰ ইতিহাসতেই নহয়, সৰ্বভাৰতীয় গদ্যৰ ইতিহাস পৰ্যালোচনাতো বুৰঞ্জীসমূহৰ এখন সুকীয়া স্থান আছে। দুৰ্ভাগ্যক্ৰমে সেই সময়ৰ ভাৰতীয় গদ্য-সাহিত্যৰ বৈশিষ্ট্যৰ সৈতে বুৰঞ্জীৰ গদ্যৰ তুলনাত্মক আলোচনা আজিলৈ হোৱা নাই। তাতোকৈ ডাঙৰ কথা, ড° বিৰিঞ্চি কুমাৰ বৰুৱাই বুৰঞ্জীৰ ভাষাৰ বিষয়ে কৰা মন্তব্যৰ পৰা আমি বৰ বেছি আগুৱাব পৰা নাই। সুখৰ কথা, ড° বিনীতা বৰুৱাই এনে নতুন দিগন্তৰ ইংগিত দিছে। এইক্ষেত্ৰত প্ৰবন্ধটোত উদ্ধৃত কৰা ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মন্তব্যয়ো গৱেষকক অনুপ্ৰাণিত কৰাৰ থল আছে।

একে কথা, ৰঘুনাথ মহন্তৰ 'কথা-ৰামায়ণ'ৰ ক্ষেত্ৰতো ক'ব পাৰি। 'কথা-ৰামায়ণ'ৰ গদ্যও বহু পৰিমাণে উপেক্ষিত। লেখিকাই সাৰ্থকভাৱেই মন্তব্য কৰিছে— "অসমীয়া গদ্যৰ ইতিহাসত 'কথা-ৰামায়ণ' এক আপুৰুগীয়া সম্পদ।"

ড° বিৰিঞ্চি কুমাৰ বৰুৱাই স্নাতকোত্তৰ শ্ৰেণীকোঠাত এদিন আমাক কৈছিল যে অসমৰ ঠাই আৰু মানুহৰ নামক লৈ এখন সুন্দৰ গৱেষণা গ্ৰন্থ হ'ব পাৰে। তেখেতৰ কথাৰে অনুপ্ৰাণিত হৈ কোনোবাই নামবিজ্ঞানৰ গৱেষণা কৰিছে নে নাই মই নাজানো। ড° বিনীতা বৰুৱাৰ নামবিজ্ঞানৰ প্ৰবন্ধটো পঢ়ি শ্ৰেণীকোঠাৰ সেই প্ৰবন্ধটোলৈ মনত পৰিছে। এই বিষয়ৰ গভীৰ অধ্যয়নৰ বাবে সাৰুৱা ক্ষেত্ৰ এখন পৰি আছে।

প্ৰতিটো প্ৰবন্ধৰ ভিতৰচ'ৰাত প্ৰবেশ নকৰোঁ। পাঠক-পাঠিকাসকলে নিজে সোৱাদ ল'ব। বিদ্যায়তনিক দৃষ্টিভংগীৰে লিখা বাবে লেখিকাই নিজৰ বক্তব্যৰ ওপৰত গুৰুত্ব দিয়াতকৈ প্ৰতিষ্ঠিত লেখকসকলৰ চিন্তাধাৰাক একত্ৰিত কৰি তাৰে আধাৰত নিজৰ মন্তব্য প্ৰকাশ কৰিছে। সাহিত্য বিষয়ৰ প্ৰবন্ধবোৰৰ নামকৰণেই লেখিকাৰ অধ্যয়নৰ বিস্তৃতি দাঙি ধৰিব।

ড° বিনীতা বৰুৱাৰ এইখন প্ৰথম গ্ৰন্থ। প্ৰথম গ্ৰন্থখনতেই তেওঁ প্ৰতিভা আৰু আন্তৰিকতাৰ পৰিচয় দিছে। গ্ৰন্থ-জগতলৈ ন-লেখিকাগৰাকীক আমি আন্তৰিকতাৰে স্বাগতম জনাইছোঁ—তেওঁ যেন এই প্ৰচেষ্টা অব্যাহত ৰাখে। শুভকামনাৰে—

বাটচ'ৰা

হেৰুৱা সময় ঘূৰি নাহে। বহুদিনৰ আগতে মনতে এটা কথা পৰিকল্পনা কৰিছিলোঁ। পৰিকল্পিত কথাবোৰ বাস্তৱত পৰিণত হ'লে ভাল লাগে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি আমাৰ অতি আদৰৰ, চিৰ-চেনেহৰ। ছাত্ৰাৱস্থাৰ পৰাই ভাষা-সাহিত্যৰ প্ৰতি অন্তৰংগ আৰু শ্ৰদ্ধাশীল মনোভাব এটি গঢ় লৈ উঠাৰ বাবে ৰচনা, প্ৰবন্ধ আদি লিখিবলৈ যত্ন কৰি আহিছোঁ। সেই প্ৰবন্ধসমূহ মাজে-সময়ে আলোচনী বা গ্ৰন্থ-সংকলন আদিত প্ৰকাশিত হৈছে। অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ ক্ষেত্ৰত অংশগ্ৰহণ কৰাটো অন্যতম কৰ্তব্য বুলি ভাবিয়ে সেই প্ৰবন্ধসমূহক একত্ৰিত কৰি গ্ৰন্থৰূপ দিয়াৰ মানসেৰে এই 'প্ৰবন্ধ প্ৰপঞ্চ'।

সাহিত্য কলাৰ অন্যান্য বিভাগৰ দৰে প্ৰবন্ধও একপ্ৰকাৰ কলা। এই গ্ৰন্থত সন্নিবিষ্ট প্ৰবন্ধসমূহৰ বক্তব্য ঘাইকৈ নৈৰ্ব্যক্তিক। অৱশ্যে দুই-এটা প্ৰবন্ধত ব্যক্তিনিষ্ঠতাৰ স্পৰ্শ থাকিব পাৰে। ভিন ভিন সময়ত লিখা ভিন ভিন প্ৰবন্ধত সেই বিষয়বস্তু সম্পৰ্কে আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। ভাষা আৰু সাহিত্য দুয়োটা শাখাৰে প্ৰবন্ধ অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত বিষয়ক্ৰমত প্ৰথমতে ভাষাবিষয়ক, তাৰ পাছত সাহিত্য বিষয়ক প্ৰবন্ধসমূহ সজোৱা হৈছে। গ্ৰন্থখন প্ৰকাশৰ বেলিকা অজানিতভাৱে ভুল-ত্ৰুটি থাকি গ'লে ক্ষমা কৰি অভিজ্ঞ আৰু বিদ্বানজনে গঠনমূলক পৰামৰ্শ আগবঢ়ালে উৎসাহিত হোৱাৰ লগতে উপকৃত হ'ম।

এইখিনিতে গ্ৰন্থখনত উল্লিখিত প্ৰাসংগিক গ্ৰন্থলেখক-লেখিকাসকললৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। যি গৰাকী নমস্য ব্যক্তিৰ চিন্তা-সাধনাই মোক প্ৰেৰণা দি আহিছে, এই গ্ৰন্থৰ আগকথা লিখি শুভকামনা জনাইছে, সেইগৰাকী ড° ৰমেশ পাঠক ছাৰলৈ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে অনিতা পাঠক বাইদেউৰ অকুণ্ঠ মৰম, দিহা-পৰামৰ্শৰ বাবে শলাগ আৰু আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ।

শিল্পীমনৰ প্ৰতিভূ, ৰং তুলিকাৰ অনুৰাগী মনজিৎ ৰাজখোৱাই প্ৰচ্ছদপটটো অংকন কৰি গ্ৰন্থখন সজাই তোলাৰ বাবে সস্নেহ ধন্যবাদ জনালোঁ। আৰ্হিকাকত চোৱাৰ যি গুৰুদায়িত্ব সেয়া হিৰণ্য কুমাৰ বৰ্মণে একাগ্ৰতা আৰু নিষ্ঠাৰে পালন কৰিছে। তেওঁলৈ হিয়াভৰা ধন্যবাদ যাচিলোঁ। উৎসাহী প্ৰকাশক, মিছিছিপি প্ৰিন্টাৰ্চৰ স্বত্বাধিকাৰ গোপাল কুমাৰ বৰ্মনকে প্ৰমুখ্য কৰি অক্ষৰ বিন্যাসত নিয়োজিতসকললৈ এই চেগতে অশেষ ধন্যবাদ জনালোঁ। সময়ে সময়ে উৎসাহ-উদ্দীপনা আৰু সহযোগিতা আগবঢ়োৱা অগ্ৰজ-অনুজ সতীৰ্থবৃন্দ, ছাত্ৰ-ছাত্ৰী, পৰিয়ালৰ সদস্যসকললৈ কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ যাচিলোঁ।

পুনৰ মূল্যায়নে জন্ম দিয়ে নতুন সাহিত্য-চেতনা আৰু ন ন সৃষ্টিধৰ্মী সাহিত্যৰ। এই আশাৰে আৰু সহৃদয় পঢ়ুৱৈসকললৈ সাদৰ সম্ভাষণেৰে—

অধ্যাপক নিবাস, কটন কলেজ
দীঘলীপুখুৰীপাৰ (পূব), গুৱাহাটী-১

বিনীতা বৰুৱা
১৫ ফেব্ৰুৱাৰী, ২০০৬

বিষয়-ক্রম

১। অসমীয়া ভাষাৰ ঐতিহ্য আৰু পৰম্পৰাত বুৰঞ্জীৰ ভাষা — ০১

২। অসমীয়া ভাষাৰ ইতিহাস পৰ্য্যালোচনাত 'কথা-ৰামায়ণ'ৰ স্থান — ১০

৩। নামবিজ্ঞান ঃ অসমীয়া স্থানবাচক শব্দৰ উল্লেখসহ এটি সংক্ষিপ্ত আলোচনা — ২০

৪। সমাজ ভাষাবিজ্ঞানৰ চমু আভাস — ২৮

৫। শিৱসাগৰীয়া উপভাষাৰ বৈশিষ্ট্য — ৩৮

৬। অসমীয়া ভাষাত শ্বাসাঘাতৰ প্ৰয়োগ ঃ এটি আলোচনা — ৫৩

৭। লোকভাষা আৰু গালি-শপনিত প্ৰয়োগ হোৱা শব্দ — ৬৪

৮। দশমৰ 'গোপী-উদ্ধৱ সংবাদ' ঃ এটি অনুভৱ — ৭৪

৯। শঙ্কৰদেৱৰ সংগীত — ৭৮

১০। উনবিংশ শতিকা আৰু অসমৰ নাট্যচিন্তা — ৮৫

১১। ৰহস্যবাদ আৰু নলিনীবালা দেৱীৰ কবিতা — ৯৪

১২। দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা' — ১০০

১৩। ড° নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচনাত সমাজ চেতনা — ১০৭

১৪। প্ৰবচন ঃ পৰম্পৰা আৰু তাৎপৰ্য্য — ১১২

১৫। মহামায়া থান ঃ এটি বিহংগম দৃষ্টি — ১১৮

অসমীয়া ভাষাৰ ঐতিহ্য আৰু পৰম্পৰাত বুৰঞ্জীৰ ভাষা

থোৰতে ক'বলৈ হ'লে অতীত আৰু মানুহৰ মাজৰ যি অন্তহীন সংলাপ সিয়ে হৈছে বুৰঞ্জী আৰু মানুহ আৰু মানুহৰ কাৰ্য্যাৱলীয়েই হৈছে বুৰঞ্জীৰ বিষয়বস্তু। 'বুৰঞ্জী' শব্দটো টাইমূলীয় শব্দ।[১] পূৰ্বপুৰুষে তেওঁলোকৰ বংশধৰসকললৈ থৈ যোৱা কাকত-পত্ৰ তথা নথিপত্ৰবিলাকেই হ'ল বুৰঞ্জী য'ত ভৱিষ্যত বংশধৰসকলে পূৰ্বপুৰুষৰ কীৰ্তিকলাপৰ কথা জানি ভৱিষ্যত কাৰ্যপন্থা নিৰূপণ কৰিব পাৰে। দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ দেশসমূহত বুৰঞ্জী নতুবা বুৰঞ্জীৰ আৰ্হিৰ সাহিত্য ৰচনাৰ পৰম্পৰা আছে, কিন্তু প্ৰত্যেক দেশতে এই শ্ৰেণীৰ সাহিত্যৰ নাম সুকীয়া সুকীয়া। ইংৰাজী ভাষাত বুৰঞ্জীৰ সমাৰ্থক তিনিটা শব্দ আছে—History, Chronicle আৰু Annals; ড° সূৰ্য্যকুমাৰ ভূঞাই তুংখুঙীয়া বুৰঞ্জীক Chronicle of the Tungkhungia Dynasty আৰু পাদশাহ বুৰঞ্জীক Annals of the Delhi Badshahet বুলিছে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে বুৰঞ্জীৰ সমাৰ্থক হিচাপে History শব্দকেই গ্ৰহণ কৰিছে।

১২২৮ খ্ৰীষ্টাব্দত চুকাফাই সৌমাৰত প্ৰৱেশ কৰাৰ পাছৰ পৰাই দৰাচলতে অসমীয়া জাতিগঠন প্ৰক্ৰিয়া আৰম্ভ হয়। চুকাফাই সৌমাৰত প্ৰৱেশ কৰাৰ সময়তে লগত লৈ অহা পণ্ডিতসকলক সকলো কথা লিখি থ'বলৈ আদেশ দিছিল— "পাছে চুকাফাই বোলে যি মৰে, যি থাকে বাটে পথে যি কথা হয় লিখি থ'ব। খামজাঙৰ নাম থলে 'খ্ৰংমুং'। আহোঁতে বাটত ক'তো দহ, ক'তো বাৰ, ক'তো তিনি, ক'তো দুই, ক'তো এক এইক্ৰমে মানুহ লগ পাই তাকো হাত কৰি মোৰাই লৈ আহিল। সেই মানুহ ক'তো চুটীয়া, ক'তো মৰাণ, ক'তো বৰাহী। এই মানুহ বিস্তৰ হ'ল।"[২] এয়ে অসমলৈ অহা আহোমৰ বুৰঞ্জী ৰচনাৰ আৰম্ভণি।

১। গগৈ, লীলা ঃ "পু-লান-চি মূল শব্দৰ বু-লান্-চি, বু-লান্-জি, বুৰেণ্-জি শব্দই ৰূপ লৈছে।"
২। বৰবৰুৱা, হিতেশ্বৰ ঃ আহোমৰ দিন, পৃষ্ঠা-১৯

প্ৰথমে বুৰঞ্জীসমূহ টাই ভাষাতেই লিখা হৈছিল আৰু এই পৰম্পৰা ঊনবিংশ শতিকালৈকে ৰক্ষিত হৈছিল। কিন্তু যোড়শ শতিকাৰ পৰা পাছলৈ অসমীয়া ভাষাতো সমান্তৰালভাৱে বুৰঞ্জী লিখা হৈছিল। বুৰঞ্জী ৰচনাৰ দুটা পৰ্যায় পৰিলক্ষিত হয়— ৰাজকীয় আৰু ব্যক্তিগত। ৰজাঘৰীয়া সকলো ধৰণৰ বুৰঞ্জী, কাকত-পত্ৰ, বিচাৰৰ আদেশ আদি লিখি ৰাখিবৰ বাবে চিৰিং ফুকনৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছিল। ৰজাঘৰত লিখোৱা বুৰঞ্জীসমূহ যিহেতু ৰাজকীয় সম্পত্তি, সেইবাবে তাত লেখকৰ নাম উল্লেখ কৰা নাছিল। প্ৰণীত বুৰঞ্জীসমূহ গন্ধীয়া ভঁৰালত সংৰক্ষিত হৈছিল। দ্বিতীয় পৰ্যায় ব্যক্তিগত বা অন্য সূত্ৰৰ আধাৰত প্ৰণয়ন কৰিছিল। এতিয়ালৈকে উদ্ধাৰ হোৱা আৰু প্ৰকাশ হোৱা বুৰঞ্জীসমূহ এনেধৰণৰ— পুৰণি অসম বুৰঞ্জী, সাতশৰী অসম বুৰঞ্জী, তুংখুঙীয়া বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী আদি। ওচৰ-চুবুৰীয়া জাতিবিলাকৰ বুৰঞ্জীৰ ভিতৰত উল্লেখযোগ্য বুৰঞ্জীসমূহ হৈছে— কছাৰী বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, জয়ন্তীয়া বুৰঞ্জী, চুতীয়া বুৰঞ্জী, দাঁতিয়লীয়া বুৰঞ্জী, কামৰূপৰ বুৰঞ্জী, পাদশাহৰ বুৰঞ্জী, ঢকীয়ালৰ বুৰঞ্জী, কটকী বুৰঞ্জী আদি। তদুপৰি দেশত নিৰ্মাণ হোৱা দ'ল-দেৱালয়, পুখুৰী, কাৰেং, মৈদাম আদিৰ বিস্তৃত হিচাপৰ উল্লেখ থকা ৰজাৰ মুখ্য অভিযন্তাস্বৰূপ চাংৰুং ফুকনৰ বুৰঞ্জী উল্লেখযোগ্য।

অসম আৰু অসমীয়া জাতি গঢ়াত আহোমসকলৰ অৱদান যেনেদৰে অতুলনীয়, তেনেদৰে বুৰঞ্জী সাহিত্যও আহোমসকলৰ এক বহুমূলীয়া অৱদান। সামগ্ৰিকভাৱে ভাৰতবৰ্ষ বুৰঞ্জী সাহিত্যত অগ্ৰণী নহ'লেও মধ্যযুগীয় অসম এইক্ষেত্ৰত বৰ চহকী আৰু বাস্তৱিকতে বুৰঞ্জী সাহিত্যক লৈ গৌৰৱ কৰিব পাৰে। অসমৰ প্ৰাচীন বুৰঞ্জী সাহিত্য ভাৰতীয় ভাষাবিলাকৰ মাজত একক আৰু ঐতিহ্যময়।

প্ৰখ্যাত ভাষাতত্ত্ববিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে অসমৰ বুৰঞ্জী সম্পৰ্কে এনেদৰে মন্তব্য আগবঢ়াইছে আগবঢ়াইছে— "বুৰঞ্জী লিখাৰ ফলস্বৰূপে সংক্ষিপ্ত, শক্তিশালী আৰু অতিশয় বাস্তৱ চিত্ৰপূৰ্ণ গদ্যৰীতিৰ অসমীয়া ভাষাত বিকাশ সাধিত হয়। ভাব প্ৰকাশৰ এনে মনোমোহা ৰীতিৰ ওচৰ-চুবুৰীয়া বাংলা মৈথিলী ভাষাত বহু শতিকালৈকে নাছিল। প্ৰাচীন উড়িয়া, প্ৰাচীন ব্ৰজভাষা, প্ৰাচীন গুজৰাটী, প্ৰাচীন মাৰাঠী আৰু প্ৰাচীন পাঞ্জাৱী ভাষাৰ সৈতে তুলনা কৰিলে দেখা যায়— বুৰঞ্জীত থকা পূব অসমৰ গদ্য বহুত ওখ পাদপীঠত অৱতীৰ্ণ হৈ আছে। বুৰঞ্জীৰ গদ্যৰীতিও সম্পূৰ্ণ পৃথক আৰু বৈশিষ্ট্যপূৰ্ণ এই দেশজ ৰীতি তেজাল আৰু স্বাদযুক্ত। এই ৰীতিত মানুহৰ কথিত ভাষা প্ৰতিফলিত হৈছে আৰু ই একেবাৰে সৰল আৰু পোনপটীয়া। ভাৰতত

লিখা পাশ্চিয়ান ঐতিহাসিকৰ মনোমোহা অলংকাৰযুক্ত ৰীতিত লিখা বুৰঞ্জীতকৈ আহোমসকলৰ বুৰঞ্জী লিখা ৰীতিত কোনো ঠাইত তাৰ বৈপৰীত্য দেখা যায়। ভাৰতীয় আৰ্য্যভাষাসমূহে অৱশেষত আহোমৰ পৰা গ্ৰহণ কৰা বুৰঞ্জী লিখাৰ এই ৰীতি আহোমসকলৰ এক মহৎ অৱদান।[৩]

প্ৰতিটো যুগতে ভাষা-সাহিত্যই বেলেগ বেলেগ সাজ গ্ৰহণ কৰা আমি সাহিত্যৰ বুৰঞ্জীত পাওঁ। মধ্যযুগত আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত অসমীয়া ভাষাই নানাধৰণৰ বুৰঞ্জী আৰু বিবিধ বিষয়ক পুথিত ব্যৱহৃত হৈ নতুনকৈ জীপ পাই উঠে। প্ৰকৃতপক্ষে আহোমসকলৰ ৰাজত্বকালত ৰচনা কৰা বুৰঞ্জীসমূহৰ ভাষাই অসমীয়া ভাষাৰ বিকাশত এক নৱ দিশৰ সন্ধান দিয়ে। অসমীয়া ভাষাৰ ঐতিহ্য আৰু পৰম্পৰাও বহন কৰে বুৰঞ্জীৰ ভাষাই। প্ৰাচীন অসমীয়া ভাষাৰ পৰা সুদীৰ্ঘ সময়ৰ ব্যৱধানত মধ্যযুগৰ অসমীয়া ভাষাই কেনে গঢ় লৈছিল, তাৰ নিদৰ্শন বুৰঞ্জী সাহিত্যই দাঙি ধৰে। বুৰঞ্জীসমূহৰ বিষয়বস্তুৰ কাৰণেই হওক বা সময়ৰ ব্যৱধানৰ বাবেই হওক, বুৰঞ্জীৰ ভাষা স্বাধীন। বুৰঞ্জীৰ ভাষাই প্ৰাচীন অসমীয়া ভাষাৰ ৰীতিৰ পৰা কোনো কোনো ক্ষেত্ৰত ফালৰি কাটি আহি ব্যৱহাৰিক অসমীয়া ভাষাৰ নতুন ৰূপ এটি প্ৰৱৰ্তন কৰিলে।

বুৰঞ্জী ৰচনাৰ দুটা দিশ সাধাৰণতে বৰ্তমান— ক্ৰিয়াত্মক (Functional) আৰু কাব্যিক (Poetic)। কাব্যিক দিশটোৰ বাবে বুৰঞ্জীসমূহক সাহিত্যৰ শাৰীত স্থান দিব পাৰি। বুৰঞ্জীত এষাৰ কথা আছে—"মই কাঠৰ গড় বান্ধিম পচিব, মাটিৰ গড় বান্ধিম খহিব, মই কথাৰ গড় বান্ধি দিছো প্ৰাণ পৰিভোগী হ'ব।" দৰাচলতে বুৰঞ্জীসমূহ অসমীয়া গদ্য সাহিত্য আৰু কথা সাহিত্যৰ অনুপম স্বাক্ষৰ। মধ্যযুগৰ অসম তথা অসমীয়া সমাজৰ সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক, প্ৰশাসনীয় আদি অনেক কথা নিৰ্ভীক আৰু অকপটভাৱেই উল্লেখ কৰিছে বুৰঞ্জীসমূহত।

বুৰঞ্জীসমূহ উজনি অসমৰ কথিত ভাষাত লিখিত। ইয়াৰ ভাষা নিভাজ ঘৰুৱা অৰ্থাৎ কোনো কৃত্ৰিমতা নাই। যিহেতু বুৰঞ্জীসমূহ কথিত ভাষাত ৰচিত, সেয়ে ইয়াৰ ভাষা লয়যুক্ত বা বিশিষ্ট ৰীতি অনুসৰি গতানুগতিক নহয়। এই বুৰঞ্জীসমূহৰ শৈলী সম্পৰ্কে ড° সূৰ্য্যকুমাৰ ভূঞাই এনেদৰে লিখিছে—"In the process of conserving the deeds of the people with a remarkable touch of realism, the Buranjis have become endowed with human interest instead of being dry-as dust chronicle of court enents."[৪]

৩। চট্টোপাধ্যায়, সুনীতিকুমাৰ : 'অসম আৰু ভাৰত' নামৰ প্ৰবন্ধ (নগেন শইকীয়া অনূদিত) : অসমীয়া সংস্কৃতি, পৃষ্ঠা ২৭৪

৪। ভূঞা, সূৰ্য্যকুমাৰ, Studies in Literature of Assam, পৃষ্ঠা ৩৫

বুৰঞ্জী লেখকসকলে বিষয়বস্তু অনুসৰি গদ্যশৈলী উপযোগীকৈ গঢ় দিছে। প্ৰসংগ সংগতি ৰাখি শুদ্ধ আৰু সংগত ভংগী প্ৰয়োগ কৰিছে। ৰাজপৰিয়ালৰ ঘৰুৱা বৃত্তান্ত থকা বুৰঞ্জীসমূহত ভাবপ্ৰবণতা আৰু অত্যধিক বাক্য অলংকাৰৰ প্ৰয়োগ নাই। বিভিন্ন বুৰঞ্জীৰ বিষয় আৰু পৰিস্থিতি ভেদে ভিন ভিন ভংগীৰ ভাষা ব্যৱহাৰ হোৱা দেখা যায়। কোনো ৰাজ্যৰ ধৰ্ম, সমাজ আৰু ৰাজনৈতিক অৱস্থাৰ বিৱৰণ দিওঁতে বুৰঞ্জী লেখকসকলে বস্তুনিষ্ঠ দৃষ্টিভংগী গ্ৰহণ কৰিছে। ফলত সুষম, তথ্যগত আৰু প্ৰাঞ্জল গদ্য প্ৰতিফলিত হৈছে।

সমসাময়িক সমাজৰ কথ্য ভাষাৰ পৰিচয় দিয়া বুৰঞ্জীৰ ভাষা সম্পৰ্কে ভাষাতত্ত্বৰ মাজেৰে বিচাৰ কৰি চোৱাৰ প্ৰাসংগিকতা নুই কৰিব নোৱাৰি। ইয়াৰ ভাষাৰ সম্যক অধ্যয়ন কৰিবলৈ হ'লে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব আৰু শব্দমালা— এই আটাইকেইটা দিশৰে বিশ্লেষণ আগবঢ়োৱা যুগুত হ'ব।

ধ্বনিতত্ত্ব ঃ ধ্বনিতত্ত্বৰ দৃষ্টিৰে চালে বুৰঞ্জীৰ ভাষাত সংস্কৃত আৰু মান্য অসমীয়া ভাষাৰ ধ্বনি কিছুমানৰ বিশেষভাবে পৰিৱৰ্তন হোৱা দেখা যায়। উদাহৰণ—

(ক) ক্ষ>খ ঃ পৰীক্ষিত/পৰীখিত/, দক্ষিণ>দখিন ক্ষমা>খেমা

খ>গ ঃ বৈশাখ/বৈশাগ/বৈহাগ

ঙ>ঙ্গ ঃ ডাঙ্গৰিয়া, ভাঙ্গিলে, দবঙ্গি, মৰঙ্গি, নামভাঙ্গ

ব>হ ঃ শেহ, দোহী, বৰ্লভৱৰেহু

স>খ ঃ প্ৰখন, তুলেখী

চ>স ঃ সাম, বৎসৰি

জ>ঝ ঃ যুঝ, বুঝুৰা হাৰিক, ঝোটাপুতিকৈ, ঝোত

ষ্ণ>ষ্ট ঃ বিষ্টো

(খ) বুৰঞ্জীৰ ভাষাত মান্য অসমীয়াত হোৱা নিম্ন স্বৰধ্বনিৰ ঠাইত উচ্চস্বৰ ধ্বনি কোনো ক্ষেত্ৰত প্ৰয়োগ হোৱা দেখা যায়। এনেকুৱা প্ৰয়োগ কামৰূপী উপভাষাতো পোৱা যায়। উদাহৰণ—

তিৰতা/তিৰুতা/তিৰোতা

তাম্বুল কাম (তাম্বুল) মান্য অস. তামোল

ভুৰ/ভোৰ

সুধা, মান্য অস. সোধা

সাজিছি, কাম সাজিছি, মান্য অস. সাজিছে ইত্যাদি

(গ) অসমীয়া ভাষাত ব্যৱহৃত য় আৰু ৱ শ্ৰুতিধ্বনিৰ সলনি বুৰঞ্জীসমূহত ঠায়ে ঠায়ে এ আৰু আ প্ৰয়োগ হৈছে। উদাহৰণ—

জীএকে. মান্য অস. জীয়েকে

ঘৰিনীএকৰ, মান্য অস. ঘৈণীয়েকৰ

ভনীয়েক

দিএ, মান্য অস. দিয়ে

নোআৰো, মান্য অস, নোৱাৰোঁ ইত্যাদি।

বুৰঞ্জীৰ ভাষাত লিপিবদ্ধ প্ৰাচীন অসমীয়া ভাষাৰ ৰূপ কিছুমান এনেধৰণৰ—

কুমৰে, কহিলয়, কৈক, কৈত, স্বস্থানে, পুস্কৰিণী, বাৰ্তাজনাই, পাঞ্চিল, ৰাজাৰ আজ্ঞাএ, মঞিও, তাঞিও, চাহন্তে, লৈবাক, পদপঞ্চক, প্ৰদীপ নৈবেদ্য, দৈবেসে, কেমনে, যেমনে ইত্যাদি।

বুৰঞ্জীৰ ভাষাত পশ্চিম অসমৰ ভাষাৰ ব্যৱহাৰ যথেষ্ট পৰিমাণে আছে। উদাহৰণ—

ৰাজা, মহাৰাজাত, গাচ, একদিন লোম, সামৰা, হৈবেক, খাবাক, হাথী-ঘোঁৰা, সোণা, পাখি, ৰাতাৰাতি এনেখান নকৰিবা, তাঞিৰ বেটীক আমাথেৰ ইন্দ্ৰভানু বেটাক লাগি দিয়ক, লোক-লস্কৰ সকলো খাৰাপ গেল, গোসাঁইলৈ সেৱা কৰি ফিৰি আপোনাৰ থানক আহিল, দুই ভাই ৰণক যাওঁ, কি লাগে কক ইত্যাদি।

বুৰঞ্জীৰ ভাষাত পৰিদৃষ্ট ৰূপতত্ত্বমূলক বিশেষত্বসমূহ হৈছে—

(ক) পাঁচনি ধাতু আৰু নাম ধাতুৰ ব্যৱহাৰ : বুৰঞ্জীৰ ভাষাত পাঁচনি ধাতু আৰু নাম ধাতুৰ ব্যৱহাৰ প্ৰচুৰ পৰিমাণে হৈছে আৰু এই ধাতুবোৰত আ, ইয়া আৰু উৱা প্ৰত্যয় ব্যৱহাৰ হৈছে। উদাহৰণ—

ডাবি>ডবি আ, ডৰিয়া (ডবিয়ালে)

মৰ্>মৰ-আ, মৰা (মৰালে)

বান্ধ>বন্ধ-আ, বন্ধা (বন্ধালে)

কাঢ়>কঢ়-আ, কঢ়া (কঢ়ালে)

(খ) বহুবচনাত্মক প্ৰত্যয়ৰ ব্যৱহাৰ : ভুৰ/ভোৰ/বোৰ : সকলো ভুৰ, ইভোৰ, ইভোৰ, ইবোৰ, সিভোৰ বোলাক/বিলাক : ইবোলাক, সিবিলাক

হঁত/হেঁত/হঁক : কটকীহঁতক, তাক দিয়াহঁক

সকল : মহাজনসকলক, এইসকলে আলচ কৰি, প্ৰাণীসকল ভাগি গৈয়া

লোক ঃ চাহাবলোকে আৱশ্যক অনুগ্ৰহ কৰিব।

(গ) **নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ**

জন/জনা/জনী ঃ ২জনা গোসাঁই, তিনিজনা ডাঙৰীয়া

খন/খান/খনি ঃ পামক ২খান, চাৰিখনি পাট, কটাৰী দুখান তামোলখন

পাট ঃ যাঠি এপাট

গছ ঃ এগছ আঁৰিয়া, ৬গছ প্ৰদীপ

পূৰা ঃ কমাৰকছি গ্ৰামত ১২ পূৰা, আঠপৰীয়াৰ ১ পূৰা

ভাৰ ঃ ধুনা ৫০০ ভাৰ

ধাৰ ঃ মালা তিনি ধাৰ

গোটা ঃ পঞ্চাগোটা ঘট

সোঁটা ঃ ভৃঙ্গাৰ সোটা থৈ বাওঁ

ডাল ঃ খৰিকাডাল

চলু ঃ পানীচলু

(ঘ) **অনিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ**

চাৰিয়েক ঃ দিনচাৰিয়েক

চেৰেক ঃ গোটাচেৰেক

মান ঃ মানুহ ১৫০০ মান, সোৱাৰ ২০ মান

(ঙ) **বুৰঞ্জীত পোৱা ক্ৰিয়াৰূপ কিছুমান এনেধৰণৰ ঃ**

১। ধৰিলে, বুলিলে, আহিল, আহিছিলি, নিলে, কাটিলে, মৰিছিল, মৰিল, খুজিলে, নিয়ালে, পিন্ধিছিলোঁ, গ'ল।

২। আহিবি, জানিব, পাৰিব, পঠাবি, থাকিবি, কৰিব, হ'ব, আহিব, কৰিম

৩। জানে, আছে, দিছে, পাৰে, সোমায়, পাওঁ, থয়, কৰে, বহে আনে

৪। কৰোঁ, শুনিছোঁ, আছোঁ, পাইছোঁ

(চ) **নাস্ত্যৰ্থক ক্ৰিয়াৰূপ ঃ**

নালাগে/নেলাগে, নাজানে/নেজানে, নাথাকে/নোবোলে, নকৰে, নেদিলি/নিদিলি

(ছ) **তুমুনন্ত ক্ৰিয়াৰূপ ঃ**

বন্দী কৰি থব দিলে, মাৰিব দিলে, কোকিল হৈবাক খোজে, ডেৰ লক্ষ দিবলৈ, মোট খেলিবলৈ, চাবলৈ

(জ) কৃদন্ত ৰূপ ঃ

ওলাওঁতে, চৰাই উৰুৱাই নগৰলৈ আহোঁতে, যুমাই থাকোঁতে, এৰাই লৰ মাৰোঁতে

বুৰঞ্জীসমূহৰ বাক্যৰীতিও যথেষ্ট আকৰ্ষণীয়। অৱশ্যে কেইটামান স্বকীয় বচনভংগী পৰিলক্ষিত হয় বৰ সঘনে। এনে প্ৰকাশভংগীৰ ভিতৰত 'পাছে' (এতিয়া অৰ্থত) আৰু ও (আৰু অৰ্থত)ৰ সঘন প্ৰয়োগ মন কৰিবলগীয়া।

বুৰঞ্জী লেখকসকলে ধৰ্মীয় উল্লেখ, ব্যৱহাৰিক ক্ষেত্ৰত বাস্তৱ পৰ্যবেক্ষণ আদিৰ সহায়ত বৰ্ণনীয় বিষয়বস্তু সৰস কৰি তুলিছে। বৰ্ণনীয় বিষয়ক নাটকীয় গুণসম্পন্ন কৰি তোলাও দেখা গৈছে। কথা আৰু বিবৃতিবোৰে কওঁতাসকলৰ ব্যক্তিত্ব আৰু ৰাজনৈতিক-কূটনৈতিক মনোভাব বুজাত সহায়ক হৈছে। বুৰঞ্জীত পোৱা বাক্যৰীতিৰ নিদৰ্শন দাঙি ধৰা হ'ল—

"বায়সে কেহিনি কোকিল হৈবাক খোজে, ৰাজহংসে কেহিনি ঘৰ চৰাইৰ গমনক লভে? সিটো ওঘেৰা ৰাজা হয় জগন্নাথৰ সেৱক, তথাচো মোৰ সমান নহয়।"

"গুণী গায়নেও তালে খোলে ছংকীৰ্তনৰ ধাৰণে গীত গাইছিলে। হাতীৰ ওপৰত খাট-জতীয়া কৰি চাৰিখনি পাট দিছিলে...।"

"সিও ৰজা হ'ল। সি অপুত্ৰক। তাৰ মাক-বাপেক কেও নাই। মোৰ ভাগৰ লাগিছে মই জিৰাও। আমালৈ কন্যা দি মিত্ৰ কৰক তুমি দুখ নকৰিবা। মই সোণৰ বিড়ালী গঢ়াই দিম...।"

"সকলোৰে ল'ৰালুৰি নামৰূপত পাতিলে নি। তাঞ্ৰো এক প্ৰতাপী ৰজা। তাঞ্ৰিৰ লগে প্ৰীতি কৰিবাক ইচ্ছা কৰো।"

বুৰঞ্জী লিখকসকলে বহুতো যোজনা, পটন্তৰ, প্ৰবচন, ফকৰা-যোজনা আৰু গভীৰ তত্ত্বমূলক জ্ঞান-পাণ্ডিত্যৰ পৰিচায়ক খণ্ডবাক্য আদি ৰচনা কৰিছিল। এনে যোজনা, পটন্তৰ কিছুমান তলত উল্লেখ কৰা হ'ল—

বাৰীৰ চুকৰ পুখুৰী এটা সিঁচিলেও দুই-চাৰিটা শিঙিয়ে ফুটে,
পিঠি দিলে হাতী পৰ্বতকো নেদেখি
তিতা গছৰ আগো তিতা গুৰিও তিতা
নৈৰ বন নাই খানে আৰু পাতে
বিষয়াৰ বন নাই পাতে আৰু ভাঙে।
বেটীয়ে ভাংগিলে কটৰা, গড়গাঁও পালেগৈ বতৰা
ফুলৰ ভাল পদুম, ৰজাৰ ভাল খাটাং হুকুম
বৰা ঘৰৰ তৰা গাঁঠি, বৰা থাকিব কেইৰাতি

এইদৰে অসংখ্য যোজনা, পটন্তৰে অসমীয়া সাহিত্য সমৃদ্ধ কৰি ৰাখিছে।

বুৰঞ্জীসমূহত সংস্কৃত আৰু অসমীয়া ভাষাত লিখা পত্ৰ সম্বন্ধীয় গদ্যৰ আৰ্হি পোৱা যায়। আহোম ৰজা আৰু আন আন ওচৰচুবুৰীয়া ৰাজ্যৰ মাজত আদান-প্ৰদান কৰা চিঠি-পত্ৰবোৰ ভিন ভিন বুৰঞ্জীত যথাযথ ৰূপত উদ্ধৃত কৰা হৈছে।

ভাষাৰ প্ৰকাশিকা শক্তি বৃদ্ধি কৰে শব্দই। শব্দমালাৰ দৃষ্টিৰে চালে বুৰঞ্জীৰ ভাষাত বিবিধ শব্দৰ পয়োভৰ দেখা যায়। বুৰঞ্জীত বিবিধ শব্দৰ বিশেষকৈ তৎসম, অৰ্ধতৎসম, তদ্ভৱ, দেশী-বিদেশী শব্দৰ উপৰি আহোম আৰু আন জনজাতীয় ভাষাৰ শব্দৰ প্ৰাচুৰ্য দেখা গৈছে। "আহোমসকল ভাষাৰ ক্ষেত্ৰত বৰ উদাৰ আছিল। বুৰঞ্জীৰ চিঠি-পত্ৰবোৰ চালেই এই কথাৰ প্ৰমাণ পোৱা যাব। আহোম ৰজাই যাঁলৈ চিঠি লিখে, তেওঁলোকৰ ভাষাৰ শব্দ সাধাৰণতে চিঠিত প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰে। বুৰঞ্জীৰ মতে, আহোম ৰজাৰ খাচি, গাৰো, আদি, খামটি, নগা আদি ৰজাৰ সৈতে খুব ভাল সম্পৰ্ক আছিল আৰু প্ৰয়োজন হ'লে এওঁলোকৰ পৰা সৈন্য সংগ্ৰহো কৰিছিল। এনে যোগাযোগৰ জৰিয়তেও নিশ্চয় বহু শব্দ আমাৰ ভাষালৈ আহিছে।"[৫]

বুৰঞ্জীত উদ্ধৃত ৰজাঘৰীয়া পত্ৰবোৰত, সন্ধি বা চুক্তি আদিত ৰাজ্যৰ দাঁতি-কাষৰীয়া লোকসকলৰ শব্দ ব্যৱহাৰ হোৱাৰ উপৰি আৰবী, পাৰ্চী আৰু হিন্দী শব্দও সোমাইছে। কিয়নো যুদ্ধ-বিগ্ৰহৰ কাৰণে ভাৰতৰ ভিন ভিন সম্ৰাটৰ সৈন্য-সামন্তৰ লগত আহোমৰ যোগাযোগ ঘটিছিল, সংস্পৰ্শলৈ আহিছিল। শব্দমালাৰ তালিকা—

(ক) **তৎসম শব্দ** ঃ শুক্ল, দুগ্ধ, ঘৃত, পুত্ৰ, বৈদ্য, দৈৱজ্ঞ, সৰ্প, ৰাত্ৰি, সৰ্বত্ৰ, ব্ৰাহ্মণ, মনুষ্য, ভাৰ্যা, শূদ্ৰ, খঞ্জৰ, স্বপ্ন, হস্ত, মুণ্ড, বৎস ইত্যাদি।

(খ) **অৰ্ধতৎসম শব্দ** ঃ জীউ, দৰশন, শুকুলা, মুকুতা, কিৰিষি, তৃপিতি, বৰিষণ, ঘৰিণী ইত্যাদি।

(গ) **তদ্ভৱ শব্দ** ঃ লোণ, মাহ, চাউল, হাতী, ঘোঁৰা, গৰু, ম'হ, গাহৰি, সোণা, আঙঠি, খৰিছা, কপাহ, কেৰেলা, আম, কঁঠাল ইত্যাদি।

(ঘ) **বিদেশী শব্দ** ঃ জামা, জবাব, কবুল, খুচি, বানাছ, হমেছা, তাছ, গোলাম, চৰ্দাৰ, নগদ, খাৰা, বক্‌চিচ, কাপ্তান, পল্টং, খাজনা ইত্যাদি।

ইয়াৰ উপৰি সম্বন্ধ বুজোৱা শব্দ, প্ৰতিধ্বন্যাত্মক শব্দ, সংযুক্ত শব্দ, ক্ৰিয়া-বিশেষণাত্মক শব্দ আদিৰ মিশ্ৰণ ঘটা দেখা যায়। নদী বুজোৱা শব্দ, স্থানবাচক শব্দ কিছুমান বুৰঞ্জীসমূহত পোৱা যায়। দেওধাই বুৰঞ্জীত পোৱা যায়—"তিপাম নামৰূপ

৫। পাঠক, ৰমেশ ঃ 'অসমীয়া শব্দভাণ্ডাৰ ঃ মূল নিৰ্ণয়ৰ সমস্যা' প্ৰবন্ধ

উত্তৰ দক্ষিণ ৰাজ চাই ফুৰি যাব তেনে ভাব তেনে নাও থয়।"

উপৰিউক্ত আলোচনাৰ পৰা এটা কথাই মনলৈ আহে যে অসমীয়া ভাষাৰ ইতিহাসত "আহোম যুগৰ অসমীয়া ভাষাটো এটা সমন্বয়ৰ ভাষা। ইয়াত পশ্চিম অসমৰ ভাষা, পূব অসমৰ ভাষা, প্ৰাচীন অসমীয়া ভাষা, আহোম ভাষা, আন থলুৱা জনজাতীয় ভাষা আদি নানা ভাষাৰ উপাদান সন্নিবিষ্ট হৈছে।"[৬]

বহুকালজুৰি পূব অসমৰ শিৱসাগৰৰ ভাষাটোৱে এক সুকীয়া গঢ় লোৱাৰ এটা স্পষ্ট ইংগিত বুৰঞ্জীৰ ভাষাৰ যোগেদি আমি পাওঁ। বুৰঞ্জীসমূহৰ উপৰি আন বিবিধ বিষয়ৰ পুথিৰ ভাষাও বুৰঞ্জীৰ গদ্যৰ দৰে একে পৰম্পৰাতে ৰচিত হৈছে। হস্তীবিদ্যাৰ্ণৱ, ঘোঁৰা নিদান, কামৰত্নতন্ত্ৰ, নীতি-লতাঙ্কুৰ আদি পুথি শব্দযোজনা আৰু ৰচনাবিন্যাসৰ ফালৰ পৰা বুৰঞ্জীৰ গদ্যৰ দৰে কথ্য ভাষাৰ বেছি ওচৰ চপা বুলিব পাৰি।

উনবিংশ শতিকাত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে মিছনেৰীসকলে শিৱসাগৰত ছপাশাল পাতি খ্ৰীষ্টান ধৰ্ম বিষয়ক পুথি, অন্যান্য পুথি আৰু বাইবেলৰ সাধুবোৰ যেতিয়া প্ৰচাৰ কৰিবলৈ লৈছিল, তেতিয়া তেওঁলোকে বুৰঞ্জীৰ গদ্যকেই আৰ্হি স্বৰূপে গ্ৰহণ কৰিছিল। শিৱসাগৰৰ কথিত ভাষাটোৰ ভেটিতে অসমীয়া ভাষাটোত নানান পুথি, প্ৰচাৰ পুস্তিকা আদি প্ৰকাশ কৰি মিছনেৰীসকলে আধুনিক অসমীয়া ভাষাৰ শুভাৰম্ভ কৰে। এইদৰে বুৰঞ্জীৰ মাধ্যম পূব অসমৰ কথ্যভাষা মান্য ভাষাৰ শাৰীলৈ উন্নীত হৈ পৰে। বুৰঞ্জীৰ ভাষাৰ প্ৰবাহিত সোঁতটোত মিছনেৰীসকলৰ উদ্যোগত যি নতুন গদ্যধাৰাৰ প্ৰবৰ্তন হ'ল, উনবিংশ শতিকাৰ শেষৰ পৰ্যায়ত জোনাকী যুগত অসমীয়া ভাষা-সাহিত্যৰ স্বনামধন্য লেখকসকলৰ একান্ত সক্ৰিয় সহযোগত সেই গদ্যধাৰাই সুসংহত আৰু সুনিৰ্দিষ্ট ৰূপ পৰিগ্ৰহণ কৰিলে। ❑

৬। গোস্বামী, উপেন্দ্ৰনাথ ঃ মধ্যযুগীয় অসমীয়া ভাষা ঃ বুৰঞ্জীৰ ভাষা।

অসমীয়া ভাষাৰ ইতিহাস পৰ্য্যালোচনাত 'কথা-ৰামায়ণ'ৰ স্থান

কোনো এটা ভাষাৰ গদ্যৰ বিকশিত স্বৰূপ সম্বন্ধে পৰিচয় দিবলৈ হ'লে বৰ্তমানৰ পৰা অতীতৰ দিনবোৰলৈ ঘূৰি চোৱাৰ প্ৰয়োজন হয়। কথিত ভাষা যিদৰে পৰিবৰ্তনশীল, সেইদৰে লিখিত ভাষাৰ শৈলী (*Style*)ও পৰিবৰ্তনশীল। পৰিস্থিতি, পৰিৱেশ, স্থান-কাল ভেদে ভাষাৰ শৈলীৰ পৰিবৰ্তন ঘটে। আজিৰ অসমীয়া ভাষা বিগত দিনৰ অসমীয়া ভাষাতকৈ নিশ্চয় পৃথক। এইক্ষেত্ৰত অসমীয়া ভাষাৰ ইতিহাস পৰ্য্যালোচনাত অষ্টাদশ শতিকাত ৰচিত ৰঘুনাথ মহন্তৰ 'কথা-ৰামায়ণ'ৰ শৈলীৰ এক সুকীয়া তাৎপৰ্য্য আছে। সমসাময়িক কালত গদ্যত ৰচিত ৰামায়ণী পুথি হিচাপে অসমীয়া ভাষাৰ বিকাশৰ দৃষ্টিকোণৰ পৰা 'কথা-ৰামায়ণ' গুৰুত্বপূৰ্ণ।

অকল অসমীয়া ভাষাতে নহয়, ভাৰতৰ আন আন প্ৰাদেশিক ভাষাতো গদ্যৰ মাধ্যমত ৰচনা কৰা প্ৰাচীন ৰামায়ণ বিৰল। "দেৱ বিজয়গনিন নামৰ এজন জৈন লেখকে ১৫৯৬ খ্ৰীষ্টাব্দত 'ৰামচৰিত্ৰ' নামেৰে ৰাম সম্বন্ধীয় গদ্যপুথি প্ৰাকৃত ভাষাত ৰচনা কৰে। গদ্য ৰামায়ণ স্বৰূপে বোধহয় ভাৰতীয় সাহিত্যত এইখনেই প্ৰথম। কিন্তু আধুনিক প্ৰাদেশিক ভাষাত কথা-ৰামায়ণেই প্ৰাচীনতম।"[১] দৰাচলতে অসমীয়া কথা-সাহিত্য সুপ্ৰাচীন আৰু সমৃদ্ধিময়। মানুহৰ দৈনন্দিন কথা-বতৰা আলোচনাৰ বাবে উপযুক্ত মাধ্যম হৈছে গদ্য। সংস্কৃত গদ্ ধাতুৰ লগত যৎ প্ৰত্যয় লগ লাগি গদ্য শব্দ সাধিত হৈছে যাৰ অৰ্থ 'উক্তি'। কোনো বিশেষ ভাব-অনুভূতিক সুসংহত ৰূপত প্ৰকাশ কৰাটোৱে ইয়াৰ উদ্দেশ্য। প্ৰকৃতিৰ ফালৰ পৰা গদ্যক প্ৰধানকৈ তিনিটা ভাগত ভগোৱা হয়— (১) বিবৃতিমূলক, (২) চিন্তাশীল বা মননশীল আৰু (৩) ৰসাশ্ৰয়ী গদ্য। সাহিত্যৰ বুৰঞ্জীত গদ্যতকৈ পদ্যৰ জন্ম পোনপ্ৰথম। অসমীয়া সাহিত্যৰো আদি যুগ পদ্যপ্ৰধান

---

১. মহন্ত, ৰঘুনাথ, কথা-ৰামায়ণ, সম্পা : সত্যেন্দ্ৰ নাথ শৰ্মা

আছিল, আনকি কবিতাৰ উপৰি জ্যোতিষ, নিদান, গণিত আদি বিষয়তো ছন্দৰ প্ৰয়োগ হৈছিল। মহাপুৰুষ শঙ্কৰদেৱেই গতানুগতিক পদ্যৰ ভাষাৰ পৰা আঁতৰি আহি অংকীয়া নাটৰ জৰিয়তে প্ৰথম গদ্যৰ ৰূপ দিলে। তাৰপাছত অসমীয়া গদ্যক পোনপটীয়াকৈ সাহিত্য ৰচনাত ব্যৱহাৰ কৰে ভট্টদেৱে, অৰ্থাৎ বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যৰ হাতত অসমীয়া গদ্য শৈলীৰ বান্ধোন দৃঢ় হৈ জীপাল হৈ উঠিবলৈ উপক্ৰম হয়। ভট্টদেৱৰ গদ্যৰ ৰচনা-ৰীতিৰ আৰ্হিত সমসাময়িক বহুকেইজন পণ্ডিতে সংস্কৃত পুথি অসমীয়া ভাষালৈ গদ্য মাধ্যমত অনুবাদ কৰে। অকল ধৰ্ম সম্বন্ধীয় পুথিয়েই নহয়, ব্যৱহাৰিক জ্ঞানৰ পুথিও গদ্যত লিখা হৈছিল।

গদ্য সাহিত্যৰ উৎকৰ্ষ আৰু উন্নতিৰ বাবে অসমীয়া ভাষাৰ ইতিহাসত মধ্যযুগ অত্যন্ত প্ৰেৰণাদায়ক আছিল। অসমীয়া ভাষাৰ মধ্যযুগ বুলিলে সপ্তদশ শতিকাৰ পৰা ব্ৰিটিছ ৰাজত্বৰ আৰম্ভণিলৈকে ৰচিত সাহিত্যৰাজিৰ ভাষাক অন্তৰ্ভুক্ত কৰিব লাগিব। এই যুগ বৈষ্ণৱ ধৰ্ম আৰু সত্ৰ অনুষ্ঠানৰ বিস্তৃতিৰো যুগ। সত্ৰত ৰচিত চৰিত পুথিসমূহত বিশাল ব্ৰহ্মপুত্ৰ উপত্যকা, কোচবেহাৰকে আদি কৰি জনজাতীয় পাহাৰ-ভৈয়াম অঞ্চললৈকে ধৰ্মপ্ৰচাৰৰ সামাজিক, সাংস্কৃতিক ইতিহাস সম্বলিত গদ্যৰ নিদৰ্শন পোৱা যায়। আনহাতে আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত ৰাজকীয় পৰিৱেশত অসমীয়া গদ্যই বুৰঞ্জী সাহিত্যৰ লগতে নানা বিষয়ত প্ৰসাৰতা লাভ কৰে। সেই পঞ্চদশ-ষোড়শ শতিকাৰ পৰা অষ্টাদশ শতিকালৈকে অসমীয়া ভাষাই স্তৰে স্তৰে সবলতামুখী ৰূপ গ্ৰহণ কৰিছিল আৰু সুকীয়া বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ উঠিছিল।

মন কৰিবলগীয়া যে ৰঘুনাথ মহন্তৰ 'কথা-ৰামায়ণ' বৈষ্ণৱ ধৰ্মপ্ৰধান পুথি। ভাৰতীয় প্ৰান্তীয় ভাষাসমূহে স্বতন্ত্ৰ ৰূপ লোৱা আৰু নৱবৈষ্ণৱ আন্দোলন আৰম্ভ হোৱাৰ পূৰ্বেই ঐশ্বৰিক গুণসমৃদ্ধ ৰামৰ চৰিত্ৰক বিষ্ণু অৱতাৰৰ শাৰীত স্থান দিয়া হৈছে। নৱবৈষ্ণৱ আন্দোলন জাগ্ৰত আৰু প্ৰসাৰৰ সময়ত জনমানসত ৰামভক্তি পথকো বৈষ্ণৱ সম্প্ৰদায়ে ভক্তিমাৰ্গৰ অন্তৰ্ভুক্ত কৰাত ৰাম সম্বন্ধীয় আখ্যান-উপাখ্যানসমূহ সমাদৃত হ'বলৈ ধৰে। আচলতে ৰাম সম্বন্ধীয় কাহিনীসমূহ জনসমাজত মৌখিকভাৱে আৰু পাছত লিখিত ৰূপত ক্ৰমাবেশ হৈ আছিল। এই কথা অনস্বীকাৰ্য্য যে ৰামায়ণৰ কথা লোক সমাজত সঞ্চালনি হ'বলৈ ধৰে বৈষ্ণৱ কবি-সাহিত্যিকৰ জৰিয়তেহে। তদুপৰি ৰামায়ণৰ ওপৰত আধাৰিত বহু অংকীয়া নাট ষোড়শ শতিকাৰ পৰা আৰম্ভ কৰি ঊনবিংশ শতিকাৰ প্ৰথমাৰ্ধলৈকে ৰচিত হয়। কোৱা বাহুল্য যে এই আটাইখিনি ৰামায়ণী সাহিত্যৰ ভিতৰত 'কথা-ৰামায়ণ' ব্যতিক্ৰম। কিয়নো তেওঁ পদ পুথি হিচাপে ৰচনা নকৰি 'কথা' ৰূপত ৰামায়ণৰ কাহিনী বৰ্ণনা কৰি অষ্টাদশ শতিকাৰ অসমীয়া গদ্যৰ চানেকী ৰাখি থৈ গ'ল।

ৰঘুনাথ মহন্ত গোলাঘাট জিলাৰ দৈয়াং এলেঙি সত্ৰৰ অধিকাৰ আছিল। সংস্কৃত সাহিত্যত পাণ্ডিত্য, বেদ-বেদান্ত শাস্ত্ৰ আদিত ব্যুৎপত্তি থকাৰ উপৰি সমসাময়িক এজন খ্যাতিমন্ত ব্যক্তি আছিল বুলি 'কথা-ৰামায়ণ'ৰ মাজতেই প্ৰমাণ পোৱা যায়। তেওঁৰ পিতৃৰ নাম কৃষ্ণনাথ আৰু ককাদেউতাক হৰেকৃষ্ণ দৈয়াং এলেঙি সত্ৰৰ প্ৰতিষ্ঠাতা আছিল। ৰঘুনাথ মহন্তৰ উপৰিপুৰুষ সতানন্দক শঙ্কৰদেৱে 'বৰভকত' আখ্যা দি শৰণ দিছিল বুলি 'বৰদোৱা-গুৰু-চৰিত'ত উল্লেখ আছে।

অসমীয়া ভাষাৰ ইতিহাসত ৰঘুনাথ মহন্ত বিৰচিত 'কথা-ৰামায়ণ'ৰ স্থান একক। এই ৰামায়ণখনৰ অন্যতম বৈশিষ্ট্য হৈছে কথা বা গদ্যশৈলীত ৰচনা কৰা হৈছে। গদ্যত ৰচনা কৰা আখ্যান বা কাহিনীক সংস্কৃতত 'কথা'ৰ শ্ৰেণীভুক্ত কৰে। ঠাইবিশেষে তাত ছন্দৰো প্ৰয়োগ ঘটে। 'কথায়াং সৰসংবস্তু গদ্যৈৰেব বিনিস্মিতম্' (সাহিত্য দৰ্পণ[২]) অসমীয়া ভাষা-সাহিত্যত 'কথা' শব্দৰ অৰ্থ সংকোচন হৈ একপ্ৰকাৰ সহজ-সৰল কথা বা গদ্য ৰচনাকহে বুজাবলৈ লোৱা হয়। অসমীয়া 'কথা-ঘোষা', 'কথা-সূত্ৰ', 'কথা-গীতা', 'কথা-মহাভাৰত', 'কথা-ৰামায়ণ' এনে গদ্য ৰচনাৰ নিদৰ্শন। সাধাৰণভাৱে মানুহে কথা কোৱাৰ ৰীতিকেই প্ৰণালীবদ্ধভাৱে, মাৰ্জিত ৰূপত বিষয়বস্তু নিবন্ধন কৰি লিখিত ৰূপ দিলে তাকেই অসমীয়াত 'কথা বন্ধন' বোলা হয়। কথা গঢ় লৈ উঠে প্ৰেৰক আৰু শ্ৰোতাৰ সমন্বয়ত। কথা তথা কথোপকথনতে নাটকৰ জন্ম হয়। সেই অৰ্থত শঙ্কৰদেৱৰ অংকীয়া নাটসমূহতে অসমীয়া 'কথা' সাহিত্যৰ প্ৰথম সূত্ৰপাত হয়। অসমীয়া ভাষা-সংস্কৃতিৰ দিশত 'কথা-ৰামায়ণৰ চিন্তা চৰ্চা আৰু পুংখানুপুংখ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।

ৰঘুনাথ মহন্তৰ 'কথা-ৰামায়ণ'ৰ উপৰি তেওঁৰ বিৰচিত আন দুখন পুথি হৈছে 'অদ্ভুত ৰামায়ণ' আৰু 'শত্ৰুঞ্জয়'। এই তিনিখন পুথিৰ ভিতৰত 'কথা-ৰামায়ণেই শ্ৰেষ্ঠ আৰু এই ৰামায়ণখনৰ চাৰিটা কাণ্ডহে পোৱা গৈছে। অযোধ্যা আৰু অৰণ্যকাণ্ডৰ শেষত ৰঘুনাথ মহন্তৰ ভণিতা পোৱা যায় এনেদৰে—

"ইতি শ্ৰীবাল্মীকি মহাঋষিকৃত। অযোধ্যাকাণ্ডকথায়াং
শ্ৰীৰঘুনাথকৃতায়াং অষ্টমোহধ্যায়। : (পৃষ্ঠা নং ৫৭)"

অৱশ্যে কিষ্কিন্ধ্যাকাণ্ডত শিষ্ট নামৰ এটি ভণিতা পোৱা যায়। ড° সত্যেন্দ্ৰ নাথ শৰ্মাই এই সম্পৰ্কে লিখিছে— "ৰঘুনাথৰে বিশেষণৰূপে 'শিষ্ট' শব্দ প্ৰয়োগ হৈছে বুলি ধৰি ল'ব নোৱাৰি, কিয়নো কিষ্কিন্ধ্যাকাণ্ডৰ ভাষাৰ লগত আগৰ তিনিকাণ্ডৰ ভাষাৰ সাদৃশ্য বৰ কম। কিষ্কিন্ধ্যা কাণ্ডৰ ৰচনাৰীতি বেছি ঘৰুৱা আৰু ব্ৰজবুলি প্ৰভাৱহীন; আনকি

২. শৰ্মা, সত্যেন্দ্ৰ নাথ (সম্পা.) কথা ৰামায়ণ (পাতনি)

মূল পুথিত কিষ্কিন্ধ্যাকাণ্ডৰ হস্তাক্ষৰো বেলেগ। গতিকে ৰঘুনাথ আৰু শিষ্ট যে একেজন মানুহ নহয়, ই ধ্ৰুৰূপ।"[৩]

'কথা-ৰামায়ণ'ৰ ঘটনাবিন্যাস মূল বাল্মীকি ৰামায়ণৰ ওপৰত প্ৰতিষ্ঠিত। মাধৱ কন্দলী, অনন্ত কন্দলী, শঙ্কৰদেৱ, মাধৱদেৱ আদি পূৰ্ববৰ্তী ৰামায়ণ ৰচক আৰু নাট্যকাৰৰ প্ৰভাৱ আৰু আৰ্হি নুই কৰিব নোৱাৰি। বিশেষকৈ মাধৱ কন্দলীৰ ৰামায়ণ আধাৰগ্ৰন্থ যেন হৈ পৰিছে। ৰঘুনাথ মহন্তই 'কথা-ৰামায়ণ'ৰ আৰম্ভণিতে ৰামভক্তি বিগলিত হৈ ৰামৰ গুণ বখানিছে। বাল্মীকিয়ে শৰবিদ্ধ ক্ৰৌঞ্চ পখীক দেখি অহাৰ পাছত ব্ৰহ্মা আৰু নাৰদ দুয়ো একেলগে আহি বাল্মীকিৰ আশ্ৰমত উপস্থিত হয়। ব্ৰহ্মাই ঋষিক চাৰিপাদযুক্ত শ্লোকছন্দত ৰামায়ণ ৰচনা কৰিবলৈ কয়। বাল্মীকি ঋষিয়ে ৰামৰ চৰিত্ৰ সম্বন্ধে অজ্ঞতা প্ৰকাশ কৰাত, ব্ৰহ্মাই নাৰদক ৰামৰ কাহিনী ক'বলৈ কয় আৰু সেই ঠাইৰ পৰা প্ৰস্থান কৰে। সেয়েহে নাৰদৰ মুখেই 'কথা-ৰামায়ণ' প্ৰকাশ পাইছে, বাল্মীকি মাথোন শ্ৰোতাহে। "নাৰদে বোলন্ত জানা মুনি শ্ৰীৰামৰ অনন্ত লিলা-চৰিত্ৰ অনন্তৱো সহস্ৰ মুখে কৈতে অন্ত নাহি পাৱে। তথাপি অনুৰূপে মুখ্য কিচো কহো ঃ সাৱধানে সুনা।" (আদি কাণ্ড ঃ প্ৰথম অধ্যায়)

লেখকে আদি কাণ্ডৰ পৰা কিষ্কিন্ধ্যাকাণ্ডলৈকে ৰামায়ণৰ কাহিনী বৰ্ণনাত সূৰ্য্যবংশৰ উদ্ভৱ, ৰাম-সীতাৰ জন্মবৃত্তান্ত, ৰাম-সীতাৰ বিবাহ, বনবাস, ভৰতৰ দ্বাৰা ৰামৰ পাদুকাসহ ৰামৰ হৈ ৰাজ্যশাসন, কিষ্কিন্ধ্যাত নানা অসুৰ বধ, ৰাৱণৰ দ্বাৰা সীতাহৰণ, জটায়ু পখীৰ দ্বাৰা সীতাৰ সংবাদ, হনুমান-সুগ্ৰীৱৰ মিলন, বালী বধ, সীতাৰ অন্বেষণ, সাগৰ-তীৰত কপিসকলৰ মন্ত্ৰণা আৰু শেষত সম্পাতিৰ যোগেদি বানৰ সেনাৰ সাক্ষাৎ সীতা দৰ্শন সংক্ষিপ্তভাৱে উত্থাপন কৰিছে। ঘটনাৰ বিৱৰণত কোনো কোনো চৰিত্ৰৰ মুখৰ ভাব-ভাষা ৰামায়ণৰ স্বাভাৱিক গাম্ভীৰ্য্যৰ পৰিৱৰ্তে লৌকিক প্ৰভাৱযুক্ত হৈ পৰিছে। লেখকে কোনো টীকাৰ আশ্ৰয় লোৱা নাই; সৰলভাৱে স্বকীয় বৈশিষ্ট্য ফুটাই তুলিবলৈ সক্ষম হৈছে।

কথা-ৰামায়ণৰ গদ্যশৈলী বিশ্লেষণ কৰিলে দেখা যাব যে ৰঘুনাথ মহন্তই তেওঁৰ পূৰ্ববৰ্তী ৰচকসকলৰ কথনভংগীৰ পৰা প্ৰভাৱমুক্ত হ'ব পৰা নাই। বিশেষকৈ অংকীয়া নাট, কথা-গীতা আৰু কথা-ভাগৱতৰ গদ্যশৈলীৰ আৰ্হি আৰু অনুপ্ৰেৰণাত কথা-ৰামায়ণৰ শৈলী নিৰ্মাণ কৰিছে। শঙ্কৰদেৱৰ নাটৰ লয়যুক্ত গদ্য, ভট্টদেৱৰ ভকতীয়া গদ্য আৰু সংস্কৃত, ব্ৰজবুলি মিশ্ৰিত ভাষাৰ প্ৰয়োগ কথা-ৰামায়ণত দেখা যায়। প্ৰাচীন পদ পুথিসমূহৰ ছন্দৰ স্বাভাৱিক শ্ৰুতি-মাধুৰ্য্যই পদ পুথিসমূহৰ সুৰ আৰু লয়ে জনসাধাৰণৰ মন আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। এইক্ষেত্ৰত মধ্যযুগত ৰচিত গদ্য

---

৩. শৰ্মা, সত্যেন্দ্ৰ নাথ (সম্পা.) কথা-ৰামায়ণ, পাতনি (ক)

পুথিসমূহত ঘাইকৈ কথোপকথন ৰীতি আৰু নাটকীয় ভংগীত বৰ্ণনীয় বস্তু সৰস কৰিবলৈ যত্ন কৰা হৈছিল। সমাজত পাঠ তথা কীৰ্তন আৰু শ্ৰৱণৰ উদ্দেশ্যেই পুথিসমূহ ৰচিত হৈছিল লগতে পাত্ৰ-পাত্ৰীসমূহৰ কথোপকথন প্ৰত্যক্ষ কৰি নাটকীয় ঠাঁচ দি শ্ৰোতামণ্ডলীৰ মন আকৰ্ষণ কৰাৰ চেষ্টা কৰিছিল।

সমগ্ৰ পুথিখনৰ সকলো অধ্যায়তে নাটকীয় ভংগী লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে ৰাম-সীতাৰ বনবাসৰ পূৰ্বৰ কথোপকথনৰ কিছু অংশ উদ্ধৃত কৰা হ'ল—

"নাৰদে কহন্ত ঃ জনক নন্দিনী স্বামী আসিবাৰ দেখি আগবাঢ়ি স্বামীক নমিলা, শ্ৰীৰামৰ ভাব দেখি বুলিলা, হে প্ৰাণনাথ, কেনে তোমাৰ মুখপঙ্কজ ম্লান ভৈল, ৰাজ চিহ্ন কেন নাহি। শ্ৰীৰামে বোলন্ত, হে পৃয়ে হামাৰ ৰাজ্য পদ গুচি বনপদ ভৈল। চতুৰ্দ্দশ বৰ্ষ বনবাস কৰিতে হামো আজু যাত্ৰা কৰব।..." (অযোধ্যা কাণ্ড, চতুৰ্থ অধ্যায়)

অযোধ্যা কাণ্ডৰ দ্বিতীয়, তৃতীয় অধ্যায়ত ৰামৰ বনবাসৰ কথা উত্থাপন হোৱাৰ পৰা বনবাস-গমনলৈকে চৰিত্ৰসমূহৰ কথোপকথন, যুক্তি, এজনৰ প্ৰশ্ন, আনজনৰ প্ৰশ্নোত্তৰসহ ব্যাখ্যা— এইদৰে সকলোতে নাটকীয় কথোপকথন পৰিলক্ষিত হৈছে।

"পুনু কৌশল্যা তাপ কৰি বোলন্ত ঃ হে বাপ, সতিনিৰ বাক্যে তুমি কেনে বনে জাইবা? মোৰ বাক্য চাড়িতে কি উচিত হৱে। মনু বাক্য কি নাহি মুনি। দশ বিপ্ৰাধিক অধ্যাপক ঃ দশ অধ্যাপকতো অধিক পিতৃ ঃ পিতৃতো দশগুণে অধিক মাতৃ..."

"... তথাপি মাতৃৰ আক্ৰোস দেখি শ্ৰীৰামে বোলন্ত ঃ উজ্জ্বল কুলত জাত ৰাজা দশৰথ ঃ তুমিও উত্তম কুলত জাত মহাসান্তি। হেন দুইহন্তত জাত মই ৰঘুনাথৰ পিতৃ বাক্য চাড়িতে কি জোগ্য হৱে। ঈশ্বৰৰ ইচ্ছা জানি মাতৃ অনুজ্ঞা দিয়া।।"

'কথা-ৰামায়ণ'ৰ ভাষাত মাজে মাজে অনুভূতিপূৰ্ণ আৰু স্বাভাৱিক উচ্ছ্বাসযুক্ত বাক্য প্ৰয়োগ মন কৰিবলগীয়া, যেনে— "সে সময়ে পৰ্বতৰ হন্তে জটায়ু হাঁ ৰাম হাঁ লক্ষ্মণ ৰাৱ সুনি উৰ্ধদৃষ্টি কৰি দেখিল। সীতাক ৰাৱণে হৰি নেইজানি হৃদয়ে তাপ জন্মিল। ক্ৰোদ্ধে উড়াৱ কৰি ৰহ ৰহ বুলি আগভেণ্টি বোলন্ত অৰে ৰাৱণ বৰ্বৰ ব্ৰহ্মাৰ পৰিনাতি তয়ি..." (অৰণ্য কাণ্ড, পঞ্চম অধ্যায়)

'কথা-ৰামায়ণ' অধ্যয়ন কৰিলে এই কথা পৰিষ্কাৰ হৈ পৰে যে ইয়াত ব্যৱহাৰ কৰা উক্তি— প্ৰত্যক্ষ উক্তি। আখ্যানভাগ বা কাহিনীৰ কোনো চৰিত্ৰই কোৱা কথা প্ৰকাশ কৰিবলৈ মুখ্যতঃ প্ৰত্যক্ষভাৱে সেই চৰিত্ৰৰ হুবহু কথাখিনিকে তুলি দিয়া হৈছে; পৰোক্ষভাৱে প্ৰকাশ কৰা হোৱা নাই। এয়া 'কথা-ৰামায়ণ'ৰ গদ্যৰ এক সুকীয়া বৈশিষ্ট্য।

'কথা-ৰামায়ণ'ৰ গদ্যশৈলী বৰ্ণনীয় বিষয় অনুসৰি কোনো ঠাইত সংস্কৃত শব্দবহুল, সমাসযুক্ত, কোনো ঠাইত সহজ আৰু গুৱলা, কোনো ঠাইত অলংকাৰ সমৃদ্ধ আৰু কোনো ঠাইত ৰৌদ্ৰ, বীৰ, অদ্ভুত, কৰুণ আদি ৰসেৰে পৰিপূৰ্ণ। প্ৰতিটো অধ্যায়ৰ

শেষত সত্য, ধৰ্ম ৰক্ষা কৰি নিৰন্তৰ হৰিৰ নাম স্মৰণ কৰি ভক্তিৰ পোষকতা কৰিছে। সেয়েহে বিভিন্ন ৰসৰ জান-জুৰিবোৰ যেন পৰিশেষত ভক্তিৰসৰ বৰনৈত মিলিছেগৈ। বিভিন্ন ৰসৰ সঞ্চাৰ কৰিবলৈ সাধাৰণতে চুটি চুটি অথচ খৰতকীয়া গতিৰ বাক্য প্ৰয়োগ কৰিছে। যেনে—

"স্বৰ্গবাসীৰ হুলস্থূল লাগিল। সপ্ত সিন্ধুক ক্ষোভহয়া মৰ্য্যাদা ছাড়িল। পৃথিবীয়ো টলবল কৰিল। অনন্তৰো ফণামণি হোসকিল।..." (আদি কাণ্ড, নৱম অধ্যায়)

....."ঢোল, চক্কা, ভেৰি, গোমুখ, শঙ্খ, মৃদঙ্গ, তাল, কৰতাল, বেণু, বিণা, সাৰেণ্ডাৰুদ্ৰবিলাস, মুৰজাদি বাদ্যসবৰ নাদেঃ পুৰুষৰ জয় জয় সংবাদে..."

(অযোধ্যা কাণ্ড, প্ৰথম অধ্যায়)

..."কেহো বোলে মেঘেসে গৰ্জ্জন কৰিলা, কেহো বোলে ইন্দ্ৰেসে বজ্ৰ হানিল, কেহো বোলে পৰ্বতৰ শিখৰেসে খসিছে..."

(কিষ্কিন্ধ্যা কাণ্ড, একাদশ অধ্যায়)

এই প্ৰসংগতে 'কথা-ৰামায়ণ'ৰ ভাষাগত দিশৰ কেইটিমান বৈশিষ্ট্য দাঙি ধৰিবলৈ যত্ন কৰা হ'ল।

আধুনিক অসমীয়া ভাষাত ব্যৱহৃত স্বৰধ্বনি, ব্যঞ্জন ধ্বনি, দ্বি-স্বৰধ্বনিৰ প্ৰয়োগ 'কথা-ৰামায়ণ'ৰ ভাষাত আছে। স্বৰৰ হ্ৰস্ব আৰু দীৰ্ঘৰ অনিয়মিত প্ৰয়োগ দেখা যায়। অসমীয়া ভাষাৰ উচ্চাৰণত স্বৰৰ হ্ৰস্ব আৰু দীৰ্ঘৰ মাজত পাৰ্থক্য নাই, সেই দেখি শব্দৰ বানানৰ ক্ষেত্ৰত কেতিয়াবা হ্ৰস্ব প্ৰয়োগ, কেতিয়াবা দীৰ্ঘ প্ৰয়োগ হৈছে। তেনেদৰে ব্যঞ্জনৰ ক্ষেত্ৰতো কেতিয়াবা ণ/ন, ত/ট, শ/ষ/স, ছ/চ, ৰ/ড়, ৰ ক্ষেত্ৰত পাৰ্থক্য ৰক্ষা কৰি ব্যৱহাৰ কৰা নাই। দ্বি-স্বৰধ্বনিৰ আনকি ত্ৰিস্বৰ ধ্বনিৰ প্ৰয়োগ আছে।

ভাষা মাজে মাজে সংস্কৃতৰ অনুগামী হোৱা বাবে সমাসৰ প্ৰচুৰ প্ৰয়োগ পোৱা যায়। সমাসবদ্ধ পদৰ ব্যৱহাৰ মন কৰিবলগীয়া।

সপ্তদ্বিপাভূমি	- সপ্তদ্বিপ আৰু ভূমি
ধনুৰ্বেদ	- ধনু আৰু বেদ
কমললোচন	- কমলৰ নিচিনা লোচন
অনাদি	- ন - আদি
চক্ৰধাৰ	- চক্ৰৰ আধাৰ
ব্ৰহ্মাণ্ডেশ্বৰ	- ব্ৰহ্মাণ্ডৰ ঈশ্বৰ

সন্ধি, শ্বাসাঘাত, অনুনাসিকত্ব— এই লয় বৰ্ণসমূহ 'কথা-ৰামায়ণ'ত কেনেদৰে প্ৰয়োগ হৈছে, সেই সম্পৰ্কে প্ৰকৃততেই অধ্যয়নৰ প্ৰয়োজনীয়তা আছে। সন্ধিৰ ক্ষেত্ৰত বিশেষকৈ সংস্কৃত নিয়মমতেই সন্ধি হৈছে। স্বৰসন্ধি, ব্যঞ্জন সন্ধি, বিসৰ্গ সন্ধি—

তিনিপ্ৰকাৰৰ সন্ধি ব্যৱহৃত হৈছে।

আশ্ৰমাগত	=	আশ্ৰম + আগত
অল্পায়ু	=	অল্প + আয়ু
বিৰহাগ্নি	=	বিৰহ + অগ্নি
শোকাগ্নি	=	শোক + অগ্নি
দুষ্খ	=	দুঃ + খ
উজ্জ্বল	=	উৎ + জ্বল

অসমীয়া ভাষাটো যে পূৰ্বপ্ৰত্যয় আৰু পৰপ্ৰত্যয় প্ৰধান যুক্ত ভাষা, সেই বৈশিষ্ট্য 'কথা-ৰামায়ণ'ৰ ভাষাত প্ৰতীয়মান হয়। কৃৎ, তদ্ধিত প্ৰত্যয়ৰ উপৰি নিৰ্দিষ্টতাবাচক প্ৰত্যয়, সম্বন্ধবাচক পুৰুষবাচক বিভক্তিৰ ব্যৱহাৰ পোৱা যায়। সম্বন্ধ বুজোৱা শব্দত বিভক্তি লগ লগাই ব্যৱহাৰ কৰাটো অসমীয়া ভাষাৰ অন্যতম বিশেষত্ব। অসমীয়া ভাষাত উত্তম পুৰুষত শূন্য বিভক্তি/ই, মধ্যম পুৰুষত (মান্য)— ৰা/এৰা; (তুচ্চ) -ৰ/এৰ আৰু তৃতীয় পুৰুষত ক/এক ব্যৱহাৰ হয়। 'কথা-ৰামায়ণ'ৰ ভাষাত সম্বন্ধ বুজোৱা শব্দত এনে নিয়মৰ প্ৰয়োগ লক্ষ্ণীয়। বাপ, বাপে, পোৱে মাৱে, মাতৃক, পিতৃক, স্বামীক, মাৱেৰ ইত্যাদি।

'কথা-ৰামায়ণ'ত প্ৰয়োগ হোৱা সৰ্বনামসমূহে পুথিখনৰ ভাষাক সুকীয়া মৰ্যাদা দান কৰিছে। আধুনিক অসমীয়া ভাষাত ব্যৱহৃত প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰুষৰ মৰ্যাদাসূচক সৰ্বনামৰ প্ৰয়োগ আছে।

প্ৰথম পুৰুষত— মই, ময়ি, ময়ো, হাম, হামো, আমি, হামাৰ, আমাসাৰ।

দ্বিতীয় পুৰুষত— তুমি, তোমাক, তোমাসাৰ, তোমাকেসে, তাৰাসৱ, তাহাক তোক, তই, তঞিং, তয়ি, তোহোৰ, তোহো।

তৃতীয় পুৰুষত— সেসৱ, তানহাতে, ইহাক তাহান, তাহাকো।

তদুপৰি স্থানবাচক, কালবাচক, প্ৰশ্নবাচক ইত্যাদি বিভিন্ন প্ৰকাৰৰ সৰ্বনামৰ ব্যৱহাৰ আছে।

সাধাৰণতে বাক্যত ক্ৰিয়া পদমূহে এক বিশেষ ভূমিকা গ্ৰহণ কৰে। অসমীয়া ভাষাৰ ক্ৰিয়াৰ কাল প্ৰধানতঃ তিনিটা— বৰ্ত্তমান, অতীত আৰু ভৱিষ্যত। এই তিনিওটা কালৰ প্ৰয়োগ 'কথা-ৰামায়ণ'ৰ ভাষাত আছে। ইয়াত ক্ৰিয়া পদৰ তিনিটা ৰূপ-বৈশিষ্ট্য বৰ্তমান (১) কথিত ৰূপৰ ক্ৰিয়া, (২) অকথিত বা কৃত্ৰিম ৰূপৰ ক্ৰিয়া আৰু (৩) ব্ৰজবুলি ৰূপৰ ক্ৰিয়া। ক্ৰিয়া সম্পন্ন হোৱা অনুযায়ী সমাপিকা আৰু অসমাপিকা ক্ৰিয়া ৰূপো আছে। বৰ্তমান আৰু ভৱিষ্যত কালৰ ধাতুত 'অন্ত' আৰু 'ইব-অন্ত' প্ৰত্যয় সংযোগ কৰি সমাপিকা ক্ৰিয়া গঠন কৰা হৈছে, যেনে— কহন্ত, বোলন্ত, যুৰন্ত, পাইবন্ত । সম্ভাব্য অতীত বুজাবলৈ

'হন্তে' প্ৰত্যয় সংযোগ কৰি ৰূপ কৰা হৈছে, যেনে— মিলিলি হন্তে, পাইলি হন্তে। -ইল আৰু -ইব প্ৰত্যয়ৰ যোগত অতীত কৃদন্ত পদ গঢ়া হৈছে। যেনে- বিয়াইল, হৈবাৰ।

'কথা-ৰামায়ণ'ত অনুজ্ঞাৰ মান্যাৰ্থক আৰু তুচ্ছাৰ্থক দুটা ৰূপৰ ব্যৱহাৰ আছে। মান্যাৰ্থত কহা, কহিয়ো, কহিয়োক, অনায়ো; আনহাতে তুচ্ছাৰ্থত কহ, কৰ, ৰহ, মিলাৱ আদি ৰূপ মন কৰিবলগীয়া।

এই পুথিত ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপো অনেক ব্যৱহৃত হৈছে। যেনে— নাহি, নেদেখি, নাদেখিলো, নমজিবি, নলভিলা, নপাবিলা, নুবুলিলা, নিচিন্তা, নেনি। আধুনিক অসমীয়া ভাষাত অৱশ্যে ধাতুটোৰ প্ৰথম স্বৰধ্বনি অনুযায়ী যি পৰিবৰ্তন হয় সেইটো কথা-ৰামায়ণত দেখা নাযায় কোনো কোনো ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপত।

বিবিধ শব্দ-সম্ভাৰেও 'কথা-ৰামায়ণ'ৰ ভাষাক বৈশিষ্ট্যপূৰ্ণ কৰি তুলিছে। 'কথা ৰামায়ণ'ৰ শব্দচয়ন ৰীতি বৈচিত্ৰ্যময়। কাৰণ ইয়াত তৎসম, তদ্ভৱ, অৰ্ধতৎসম, দেশী-বিদেশী, উপভাষীয়, ব্ৰজবুলি শব্দৰ উপৰি সম্বন্ধবাচক, সংখ্যাবাচক, ধ্বন্যাত্মক প্ৰতিধ্বন্যাত্মক শব্দ সন্নিবিষ্ট হৈছে। 'কথা-ৰামায়ণ'ৰ শব্দসম্ভাৰ সম্পৰ্কে ড° ৰমেশ পাঠকে লিখিছে— "As a prose Ramayana Raghunatha Mahanta's Katha Ramayana (1736 A.D.) has carved out a place for itself not only in Assamese but also in all Indian literature. In the description of the story Raghunath Mahanta is highly influenced by Madhava Kandali. But in chioce of words he took a different course. It was a fine mixture of Ankiya natas, Bhattadeva's writings and of course of Madhav Kandalis' Ramayana"[8]

'কথা-ৰামায়ণ'ত অন্তৰ্ভুক্ত শব্দচয়ন তলত উল্লেখ কৰা হ'ল :

তৎসম শব্দ : প্ৰণাম, প্ৰত্যক্ষ, বেদধ্বনি, নিৰঞ্জন, মহেন্দ্ৰ, সনাতন।

অৰ্ধতৎসম শব্দ : হিয়ে, শবদেৰে, ধৱলী, ভূকুতি বিমবিষ।

দেশী-বিদেশী শব্দ : নগৰ, চোট, ৰাউল, দাৰুণ হুকুম, নেফৰ।

উপভাষীয় শব্দ : হাণ্ডি, নেদে, গৈয়াচি, সুনিচি,নেনি।

সম্বন্ধবাচক শব্দ : মাই, বাই, বাপ, ভাই, ভাগিনি, মমা, মোমা, দুহিতা, খোড়ত।

ধ্বন্যাত্মক শব্দ : উঠহ উঠহ, ত্ৰাহি ত্ৰাহি, খিৰেখিৰে জয় জয়, খণ্ডখণ্ড, গদগদ।

প্ৰতিধ্বন্যাত্মক শব্দ : টলবল, হাটবাট, তোলবোল, ৰণ্ডভণ্ড, দলবিল।

---

৪. Pathak, Ramesh : STUDIES IN ASSAMESE VOCABULARY, 2004 P. 35\36

সংখ্যাবাচক শব্দ ঃ দুই, চাৰি, পঞ্চ, শত, কোটি, একহি, দিনেক, দশম, পাঞ্চশত।

ব্ৰজবুলি শব্দ ঃ কহব, হামাক, ৰহল, তাঙ্ক, ভেল সোহি।

'কথা-ৰামায়ণ'ৰ বাক্যতত্ত্বৰ দিশটোও অতি চিত্তাকৰ্ষক। আচলতে ভাষাৰ আলোচনাত বাক্যতত্ত্ব এটি বহল আৰু জটিল বিষয়। 'কথা-ৰামায়ণ'ত সৰল বাক্য, মিশ্ৰ বাক্য, দীঘল বাক্য, চুটি চুটি বাক্যৰ সুন্দৰ সমন্বয় ঘটিছে। তদুপৰি খণ্ডবাক্য, উপমা, যোজনা পটন্তৰৰ উপৰি ঠায়ে ঠায়ে অলংকাৰপূৰ্ণ ছন্দোময় বাক্যৰ প্ৰয়োগ দেখা যায়।

'কথা-ৰামায়ণ'ৰ ভাষাত সমসাময়িক কথ্যৰূপ আৰু অসমীয়া ভাষাৰ স্বকীয় ঠাঁচ পৰিলক্ষিত হৈছে। খণ্ডবাক্য আৰু জতুৱা ঠাঁচৰ প্ৰয়োগে ভাষাক এক স্বকীয়তা দান কৰাৰ লগতে সাহিত্যৰ সৌষ্ঠব বৃদ্ধি কৰে। অসমীয়া ভাষাৰ প্ৰাচীন যুগ, মধ্য যুগ যে খণ্ডবাক্য, জতুৱা ঠাঁচ আদিৰ দ্বাৰা চহকী তাৰ সাক্ষ্যও বহন কৰে 'কথা-ৰামায়ণে'। বাক্যত শব্দৰ গোট একোটা এটা শব্দৰ নিচিনাকৈ ব্যৱহাৰ হ'লে তাকে খণ্ডবাক্য বোলা হয়। 'কথা-ৰামায়ণ'ত এনে খণ্ডবাক্যৰ প্ৰচুৰ প্ৰয়োগ দেখা যায়। যেনে—

(ক) অমৃতত বিষ ঢাল

(খ) অন্তৰিক্ষ ধাতু ভৈল

(গ) যমৰ ঘোৰ মূৰ্ত্তি

(ঘ) সাতখণ্ড

(ঙ) সপোনে সচেতে

যোজনা, পটন্তৰ বা দৃষ্টান্তসমূহেও 'কথা-ৰামায়ণ'ৰ ভাষা মনোগ্ৰাহী কৰি তুলিছে। 'কথা-ৰামায়ণ' পৰা কেইটিমান উদাহৰণ দিয়া হ'ল। যেনে—

(ক) সত্যৰহিত জনৰ ধৰ্ম্ম কৰ্ম্ম সকল ব্যৰ্থ

(খ) আততায়ীৰ বধে কিছু দোষ নাহি

(গ) দুৰ্জ্জনৰ সঙ্গত সন্তৰো মতি নষ্ট হবে

(ঘ) জেহেন সিংঘক শৃগালে আণ্টাস পাৰয়

(ঙ) কোকিল পাখিয়ে সুন্দৰ শব্দে সোভা কৰে/বিদ্যায়ে কুপুৰুষক সোভা কৰে/ নাৰীক পতিব্ৰতা ধৰ্ম্মে সোভা কৰে/

বিজ্ঞানসন্মত দৃষ্টিভংগীৰে চালে 'কথা-ৰামায়ণ'ৰ ভাষাৰ গাঁথনিক দিশত কিছুমান ত্ৰুটি চকুত পৰে। কিন্তু সময় সাপেক্ষে ৰঘুনাথ মহন্তই 'কথা-ৰামায়ণ' পুথি ৰচনা কৰি অসমীয়া ভাষাৰ প্ৰতিষ্ঠাত বৰঙণি যোগাইছে। অসমীয়া ভাষাৰ ইতিহাসত 'কথা-ৰামায়ণ' এক আপুৰুগীয়া সম্পদ। ❑

গ্ৰন্থপঞ্জী :

গোস্বামী, উপেন্দ্ৰনাথ : অসমীয়া ভাষাৰ ব্যাকৰণ, ১৯৯০
অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ, ১৯৯১
ভাষাবিজ্ঞান, ১৯৭০

গোস্বামী, গোলোকচন্দ্ৰ : অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, ১৯৯০
অসমীয়া বৰ্ণপ্ৰকাশ, ১৯৯৬

দাস, সমীৰণ : অসমীয়া কথা-ৰামায়ণ (এটি অধ্যয়ন), ১৯৯৪

নেওগ, মহেশ্বৰ : অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৬২
গুৰুচৰিতৰ ইতিকথা, ১৯৮০

পাঠক, ৰমেশ : অসমীয়া ভাষাৰ ইতিহাস, চতুৰ্থ প্ৰকাশ, ২০০০
STUDIES IN ASSAMESE VOCABULARY, 2004

ফুকন পাটগিৰি, দীপ্তি : মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙনি, ১৯৯৭
অসমীয়া বাংলা আৰু উড়িয়া ভাষাৰ তুলনামূলক অধ্যয়ন, ২০০৪

বৰুৱা, বিৰিঞ্চিকুমাৰ : অসমীয়া কথা সাহিত্য, ১৯৮৪

ৰাজাগোপানন ন.বী. : তামিল সাহিত্যৰ নতুন ইতিহাস (অনুবাদ) গিৰিজা বৰুৱা, ২০০৩

শৰ্মা, সত্যেন্দ্ৰ নাথ : (সম্পাঃ) কথা-ৰামায়ণ (ৰঘুনাথ মহন্ত আৰু শিষ্ট বিৰচিত) ১৮৭৭ শক
অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত
ৰামায়ণৰ ইতিবৃত্ত, ১৯৮৪
পুৰণি সাহিত্যৰ অধ্যয়ন

শইকীয়া বৰা, লীলাৱতী : মাধৱ কন্দলিৰ ৰামায়ণৰ ভাষা, ১৯৯৯

Kakati, Banikanta : Assamese : Its Formation and Development, 1941

নামবিজ্ঞান ঃ অসমীয়া স্থানবাচক শব্দৰ উল্লেখসহ এটি সংক্ষিপ্ত আলোচনা

জগতৰ জীৱ-জড়, বস্তু, পদাৰ্থ আদিৰ লগত মানুহৰ প্ৰথম পৰিচয় ঘটে নামৰ জৰিয়তে। নামৰ দ্বাৰাই মানুহৰ জ্ঞাত হয় এই বিশ্বব্ৰহ্মাণ্ডৰ পৰিমণ্ডলত আবৰি থকা সকলো দিশ। ভাষা সৃষ্টিৰ আদি অৱস্থাত, বিশেষকৈ ব্যক্তি, স্থান, মানুহৰ মৌলিক প্ৰয়োজনীয় আৰু অন্যান্য সামগ্ৰী বুজোৱা নামবাচক শব্দসমূহৰ ব্যৱহাৰেই বেছিকৈ হৈছিল। লাহে লাহে মানুহৰ দৃষ্টিত ধৰা দিয়া প্ৰতি বস্তুৰে নামকৰণত বস্তুৰ আকৃতি-প্ৰকৃতি অৰ্থাৎ গুণগত দিশৰ ওপৰত প্ৰাধান্য দিয়া হ'ল। নামৰো নিশ্চয় মাহাত্ম্য আছে। কোনো এটা নামৰ প্ৰয়োগ আৰু সেই নামৰ লগত সংযোজিত সংকেতসমূহ শব্দৰ মাধ্যমেৰে মূৰ্ত হৈ উঠে। শব্দ বা নাদৰ অবিহনে জগত যেন অচল। এষাৰ কথা আছে— 'নাদাধীনং জগৎ'। নাদ বা শব্দক ব্ৰহ্ম বুলি কোৱা হয়। ব্ৰহ্ম শব্দময়।

পৃথিৱীত নামৰ বিশাল বিস্তৃতি। সমাজত প্ৰচলিত নামসমূহৰ বিভিন্ন দিশৰ পৰা অধ্যয়ন তথা চিন্তা-চৰ্চা কৰাৰ স্থল আছে। নামসমূহৰ বিজ্ঞানসম্মত অধ্যয়নকে নামবিজ্ঞান 'Onomastics' বুলি কোৱা হয়। 'Onomastics' শব্দটোত দুটা শব্দ লগ হৈ আছে। গ্ৰীক শব্দ 'Onoma' মানে নাম আৰু 'stics' মানে পদ্ধতি বা প্ৰণালী। গতিকে নামৰ পদ্ধতিগত অধ্যয়নকে নামবিজ্ঞান (Onomastics) আখ্যা দিয়া হৈছে।

ভাৰতবৰ্ষত নাম বিষয়ৰ পৰম্পৰা যথেষ্ট প্ৰাচীন। ঋক্‌বেদ, আৰণ্যক, ৰামায়ণ, মহাভাৰতৰ দিনৰ পৰাই ধাৰাবাহিকভাৱে নামৰ পৰম্পৰা চলি আহিছে। খ্ৰীষ্টপূৰ্ব পঞ্চম-ষষ্ঠত সংস্কৃতৰ প্ৰখ্যাত বৈয়াকৰণ পাণিনিয়ে 'অষ্টাধ্যায়ী'ত আফগানিস্তানৰ পৰা মগধলৈকে ঠাইৰ নামৰ উল্লেখ কৰিছে।

খ্ৰীষ্টপূৰ্ব পঞ্চমত প্ৰথমে গ্ৰীচদেশত বাটকটীয়া স্বৰূপে এৰিষ্টোটল আৰু প্লেটোৱে নাম বিষয়ৰ চিন্তা-চৰ্চা কৰাৰ উপৰি চীনদেশত খ্ৰীষ্টপূৰ্ব ২২৩-ত ৰজা হোৱাং-টি

(Howang-ti)-ৰ দিনত স্থানবাচক নামৰ অধ্যয়ন হৈছিল। তদুপৰি খ্ৰীষ্টপূৰ্ব ৩০০০-ৰ আগৰ মিচৰীয় শিলালিপি, মেচোপটেমীয়াৰ সভ্যতাৰ শিলালিপি আৰু আমেৰিকাৰ ৰেড্ ইণ্ডিয়ানসকলে মালভূমিৰ নাম, পাহাৰীয়া অঞ্চলসমূহৰ নাম লিপিবদ্ধ কৰিছিল। শ্ৰীলংকাৰ অনুৰাধাপুৰ সভ্যতা গঢ় লৈ উঠাৰ সময়তো তাত নামৰ প্ৰাধান্য আছিল।

নাম বিজ্ঞানৰ বহুতো শাখা-প্ৰশাখা আছে। সেই শাখা-প্ৰশাখাসমূহৰ অন্যতম এক শাখা হৈছে ঠাইৰ নামৰ অধ্যয়ন (Toponymy)। গ্ৰীক শব্দ 'Topos'-এ ঠাই (Place) বুজায় আৰু 'nymy'-এ নাম (Name) বুজায়। গতিকে ঠাইৰ নামৰ অধ্যয়নৰ শাখাটোক ইংৰাজীত 'Topnymy' বুলি কোৱা হয়।

প্ৰকৃততে ঠাইৰ নামৰ অধ্যয়ন কেইবাটাও দৃষ্টিকোণৰ পৰা হ'ব পাৰে। বিশেষকৈ ভৌগোলিক, ঐতিহাসিক, পুৰাতত্ত্ব, ভাষাতত্ত্ব, সমাজতত্ত্ব, নৃতত্ত্ব আৰু লোক-সাহিত্যৰ ফালৰ পৰা ঠাইৰ নামৰ চিন্তা-চৰ্চা হ'ব পাৰে। মন কৰিবলগীয়া যে ইতিহাস, ভূগোল, ভাষাতত্ত্ব, নৃতত্ত্বৰ অধ্যয়ন ঠাইৰ নামৰ তথ্যপাতিৰ অবিহনে অসম্পূৰ্ণ হৈ ৰয়। সেইকাৰণে কোৱা হয়— "Topnymy is called footnotes of history and fossils of archaeology." প্ৰত্যক্ষ বা পৰোক্ষভাৱেই ঠাইৰ নামৰ অধ্যয়নৰ সমল বা তথ্য আহৰণ কৰা হয়। এহাতে প্ৰাগৈতিহাসিক কালৰ ঠাইৰ নামৰ অধ্যয়ন কৰিবলৈ হ'লে কিম্বদন্তি, লোকসমল, পুৰণি সাহিত্য, পুৰাতত্ত্ব, মুদ্ৰা, মন্দিৰ, শিলালিপি, বুৰঞ্জী, বিদেশী ভ্ৰমণকাৰী বা পৰ্যটকসকলৰ প্ৰতিবেদন, গুৰুচৰিত পুথি আদি সমল স্বৰূপে গ্ৰহণ কৰিব পাৰি। আনহাতে আধুনিক কালত উল্লিখিত সমলসমূহৰ উপৰি ভৌগোলিক মেপ, ভূচিত্ৰাৱলী, ৰাজহৰ নথিপত্ৰ, গেজেট আদিক অধ্যয়নৰ উৎসৰূপে গ্ৰহণ কৰিব পাৰি।

ঠাইৰ নামৰ অধ্যয়নত ঠাইৰ নামকৰণে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এখন ঠাইৰ নামকৰণ ঠাইখনৰ অসাধাৰণ বৈশিষ্ট্যৰ প্ৰভাৱত হ'ব পাৰে। নামৰ সজ্জা ঠাইবিশেষে, অঞ্চলবিশেষে বেলেগ বেলেগ হ'ব পাৰে। ঠাইৰ নামকৰণৰ ক্ষেত্ৰত সততে কেইটিমান প্ৰশ্ন উদয় হয়। যেতিয়া এজন অনুসন্ধানকাৰীয়ে নতুন ভৌগোলিক ক্ষেত্ৰ আবিষ্কাৰ কৰে, তেতিয়া সেই অনুসন্ধানকাৰীয়ে সেই ক্ষেত্ৰৰ নাম কি দিব সেই কথাটো প্ৰথমতে ভাবে। যদি তাত নাম এটা ইতিমধ্যেই আছে, তেনেহ'লে পুৰণি নামটোৰ লগত নতুন অংশ যোগ দিব নে নতুন নামেই দিব সেই প্ৰশ্ন উত্থাপন হয়। ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা উপসৰ্গ, প্ৰত্যয় সংযোগ কৰি গঢ়ি লোৱা হ'ব নে নাই সেই প্ৰশ্নও মনলৈ আহিব পাৰে।

গাঁও, নগৰ, দেশৰ ভিত্তিত ঠাইৰ নাম গঢ়ি উঠিব পাৰে। ৰজা-ৰাণী, দেৱ-দেৱী,

উপাধি, নদী, পুখুৰী আদিৰ নামেৰেও ঠাইৰ নামকৰণ হ'ব পাৰে। পৰ্বত-পাহাৰ, অৰণ্য, মৰুভূমি, ফলমূলৰ বাগান, মূল্যবান গছ-গছনিৰ উপৰি আগতে প্ৰচলিত নামৰ পৰিবৰ্তে নতুন নাম দিয়াৰ পোষকতা কৰিব পাৰে।

কোনো ভাষাৰ জন্মৰ ইতিবৃত্তৰ আলোচনা কৰিবলৈ হ'লে সেই ভাষাৰ ব্যক্তিবাচক আৰু স্থানবাচক নামৰ বিচাৰ-বিশ্লেষণ আৱশ্যকীয়। প্ৰত্যেক দেশৰ ঠাইৰ নামত বহুতো কৌতূহল জড়িত হৈ থাকে। নামসমূহ মনোগ্ৰাহী আৰু চিত্ৰধৰ্মী হোৱা বাবে অকল লোক-সাহিত্যতে নহয়, আধুনিক সাহিত্যতো ঠাইৰ নামৰ বৰ্ণনাই কাব্য চিত্তাকৰ্ষক কৰি তোলে। উজ্জয়িনী, বাৰাণসী, আগ্ৰা, বৃন্দাবন, মথুৰা, ডিফু, দিহিং, পাটকাই আদি কত যে নামৰ উল্লেখে ভাষা সাহিত্যৰ শব্দ-সম্ভাৰ চহকী কৰি তুলিছে।

উল্লেখযোগ্য যে ঠাইৰ নামে দেশত বিভিন্ন যুগত হোৱা লোক প্ৰব্ৰজনৰ পৰিচয় দাঙি ধৰে। লোক প্ৰবাহ আৰু লোক প্ৰব্ৰজনৰ কাৰণে সময়ে সময়ে পুৰণি নামৰ ওপৰত নতুন সাঁচ দিয়া হয় বা নতুন নামৰ আমদানি কৰা হয়। কেতিয়াবা পুৰণি নামটো একেবাৰে বাদ দি সম্পূৰ্ণ নতুন নাম দিয়াৰো চেষ্টা কৰে। অসমৰ ঠাইৰ নামসমূহলৈ লক্ষ্য কৰিলেই লোক প্ৰব্ৰজনৰ ফলত নামসমূহৰ কেনেকৈ পৰিবৰ্তন আৰু নবীকৰণ হৈছে এই কথাৰ প্ৰমাণ পাব পাৰি। ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ঠাইৰ নামসমূহ অকল আৰ্য্য-সংস্কৃত শব্দাৱলীৰে গঢ়ি উঠা নাই; আৰ্য্যভিন্ন অৰ্থাৎ অষ্ট্ৰিক তিব্বতবৰ্মী, দ্ৰাবিড়, পাৰ্চী ভাষাৰ প্ৰভাৱ অসমৰ ঠাইৰ নামৰ ওপৰত পৰিব পাৰে।

এইখিনিতে প্ৰসংগক্ৰমে অসমীয়া ভাষাৰ স্থানবাচক শব্দসমূহৰ বিষয়ে এটি সংক্ষিপ্ত আলোচনা আগবঢ়াবলৈ যত্ন কৰা হ'ল।

সমাজত ভাষাৰ প্ৰয়োগ আৰু পৰিবৰ্তনৰ দিশত শব্দ তথা শব্দৰীতিৰ ভূমিকা গুৰুত্বপূৰ্ণ। শব্দই হৈছে ভাষাৰ মুখ্য সম্পদ। বিশাল শব্দভাণ্ডাৰক লৈ ভাষাৰ শ্ৰীবৃদ্ধি হয়। যুগে যুগে বিভিন্ন ভাষাগোষ্ঠীৰ সংস্পৰ্শত অসমীয়া ভাষাই অলেখ শব্দেৰে নিজক সমৃদ্ধ কৰি তুলিছে। অসমীয়া ভাষাত অজস্ৰ স্থানবাচক শব্দ বৰ্তমান আৰু এই শব্দসমূহৰ উৎপত্তি, গঠনৰ পৰিক্ৰমা বেচ আমোদজনক আৰু আকৰ্ষণীয়।

অসমীয়া স্থানবাচক শব্দৰ বিষয়ে ডঃ বাণীকান্ত কাকতি, ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, ডঃ উপেন্দ্ৰ নাথ গোস্বামী, বেণুধৰ শৰ্মা, ডঃ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, ডঃ ৰমেশ পাঠক আদি বিশিষ্ট বিদ্বান মণ্ডলীয়ে বিচাৰ-বিশ্লেষণ আগবঢ়াই গৈছে আৰু আমাক অনুপ্ৰাণিত কৰিছে।

আচলতে অসমীয়া ভাষাৰ শব্দভাণ্ডাৰে এক ব্যাপক ক্ষেত্ৰ আগুৰি আছে। অসমীয়া

ভাষাৰ শব্দভাণ্ডাৰ বুলিলে সংস্কৃত/আৰ্য্যমূলীয়, অনাৰ্য্যমূলীয় ধাৰ কৰা শব্দৰ উপৰি উপভাষাসমূহত ব্যৱহৃত শব্দৰাজিকো সামৰি ল'ব লাগিব। অসমীয়া ভাষাৰ শব্দমালাত অনাৰ্য্য উপাদান প্ৰচুৰ পৰিমাণে লক্ষ্য কৰা যায়। এই সম্পৰ্কে ভাষাবিদসকলে মন্তব্য কৰিছে— "The Assamese language is like an island in the midst of a sea of the non-aryan languages',[১] 'Besides, Assamese is not only the language of the Aryan people, it is also the common vehicle of expression of the non-aryan elements are plenty in the Assamese languages."[২]

অসমৰ অনাৰ্য্য ভাষাগোষ্ঠী বুলিলে আমি অষ্ট্ৰিক, তিব্বতবৰ্মী, শ্যাম-চীন আৰু দ্ৰাবিড় গোষ্ঠীকে বুজোঁ। অসমৰ সুদীৰ্ঘ ইতিহাসত কোনোবা এচাম আগত আহিছে, কোনোবা চাম পাছত আহিছে, স্থায়ীভাৱে বসবাস কৰিবলৈ লৈছে আৰু প্ৰজাতিগত সংমিশ্ৰণ ঘটিছে। তদুপৰি অতীতৰ বিশাল অসমত বিভিন্ন প্ৰজাতিবোৰ একেলগে বসবাস কৰিব লগা হোৱাত স্বাভাৱিকতেই ভাবৰ আদান-প্ৰদানৰ বাবে উমৈহতীয়া, সংযোগী ভাষা এটাৰ প্ৰয়োজন হৈছিল। নিজস্ব ভাষা ৰক্ষা কৰিও উমৈহতীয়া মাধ্যমৰূপে অসমীয়া ভাষা ব্যৱহাৰ কৰোঁতে নিজস্ব ভাষাৰ শব্দও অসমীয়াত সোমাইছিল, প্ৰজাতিগত সংমিশ্ৰণৰ ফলত সামাজিক বান্ধোনৰ জৰিয়তেও এটা ভাষাৰ শব্দ আন এটা ভাষালৈ প্ৰবাহিত হৈছিল। লোক-সংস্কৃতিবশতঃ অসমীয়া ভাষালৈ অনাৰ্য্য শব্দৰ আগমন হৈছিল।

অসমৰ ঠাইৰ নাম আৰু নদীৰ নামৰ ক্ষেত্ৰত অনাৰ্য্য প্ৰভাৱ আশাব্যঞ্জক। এইটো স্বাভাৱিক যে উত্তৰ-পূব অঞ্চলৰ প্ৰাৰম্ভিক বাসিন্দাসকলে এই অঞ্চলটোত যিবোৰ ঠাই আৰু নদীৰ নাম দি লৈছিল সেইবোৰ নাম পৰৱৰ্তী আৰ্য্যসকলে কিছুক্ষেত্ৰত গ্ৰহণ কৰিছিল যদিওবা ভাষাগত ভিন্নতা আছিল। কোনো কোনো ক্ষেত্ৰত নামবোৰ সংস্কৰণ কৰি সংস্কৃত অৰ্থ আৰোপ কৰিছিল। অসম, কামৰূপ, প্ৰাগজ্যোতিষ আদি এনেধৰণৰ নাম। ডঃ বাণীকান্ত কাকতিয়ে অসমীয়া শব্দসম্ভাৰৰ শিতানত অনাৰ্য্য ভাষাৰ শব্দৰ উল্লেখ কৰিছে আৰু অষ্ট্ৰিক, বড়ো আৰু আহোম ঠাই নামৰ আলোচনা আগবঢ়াইছে।[৩]

ঠাইৰ নাম, নদীৰ নামৰ ক্ষেত্ৰত অষ্ট্ৰিক আৰু দ্ৰাবিড় ভাষাৰ প্ৰভাৱতকৈ তুলনামূলকভাৱে তিব্বতবৰ্মী ভাষাগোষ্ঠীৰ ভাষাৰ প্ৰভাৱৰ সম্ভাৱনাই বেছি। কাৰণ

---

১. Kakati, B : AFD

২. Pathak, R : SAV, Page 123

তিব্বতবৰ্মী ভাষাগোষ্ঠীৰ, বিশেষকৈ বড়ো শাখাৰ লোকসকল পূবৰ শদিয়াৰ পৰা পশ্চিম প্ৰান্তৰ গাৰো পাহাৰলৈকে বিস্তৃত ভৌগোলিক এলেকাত বসবাস কৰিছিল বাবে তিব্বতধৰ্মী ভাষা পৰিয়ালৰ প্ৰভাব ব্যাপক বুলি ক'ব পৰা যায়। ড° কাকতিয়ে আলোচনা কৰি থৈ যোৱা ঠাইৰ নামসমূহ এনেধৰণৰ ঃ

অষ্ট্ৰিক

নাম	অৰ্থ
কামাখ্যা	(মৰিশালি, মৃতদেহৰ সৈতে সম্পৰ্কিত)
কামৰূপ	(অসম প্ৰদেশৰ মধ্যযুগীয় নাম)
প্ৰাগজ্যোতিষপুৰ	(পাগাৰ - জো-তিক)
হাৰুপেশ্বৰ	(হৰ, পাহাৰ; হৰুপ, থাল বা পাচিৰে ঢাক)
কাম-তা	(মাটি, দেশ, ঠাইৰ প্ৰতিশব্দ)
চাম-তা	(ত, তে, তেহ, তিক ইত্যাদি)

বড়ো

হাজো	(হাজো, পাহাৰ)
হাকামা	(হাখ্মা, লুকুৱা)
বিহামপুৰ	(বিহাম, বোৱাৰী)
দিচপুৰ	(দিচই, আন ঠাইলৈ যোৱা)
ডিগবৈ	(দিগবৈ, বুহি নিৰ্মল পানীৰ সোঁত)

আহোম

তিপাম	টি- ঠাই, পম্, টিলা; ওখ ঠাই।
তিৰাপ	টি- ঠাই,ৰাপ্ লগ-লগা; নৰা আৰু আহোম ৰাজ্যৰ সীমা আছিল।
তিংৰা/টিংৰাই	টিং- ওখ, ৰাই-জিলিকি থকা; জিলিকি থকা ওখ ঠাই।
নামতি	নাম- পানী, টি- দ-ঠাই, চাপৰ ঠাই।
মাকুম	মা- গতি কৰা, কুম- গোট খোৱা, একেলগ হৈ গতি নিৰ্ণয় কৰা ঠাই।
পালেঙী	পা- মাছ, লেঙী- সৰু; সৰু মাছ পোৱা ঠাই।
চৰাইদেউ	ছে- নগৰ, ৰাই- জিলিকি থকা, দয়- পৰ্বত; পৰ্বতৰ ওপৰত জিলিকি থকা ঠাই।

ছশ বছৰীয়া আহোম শাসনকালত উজনি অসমৰ ভৌগোলিক ক্ষেত্ৰত বহুতো ঠাইৰ নাম আহোম ভাষাত আছিল যদিও পাছলৈ সিবিলাকৰ নামবোৰ 'টাই' ভাষাৰ বুৰঞ্জীতহে দেখা যায়। মন কৰিবলগীয়া যে আহোমসকলে ৰাজ্য স্থাপন কৰাৰ পাছত শাসনৰ সুবিধাৰ্থে লাহে লাহে তেওঁলোকৰ নিজা 'টাই' ভাষাৰ ভাষান্তৰ (Language Shift) ঘটাই সম্পূৰ্ণৰূপে অসমীয়া ভাষা গ্ৰহণ কৰে। তেওঁলোকে অসমীয়া ভাষাক ৰাজকীয় ভাষা কৰাৰ পাছতো বহু ঠাই নাম, বস্তুৰ নাম পূৰ্বৰ নামেৰেই বাহাল থাকিল আৰু কিছুমানৰ আধুনিকীকৰণ হ'ল। কিছুমান অসমীয়া শব্দলৈ ৰূপান্তৰিত হ'ল। তেনে কিছুমান শব্দ হ'ল—

ছে- হুং, (ছে- নগৰ, হুং- গড়), গড়গাওঁ

ছাম-ছে-হাট (ছাম-দুই, ছে-নগৰ, হাট-বজাৰ), যোৰহাট

ছফ্ৰাই (ছে-নগৰ, ফ্ৰাই-চাপৰি), চফ্ৰাই

ছে-লঙ-খাম (ছে-নগৰ, নঙখাম-সোণ) সোণাৰি

ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা ধ্বনি, ৰূপ, শব্দ আৰু বাক্যৰীতি অনুসৰি স্থানবাচক শব্দসমূহৰ বিচাৰ কৰিব পাৰি। ভাষাতাত্ত্বিক বিচাৰ-বিশ্লেষণত অৱশ্যে নৃগোষ্ঠীয় ভাষাসমূহত ব্যুৎপত্তি নাথাকিলে প্ৰকৃত তথ্য উদ্‌ঘাটন কৰা সম্ভৱ নহয়। স্থানবাচক শব্দসমূহ কি কি প্ৰত্যয়, উপসৰ্গ, অনুসৰ্গ, শব্দাংশ আদিৰে গঠিত হৈছে বা ধ্বনি পৰিবৰ্তন, লোপ, ভাষান্তৰ, মিশ্ৰণ আদি ঘটি কেনেদৰে ঠাইৰ নামৰ উদ্ভৱ হৈছে, তাৰ কেইটিমান উদাহৰণ দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ল।

ধ্বনি পৰিবৰ্তন :

মাক্-থা > মকথা > বকথা > বকতা

নাম্-ৰুক্ > নামৰূপ

মংৰাংকী > মৰঙী >মৰঙি

ভক্-বাৰী >ভোগবাৰী

পাগাৰ - জো-তিক > প্ৰাগজ্যোতিষ

লোপ :

পাট-কাই-চেং-কান > পাটকাই

মিশ্ৰণ :

ধৰম-তুল (অস. ধৰম + অষ্ট্ৰিক, তুল)

দিহং (বড়ো, দি + অষ্ট্ৰিক হং)

গুৱাহাটী (তিবা, গৈ-হাটি-গৈ-তামোল, হাটি-বহল ঠাই, সং)

চাংলাং (টাই, চাং, কাৰ্বি. লাং)

ৰূপ-গঠনৰ ফালৰ পৰা ঠাইৰ নামৰ আলোচনা কৰিব পাৰি। যেনে—

বিশেষণ + বিশেষ্য	**বিশেষ্য + বিশেষ্য**
ৰঙা + জান, ৰঙাজান	শিৱ + সাগৰ, শিৱসাগৰ
বোকা + জান, বোকাজান	জয় + সাগৰ, জয়সাগৰ
বৰ + হাট, বৰহাট	গৌৰী + সাগৰ, গৌৰীসাগৰ
ৰূপহী + হাট, ৰূপহীহাট	
পুৰণি + গুদাম, পুৰণিগুদাম	
বগী + দ'ল, বগীদ'ল	

সাধাৰণতে প্ৰত্যয় যুক্ত হৈ অসমীয়া ভাষাত অলেখ নামশব্দ গঠন হৈছে। উদাহৰণ স্বৰূপে :

ধাই - আলি	ধাইআলি
গড় - আলি	গড়আলি
আম - অনি	আমনি
বকুল - অনি	বকুলনি
কলিয়া - বৰ	কলিয়াবৰ
বৰ - মা	বৰমা
বক - অলীয়া	বকলীয়া
জামু-গুৰি-হাট	জামুগুৰিহাট

ঠাইৰ নাম বা স্থানবাচক শব্দসমূহৰ ব্যৱহাৰৰ জৰিয়তে ভাষাৰ বাক্যৰীতি প্ৰভাৱশালী কৰি ভাবব্যঞ্জনা প্ৰকট কৰি তোলা হয়। ঠাইৰ নামক লৈ অসমীয়াত বহুতো প্ৰবাদ-প্ৰবচনৰো সৃষ্টি হৈছে। যেনে—

'ৰামো নাই অযোধ্যাও নাই'

'ইয়াতে মাৰিলে টিপা, গড়গাঁও পালেগৈ শিপা'

'এঙেৰাৰ চৰু, হেঙ্গেৰাৰ গৰু

পেঙেৰাৰ পাণ, জয়খামডাঙৰ ধান'

'নাই গুৱাহাটী, নাই ৰঙামাটি'

যিহেতু ঠাইৰ নামসমূহে ইতিহাসৰ সমল আহৰণ কৰাত আমাক বিশেষ সহায়

কৰে, জাতীয় আৰু সাংস্কৃতিক ঐতিহ্যৰ সন্ধান দিয়ে, সেয়েহে প্ৰাচীন আৰু অৰ্বাচীন নামসমূহৰ প্ৰকৃত ৰূপটো সংৰক্ষণ কৰা নিতান্ত আৱশ্যক। বিভিন্ন যুগত, কি ঠাইত, কি সভ্যতাই কি ধৰ্মই, কাৰ শাসনে, কি পৰিৱেশত প্ৰাধান্য বিস্তাৰ কৰিছে, স্থানবাচক শব্দসমূহৰ বিশ্লেষণেই সেইবিলাক কথাৰ সম্ভেদ দিব। অসমৰ বিশাল ভাষাগত ক্ষেত্ৰৰ স্থানবাচক শব্দসমূহৰ সংৰক্ষণ আৰু প্ৰণালীবদ্ধ অধ্যয়ন, প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ, উপাদান, আনুষংগিক কাৰণ যথাসম্ভৱ পৰ্য্যালোচনা নকৰালৈকে চূড়ান্ত মন্তব্য দিয়াটো কঠিন। ❑

প্ৰাসংগিক গ্ৰন্থপঞ্জী :

গোস্বামী, উপেন্দ্ৰনাথ : ভাষা বিজ্ঞান, ১৯৭৬

গগৈ, লীলা : অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, ১৯৮৪

গগৈ, পুষ্প, গগৈ বগেন (সম্পাঃ) : টাই সংস্কৃতি, ১৯৯৪

পাঠক, ৰমেশ : অসমীয়া ভাষাৰ ইতিহাস, ২০০০

বৰুৱা, বিৰিঞ্চি কুমাৰ : অসমৰ লোক-সংস্কৃতি, ১৯৮৯

শৰ্মা, তীৰ্থনাথ : সাহিত্য বিদ্যা পৰিক্ৰমা

Bloomfield, Leonard : Language, 1950

Kakati, Banikanta : Assamese : Its Formation & Development, 1941

Pathak, Ramesh : Studies in Assamese Vocabulary, 2004

Phukan, Sarat Kumar : Toponymy of Assam (Research Article) 2001

সমাজ ভাষাবিজ্ঞানৰ চমু আভাস

ভাষা মানৱ সমাজ-সংস্কৃতিৰ এক অপৰিহাৰ্য্য অংগ। ভাষা এনে এটা প্ৰণালী আৰু মানুহৰ মনস্তাত্ত্বিক প্ৰক্ৰিয়া যাৰ মাধ্যমত সমাজ আৰু মানুহৰ মাজত আদান-প্ৰদান সম্ভৱ হয়। সমাজ গঢ় লৈ উঠে মানুহৰ দ্বাৰা আৰু মানুহৰ মাজতেই ভাষাৰ প্ৰবাহ চলি থাকে। গতিকে ভাষাৰ এক সামাজিক আৰু বিদ্যায়তনিক প্ৰয়োজন আছে।

কুৰি শতিকাৰ আৰম্ভণিত ভাষাবিজ্ঞানে গতিশীলতা লাভ কৰিছে। বিশেষকৈ সমাজ, ভূগোল, মনস্তত্ত্ব, শৈলীতত্ত্ব আদি বিভিন্ন বিষয়ৰ সম্পৰ্ক বিচাৰ কৰি ভাষাৰ ব্যৱহাৰিক কথিত দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰা দেখা গৈছে। ফলত ভাষাবিজ্ঞানৰ নতুন শাখা-প্ৰশাখাৰ জন্ম হৈছে। তেনে শাখাবোৰৰ ভিতৰত উল্লেখযোগ্য আৰু আকৰ্ষণীয় শাখা হৈছে সমাজ ভাষাবিজ্ঞান। সমাজ ভাষাবিজ্ঞান বুলিলে সমাজত বসবাস কৰা বিভিন্ন জনসমষ্টিৰ ভাষাৰ ব্যৱহাৰৰ তত্ত্বকে বুজা যায়।

সমাজ ভাষাবিজ্ঞানৰ অধ্যয়নত সমাজৰ কোনো এক অঞ্চলৰ ভাষিক বিশেষত্ব, ভাষাৰ প্ৰতি মানৱ সমাজৰ মনোভংগী, ভাষাৰ মান্য আৰু উপভাষীয় ৰূপ, ভাষা প্ৰয়োগৰ ধৰণ, ভাষা সামাজিক স্তৰ আদি অন্তৰ্ভুক্ত কৰা হয় আৰু বিচাৰ কৰি চোৱা হয়।

কোনো এটা কথা বা বস্তুক বুজাবলৈ এজন বক্তাই একাধিক ধৰণেৰে ভাব প্ৰকাশ কৰিব পাৰে। একাধিক ধৰণেৰে ভাব প্ৰকাশ কৰিবলৈ যি বিভিন্নতা সেয়া ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যতত্ত্ব, শব্দসম্ভাৰ আৰু অৰ্থসম্ভাৰ সকলোতে পৰিলক্ষিত হয়। সমাজৰ বিভিন্ন স্তৰত, বিভিন্ন ৰূপত যিখিনি ভাষাগত বিভিন্নতা, তাক সমাজ ভাষাবিজ্ঞানৰ অধ্যয়নে সামৰি লয়।

আমাৰ মনত এক প্ৰশ্ন উদয় হ'ব পাৰে যে সমাজত ভাষাৰ ক্ষেত্ৰত কিয় বিভিন্নতাই দেখা দিয়ে। ভাষা এনে এক বৌদ্ধিক আহিলা যাৰ সহায়ত মানুহে প্ৰণালীবদ্ধভাৱে চিন্তা, কল্পনা আৰু পৰিকল্পনা কৰিব পাৰে। ভাষাই মানুহৰ চিন্তা-আকৃতি নিৰ্ধাৰণ কৰে। প্ৰত্যেকজন ব্যক্তিৰে চিন্তাশক্তি, শব্দপ্ৰয়োগ, বাক্যযোজনা, কথা কোৱাৰ সুৰ সুকীয়া। গতিকে ব্যক্তি অনুযায়ী, নাৰী-পুৰুষভেদে, ধৰ্মভেদে নাইবা সম্প্ৰদায়ভেদে ভাষিক

বিভিন্নতা থাকিব পাৰে।

বক্তাই কেনে ধৰণেৰে, কেনে মৰ্য্যাদাৰে কথা কয়, তাৰ স্বৰূপ বক্তাৰ কথনভংগীৰ মাজত পৰিস্ফুট হয়। এজন বক্তিয়ে আন এজন ব্যক্তিৰ লগত কথা-বতৰা পাতোঁতে সাধাৰণতে ব্যক্তিজনৰ বয়স, লিংগ, সম্বোধন, সামাজিক মৰ্য্যাদা, পৰিবেশ আদি দিশবোৰো লক্ষ্য কৰিবলগীয়া হয়। তেনে ক্ষেত্ৰত বক্তাৰ কথা কোৱাৰ ধৰণ, সুৰ সুকীয়া হৈ পৰে। গীত-মাত, কবিতা, সাধুকথা, জতুৱা ঠাঁচ আদিৰ জৰিয়তেও কোনো ভাষাৰ বক্তাবিশেষৰ কথনভংগীৰ আভাস পাব পাৰোঁ। ভাষাৰ লগত সমাজৰ সম্পৰ্ক প্ৰকৃততেই গভীৰ। এইক্ষেত্ৰত বিশিষ্ট ভাষাবিজ্ঞানী ডব্লিউ ডি হুইটনীৰ 'ভাষা এক সামাজিক অনুষ্ঠান' (Language is a social institution) কথাষাৰ প্ৰণিধানযোগ্য।

ভাষাবিজ্ঞানৰ আলোচনাত যোৱা শতিকাৰ পঞ্চাশৰ দশকলৈকে সমাজ ভাষাবিজ্ঞানৰ বিশেষ স্থান নাছিল। পঞ্চাশৰ দশকৰ পাছৰ পৰাহে সমাজ ভাষাবিজ্ঞান সম্পৰ্কীয় চিন্তা-চৰ্চাৰ সূচনা হ'বলৈ ধৰে। আমেৰিকাত পোনপ্ৰথমে হ্যটিম্নাৰে ১৯৫৩ চনত 'ভাষাৰ সমাজবিজ্ঞান' প্ৰতিষ্ঠাৰ বাবে চেষ্টা কৰে। তাৰ পাছত ১৯৫৬ চনত ফৰাচী পণ্ডিত মাৰ্চেল কোহে ভাষাৰ সমাজবিজ্ঞান সম্পৰ্কে এখন গ্ৰন্থ প্ৰকাশ কৰে। ইংৰাজী ভাষাৰ অধ্যাপক হাভেৰ চি কুৰিয়ে সমাজ ভাষাবিজ্ঞানৰ বিষয়ে ব্যাখ্যা দাঙি ধৰিবলৈ প্ৰয়াস কৰি কৈছে, 'ভাষা আৰু সামাজিক মৰ্য্যাদাৰ সম্পৰ্কই সমাজবিজ্ঞান।' লাহে লাহে সমাজ ভাষাবিজ্ঞানে ভাষা সম্পৰ্কে চিন্তা-চৰ্চাত বিশেষ স্থান লাভ কৰিবলৈ ধৰে।

ভাষাতত্ত্বৰ ক্ষেত্ৰত সমাজ ভাষাবিজ্ঞানৰ যে এক উল্লেখযোগ্য ভূমিকা আছে এইকথা ১৯৬০ চনত উইলিয়াম ব্ৰাইট আৰু এ কে ৰামানুজন নামৰ দুজন ভাষাবিজ্ঞানীয়ে নৱম আন্তঃৰাষ্ট্ৰীয় ভাষা সন্মিলনীত এক বিশেষ ৰূপত অৱগত কৰে। ভাষাবিজ্ঞানৰ চিন্তা-চৰ্চা বৃদ্ধি হোৱাৰ লগে লগে, অধ্যয়নৰ গভীৰতাৰ লগে লগে 'সমাজ ভাষাবিজ্ঞান' (Sociolinguistics) পাৰিভাষিক শব্দটো সকলোৰে বাবে গ্ৰহণযোগ্য হৈ পৰিল। ১৯৬৬ চনত উইলিয়াম লেবভে তেওঁৰ 'Stratification of New York speech' নামৰ প্ৰবন্ধত বিশ্লেষণ কৰিছে যে সামাজিক বাধা আৰু দূৰত্বই ভাষাত বিভিন্নতাৰ সৃষ্টি কৰে। এই ভাষাগত বিভিন্নতাসমূহক কেন্দ্ৰ কৰিয়েই তেওঁ সামাজিক উপভাষাসমূহ নিৰ্ণয় কৰিছিল। তেৱেঁই প্ৰথমে বিভিন্ন শ্ৰেণীৰ উপভাষা যে থাকিব পাৰে তাক নিৰ্ণয় কৰি সমাজ ভাষাবিজ্ঞানৰ অধ্যয়নত এক নতুন দিগন্তৰ উন্মেষ কৰিলে। ১৯৭৪ চনত পিটাৰ ট্ৰাজিলে 'Sociolinguistics, An Introduction to Language and Society' নামৰ গ্ৰন্থত বিস্তৃতভাৱে সমাজ, ভাষা আৰু সংস্কৃতি— এই তিনিওটা দিশতে আলোকপাত কৰে। তেওঁ এই গ্ৰন্থত লিখিছে— "Sociolinguistics, then, is that

part of linguistics which is concerned with language as a social and cultural phenomenon. It investigates the field of language and society and has close connection with the social-sciences, especially social psychology, anthropolgy, human geography and sociology"

সমাজৰ লগত ভাষাৰ সম্বন্ধৰ কেইটামান উল্লেখযোগ্য দিশ হৈছে :

(ক) ভাষা মানে কোনো এজনৰ মনোভাব অন্য এজনলৈ সঞ্চালন কৰাই অকল নুবুজায়। এখন সমাজত অন্য লোকৰ সৈতে সম্বন্ধ স্থাপন আৰু ৰক্ষা কৰাৰ ই এক অন্যতম আহিলা, অৰ্থাৎ সামাজিক সম্বন্ধ স্থাপন আৰু আনৰ প্ৰতি ভাব সঞ্চালন কৰা।

(খ) সমাজৰ পৰিৱেশ ভাষাত কিদৰে প্ৰতিফলিত হয় তাৰ ওপৰত ভিত্তি কৰি ভাষাত সমাজৰ প্ৰভাৱ লক্ষ্য কৰা যায়। বিশেষকৈ বিভিন্ন শব্দ গঠনত সামাজিক পৰিৱেশ আৰু আৰ্থ-সামাজিক পৰিৱেশে প্ৰতিফলন ঘটায়। উদাহৰণস্বৰূপে আত্মীয়সূচক, সম্বন্ধবাচক শব্দসম্ভাৰত, জঁতুৱা ঠাঁচ আদিত সামাজিক পৰিৱেশৰ বিভিন্নতাই প্ৰভাৱ পেলায়।

(গ) সমাজ পৰিবৰ্তনশীল, ভাষাও পৰিবৰ্তনশীল। সমাজৰ পৰিবৰ্তনেও ভাষাৰ পৰিবৰ্তন আনে। সভ্যতা-সংস্কৃতিৰ বিকাশৰ লগে লগে মানুহৰ মনত নতুন নতুন ভাব, নতুন নতুন চিন্তা-ধাৰণাই ঠাই পায়। বিভিন্ন সময়ত ঘটা ঘটনা, যেনে— যুদ্ধ, বিপ্লৱ, সঘনাই হোৱা বিদেশী আক্ৰমণ, উপনিৱেশ স্থাপন আদিয়ে সমাজ জীৱনৰ পৰিবৰ্তন আনে। পাশ্চাত্য শিক্ষাৰ প্ৰসাৰেও সমাজ জীৱনত প্ৰভাৱ পেলায়। ফলস্বৰূপে ভাষাত নতুন শব্দৰ আগমন হয়, কেতিয়াবা পুৰণি শব্দৰ বিলুপ্ত হয়, শব্দৰ সংকোচন আৰু বিস্তাৰ হয়।

(ঘ) সামাজিক মূল্যবোধেও ভাষাত প্ৰতিক্ৰিয়া কৰিব পাৰে। প্ৰত্যেক সমাজৰ চাল-চলন, ৰীতি-নীতি বেলেগ বেলেগ। যিবোৰ কথা অনৈতিক, গোপনীয় বা অনুপযুক্ত বুলি ভবা হয়, তেনে ক্ষেত্ৰত ভাষাত 'নিষেধ' (Taboo) জড়িত হৈ থাকে। সাধাৰণতে এনেধৰণৰ শব্দ সমাজত মুকলিভাৱে প্ৰকাশ কৰা নহয়। সেয়েহে কোনো এটা ভাষাত থকা এনে শব্দ বা বাক্যাংশ ব্যৱহাৰ নকৰিলে সেই ভাষা কোৱা সমাজৰ উন্নত মূল্যবোধ আৰু বিশ্বাস প্ৰতিফলিত হয়। মন কৰিবলগীয়া যে নিষেধজনিত শব্দবোৰ এফালে ভাষাৰ অন্তৰ্গত আৰু আনফালে সামাজিক চৰিত্ৰৰ পৰিচয় বাহকো। ভাষাৰ শুদ্ধ ৰূপ প্ৰয়োগত প্ৰধান ভূমিকা সমাজেই বহন কৰি আহিছে।

ভাষা আৰু সামাজিক শ্ৰেণী :

সমাজত পৰম্পৰাগত সামাজিক গাঁথনিয়ে ভাষাৰ ভিন ভিন ৰূপ সৃষ্টি কৰিব পাৰে। সাম্প্ৰতিক উপভাষা বিজ্ঞানতো সামাজিক বৈশিষ্ট্যৰ সম্বন্ধৰ ওপৰত বেছি গুৰুত্ব দিয়া

হয়। লক্ষ্য কৰিবলগীয়া যে একে সমাজভুক্ত ব্যক্তিসকলৰ ভৌগোলিক দূৰত্ব থকা সত্ত্বেও ভাষাৰ সাদৃশ্য দেখা অথচ ভৌগোলিক দূৰত্ব নাথাকিলেও বা ওচৰা-উচৰিকৈ বাস কৰা ভিন ভিন সমাজভুক্ত ব্যক্তিসকলৰ ভাষাৰ মাজতো প্ৰভেদ দেখা যায়। ভৌগোলিক কাৰণৰ উপৰি সামাজিক বাধা আৰু দূৰত্বই ভাষাত ব্যৱধান সৃষ্টি কৰে আৰু তাৰ দ্বাৰাই সামাজিক উপভাষাৰ সৃষ্টি হয়।

ভাষা ব্যৱহাৰত সমাজৰ উচ্চস্তৰৰ লোকসকলতকৈ নিম্নশ্ৰেণীৰ ভাষাৰ পাৰ্থক্য যথেষ্ট দেখা যায়। বিশেষকৈ ব্যক্তিৰ শিক্ষা-দীক্ষা, ব্যৱসায়, জীৱিকা ভেদে ভাষা ব্যৱহাৰৰ ভিন্নতা আহি পৰে। উদাহৰণস্বৰূপে ইংৰাজী ভাষালৈ লক্ষ্য কৰিলে সামাজিক গুণগত মান ভিত্তিত ভাষাৰ কেইবাটাও শ্ৰেণী পোৱা যায়। যেনে— আৰ্থিক দিশৰ ফালৰ পৰা উচ্চশ্ৰেণী, মধ্যবিত্ত শ্ৰেণী, নিম্নশ্ৰেণী, শ্ৰমিক শ্ৰেণী, উচ্চ শ্ৰমিক শ্ৰেণী, নিম্ন শ্ৰমিক শ্ৰেণী ইত্যাদি। অৱশ্যে কোনো নিৰ্দিষ্ট সংজ্ঞাৰে এই সামাজিক শ্ৰেণী স্পষ্ট কৰি দেখুৱাব নোৱাৰি, কিন্তু এই কথা ক'ব পাৰি যে একেধৰণৰ সামাজিক আৰু অৰ্থনৈতিক বৈশিষ্ট্যৰ মাজেৰে বসবাস কৰি থকা একো একোটা জনসমষ্টি কোনো এটা সমাজিক শ্ৰেণীৰ অন্তৰ্ভুক্ত শ্ৰেণী ক্ৰম ভিত্তিত উঠা-নমা অৱস্থাত থাকে। উচ্চশ্ৰেণীৰ লোকসকলৰ উচ্চাৰণ একে অৰ্থাৎ তেওঁলোকৰ মাজত আঞ্চলিক বিভিন্নতা দেখা নাযায়। কিন্তু নিম্নশ্ৰেণীৰ লোকসকলৰ উচ্চাৰণৰ পাৰ্থক্যৰ কাৰণ হ'ল আঞ্চলিক বিভিন্নতা। নিম্নশ্ৰেণীৰ লোকৰ মাজত দেখা দিয়া সামাজিক আৰু আঞ্চলিক ভিন্নতাৰ প্ৰক্ৰিয়াটোক Peter Trudgil এ চিত্ৰৰ জৰিয়তে এনেদৰে দাঙি ধৰিছে।



ভাষা আৰু বিভিন্ন সম্প্ৰদায় :

কোনো বিস্তৃত জনসমষ্টিলৈ লক্ষ্য কৰিলে দেখা যায় যে বিভিন্ন সময়ত বিভিন্ন ঠাইৰ ভিন্ন ভিন্ন ভাষা কোৱা সম্প্ৰদায়ৰ লোক আহি একেলগে বসবাস কৰিবলৈ লয়।

বহুদিন ধৰি একেলগে বসবাস কৰাৰ ফলত তেওঁলোক একেখন সমাজৰ অন্তৰ্ভুক্ত হৈ পৰে। ফলত জনগোষ্ঠীবিলাকৰ ভাষাৰ মিশ্ৰণ হয়। কেতিয়াবা আকৌ দেখা যায় একে সম্প্ৰদায় বা জনগোষ্ঠী হ'লেও বহুদিন তেওঁলোকৰ মাজত যাতায়াত আৰু যোগাযোগৰ অভাৱৰ বাবে ভাষাই বিভিন্ন ৰূপ লয়। ফলত বিভিন্ন সম্প্ৰদায়ৰ মাজত প্ৰচলিত ভাষা পৰস্পৰ অমিল হৈ পৰে। এনে পৰিস্থিতিত তেওঁলোক শিক্ষা-দীক্ষা, ব্যৱসায়-বাণিজ্য, জীৱন নিৰ্বাহ আদি অন্যান্য কাৰণত সুবিধাৰ বাবে দুটা বা ততোধিক ভাষাৰ মিশ্ৰণ ঘটাই এটা সংযোগী ভাষাৰ সৃষ্টি কৰি যোগাযোগৰ মাধ্যমৰূপে কাম চলাবলৈ ধৰে। উদাহৰণস্বৰূপে নাগামিজ, অৰুণাচলী আৰু নেফামিজ ভাষাৰ কথা উল্লেখ কৰিব পাৰি। গতিকে ভাষা হ'ল ব্যক্তি আৰু সম্প্ৰদায়বিশেষৰ মাজত সমন্বয়ৰ সেতুস্বৰূপ।

ভাষা আৰু লিংগভেদ :

গৰিষ্ঠ্যসংখ্যক ভাষাবিজ্ঞানৰ গবেষণাৰ পৰা এই কথা প্ৰতীয়মান হৈছে যে সমাজৰ পুৰুষ আৰু মহিলাৰ ভাষাৰ মাজত পাৰ্থক্য আছে। পুৰুষ আৰু মহিলাৰ উচ্চাৰণগত পাৰ্থক্যৰ বাবে এনে হোৱাটো স্বাভাৱিক। সামাজিক বিভিন্নতা অনুসৰি বৃত্তিগত কাৰণতো এনে পাৰ্থক্য দেখা যায়। যিবোৰ সমাজত পুৰুষ আৰু নাৰীয়ে একেলগে মিলামিচা কৰে, একেলগে শিক্ষা-দীক্ষা গ্ৰহণ কৰে, চাকৰি-ব্যৱসায় আদি কৰে, তেনে সমাজত ভাষাৰ বিশেষ পাৰ্থক্য দেখা নাযায়। কিন্তু এনে কিছুমান সমাজ আছে যি সমাজত পুৰুষ আৰু নাৰীয়ে মুক্তভাৱে পৰস্পৰ ভাব বিনিময় নকৰে তাত ভাষাৰ পাৰ্থক্য পৰিলক্ষিত হয়। উচ্চাৰণত, শব্দ প্ৰয়োগত আৰু ব্যাকৰণগত দিশতো যথেষ্ট পাৰ্থক্য দেখা যায়। কোনো কোনো ক্ষেত্ৰত ভাষাতাত্ত্বিক নিষেধো (Linguistic taboo) অন্যতম লক্ষণ।

লিংগভেদে ভাষা প্ৰয়োগৰ বিভিন্নতাৰ কথাটো আৱিষ্কাৰ কৰিছিল সপ্তদশ শতিকাত পশ্চিম ভাৰতীয় দ্বীপপুঞ্জত যেতিয়া ইউৰোপীসকলে প্ৰথম ভৰি দি তাৰ অধিবাসী 'কেৰিবিয়ান'সকলৰ সংস্পৰ্শলৈ আহিছিল। তেওঁলোকে মন কৰিছিল— পুৰুষ আৰু নাৰীয়ে সুকীয়া সুকীয়া ধৰণে কথা কোৱাই নহয়, একেটা ভাষাই সম্পূৰ্ণ সুকীয়া ৰূপত দেখা দিয়ে। প্ৰত্যেক সমাজতে পুৰুষে কিছুমান বিশেষ শব্দ ব্যৱহাৰ কৰে, যিবোৰ শব্দ মহিলাই ব্যৱহাৰ নকৰে। পুৰুষ আৰু মহিলাৰ মাত-কথাত বা ভাষা ব্যৱহাৰত সম্ভ্ৰমসূচক, নম্ৰতাসূচক শব্দৰ প্ৰয়োগ যে পৃথক হৈ পৰে সেই কথা লক্ষণীয়।

ভাষা আৰু জাতিভেদ :

সমাজ গঠিত হয় সম্প্ৰদায়ৰ বিভিন্ন ব্যক্তিৰে গঢ়া দলৰ দ্বাৰা। একে সম্প্ৰদায়ৰ

হ'লেও জাতি অনুসৰি, বিভিন্ন সামাজিক নীতি-নিয়ম অনুসৰি দল বা ফৈদত ভাগ কৰিব পাৰি। ভাৰতৰ বহুতো ভাষা সম্প্ৰদায়ৰ অন্তৰ্গত বিভিন্ন জাতিসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন সামাজিক জাতিগত উপভাষাসমূহ নিৰ্ণয় কৰিব পাৰি। প্ৰাচীন কালত ভাৰতত বসবাস কৰা মানুহক বৃত্তি অনুসৰি প্ৰধানকৈ চাৰিটা জাতিত বিভক্ত কৰা হৈছিল— ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ। সামাজিক জাতিসমূহ সাধাৰণতে জন্মগতভাৱে দল বা ফৈদত বিভক্ত হৈ পৰে। ঠিক সেইদৰে তেওঁলোকৰ মাত-কথাও এক সুকীয়া বৈশিষ্ট্যযুক্ত হৈ উঠে। সেইবাবে একে সম্প্ৰদায় বা একে ধৰ্মীয় মতৰ হ'লেও জাতিগতভাৱে সামাজিক শ্ৰেণীত বিভক্ত হোৱা বাবে জাতিগত উপভাষা সৃষ্টি হয়। প্ৰাচীন কালত যি চাৰিটা প্ৰধান জাতি আছিল, সেই চাৰিটা জাতিয়েই চাৰিধৰণৰ বৃত্তিৰ সৈতে প্ৰত্যক্ষ সম্পৰ্ক আছিল। কিন্তু আধুনিক ভাৰতত এনে বৃত্তি অনুসৰি জাতিভেদ নাথাকিলেও ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে দুইধৰণৰ জাতিৰ সৈতে সংযোগ কৰিব পাৰি, যেনে— ব্ৰাহ্মণসকল আৰু অব্ৰাহ্মণসকল। ভাৰতৰ বিভিন্ন অঞ্চলত এই জাতিগত উপভাষা সৃষ্টিৰ প্ৰচুৰ উদাহৰণ পোৱা যায়। কিন্তু অসমৰ ক্ষেত্ৰত এনেধৰণৰ জাতিগত উপভাষা আছে যদিও উপভাষাবিলাকৰ মাজত ভাষাগত পাৰ্থক্য কম।

অসমীয়া ভাষা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ নব্য ভাৰতীয় আৰ্য্যভাষা। ই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ সংযোগী ভাষা। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমাজ আৰু জনজীৱনৰ লগত অসমীয়া ভাষা পৰিব্যাপ্ত হৈ আছে। অসমীয়া ভাষাৰো মান্য আৰু উপভাষীয় ৰূপ আছে। অসমীয়া সমাজ জীৱনতো বিভিন্ন জীৱিকা অনুসৰি, সামাজিক-আৰ্থিক দিশ অনুসৰি জনজীৱনৰ মাত-কথাৰ ভিন্নতা আছে। সাধাৰণতে সামাজিক আৰু অৰ্থনৈতিক কাৰণত ভাষাৰ কথনৰীতিৰ পাৰ্থক্য হোৱা স্বাভাবিক। অসমত বিভিন্ন সম্প্ৰদায়ৰ লোক একেখন সমাজত বসবাস কৰি আহিছে যদিও জাতিগত বা সম্প্ৰদায়গত সামাজিক ব্যৱস্থাপনাৰ বাবে ভাষাই সুকীয়া ৰূপ লৈছে।

কথন প্ৰক্ৰিয়াৰ নিয়মেই হৈছে 'সমাজ-ভাষাবৈজ্ঞানিক সূত্ৰ' (Sociolinguistic rules)। এই সূত্ৰ প্ৰধানতঃ তিনিটা— বিকল্প সূত্ৰ (alternative rules), অনুক্ৰম সূত্ৰ (Sequencing rules) আৰু সংগতি সূত্ৰ (Co-occurance rules)।

সমাজত ইজনে সিজনৰ লগত কথা-বতৰা পাতোঁতে ব্যক্তিৰ লগত আন ব্যক্তিৰ সম্পৰ্ক, বক্তা আৰু শ্ৰোতাৰ প্ৰকৃতি, বক্তা আৰু শ্ৰোতাৰ ভূমিকা, তেওঁলোকৰ সামাজিক মান-মৰ্য্যাদা বিচাৰ কৰি চোৱা হয় আৰু সেই অনুসৰি ভাষা প্ৰয়োগ কৰা হয়। এনে ভাষা প্ৰয়োগৰ বাবে আমাৰ ভাষাত বিকল্প আছে। কনিষ্ঠ, জ্যেষ্ঠ, বয়োজ্যেষ্ঠসকলৰ প্ৰতি বক্তাৰ ভাষা ব্যৱহাৰৰ পাৰ্থক্য থাকে। এনে ক্ষেত্ৰত ভাষাত থকা বিকল্পৰ পৰা

যুক্তিযুক্ততা অনুসৰি বিভিন্ন ৰূপ ব্যৱহাৰ কৰা হয় আৰু ইয়েই হৈছে বিকল্প সূত্ৰ।

ভাষা প্ৰয়োগত সকলো ভাষাতে কথা-বাৰ্তাৰ স্তৰ স্থান-কাল-পাত্ৰ অনুসৰি, পৰিৱেশ অনুসৰি যথাযথভাৱে ৰক্ষা কৰি কথা-বতৰা বা বাক্‌কাৰ্য্য সম্পাদন কৰা হয় আৰু এই ৰীতিয়ে হ'ল অনুক্ৰম সূত্ৰ।

ভাষাৰ প্ৰয়োগত যিকোনো শব্দ যেনে তেনে প্ৰয়োগ কৰিব নোৱাৰি। প্ৰতিটো ভাষাৰে কিছুমান নিজস্ব ৰীতি-বা জতুৱা ঠাঁচ আছে। এই ৰীতি বা জতুৱা ঠাঁচে ভাষাৰ বৈশিষ্ট্য তথা সৌন্দৰ্য্য ৰক্ষা কৰে। শব্দৰ ব্যৱহাৰত কোনটো শব্দ কেনেদৰে প্ৰয়োগ হ'ব তাৰ সংগতি যথাৰ্থ হ'ব লাগে। বাক্যত শব্দবোৰ যথাৰ্থভাৱে ব্যৱহাৰ কৰাটোৱে হ'ল সংগতি সূত্ৰ।

উল্লেখযোগ্য যে অসমীয়া ভাষাৰ পৰা সমাজ ভাষাবৈজ্ঞানিক এই তিনিটা সূত্ৰৰ পৰা উদাহৰণ দাঙি ধৰিব পাৰি।

(ক) অসমীয়া ভাষাত ব্যৱহাৰ কৰা সৰ্বনামসমূহক সমাজৰ লগত সম্বন্ধযুক্ত কৰিব পাৰি। কাৰণ দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সৰ্বনামসমূহৰ অসমীয়া সমাজত তিনিটা মৰ্যাদা— তুচ্ছ, মান্য, অধিক মান্য অৰ্থত ব্যৱহৃত হয়, অৰ্থাৎ সামাজিক ব্যৱধানৰ জোখ অনুসৰি ব্যৱহাৰ হয়। যেনে—

দ্বিতীয় পুৰুষৰ সৰ্বনাম :

একবচন	বহুবচন
তই উঠ	তহঁত উঠ
তুমি উঠা	তোমালোক উঠা
আপুনি উঠক	আপোনালোক উঠক

তৃতীয় পুৰুষৰ সৰ্বনাম :

সি উঠে	সিহঁত উঠে (পুং, স্ত্ৰী উভয়তে)
তাই উঠে	
তেওঁ উঠে	তেওঁলোক উঠে
তেখেত উঠে	তেখেতসকল উঠে

কথা-বতৰা পাতোঁতে বাক্যত এই সৰ্বনামসমূহৰ নিৰ্বাচন, বক্তাৰ সামাজিক পৰিচয়, পুৰুষ বা মহিলা, অন্যলোক উপস্থিত থকা বা নথকা, কনিষ্ঠ বা জ্যেষ্ঠ ইত্যাদি সামাজিক অৱস্থাৰ দ্বাৰা নিৰূপিত হয়।

(খ) সকলো ভাষাতে কথনভংগীৰ এটা ক্ৰম থাকে। সেই ক্ৰম অনুসৰি এজনে আন এজনৰ লগত কথা-বতৰা পাতে। এজনক দেখা পোৱাৰ লগে লগে ইজনে সিজনক

খবৰ লয়। 'কেনে আছে?' 'কেতিয়া আহিলে?' আদি প্ৰশ্ন সোধা আৰু উত্তৰ দিয়াটো সমাজৰ এটা নিয়ম।

(গ) প্ৰত্যেক সমাজতে কথা কোৱাৰ বিভিন্ন ধৰণ বা ৰীতি আছে। অসমীয়া সমাজতো এই ৰীতি বা জতুৱা ঠাঁচসমূহে ভাষাৰ বৈশিষ্ট্য আৰু সৌন্দৰ্য্য ৰক্ষা কৰিছে। উদাহৰণস্বৰূপে ঃ আঁঠুৱা তৰে/ মহৰি টানে, পাহাৰ বগায়/ পাহাৰ বাগৈ, কাপোৰ বয়/কাপুৰ বুয়ে, ধান দায়/ধান কাটে, মূৰ আঁচোৰে/মূৰ ফনিয়ায়/মূৰ চোঁচে ইত্যাদি।

সমাজত ভাষাৰ প্ৰয়োগ আৰু পৰিৱৰ্তনৰ দিশত শব্দ তথা শব্দৰীতিৰ সমাজতাত্ত্বিক মূল্য আছে। অসমীয়া শব্দমালাত মৌলিক শব্দসমূহ ব্যৱহাৰ হোৱাৰ উপৰি কিছুমান সুকীয়া বৈশিষ্ট্যযুক্ত শব্দ ব্যৱহাৰ হয়। অসমৰ ঠাইৰ নাম, নদীৰ নাম বুজোৱা শব্দসমূহৰো সমাজতাত্ত্বিক বিশেষত্ব আছে। অসমীয়া ভাষাত এনে কিছুমান শব্দৰ প্ৰচলন আছে যিবোৰে সমাজভেদে বেলেগ অৰ্থ প্ৰকাশ কৰে বা বেলেগ ধৰণে গ্ৰহণ কৰে। যেনে— চাউলৰ পৰা তৈয়াৰ কৰা পানীয়ক বুজাবলৈ অসমৰ জনজাতীয় লোকসকলে ভিন ভিন শব্দ ব্যৱহাৰ কৰে— মদ, লাওপানী, সাজ, ফটিকা, হাৰলং, হাড়িয়া ইত্যাদি আজিকালি সম্বন্ধবাচক শব্দসমূহৰ অসমীয়া সমাজত বিভিন্ন ৰূপ পাওঁ। যেনে—

মা/মাই/মামী/বৌ/বৌটি/আই

দেউতা/বাবা/আবা/পিতা/পিতাই/বাপি/বোপাই/পাপা

ককাইদেউ/ককাই/দাদা/কাকা

দদাইদেউ/খুৰাদেউ/দদাই/খুৰা/আংকল

মোমাইদেউ/মোমাই/মামা /আংকল ইত্যাদি

সম্প্ৰদায় বিশেষে ভাষাৰ ভিন্নতা অসমীয়া সমাজতো পৰিলক্ষিত হয়, বিশেষকৈ সম্বন্ধবাচক শব্দবোৰত এনে পাৰ্থক্য বহু দেখা যায়। আহোম সম্প্ৰদায়ৰ লোকে ককাইদেউ, আপাদেউ, নিচাদেউ, পুথাদেউ, আনাইদেউ, আইদেউ আদি শব্দ ব্যৱহাৰ কৰে। তদুপৰি গোহাঁইদেউ, গঁগেদেউ (দেৱৰ), ন-ছোৱালী (বোৱাৰী), দো-মতি/দোৰমতি (ভায়েকৰ ককায়েক— বৌৱেক আৰু বোৱাৰীয়েকৰ ককায়েক-বৌৱেক প্ৰত্যেকেই সম্বোধন কৰা সম্বন্ধবাচক শব্দ) আদি শব্দ ব্যৱহাৰ কৰে। মুছলমান সম্প্ৰদায়ৰ লোকে আবাজান, আমাজান, ভাইজান, বাইটি, খুৰীটি, মাহীটি, ককাইটি আদি শব্দ ব্যৱহাৰ কৰে।

একে ভৌগোলিক পৰিবেষ্টনীৰ মাজত বসবাস কৰা বিভিন্ন লোক-সম্প্ৰদায়ৰ মাজত শিক্ষা-দীক্ষা, অৰ্থনৈতিক অৱস্থা, ব্যৱসায়-বাণিজ্য, জাতি-ধৰ্ম, সম্প্ৰদায় অনুসৰি অসমীয়া ভাষাটোৰ পাৰ্থক্য দেখা যায়। এই পাৰ্থক্য ধ্বনিৰ উচ্চাৰণ, ৰূপ আৰু ৰূপৰ সংযোগ

আৰু বাক্যবিন্যাসগত। বিশেষকৈ কথিত ৰূপত এনে বৈচিত্ৰ্য মন কৰিবলগীয়া। অসমীয়া ভাষাৰ উপভাষীয় ক্ষেত্ৰত কোনো কোনো সম্প্ৰদায়ৰ মানুহৰ অন্তস্থৰ অৱস্থানত লুঠিত 'ৰ'ৰ উচ্চাৰণ নহয়, এইক্ষেত্ৰত 'ৰ'ৰ পৰৱৰ্তী অৱস্থানত থকা স্বৰ অনুসৰি শব্দবোৰৰ উচ্চাৰণ শুনা যায়। সেইদৰে দন্তমূলীয় অঘোষ 'স' ধ্বনি কণ্ঠনালীয় 'হ' উচ্চাৰণ হয়। কোনো কোনোৱে 'স'ৰ ঠাইত 'খ' উচ্চাৰণ কৰে। চাহ-বাগানৰ লোকসকলে 'চ' উচ্চাৰণ কৰে। স্বৰধ্বনি 'ও' আৰু 'উ'ৰ ক্ষেত্ৰত উচ্চাৰণৰ পাৰ্থক্য লক্ষ্য কৰিবলগীয়া। উদাহৰণস্বৰূপে— এৰালিবন/এআলি বন, আওগৰীয়া/আওগইয়া, কতৰা/কতআ, কৰীয়া/কঁইয়া, অসম/অখম, সমাজ/হমাজ/চমাজ, তামোল/তামূল, টোলোঠা/টুলুঠা, মাকো/মাকু, টোকাৰী/টুকাই, কাপোৰ/কাপুৰ, দাপোণ/দাপুণ ইত্যাদি।

ৰূপ আৰু ৰূপ সংযোগৰ ক্ষেত্ৰতো উচ্চাৰণগত আৰু প্ৰয়োগত প্ৰভেদ মন কৰিবলগীয়া। প্ৰায়োগিক দিশৰ পৰা বহুবচনাত্মক প্ৰত্যয়বোৰৰ ভিতৰত বোৰ, হঁত, -সোপা, -মখা আদি তুচ্চাৰ্থত প্ৰয়োগ হয়। আনহাতে -বিলাক, -লোক, -সকল সম্ভ্ৰম অৰ্থত প্ৰয়োগ হয়। উচ্চাৰণগত পাৰ্থক্য এনেধৰণৰ— বোৰ/ভোৰ, হঁত/হেঁত/হেঁতি, সোপা/হোপা ইত্যাদি।

বৰ্তমান, অতীত আৰু চৰ্তসাপেক্ষ বুজাবলৈ ব্যৱহাৰ কৰা ক্ৰিয়াপদত অনুস্বাৰ প্ৰয়োগ কৰি কথা কোৱা কোনো কোনো সমাজত পৰিলক্ষিত হয়। যেনে— কৰিলোং/কৰিলুং, খালোং/খালুং, নাযাং, নাখাং, যাং ইত্যাদি।

ইয়াৰ উপৰি অসমৰ অঞ্চলবিশেষে ব্যৱহাৰ হোৱা ক্ৰিয়া বিশেষণবোৰ বেলেগ বেলেগ। যেনে— এইফালে, সেইফালে, এইভাগে, সেইভাগে, এইখিতে, সেইখিতে, এইদিকে, সেইদিকে ইত্যাদি।

সুদূৰ দশম শতিকাৰ পৰা আধুনিক যুগলৈকে অসমীয়া ভাষা-সাহিত্যৰ এক সুদীৰ্ঘ ইতিহাস আছে। প্ৰত্যেক ভাষাৰে ইতিহাস, বিকাশ আৰু পৰিপুষ্টিত উপভাষীয় ৰূপসমূহে অৰিহণা যোগায়। অসমৰ ভৌগোলিক অৱস্থিতি অনুসৰি ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক কাৰণবশতঃ পূবফালে শিৱসাগৰীয়া উপভাষা আৰু পশ্চিমফালে কামৰূপী আৰু গোৱালপৰীয়া উপভাষা গঢ় লৈ উঠিছে। উল্লেখযোগ্য যে অসমীয়া ভাষাৰ উপভাষিক বৈশিষ্ট্যৰ বিজ্ঞানসম্মত আলোচনা প্ৰথম ডঃ বাণীকান্ত কাকতিৰ গৱেষণা গ্ৰন্থতে পোৱা যায়। তেওঁ অসমীয়া ভাষাৰ মান্যভাষা আৰু কামৰূপী উপভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু শব্দমালাৰ বিষয়ে ঐতিহাসিক আৰু বৰ্ণনাত্মক আলোচনা আগবঢ়াই গৈছে। ডঃ কাকতিৰ গৱেষণা গ্ৰন্থ প্ৰকাশ হৈ ওলোৱাৰ পাছত পঞ্চাশ বছৰে অসমীয়া ভাষাৰ কথিত ৰূপটোৰ যথেষ্ট পৰিৱৰ্তন হৈছে, নতুন সাজ গ্ৰহণ কৰিছে।

সমাজৰ মানুহৰ আদান-প্ৰদানৰ কথাটোতে ভাষাৰ অস্তিত্ব জড়িত হৈ আছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ সমাজৰ গাঁথনিক দিশটো যথেষ্ট ব্যাপক। অসম আৰ্য্য-অনাৰ্য্য জনগোষ্ঠীৰ মিলনভূমি। অসমীয়া ভাষা সেয়েহে জনজাতীয় সমাজত দ্বিতীয় ভাষা আৰু সংযোগী বা উমৈহতীয়া ভাষাৰূপে প্ৰচলন হৈ আছে। জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত অসমীয়া ভাষাবো ভিন্নতা আছে। জনজাতীয়সকলৰ সামাজিক পৰিৱেশ, দ্বিভাষিত্ব আদি অধ্যয়ন আৰু চিন্তা-চৰ্চাৰ বাট এতিয়াও পৰি আছে। সমাজ ভাষাতাত্বিক বিচাৰ-বিশ্লেষণৰ জৰিয়তে প্ৰত্যেক সমাজৰ মানুহৰ ঐতিহাসিক আৰু সাংস্কৃতিক ইতিহাসৰ লগতে ভাষাৰ বাস্তৱ গতি-প্ৰকৃতি অনুধাৱন কৰিব পাৰি। ❑

নিৰ্বাচিত গ্ৰন্থপঞ্জী

গোস্বামী, উপেন্দ্ৰনাথ	:	ভাষাবিজ্ঞান, ১৯৭৬
		অসমীয়া ভাষা আৰু উপভাষা, ১৯৮৬
গোস্বামী, গোলোকচন্দ্ৰ	:	ধ্বনিবিজ্ঞানৰ ভূমিকা
গোস্বামী, সত্যেন্দ্ৰ নাৰায়ণ	:	নতুন প্ৰবন্ধ, ১৯৯১
পাদুন, নাহেন্দ্ৰ (সম্পাঃ)	:	ভাষাৰ তত্বকথা, ১৯৯৩
পাঠক, ৰমেশ	:	অসমীয়া ভাষাৰ ইতিহাস, ১৯৮৫, ১৯৯০
মৰল, দীপঙ্কৰ	:	উপভাষাবিজ্ঞান,১৯৯১
বৰুৱা, ভীমকান্ত	:	অসমৰ ভাষা, ১৯৯০
কোঁৱৰ, অৰ্পণা	:	ভাষা-সাহিত্যৰ বিবিধ চিন্তা, ১৯৯৭
English :		
Gleason, H A	:	Introduction to descriptive linguistics, 1961
Kakati, Banikanta	:	Assamese : Its Formation and Development, 1941
Labov W	:	Sociolinguistic Patterns.
Trudgill P	:	Sociolinguistics, 1974

শিৱসাগৰীয়া উপভাষাৰ বৈশিষ্ট্য

১. উপভাষা :

সাধাৰণ অৰ্থত উপভাষা হৈছে ভাষাৰ খণ্ডিত বা ক্ষেত্ৰীয় ৰূপ। কোনো ঠাইৰ ভাষাৰ গঠন আৰু বিকাশৰ লগত সেই ঠাইৰ ভৌগোলিক অৱস্থিতিৰ কথাটোও জড়িত হৈ থাকে। বৃহৎ ভৌগোলিক পৰিসীমা, জনসংখ্যাৰ বিশালতা, সামাজিক আদি কাৰণত একে ভাষাৰ অন্তৰ্গত লোকৰ মাজত ভাষাৰ আঞ্চলিক ৰূপ কিছুমানৰ সৃষ্টি হয়। কোনো ভৌগোলিক পৰিসীমাৰ জনসমাজৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় সেই পৰিসীমাৰ সামাজিক পৰিসৰো একে নহয় অৰ্থাৎ ভাষাত সামাজিক গাঁথনি অনুসৰিও বিভিন্ন ৰূপৰ সৃষ্টি হ'ব পাৰে। তেতিয়া ধ্বনি, ধ্বনিসংযোগ, ৰূপসংযোগ, শব্দাৱলী, উচ্চাৰণত পাৰ্থক্যই দেখা দিয়ে। এনেদৰে অঞ্চলভেদে, সমাজভেদে মূল ভাষাটোৰ কিছুমান খণ্ড খণ্ড ৰূপৰ সৃষ্টি হয় আৰু ভাষাৰ এনে আঞ্চলিক, খণ্ডিত ৰূপকে উপভাষা (Dialect) বুলি কোৱা হয়।

মন কৰিবলগীয়া যে উপভাষাসমূহ মূল ভাষাৰ পৰা একেবাৰে পৃথক নহয়; ধ্বনি, ৰূপ, শব্দসম্ভাৰ আৰু উচ্চাৰণত দেখা দিয়া পৰিবৰ্তনহে। গতিকে উপভাষা বুলিলে কোনো বিশেষ এটা ভাষাৰ বিভিন্নতৰ ৰূপকে বুজা যায়। "Dialect represents any speech varient, spoken or written, old or new, standard or sub-standard, social or geographical, prestigious or downtrodden."[১]

ভৌগোলিক বা সামাজিক ভেদ অনুযায়ী ভাষাত দেখা দিয়া বৈশিষ্ট্য বা পাৰ্থক্যকে উপভাষা বুলি কোৱা হয়। "A dialect is usually defined as geographically or socially based variant of a language having particular linguistic and idiosyncrasies"[2]

---

১. D N S Bhat : Method and Principles of Dialect Survey Pub. in Dialectology, pub. by D L A

২. Smith, Neil etal Modern Linguistics, 1979. P. 196

ভাষা-উপভাষাৰ পাৰ্থক্য লক্ষণগত বা প্ৰকৃতিগত। ভাষা আৰু উপভাষাৰ মুখ্য পাৰ্থক্য নিৰূপণ কৰে তাৰ আয়তন আৰু প্ৰতিপত্তিয়ে। ভাষাৰ প্ৰধান বৈশিষ্ট্য হ'ল—স্বাতন্ত্ৰ্য বা সম্পূৰ্ণতা।

মানুহৰ মাজত আহ-যাহ আৰু যোগাযোগৰ অভাৱেই উপভাষা সৃষ্টিৰ মূল কাৰণ। নানা কাৰণত দুটা অঞ্চলৰ মানুহৰ মাজত যোগাযোগ বা ভাবৰ সঘন আদান-প্ৰদানত অভাব ঘটিব পাৰে। প্ৰকৃতিয়ে অৰ্থাৎ ডাঙৰ নদী, পৰ্বত, অৰণ্যই এইক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব পাৰে। সামাজিকভাৱেও মানুহৰ মাজত মিলন আৰু মিশ্ৰণ নহ'লে যোগাযোগ নহ'ব পাৰে, অৰ্থাৎ পৰস্পৰৰ মাজত বিয়া-বাৰু আদি সামাজিক সম্বন্ধ স্থাপন নহ'লে দুটা অঞ্চলৰ মাজত পাৰস্পৰিক বোধগম্য নহ'ব। উল্লেখযোগ্য যে প্ৰাকৃতিক বাধাতকৈ সামাজিক বাধাহে উপভাষাৰ সৃষ্টিৰ কাৰণে বেছি প্ৰভাৱশালী। তদুপৰি ভৌগোলিক আৰু সাংস্কৃতিক কাৰণকো উপভাষাৰ সৃষ্টিত জড়িত কৰিব পাৰি। কোনো ভৌগোলিক পৰিসীমাৰ বেলেগ বেলেগ অঞ্চল যদি বেলেগ বেলেগ শাসনৰ অধীন হয়, তেনেহ'লে এটা অঞ্চলৰ মানুহৰ আন এটা অঞ্চলৰ মানুহৰ সৈতে স্বাভাৱিকতে শাসন ব্যৱস্থাত ব্যৱহাৰ কৰা ভাষাটোৰ ভিন্নতাই যোগাযোগত অসুবিধাই দেখা দিয়ে। ফলত সেই অঞ্চলত ভাষাৰ নিজা নিজা ৰূপ একোটাই গা কৰি উঠিব পাৰে। 'Raven I Mc-Devid Jr. Dialects "British and American standard and non-standard' প্ৰবন্ধত ঘাইকৈ ৰাজনৈতিক, বাণিজ্যিক আৰু শৈক্ষিক কাৰণত উপভাষাৰ সৃষ্টি হয় বুলি কৈছে।[৩]

ভাষাৰ মাজত সদায় দুটা প্ৰবৃত্তিয়ে কাম কৰে। এটা হৈছে ভাষাৰ খণ্ড খণ্ড বা আঞ্চলিক ৰূপৰ সৃষ্টি আৰু আনটো হৈছে অখণ্ড ৰূপৰ সৃষ্টি। যিবোৰ অঞ্চলত মানুহৰ মাজত পৰস্পৰ অৰ্থনৈতিক, সাংস্কৃতিক আদান-প্ৰদান থাকে, সেইবোৰ অঞ্চলত মানুহৰ মাজত আঞ্চলিক ভিন্নতাবোৰ নাইকিয়া হয় আৰু ভাষাই অখণ্ড ৰূপ ল'বলৈ সুবিধা পায়। যাতায়াতৰ সা-সুবিধা, কেন্দ্ৰস্থলত অৱস্থিত শাসন-ব্যৱস্থা, শিক্ষা-দীক্ষাৰ বহুল প্ৰচাৰ, সাহিত্য ৰচনা, বৈবাহিক সম্বন্ধৰ জৰিয়তে মিলা-মিচা আদি কথাই ভাষাৰ অখণ্ড ৰূপৰ সৃষ্টিত অৰিহণা যোগায়। গতিকে কোনো এটা ভৌগোলিক পৰিৱেষ্টনৰ ভাষা হৈছে অখণ্ড ৰূপৰ সৃষ্টি আৰু উপভাষা হৈছে খণ্ড খণ্ড ৰূপৰ সৃষ্টি। ভাষাৰ মূল অখণ্ড ৰূপটোক মান্যভাষাই (Standard language) বা সাহিত্যিক ভাষাই নিয়ন্ত্ৰণ কৰে আৰু খণ্ড খণ্ড আঞ্চলিক ৰূপবোৰক কথিত ভাষাই (Colloquial Language) নিয়ন্ত্ৰণ কৰে। সেই ভাষাৰে আকৌ মান্য কথিত, মান্য লিখিত বা কথিত আৰু লিখিত আদি বিবিধ স্তৰ নিৰূপণ কৰা যায়।

---

৩. পাঠক, ৰমেশ : ভাষাবিজ্ঞানৰ ভূমিকা

১.২ মান্যভাষা ঃ

মান্যভাষাও উপভাষাই, কাৰণ সাংস্কৃতিক কাৰণত প্ৰাধান্য পোৱা বা মৰ্য্যাদা বঢ়া উপভাষাটোক মান্যভাষা আখ্যা দিয়া হয়। এনে মৰ্য্যাদাপ্ৰাপ্তিৰ কাৰণ ভাষাতাত্বিক (Linguistic) নহয়, বৰং আকস্মিক[৪] (accidental) বুলি ড° ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই উল্লেখ কৰিছে। কেতিয়াবা কেতিয়াবা একোটা উপভাষা ৰাজনৈতিক আৰু সাংস্কৃতিক কাৰণবশতঃ বেছি আগবাঢ়ি যায়। কোনো এটা অঞ্চলত প্ৰভাৱশালী নেতা, সমাজ সংস্কাৰক, ধৰ্মপ্ৰচাৰক, সাহিত্যিক আদিয়ে যদি সেই অঞ্চলৰ উপভাষাৰ মাধ্যমেৰে নিজ আদৰ্শ দাঙি ধৰে, সাহিত্য ৰচনা কৰে, তেনেহ'লে সেই উপভাষাটোৱে প্ৰাধান্য লাভ কৰিব পাৰে। আনহাতে ঘটনাক্ৰমে কোনো এক ভূখণ্ডত যদি ৰাজধানী স্থাপন হয় আৰু সেই অঞ্চলৰ শাসন পদ্ধতি সেই উপভাষাৰ মাধ্যমেৰে নিয়ন্ত্ৰিত হয় বা জনসংযোগৰ বিভিন্ন মাধ্যমত সেই উপভাষা ব্যৱহাৰ কৰা হয়, তেনেহ'লে সেই ভূ-খণ্ডৰ ভূমিকা গুৰুত্বপূৰ্ণ হৈ উঠে। ধৰ্মসংক্ৰান্ত, ব্যৱসায়জনিত বা শিক্ষা সংক্ৰান্ত কামত সেই ঠাইলৈ মানুহে সঘনাই অহা-যোৱা কৰে, স্কুল-কলেজত শিক্ষা দান কৰা হয়, ৰাজহুৱা সভা-সমিতিত ভাষণ দিওঁতে সেই উপভাষা ব্যৱহাৰ কৰা হয় তেনেহ'লে সেই অঞ্চলৰ উপভাষাটোৰ মৰ্য্যাদা বা প্ৰতিপত্তি বাঢ়ে, উপভাষাটো শক্তিশালী হৈ উঠে। এই প্ৰতিপত্তি বঢ়া উপভাষাটোকে মান্যভাষা বোলা হয়। উপভাষাটোৰ মান্যতাপ্ৰাপ্তিত চাৰিটা সমল সাঙোৰ খাই থাকে বুলি ভাষাবিদসকলে ক'ব খোজে। সেইকেইটা হৈছে— (ক) নিৰ্বাচন (Selection), (খ) মানভুক্তকৰণ (Codification), (গ) কাৰ্য্যকৰণ (function) আৰু (ঘ) গ্ৰহণযোগ্যতা (Acceptance)।

এটা উপভাষাই মৰ্য্যাদা বা মান্যতা প্ৰাপ্তিৰ পাছত সেই উপভাষাটোত ব্যৱহাৰ হোৱা শব্দ, শব্দৰ প্ৰয়োগ, বাক্য বা বাক্যাংশ, জতুৱা ঠাঁচ আদিৰ প্ৰতি উচ্চ ধাৰণা জন্মিব পাৰে। কেইবাটাও উপভাষাৰ মাজৰ পৰা এটা উপভাষাই মান্যভাষা হিচাপে স্বীকৃতি পোৱাৰ পাছত আন উপভাষা কোৱা অঞ্চলৰ মাজত মানুহৰ মনস্তাত্বিক ধাৰণা এটা পোষণ হ'ব পাৰে যে মান্যভাষাটো উপভাষাতকৈ উৎকৃষ্ট। কিন্তু বৈজ্ঞানিক দৃষ্টিভংগীৰে বিচাৰ কৰিলে কোনো উপভাষাই শ্ৰেষ্ঠ বা কোনো উপভাষাই নিকৃষ্ট নহয়; সকলো উপভাষাৰে আচলতে সমান মূল্য।

অঞ্চল বা ক্ষেত্ৰবিশেষে গঢ়ি উঠা উপভাষাসমূহৰ যথাযথ অধ্যয়ন আৰু গৱেষণাৰ অতি প্ৰয়োজন। উপভাষাৰ প্ৰণালীবদ্ধ অধ্যয়নে মূল ভাষাটোৰ আগৰ স্তৰবোৰৰ বিষয়ে, নতুনকৈ গ্ৰহণ কৰা শব্দমালাৰ সময় নিৰূপণৰ বিষয়ে সম্যক জ্ঞান আহৰণত সহায় কৰে।

---

৪. দত্তবৰুৱা, ফণীন্দ্ৰ নাৰায়ণ ঃ আধুনিক ভাষাবিজ্ঞান পৰিচয়, পৃষ্ঠা ৭১

তদুপৰি উপভাষাৰ অধ্যয়নৰ মূলতে প্ৰধানতঃ চাৰিটা কাৰণ নিহিত হৈ থাকে—

(১) কৌতূহল (Curiosity)

(২) নৃতাত্ত্বিক (Anthropological)

(৩) ভাষাগত (Linguistic)

(৪) প্ৰায়োগিক (Practical)

পৰিচিত ভাষাৰ মাজতে প্ৰয়োগ হোৱা বিভিন্ন শব্দাৱলীৰ প্ৰতি মানুহৰ কৌতূহল থাকিব পাৰে। বিভিন্ন উচ্চাৰণ পদ্ধতিয়েও মানুহৰ মনত কৌতূহল জন্মায়। তেতিয়া উপভাষাৰ অধ্যয়নে শব্দগত আৰু উচ্চাৰণগত কৌতূহল নিবৃত্তি কৰাত সহায় কৰে। উপভাষাসমূহত কিছুমান ফকৰা-যোজনা, সাধুকথা, গীত-মাত আদি সংৰক্ষিত হৈ থাকে। উপভাষাটোৰ যথোপযুক্ত অধ্যয়নত মৌখিক সাহিত্যৰাজিৰ উদ্ধাৰ সম্ভৱ হয়।

ভাষা মানুহৰ ভাবৰ বাংময় ৰূপ আৰু ই সাংস্কৃতিক কাৰ্য্য। প্ৰাগৈতিহাসিক কালৰে পৰা বৰ্তমানলৈকে মানুহৰ জীৱনধাৰাৰ প্ৰবহমান গতিত ভাষাৰ ভূমিকা অনস্বীকাৰ্য্য। সমাজবিশেষে পুৰুষৰ ভাষাৰ লগত নাৰীৰ ভাষাৰ পাৰ্থক্য দেখা যায়। বিভিন্ন গোষ্ঠীৰ লোক সংমিশ্ৰণে উপভাষাৰ গঠনত বৈচিত্ৰ্য আনিব পাৰে। সমাজৰ শিক্ষা, জাতি-জনগোষ্ঠীৰ অৱস্থান, ধৰ্মীয় আদিৰ দিশৰ লগতো উপভাষাৰ অধ্যয়ন জড়িত হৈ থাকিব পাৰে। সমাজ ভাষাতত্ত্বৰ দিশত সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, গঠন প্ৰক্ৰিয়াৰ প্ৰভেদ আদিৰ উপভাষাগত অধ্যয়নত প্ৰতিফলিত হয়।

ভাষাৰ গঠনৰ শৃংখলাবদ্ধ আলোচনাৰ বাবে উপভাষাসমূহৰো পুংখানুপুংখ অধ্যয়ন আৰু গৱেষণাৰ আৱশ্যক। ভাষাৰ ইতিহাসৰ অধ্যয়নে ভাষাগত পৰিৱৰ্তনৰ স্তৰত বিশেষভাৱে সহায় কৰে। ঐতিহাসিক ভাষাতত্ত্বৰ ক্ষেত্ৰত উপভাষা হ'ল অতি মূল্যবান সম্পদ। উপভাষাৰ অধ্যয়ন মানে সাধাৰণতে একোটা বিশেষ গোষ্ঠী বা অঞ্চলৰ দুই বা ততোধিক ব্যক্তিৰ কথোপকথনৰ ভাষাগত গঠনৰ অধ্যয়ন। ধ্বনিগত, ৰূপগত, শব্দগত আদি সকলো দিশৰ আলোচনা উপভাষা অধ্যয়নৰ অন্তৰ্গত বিষয়। ধ্বনিগত দিশটোত ব্যক্তিৰ শ্বাসাঘাত, সুৰ, সুৰ লহৰ আদিও সোমাই আছে। শ্বাসাঘাত অনুযায়ী ব্যক্তিৰ উচ্চাৰণ ভিন্ন হয়।

উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত প্ৰায়োগিক দিশ এটিও আছে। প্ৰায়োগিক দিশত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত উপভাষা সম্পৰ্কীয় যোগাযোগৰ কথা অৱহেলা কৰিব নোৱাৰি। মান্যভাষাৰ গঠন, অগ্ৰগতি আদিত বহু সময়ত উপভাষাই ইন্ধন যোগাব পাৰে। উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তাৰ দিশত ভাষাগত কাৰণেই মুখ্য যদিও নৃতাত্ত্বিক, প্ৰায়োগিক আদি কাৰণো লেখত ল'বলগীয়া।

১.৩ অসমীয়া ভাষাৰ উপভাষা ঃ

অসমীয়া জাতি গঠনত যিদৰে ৰামধেনুবুলীয়া সংস্কৃতিৰ মিশ্ৰণ ঘটিছে, সেইদৰে অসমীয়া ভাষা গঠনতো বিবিধ উপভাষাৰ সমন্বয় ঘটিছে। অসমীয়া ভাষা এনে এটি ভাষা য'ত বিবিধ উপভাষা মিলি অসমীয়া ভাষাৰ পৰিধি ৰচনা হৈছে। অসমীয়া ভাষাৰ সুদীৰ্ঘ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় যে অসমীয়া ভাষাতো উপভাষীয় বৈশিষ্ট্য বিৰাজমান। বড়ো, ৰাভা, ডিমাচা, তিৱা, কাৰ্বি, মিচিং আদি ভাষা অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈকে পৰিব্যাপ্ত হৈ আছে যদিও ইয়াৰ প্ৰধান ভাষা তথা সংযোগী ভাষা অসমীয়া আৰু ক্ষেত্ৰবিশেষে উপভাষাসমূহ গঢ় লৈ উঠিছে।

অসমীয়া ভাষাৰ উদ্ভৱ আৰু ভেটি প্ৰতিষ্ঠা হোৱা কালৰে পৰা অসমীয়া ভাষাৰ উপভাষাৰ ক্ষেত্ৰত প্ৰধানতঃ দুটা প্ৰবাহ মন কৰিবলগীয়া। এটা হৈছে ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা সপ্তদশ শতিকাৰ আৰম্ভণি কালছোৱাক সামৰি আৰু আনটো হৈছে আহোম ৰাজত্বৰ প্ৰতিষ্ঠা কালছোৱাৰ পৰা ব্যাপ্টিষ্ট মিছনেৰীসকলৰ কালছোৱালৈকে। আগৰ কালছোৱাত অসমৰ নামনি অঞ্চলতে সাহিত্য-কলাৰ কেন্দ্ৰ গঢ়ি উঠিছিল, কবি সাহিত্যিকসকলে এই অঞ্চলত সাহিত্য-চৰ্চা কৰিছিল আৰু অসমীয়া ভাষাৰ মৰ্য্যাদাও বাঢ়িছিল। নামনি অসমত প্ৰাচীন কালৰে পৰা কোঁচ ৰজাসকলে ৰাজত্ব কৰিছিল যদিও পাছলৈ বিভিন্ন ৰজাসকলৰ শাসনাধীন হৈ পৰে। এই সময়ছোৱাত নামনি অসমত মোগল শক্তিয়ে বহুবাৰ আক্ৰমণ কৰিছিল। বিভিন্ন ৰাজনৈতিক শক্তিৰ উত্থান-পতনৰ পাছত সপ্তদশ শতিকামানতহে আহোমসকলে নামনি অসম শাসন কৰিবলৈ লয়। উজনি আৰু নামনি এই দুই অঞ্চল একে ৰাজশাসনৰ অধীন নোহোৱা, দুয়োটা অঞ্চলৰ মাজত যাতায়াতৰ অসুবিধা, সামাজিক আৰু সাংস্কৃতিক দিশত মিলা-মিচাৰ অভাৱ আদি কাৰণত দুই অঞ্চলৰ ভাষাই দুটা আঞ্চলিক ৰূপত গঢ় লৈ উঠে। উজনি অসমৰ ভাষাই ত্ৰয়োদশ শতিকাৰ পৰা একে ৰাজশক্তিৰ প্ৰভাৱত স্থায়ী ৰূপত গঢ় লৈ উঠে। আহোম সকলৰ আগমনত আৰু তত্ত্বাৱধানত শিৱসাগৰ জিলাৰ চৰাইদেউত ৰাজধানী স্থাপন হয়। তাৰ লগে লগে সমগ্ৰ অঞ্চলত সাংস্কৃতিক কাৰ্য্যাৱলী এই অঞ্চলৰ ভাষাৰ মাধ্যমেৰে চলে, সাহিত্য-চৰ্চা হয়। ইয়াণ্ডাবু সন্ধি মতে অসম দেশ ইংৰাজৰ শাসনাধীন হৈ পৰে। ইংৰাজ ৰাজত্বৰ সময়ত সাত সাগৰ তেৰ নদী পাৰ হৈ সুদূৰ আমেৰিকা'ৰ পৰা অহা ব্যাপ্টিষ্ট মিছনেৰীসকলে উজনিৰ শিৱসাগৰ অঞ্চলকে তেওঁলোকৰ ধৰ্মপ্ৰচাৰৰ কেন্দ্ৰস্থল হিচাপে ভেটি কৰি লয়। তেওঁলোকে নিজৰ উদ্দেশ্য ফলপ্ৰসূ কৰিবলৈ শিৱসাগৰীয়া অঞ্চলৰ ভাষা প্ৰথমতে শিকিবলৈ আৰম্ভ কৰিলে। তেওঁলোকে বাতৰি কাকত, অসমীয়া ব্যাকৰণ, অসমীয়া-ইংৰাজী অভিধান, পঢ়াশলীয়া পুথি, অন্যান্য দেশ-

বিদেশৰ জ্ঞান থকা পুথি, উপন্যাস আদি অসমৰ পূব অঞ্চলৰ ভাষাতে ৰচনা কৰাৰ ফলত ভাষাটোৱে সাংস্কৃতিক আৰু সাহিত্যিক দিশত অগ্ৰগতি লাভ কৰে। শিৱসাগৰ অঞ্চলৰ উপভাষাটোৱে ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক কাৰণত সম্প্ৰসাৰিত হৈ মৰ্য্যাদাপ্ৰাপ্ত হৈছে, মান্যভাষাত পৰিণত হৈছে। এইক্ষেত্ৰত উজনিৰ উপভাষাক আশ্ৰয় কৰি গঢ়ি উঠা ভাষাটোৱে মান্যভাষাৰ স্থান লাভ কৰি সময়ৰ গতিত ধাপে ধাপে বিকশিত হ'বলৈ ধৰিছে।

ছাৰ গ্ৰীয়াৰ্ছনৰ মতে, "অসমীয়া ভাষাৰ মান্য উপভাষাটো হৈছে শিৱসাগৰ আৰু তাৰ আশে-পাশে কোৱা উপভাষাটো। অসম উপত্যকাৰ উজনি অঞ্চলত ভাষাটোৰ সকলো ঠাইতে ৰূপ একেটাই। যিমানেই আমি পশ্চিমপিনে গতি কৰোঁ, সিমানেই এটা স্পষ্ট উপভাষা পাওঁ। মই তাক পশ্চিম অঞ্চলৰ অসমীয়া নাম দিছোঁ। এই উপভাষাটো কামৰূপ জিলা আৰু পূব গোৱালপাৰাৰ মানুহবোৰে কয়।"[৫]

ড° বাণীকান্ত কাকতিয়ে তেখেতৰ গৱেষণা গ্ৰন্থত অসমীয়া উপভাষা সম্পৰ্কে এলানি আলোচনা আগবঢ়াই থৈ গৈছে। তেখেতৰ মতে, "উপভাষীয়ভাৱে অসমীয়াক পূব অসমীয়া আৰু পশ্চিম অসমীয়া এই দুই ভাগত ভগাব পাৰি। আটাইতকৈ পূব সীমান্তৰ শদিয়াৰ পৰা গুৱাহাটীলৈকে ভাষাটোৰ কিছু পৰিমাণৰ একৰূপতা দেখুৱায় আৰু আহোম ৰজাসকলৰ ৰাজধানী শিৱসাগৰৰ কথিত উপভাষাৰ পৰা কাচিৎহে চকুত পৰা পাৰ্থক্য দাঙি ধৰে আৰু সাহিত্যিক উদ্দেশ্যৰে সাধাৰণতে এই উপভাষাটোক মান্যভাষা বুলি মনা হয়।"[৬]

ড° বাণীকান্ত কাকতিয়ে অসমীয়া ভাষা আৰু উপভাষাৰ বিজ্ঞানসম্মত অধ্যয়নৰ বাট মুকলি কৰি থৈ গৈছে আৰু আলোচনা প্ৰসংগত পশ্চিমৰ জিলা কামৰূপ আৰু গোৱালাপাৰা এই দুখনত ইটোৰ পৰা সিটোৰ মাজত আৰু এইবোৰৰ সৈতে পূব অসমৰ মান্য কথাৰ মাজত তীব্ৰ পাৰ্থক্য থকা কেইবাটাও স্থানীয়া উপভাষা আছে বুলি কৈছে। তেখেতৰ মতে, গোৱালপাৰা জিলাৰ কথ্য উপভাষাটো ৰাজবংশী ভাষাৰ সংমিশ্ৰণ ঘটি বিশিষ্ট ৰূপ লাভ কৰে। পূবৰ শিৱসাগৰ জিলাৰ মান্য কথ্য আৰু পশ্চিমৰ গোৱালপাৰাৰ মিশ্ৰিত উপভাষাৰ মাজত কামৰূপৰ উপভাষাটো প্ৰচলিত হৈ আছে বুলি উল্লেখ কৰাৰ উপৰি উপভাষীয় ভিন্নতাবোৰ বিশ্লেষণ কৰিছে।

কাকতি ডাঙৰীয়াৰ পৰৱৰ্তী ভাষাতাত্ত্বিক ড° উপেন্দ্ৰ নাথ গোস্বামীয়ে অসমীয়া ভাষাৰ উপভাষা সম্পৰ্কত ক্ষেত্ৰ অধ্যয়নৰ যোগেদি কামৰূপী আৰু গোৱালপৰীয়া

---

৫. গ্ৰীয়াৰ্ছন : Lingustic Survey of India, Vol. Part I P. 394

৬. কাকতি, বাণীকান্ত : AFD-ৰ অসমীয়া অনুবাদ বিশ্বেশ্বৰ হাজৰিকা, পৃঃ ১৩

উপভাষাৰ বহলভাৱে আলোচনা আগবঢ়াইছে। তেখেতৰ মতে, "উপভাষাৰ দৃষ্টিৰে চালে অসমীয়া ভাষাটোক দুটা ভাগত ভগাব পাৰি : পূব অঞ্চলৰ অসমীয়া আৰু বা উজনি অঞ্চলৰ ভাষা আৰু পশ্চিম অঞ্চলৰ অসমীয়া বা নামনি অঞ্চলৰ ভাষা।"[৭] নামনি অঞ্চলৰ ভাষাক আৰু দুটা ভাগত ভগাব পৰা যায় : অবিভক্ত গোৱালপাৰা জিলাত কোৱা গোৱালপৰীয়া উপভাষা আৰু অবিভক্ত কামৰূপ জিলাত কোৱা কামৰূপী উপভাষা। পূবৰ পিনৰ মান্যভাষা আৰু একেবাৰে পশ্চিমৰ পিনৰ গোৱালপাৰৰ উপভাষা মাজত আছে কামৰূপী উপভাষা।"

কামৰূপী উপভাষা অসমীয়া ভাষাৰ এটা প্ৰধান উপভাষা আৰু ভৌগোলিক অৱস্থান অনুসৰি পশ্চিম, মধ্য আৰু দক্ষিণ অঞ্চল আদিত প্ৰচলিত ৰূপৰ প্ৰত্যেকৰে স্থানীয় বৈশিষ্ট্যও পৰিলক্ষিত হয়। ঠিক তেনেদৰে গোৱালপৰীয়া উপভাষাতো পূব আৰু পশ্চিম দুটা আঞ্চলিক ৰূপ পোৱা যায়।

ড° গোলোকচন্দ্ৰ গোস্বামীয়ে নগাঁও অঞ্চলৰ, অৰ্থাৎ মধ্য অসমত প্ৰচলিত ভাষাটো এটা সুকীয়া উপভাষা কোৱা ভৌগোলিক অঞ্চলৰূপে গণ্য কৰিবৰ থল আছে বুলি কয়। তেখেতৰ মতে, "উত্তৰে দৰং জিলা, দক্ষিণ-পূবে মৰিগাঁও জিলা আৰু দক্ষিণ অঞ্চলৰ কামৰূপ জিলা, অৰ্থাৎ উজনি আৰু নামনিৰ উপভাষাৰ মাজতে মধ্য অসমৰ উপভাষা এটা কথিত ৰূপত পোৱা যায়।"[৮]

এই উপভাষাসমূহৰ উপৰি কছাৰী উপভাষাৰ সন্দৰ্ভত ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যই মন্তব্য দাঙি ধৰে এইদৰে— "কছাৰী উপভাষাটো কামৰূপী উপভাষা আৰু অসমীয়া মান্যভাষাৰ ওচৰ চপা। ইয়াত প্ৰায় শতকৰা পঁইসত্তৰটা শব্দই সজাতীয় শব্দ।"

মন কৰিবলগীয়া যে এতিয়ালৈকে হোৱা উপভাষাৰ অধ্যয়নবিলাকত লিখিত ৰূপৰ ওপৰত গুৰুত্ব দিয়া হৈছিল আৰু অধ্যয়ন পদ্ধতিৰ প্ৰকৃতি আছিল বৰ্ণনাত্মক আৰু ঐতিহাসিক। ভাষাৰ কথিত ৰূপ লিখিত ৰূপতকৈ কমেও পঞ্চাশ বছৰ আগুৱাই থাকে। সামাজিক স্তৰভেদে হ'ব পৰা পৰিবৰ্তনৰ বিষয়ে, কথিত ৰূপৰ পৰিবৰ্তনৰ বিষয়ে সমাজতাত্ত্বিক অধ্যয়নৰ দিশত শিৱসাগৰীয়া উপভাষাৰ আলোচনাৰ স্থল আছে। সময়ৰ অগ্ৰগতিত অসমীয়া ভাষাটোৱে পৰিবৰ্তিত হৈ নতুন সাজ গ্ৰহণ কৰিছে। সমাজতাত্ত্বিক অধ্যয়নৰ জৰিয়তে উপভাষাৰ বিভিন্ন স্তৰত, বিভিন্ন ৰূপত যিখিনি ভাষাগত ভিন্নতা তাক উলিয়াই আনিব পাৰি।

ভাষাৰ অধ্যয়ন মানে কেৱল বৰ্ণহিন্দুৰ মাজত থকা ভাষাৰ অধ্যয়ন নুবুজায়; বিভিন্ন

---

৭. গোস্বামী উপেন্দ্ৰনাথ : অসমীয়া ভাষা আৰু উপভাষা, পৃঃ ৫৭

৮. গোস্বামী, গোলোকচন্দ্ৰ : ভাষা ভাষাণিকা, পৃঃ ৮০

সম্প্ৰদায়ৰ মাজত প্ৰচলিত ভাষাৰূপবোৰৰ সামগ্ৰিক অধ্যয়ন নহ'লে কথিত ভাষাৰ স্বৰূপ উদ্‌ঘাটন সম্ভৱ নহয়। উদাহৰণস্বৰূপে কোনো এজন অধ্যয়নকাৰীয়ে যদি শিৱসাগৰ অঞ্চলৰ ভাষাৰ কথিত ৰূপৰ অধ্যয়ন কৰে, তেতিয়াহ'লে তেওঁ বিশেষ সম্প্ৰদায় এটাৰ তথ্যৰ ভিত্তিতেই মন্তব্য দিব পাৰে যে শিৱসাগৰ অঞ্চলৰ কথিত ভাষাত শব্দৰ আদিস্থানত থকা স, শ বোৰ 'হ' হৈ যায়। যেনে— শল > হ'ল, শাল > হাল, কিন্তু অধ্যয়ন কৰিলে পাৰ্থক্যবোৰ স্পষ্ট হয় আৰু একপক্ষীয় মন্তব্য দিয়াৰ সুবিধা নাথাকে।

শব্দৰ ক্ষেত্ৰতো সম্প্ৰদায়বিশেষে উচ্চাৰণৰ দিশত বৈসাদৃশ্য কিছুমান লক্ষ্য কৰা যায়। সম্বন্ধবাচক শব্দসমূহো সকলো সম্প্ৰদায়ে একেধৰণে ব্যৱহাৰ নকৰে। শিৱসাগৰীয়া উপভাষাৰ সমাজতাত্ত্বিক অধ্যয়নৰ যোগেদি মান্যভাষাত সচৰাচৰ ব্যৱহাৰ নোহোৱা শব্দসমূহৰো সন্ধেদ পাব পাৰি।

১.৪ শিৱসাগৰীয়া উপভাষা :

অসমীয়া ভাষাৰ ইতিহাসত শিৱসাগৰীয়া উপভাষাৰ এক বিশিষ্ট স্থান আছে। শিৱসাগৰীয়া উপভাষা সৃষ্টিৰ ক্ষেত্ৰত ঘাইকৈ সাংস্কৃতিক আৰু জনবসতিৰ গাঁথনিয়ে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। সাংস্কৃতিক কাৰণৰ ভিতৰতো আকৌ ৰাজনৈতিক কেন্দ্ৰই বিশেষ ভূমিকা লৈছে। চুকাফাৰ নেতৃত্বত আহোমসকলে চৰাইদেউত ৰাজধানী স্থাপন কৰাৰ পাছৰে পৰাই শিৱসাগৰ অঞ্চলে ৰাজনৈতিক কেন্দ্ৰস্থল হিচাপে প্ৰাধান্য পাবলৈ আৰম্ভ কৰে। চৰগুৱা, গড়গাঁও, ৰংপুৰ আদি ঠাইলৈ ৰাজধানী স্থানান্তৰিত হ'লেও শিৱসাগৰৰ আশে-পাশে হোৱা বাবে শিৱসাগৰৰ প্ৰাধান্য ব্ৰিটিছসকল অসমলৈ অহাৰ সময়লৈ অব্যাহত থাকে। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিমতে অসমখন ব্ৰিটিছ ইণ্ডিয়া কোম্পানীলৈ হস্তান্তৰিত হ'লেও শিৱসাগৰৰ প্ৰাধান্য কমক চাৰি বৰ্ধিতহে হয়। বিশেষকৈ আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ কেন্দ্ৰস্থল স্বৰূপে শিৱসাগৰ নগৰকেই নিৰ্বাচন কৰাত আৰু শিৱসাগৰ অঞ্চলৰ উপভাষাৰ ভিত্তিত 'অৰুনোদই' বাৰ্তালোচনী প্ৰকাশ হোৱাত শিৱসাগৰীয়া উপভাষাই মান্যভাষা হোৱাৰ পথত বলিষ্ঠ খোজ দিয়ে।

জনবসতিৰ ফালৰ পৰা শিৱসাগৰ অঞ্চল বিভিন্ন জাতি-উপজাতিৰ মিলনস্থলী। চুকাফাই সৌমাৰলৈ আহি থলুৱা নানান জাতি-উপজাতিক সম্মিলিত কৰি এক অসমীয়া জাতি তথা ভাষাৰ গঢ় দিলে। ত্ৰয়োদশ শতিকাৰ পৰা উনবিংশ শতিকালৈকে ছশ বছৰীয়া ৰাজত্ব কালত ৰাজ্যৰ বিস্তাৰ ঘটে। ফলত আৰ্য্য-অনাৰ্য্য জাতিৰ সংমিশ্ৰণত এখন বৰ অসম গঢ়ি উঠে। সময়ৰ অৱবাহিকাত অসমীয়া শব্দটোৱে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মানুহ আৰু নব্যভাৰতীয় আৰ্য্যভাষাটোক বুজাবলৈ ধৰে। এই বিভিন্ন জাতি-প্ৰজাতিয়ে অসমীয়া ভাষা গ্ৰহণ কৰোঁতে তেওঁলোকৰ নিজৰ নিজৰ ভাষাৰ মাজত

থকা বৈশিষ্ট্য কিছুমানক জ্ঞাতসাৰে বা অজ্ঞাতসাৰেই অসমীয়া ভাষাত প্ৰৱেশ ঘটাইছিল। অৱশ্যে এই প্ৰক্ৰিয়া আহোমসকলৰ পাইক প্ৰথাৰ জৰিয়তেই আৰম্ভ হৈছিল বুলি অনুমান কৰিব পাৰি। আহোম ৰাজশাসনত পাইক প্ৰথা ৰাজ্যৰ ৰাজহাড় স্বৰূপ হৈ পৰিছিল। সপ্তদশ শতিকাত আহোমসকলে সামগ্ৰিকভাৱে নিজৰ ভাষা বাদ দি অসমীয়া ভাষা গ্ৰহণ কৰাত এই অঞ্চলৰ ভাষাৰূপৰ চকুতপৰা কিছুমান পাৰ্থক্যই দেখা দিয়ে আৰু এনে পাৰ্থক্যই ইয়াৰ নিজস্ব বৈশিষ্ট্য প্ৰদানত সহায় কৰে।

শিৱসাগৰীয়া উপভাষাৰ আধাৰতেই মান্যভাষাই গঢ় ল'লেও এই অঞ্চলৰ মানুহৰ কথিত ভাষাটোৰ পৰিবৰ্তন ঘটি থাকে। এই পৰিবৰ্তনৰ ধাৰাৰ লগত সম্প্ৰদায়বোৰৰ মৌলিক বৈশিষ্ট্য কিছুমানে দেখা দিয়ে। কাৰণ বিভিন্ন সম্প্ৰদায়ে অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্ৰহণ কৰিলেও নিজৰ নিজৰ সাংস্কৃতিক বৈশিষ্ট্য তেওঁলোকে জীয়াই ৰাখিব বিচাৰে। এই সাংস্কৃতিক বৈশিষ্ট্যৰ ওপৰতেই নিজা নিজা ধৰ্মীয় আচাৰ-নীতি, বিবাহ পদ্ধতি আদি পুৰণি ধৰণেৰেই অব্যাহত ৰাখে। ইয়াৰ ফলত সম্প্ৰদায়ভেদে ভাষাগত পাৰ্থক্য কিছুমানৰ সৃষ্টি হয়।

১.৫ সম্প্ৰদায়ভেদে পাৰ্থক্য :

সম্বন্ধবাচক শব্দ :

ভাষাবিজ্ঞানী দুই-এগৰাকীৰ মতে, পৃথিৱীৰ সম্বন্ধবাচক প্ৰায় শব্দই ঔষ্ঠ্য, দন্ত্যধ্বনিৰ পুনৰাবৃত্তি বা আ, ই, অ— এই তিনিটা স্বৰধ্বনিৰে গঠিত। সেইবাবে সম্বন্ধবাচক শব্দৰ ক্ষেত্ৰত অমিলতকৈ মিলেই অধিক। সেয়েহে একেভাষী লোকৰ মাজত সম্বন্ধবাচক শব্দৰ অমিল প্ৰায় নাথাকে; কিন্তু শিৱসাগৰৰ অসমীয়াভাষী লোকসকল এইক্ষেত্ৰত বহু পৰিমাণে ব্যতিক্ৰম বুলি ক'ব পাৰি। ইয়াৰ কাৰণ হ'ল অসমীয়া ভাষাক বিভিন্ন সম্প্ৰদায়ে নিজৰ মাতৃভাষাৰূপে গ্ৰহণ কৰাটো। মুছলমানসকলৰ সৰ্বভাৰতীয় ক্ষেত্ৰতে সম্বন্ধবাচক শব্দ কিছুমানৰ ধৰ্মীয় কাৰণত মিল দেখা যায়। আনহাতে সপ্তদশ শতিকাত আহোমসকলে অসমীয়া ভাষাক মাতৃভাষাৰূপে গ্ৰহণ কৰিলেও টাই আহোম ভাষাৰ শব্দ কিছুমান অসমীয়া ভাষা কওঁতেও ব্যৱহাৰ কৰা দেখা যায়। নিজৰ মাজত ব্যৱহাৰ কৰিব লাগিলে এপাদেউ/আপাদেউ, এনাইদেউ/আনাইদেউ, পুথাদেউ, গোহাঁইদেউ আদি শব্দ ব্যৱহাৰ কৰে। আনহাতে অন্য সম্প্ৰদায়ৰ মানুহৰ লগত তেনে সম্বন্ধীয় ব্যক্তিৰ পৰিচয় দিব লাগিলে অসমীয়া ভাষাৰ শব্দকে ব্যৱহাৰ কৰে। এইখিনিতে আকৰ্ষণীয় কথা এটা হ'ল— টাই আহোম সম্প্ৰদায়ে মাকৰ ফালৰ সম্বন্ধীয় ব্যক্তিৰ ক্ষেত্ৰত টাই আহোম শব্দ ব্যৱহাৰ কৰে যদিও দেউতাকৰ ফালৰ সম্বন্ধীয় ব্যক্তিৰ ক্ষেত্ৰত অন্য অসমীয়াৰ দৰে অসমীয়া শব্দকেই ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে : অসমীয়াত দেউতাকৰ মাক

বা মাকৰ মাকক আইতা কোৱা হয়। কিন্তু টাই আহোমসকলে দেউতাকৰ মাকক আইতা আৰু মাকৰ মাকক এনাইদেউ/আনাইদেউ বোলে। অসমীয়াত মাকৰ ককায়েক বা ভায়েকক মামা বোলা হয়; কিন্তু টাই আহোমসকলে মাকৰ ভায়েককহে মোমাইদেউ/মমাইদেউ/মামা আৰু মাকৰ ককায়েকক 'নিচাদেউ' বোলে। ব্যতিক্ৰম যে নাই এনেও নহয়। যেনে— দেউতাক আৰু মাকৰ বায়েকক এপাদেউ/আপাদেউ কোৱা হয়, আনহাতে অসমীয়াত দুয়ো ক্ষেত্ৰতে 'জেঠাই' সম্বোধন কৰা হয়।

শিৱসাগৰ অঞ্চলত 'আইদেউ' এই সম্বন্ধবাচক শব্দটো বৰ সৰবৰহী। জীয়ৰী, বোৱাৰী উভয়ৰ ক্ষেত্ৰতে আইদেউ সম্বোধন কৰা হয়। বিশেষকৈ টাই আহোমসকলে সম্ভ্ৰান্ত মহিলা, ননদ, বোৱাৰীক আইদেউ বুলি সম্বোধন কৰা শুনা যায়। 'দেৱৰ'ক গোহাঁইদেউ, গঁগেদেউ শব্দ ব্যৱহাৰ কৰি সম্বোধন কৰা শুনা যায় যদিও অন্যান্য সম্প্ৰদায়ৰ দৰে মইনা, বোপা বা নামকাঢ়ি মতাও দেখা যায়। মন কৰিবলগীয়া যে এই অঞ্চলত 'ন-ছোৱালী'ৰ সম্বোধন বেছিকৈ শুনা যায়; পুৰণি হ'লেও সদায় ন-ছোৱালী বুলি সম্বোধন কৰে। ককায়েকৰ ঘৈণীয়েকক সচৰাচৰ ন-বৌ, বৌ-দেউ সম্বোধন কৰে।

মুছলমান সম্প্ৰদায়ৰ সম্বন্ধবাচক শব্দৰ ক্ষেত্ৰত চকুত পৰা পাৰ্থক্য হ'ল— নানী, নানা, আব্বাজান, আম্মাজান আদি ৰূপ। আনহাতে অসমীয়াৰে সাদৃশ্য থকা সত্ত্বেও বৈশিষ্ট্যপূৰ্ণ পাৰ্থক্য হ'ল— কেকা, বাইতা, খুৰীটি, পেহীটি, মাহীটি আদি ৰূপ।

যথেষ্টসংখ্যক চাহ বাগিচাৰে পৰিবেষ্টিত শিৱসাগৰ অঞ্চলত চাহ বাগানীয়াসকলৰ ভাষাৰো এক সুকীয়া ৰূপ পোৱা যায়। শিৱসাগৰ জিলাত সৰু-ডাঙৰ মিলি প্ৰায় ২৬২খন চাহ বাগিচা অৱস্থিত। বিভিন্ন বাগিচাত মকৰল হোৱা চাহ-বাগানীয়াসকলৰ নিজা ভাষা থাকিলেও অসমৰ মাটিত সুদীৰ্ঘ দিন বসবাস কৰিব লগা হেতু অসমীয়া ভাষাৰ সংমিশ্ৰণত একো একোটা আঞ্চলিক 'বোলি' প্ৰচলিত হৈ আছে। তেওঁলোকৰ সম্বন্ধবাচক শব্দবোৰৰ ভিতৰত নানা (ককা), ছালা (খুলশালি), জেঠশচ/জেঠসাউড়ী (জেশাহু), কাকা (খুড়া), কাকী (খুড়ী), বেহাই/চমদি (বিয়ৈ), বেহাইন/চমদিয়ানী (বিয়নী), চাডু (বৈনাই), ওজা/আজা (ককা), বা/বাবা/বাপ (দেউতা) আদি শব্দ ব্যৱহৃত হয়।

শিৱসাগৰীয়া কথিত ভাষাত ব্যৱহৃত সম্বন্ধবাচক শব্দবোৰৰ উপৰি ইয়াৰ মৌলিক শব্দবোৰৰ ভিতৰত কিছুমান শব্দ সম্প্ৰদায়বিশেষে বেলেগ ধৰণে ব্যৱহাৰ কৰাটো মন কৰিবলগীয়া। এই শব্দবোৰৰ পাৰ্থক্য বিশেষকৈ উচ্চাৰণগত আৰু দুই-এটা সম্প্ৰদায়ৰ ক্ষেত্ৰত শব্দগত পাৰ্থক্যও চকুত পৰে। তলত শব্দগত পাৰ্থক্যৰ তালিকা এখন দিয়া হ'ল ঃ

চৰাই-চিৰিকটি সম্বন্ধীয় শব্দ ঃ

টাই আহোম	অন্য-সম্প্ৰদায়	চাহ বাগানীয়া	মান্য অসমীয়া
কণ্ডো/কদো	কদৌ	মাটিকদু	কদৌ
কেনেৰুৱা/ কেৰেলুৱা	কেৰেলুৱা	কেঁড়লই	কেৰেলুৱা
মাছলুকা/ মাছৰোকা	মাছৰোকা	মাছকিলা/ মাছৰাংগা	মাছৰোকা
বালিমাহী/ বালিচৰাই	বালিমাহী	ধবী	বালিমাহী
পঁইতাচোৰা নিমচাপ	পঁইতাচোৰা/ তেলচোৰা/ তেলপোকা/ খাংখমা	তেলচাটি/ তেলপিয়া	পঁইতাচোৰা

মাছ-কাছ আদি সম্বন্ধীয় শব্দ ঃ

আৰি/আৰি	আৰি	আইড়	আৰি
বতীয়া	বতীয়া/গেথু	গেঁতু	বতীয়া
খলিহনা	খলিহনা	খইলছা	খলিহনা
উঁৰিকনা/ উঁনিকনা	উঁৰিকনা	উঁড়কিন	উঁৰিকনা
শিঙৰা/ হিঙৰা	শিঙৰা/ টেংৰা	টেংৰা	শিঙৰা
শিহু/ হিহু	শিহু	চুঁইচ	শিহু
কেঁকোৰা	কেঁকোৰা	কাঁকৰা	কেঁকোৰা

ফলমূল সম্বন্ধীয় ঃ

অমিতা	অমিতা/মোদফল	কপিতা/ পপিতা	অমিতা
কৰ্দৈ/ কৰ্দৈ	কৰ্দৈ/ৰহদৈ	কামৰাংগা	কৰ্দৈ
ৰবাব টেঙা/	ৰবাব টেঙা/	ড'ঙাটেংগা	ৰবাব টেঙা

ৰবাব টেঙা	ভপু টেঙা	ৰবাক টেংগা	
জলফাই/ বেলফই	জলফাই	জলপে/ জলপাই	জলফাই
কমলা/	কমলা	কম্‌লা	কমলা
সুমথিৰা/ হুমথিৰা			সুমথিৰা

সমাজ ভাষাতাত্ত্বিক আলোচনাৰ আধাৰত এই কথা ক'ব পাৰি যে পৃথিৱীৰ যিকোনো কথিত ৰূপৰ দৰে শিৱসাগৰীয়া কথিত ৰূপৰো বৈচিত্ৰ্য আছে। শিৱসাগৰীয়া উপভাষাৰ অধ্যয়নত ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ ক্ষেত্ৰত কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হৈছে। যেনে—

(১) আন্তস্বৰ অৱস্থানত লুঠিত 'ৰ'-ৰ উচ্চাৰণ নহয়। এইক্ষেত্ৰত 'ৰ'-ৰ পৰৱৰ্তী অৱস্থানত থকা স্বৰ অনুসৰি শব্দবোৰৰ উচ্চাৰণ শুনা যায়। উদাহৰণস্বৰূপে— আৰু/আউ, গাৰু/গাউ, আওগৰীয়া/আউগইয়া, কঁৰীয়া/কঁইয়া, টোকাৰী/টুকাই।

(২) শিৱসাগৰীয়া কথিত ৰূপত উষ্ম দন্তমূলীয় অঘোষ 'স' ধ্বনি সঘোষ 'হ' উচ্চাৰণ হয়। কোনো কোনো সম্প্ৰদায়ৰ লোকে 'খ' উচ্চাৰণ কৰে। শিৱসাগৰৰ আশে-পাশে থকা চাহ বাগানৰ লোকে 'চ' উচ্চাৰণ কৰে। উদাহৰণস্বৰূপে— সাপ/হাপ/খাপ, সৰিয়হ/হৰিয়হ/খৰিয়হ, চৰচা/চইৰচা, শিৱসাগৰ/হিবহাগৰ/চিব্‌চাগৰ।

(৩) মান্য অসমীয়া ভাষাৰ মধ্যসম মূলীয় স্বৰধ্বনি 'ও' শিৱসাগৰীয়া কথিত ৰূপত প্ৰায়েই উচ্চ 'উ' উচ্চাৰণ হয়। যেনে— আপোন/আপুন, কাপোৰ/কাপুৰ/কাপু, দাপোণ/দাপুণ, সুন্দৰ/হুন্দৰ/সোন্দৰ/হোন্দৰ, মাকো/মাকু।

(৪) অনুনাসিক ধ্বনিৰ উচ্চাৰণৰ বেলিকা শিৱসাগৰীয়া কথিত ৰূপত শব্দৰ আদি নাইবা দ্বিতীয় অক্ষৰৰ উপৰি উপান্ত অক্ষৰলৈ স্থানান্তৰিত হৈ উচ্চাৰণ হয়। যেনে— সিহঁত/হিহঁত, গোহাঁই/গুহাঁই, সেওঁতা/হেঁওতা।

ৰূপতত্ত্বৰ দিশত শিৱসাগৰীয়া কথিত ৰূপত ভিন্নতা বিশেষকৈ উচ্চাৰণগত আৰু প্ৰয়োগগত। মান্য অসমীয়া ভাষাৰ বহুবচনৰ ৰূপ 'বোৰ', 'হঁত', 'বিলাক' প্ৰয়োগত সম্প্ৰদায়বিশেষে 'ভোৰ', 'হেঁত', 'হঁতি', 'ভিলাক' হয়।

নাস্ত্যৰ্থক 'ন' অসমীয়া ভাষাত প্ৰথমতে অপৰিৱৰ্তিত ৰূপত আছিল। বিশেষকৈ বুৰঞ্জীৰ গদ্যৰ শেষৰ ছোৱাত ই সমীভূত হোৱাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। আনকি দুটা 'আ' ওচৰা-উচৰিকৈ নথকা শিৱসাগৰ অঞ্চলৰ সাধাৰণ নিয়মক উলংঘা কৰি নাযায়, নাখায়, নাপায় আদি ৰূপ প্ৰচলিত হয়। জোনাকী যুগৰ লেখাত এনেধৰণৰ ৰূপেই

বেছিকৈ পোৱা যায়। শিৱসাগৰীয়া কথিত ভাষাত দুটা 'অ' একেলগে থাকিলে প্ৰথমটো 'এ' হৈ যোৱাৰ প্ৰৱণতা এটা দেখা যায়। মন কৰিবলগীয়া যে শিৱসাগৰৰ কথিত ৰূপত মানুহে কওঁতে নেযায়, নেখায় আদি উচ্চাৰণ হয় যদিও মান্যত নাখায়, নাযায় আদি ব্যৱহাৰ হয়। উদাহৰণ— নামাৰে/নেমাৰে, নাবায়/নেবায়, নাপায়/নেপায়।

যিবিলাক প্ৰত্যয় যোগ দি ক্ৰিয়া বিশেষণাত্মক শব্দ গঠন কৰা হয়, তাৰ ভিতৰত কৈ, লৈ আদি প্ৰত্যয়ৰ বেলিকা এই অঞ্চলত কিছু ব্যতিক্ৰম দেখা যায়। কৈ আৰু লৈ যথাক্ৰমে কে আৰু লে হোৱা দেখা যায়। বিশেষকৈ কথিত ভাষাত এনে ৰূপৰ প্ৰয়োগ আছে। যেনে— এনেকৈ/এনেকে, তেনেকৈ/তেনেকে, খাতাংকৈ/খাতাংকে, ভালকৈ/ভালকে। আজিলৈ/আজিলে, কাইলৈ/কাইলে, পৰহিলৈ/পৰহিলে।

সাধাৰণতে প্ৰচলিত স্থানবাচক ক্ৰিয়া বিশেষণ ৰূপবোৰৰ উপৰি আন কিছুমান ক্ৰিয়া বিশেষণ ৰূপ সঘনাই শিৱসাগৰীয়া কথিত ভাষাত উচ্চাৰণ হয়। বিভিন্ন সম্প্ৰদায়ৰ লোকৰ মাৰ্জিত উচ্চাৰিত ৰূপবোৰৰ পাৰ্থক্য দেখা যায়। যেনে—

এইখিতে/এইখিনিতে/এইখানে/এইখিনে

এইফালে/এইখিলে/এইদিকে/এইদিকি/অউদিগে/ঐদিকে

এইদৰে/এইগতে/এনেদৰে/এনেখে

পুৰুষবাচক সৰ্বনামবোৰো পুৰুষ অনুসৰি সম্প্ৰদায় বিশেষে বেলেগ ধৰণৰ প্ৰয়োগ হয়। যেনে—

প্ৰথম পুৰুষ :	একবচন :	মই/মোই/মুই/হামি
	বহুবচন :	আমি/হামৰা
দ্বিতীয় পুৰুষ :	একবচন :	তই/তুই
তুচ্ছ :	বহুবচন :	তইঁত/তইঁতি/তৰা/তদেৰ
মান্য :	একবচন :	তুমি
:	বহুবচন :	তুমালোক/তোমালোক/তুমালুক
অধিকমান্য :	একবচন :	আপুনি
	বহুবচন :	আপুনালোক/আপোনালোক
তৃতীয় পুৰুষ :	একবচন :	সি/হি/তাই (স্ত্ৰী)/ও
তুচ্ছ :	বহুবচন :	সিহঁত/সিহঁতি/হিহঁতি/ তেহেঁত/হিহঁত/অ'ৰা
মান্য :	একবচন :	তেওঁ
	বহুবচন :	তেওঁলোক/তেওঁলুক

অধিক মান্য : একবচন : তেখেত

বহুবচন : তেখেতসকল/তেখেতহঁকল

শিৱসাগৰীয়া কথিত ৰূপত সম্বন্ধবাচক পুৰুষবাচক বিভক্তিবোৰ ব্যক্তিভেদে, সম্প্ৰদায়ভেদে প্ৰয়োগ নকৰাৰ প্ৰৱণতা লক্ষ্য কৰা যায়। বিশেষকৈ দ্বিতীয় পুৰুষৰ তুচ্ছাৰ্থত আৰু মান্যাৰ্থত বিভক্তি প্ৰয়োগৰ পাৰ্থক্য উহ্য ৰখা দেখা যায়। যেনে— তোৰ মা/তোৰ মাৰ/তোৰ মাৰে/; তোমাৰ মা/তোমাৰ মাৰা; তাৰ মা/তেওঁৰ মা/মাক।

লিংগৰ পাৰ্থক্য বুজাবৰ বাবে মতা আৰু মাইকী শব্দ সংযোগ কৰা হয়। এইক্ষেত্ৰত ল'ৰা আৰু ছোৱালী ৰূপ দুটা পুংলিংগ আৰু স্ত্ৰীলিংগবোধক হ'লেও মতা ল'ৰা, মাইকী ছোৱালী কথিত ৰূপত প্ৰায়ে ব্যৱহৃত হয়। নিৰ্দিষ্টতাবাচক প্ৰত্যয় ব্যৱহাৰ কৰি পুৰুষ-স্ত্ৰী বুজোৱা ৰূপবোৰৰ ক্ষেত্ৰত শিৱসাগৰীয়া কথিত ৰূপৰ এটা মন কৰিবলগীয়া বিশেষত্ব এই যে ল'ৰা শব্দটোৰ লগত জনী ব্যৱহাৰ কৰি স্ত্ৰীলিংগ বুজোৱা হয়।

সমাজত ভাষাৰ আদান-প্ৰদানৰ মূল বাহন শব্দ। শব্দ সৃষ্টি আৰু আহৰণৰ ক্ষেত্ৰত সমাজৰ সাংস্কৃতিক আৰু ভাষাগত দিশটো বিশেষভাৱে জড়িত। সাধাৰণতে সমাজৰ আনুষ্ঠানিক সংস্পৰ্শত আহিলে শব্দৰ ক্ষেত্ৰত সামান্য প্ৰভাৱ পৰে আৰু বিশেষভাৱে সংস্পৰ্শত আহিলে দ্বিভাষী অৱস্থা হোৱাৰ বাবে শব্দৰ ক্ষেত্ৰত ধাৰৰ সংখ্যা বাঢ়ে আৰু গাঁথনিৰ ক্ষেত্ৰতো প্ৰভাৱ বিস্তাৰ কৰে। শিৱসাগৰত ৰাজধানী স্থাপন কৰা আহোমসকলৰ ক্ষেত্ৰত টাই ভাষাৰ ভাষান্তৰ ঘটিছিল আৰু তেওঁলোকে আগৰে পৰা বসবাস কৰা জনগোষ্ঠীৰ ভাষাক গ্ৰহণ কৰিছিল। ফলত এই অঞ্চলৰ ব্যৱহৃত শব্দবোৰৰ ক্ষেত্ৰত ধাৰৰ সংখ্যা বঢ়া নাই।

শিৱসাগৰীয়া সমাজত জাতি-জনজাতি অনুসৰি কিছুমান শব্দ গঠন হৈছে। বিশেষকৈ আহোম ৰাজত্বৰ সময়তে সামাজিক আৰু সাংস্কৃতিক সম্পৰ্কই এনে শব্দ গঠন হোৱাত বৰঙণি যোগাইছিল। পাহাৰ-ভৈয়ামৰ ওচৰ-চুবুৰীয়া যিকেইখন কৰতলীয়া ৰাজ্য আছিল, সেইকেইখন ৰাজ্যই আহোমৰ লগত বাণিজ্যিক লেনদেন কৰিছিল আৰু বিয়া-বাৰুৰ সম্পৰ্ক গঢ়ি তুলিছিল। ফলস্বৰূপে শিৱসাগৰ অঞ্চলৰ লোকসকলৰ মাজত আহোমৰ দিনৰে পৰা জাতি-জনজাতি অনুসৰি ফকৰা-যোজনা, বাক্যাংশৰো সৃষ্টি হৈছে। শব্দৰ উদাহাৰণস্বৰূপে— আহোম শালি, আহোম বগৰী, নৰা বগৰী, নৰা জাংফাই, নগা টেঙা, নগা ঢাৰি, মিৰিকা টেঙা, মিচিমি তিতা, মিকিৰ লতা, খামতি মোনা, চুটিয়া লফা, মানলাই, মানধনিয়া (মেমেধু) ভোট জলকীয়া, বঙালী এৰা, অসমীয়া মালভোগ, অসমীয়া নহৰু/পনৰু।

লোকভাষাত গালি-শপনিজাতীয় শব্দবিলাকৰ এক নিজস্ব ঠাঁচ আছে। উল্লেখযোগ্য

যে অৰ্থগত উদ্দেশ্যৰ ফালৰ পৰা গালি-শপনিজাতীয় শব্দবিশেষ দুইধৰণে প্ৰয়োগ হয়। প্ৰকৃত আৰু উপৰুৱা দুইধৰণৰ গালিবোৰৰ ভিতৰত এই অঞ্চলত উপৰুৱা গালিবোৰ কথা-বতৰা পাতোঁতে সদায় ব্যৱহৃত হৈ থকাটো মন কৰিবলগীয়া। যেনে— চদকা খোৱা, ফেদুৱা ইত্যাদি।

প্ৰত্যেক ভাষাৰে কথিত ৰূপ আৰু লিখিত ৰূপৰ মাজত প্ৰভেদ থাকে। ভাষাভেদে সেই প্ৰভেদৰ মাত্ৰা কম-বেছি হ'ব পাৰে। সমাজ-ভাষাবিজ্ঞাৰ আধাৰত সমাজৰ ভাষাৰ ভেদসমূহৰ অধ্যয়ন কৰিব পাৰি আৰু কথিত ৰূপৰ বৈশিষ্ট্যসমূহ দাঙি ধৰাৰ লগতে মান্য কথিত আৰু লিখিত সাহিত্যিক ভাষা যে একে নহয় সেই কথা ঠাৱৰ কৰিব পাৰি।

অসমীয়া ভাষাত শ্বাসাঘাতৰ প্ৰয়োগ ঃ এটি আলোচনা

অসমীয়া ভাষাত স্বৰবৰ্ণ আৰু ব্যঞ্জনবৰ্ণৰ উপৰি কেইবাটাও লয় বৰ্ণৰ প্ৰয়োগ আছে। সেইকেইটা হৈছে চন্দ্ৰবিন্দু বা অনুনাসিকত্ব, শ্বাসাঘাত আৰু সন্ধি। মানুহে কথা-বতৰা পাতোঁতে লয় অবিহনে কথা ক'ব নোৱাৰে। প্ৰত্যেক ভাষা-ভাষীয়েই লয়ত কথা কয়। অসমীয়া ভাষাত অনুনাসিকত্ব, শ্বাসাঘাত আৰু সন্ধিবিশিষ্ট ধ্বনিগুণ অৰ্থাৎ বৰ্ণ বুলি স্বীকৃত হৈছে। এই আলোচনাত শ্বাসাঘাতৰ বিষয়ে বিশ্লেষণ কৰা হ'ল।

শ্বাসাঘাত ঃ শব্দ বা বাক্য উচ্চাৰণত হোৱা আপেক্ষিক জোৰ বা হেঁচাকে শ্বাসাঘাত বোলা হয়। মানুহে কথা-বতৰা পাতোঁতে যি বাক্য ব্যৱহাৰ কৰে, সেই বাক্যৰ সকলো অংশতে সমানে জোৰ নপৰে। গুৰুত্ব বুজি বাক্যৰ ভিন ভিন খণ্ডত জোৰ দিয়া হয়। শব্দৰ ক্ষেত্ৰতো সকলোবোৰ অক্ষৰত সমানে জোৰ নপৰে। শব্দৰ প্ৰত্যেক অক্ষৰৰ উচ্চাৰণত কম-বেছি পৰিমাণে শ্বাসাঘাত প্ৰয়োগ কৰিব লগা হয়। শ্বাসাঘাত বা বলাঘাত বুলি কোৱা হয় কাৰণ শব্দ বা বাক্য উচ্চাৰণত জোৰ পৰা অক্ষৰত হাঁওফাঁওৰ পৰা বহিৰ্গামী বায়ুপ্ৰবাহ জোৰেৰে, আপেক্ষিকভাৱে বেছি মাত্ৰাৰে ওলাই আহে।

পৃথিৱীৰ যিকোনো ভাষাতে মানুহে লয় ব্যতিৰেকে কথা ক'ব নোৱাৰে। মন কৰিবলগীয়া যে বাক্য, শব্দ আৰু অক্ষৰৰ যিকোনো অৱস্থাত শ্বাসাঘাতৰ তাৰতম্য ঘটিলে ভাষাত অৰ্থৰো তাৰতম্য বা সালসলনি ঘটিব পাৰে। অসমীয়া ভাষাত শব্দ আৰু অক্ষৰৰ ক্ষেত্ৰত শ্বাসাঘাতৰ স্থান সলনি হ'লে অৰ্থৰ সালসলনি ঘটে।

যেনে—

নদী	নঅদৰ্ঈ	—	নৈ
ন-দি	নৰ্অদই	—	ডাঠি
পিছে	পৰ্ইসএ	—	পি-খোৱা
পিচে	পইসৰ্এ	—	পি ছুত

বান্ধ	বআনধৰ্অ	—	বান্ধৱ
বান্ধ	বৰ্অনিধঅ	—	বন্ধা কাৰ্য

ইংৰাজী ভাষাতো শ্বাসাঘাতৰ প্ৰয়োগ গুৰুত্বপূৰ্ণ। ইংৰাজী ভাষাত একে শব্দৰে শ্বাসাঘাতৰ পৰিবৰ্তন হ'লে অৰ্থৰ পৰিবৰ্তন ঘটে। কিছুমান শব্দত সুনিৰ্দিষ্ট শ্বাসাঘাতৰ প্ৰয়োগ নহ'লে সেই শব্দসমূহে অৰ্থ বহন কৰিব নোৱাৰে। ইংৰাজী ভাষাৰ পৰা কেইটামান উদাহৰণ দাঙি ধৰা হ'ল। যেনে—

Présent	(Noun)	পুৰস্কাৰ
Presént	(Verb)	উপস্থিত
Pérmit	(Noun)	অনুজ্ঞা বা অনুমতিপত্ৰ
Permit	(Verb)	আদেশ বা অনুমতি দিয়া
Áddress	(Noun)	বক্তৃতা
Áddréss	(Verb)	সম্বোধন কৰ্
Adámant	(Noun)	বৰ টান
Adamánt	(Verb)	আঁকোৰগোজ মনোভাব
Bóund	(Noun)	সীমা
Boúnd	(Verb)	জাঁপ মাৰ্

সাধাৰণতে স্বৰধবনিয়েহে শ্বাসাঘাত বহন কৰিব পাৰে; অৱশ্যে নিয়তাভাস ধ্বনিৰো শ্বাসাঘাত বহন কৰিব পৰা গুণ আছে।

শ্বাসাঘাত মুখ্যতঃ দুবিধ— স্বৰাঘাত আৰু সুৰাঘাত। স্বৰাঘাতক আকৌ দুটা ভাগত ভাগ কৰা যায়— ধ্বনি স্বৰাঘাত আৰু অক্ষৰ স্বৰাঘাত। যদি কোনো শব্দত কেইবাটাও ধ্বনি থাকে, তেন্তে দেখা যায় সেই ধ্বনিবোৰৰ কোনো এটা ধ্বনিত বেছিকৈ জোৰ পৰে। এনে পদ্ধতিৰ নামেই ধ্বনি স্বৰাঘাত। ততোধিক অক্ষৰযুক্ত শব্দৰ মাজৰ যিটো অক্ষৰত বেছিকৈ জোৰ পৰে, তাক অক্ষৰ স্বৰাঘাত বুলি কোৱা হয়। ৰেখা চিত্ৰৰ সহায়ত কথাখিনি এনেদৰে বুজাব পাৰি :

শ্বাসাঘাত/বলাঘাত (Accent)

স্বৰাঘাত [Strees Accent] — সুৰাঘাত [Pitch Accent]

স্বৰাঘাত [Strees Accent]: ধ্বনি স্বৰাঘাত [Sound Accent] — অক্ষৰ স্বৰাঘাত [Syllable Accent]

শ্বাসাঘাতৰ প্ৰয়োগ সুৰ, ধ্বনি, অক্ষৰৰ দৰে শব্দ আৰু বাক্যৰ ভৰতো হ'ব পাৰে। শব্দৰ আপেক্ষিক শ্বাসাঘাতক শাব্দিক শ্বাসাঘাত আৰু বাক্যৰ আপেক্ষিক শ্বাসাঘাতক বাক্য শ্বাসাঘাত বোলা হয়। শাব্দিক শ্বাসাঘাত দুটা— গুৰু শ্বাসাঘাত আৰু লঘু শ্বাসাঘাত; সেইদৰে বাক্য শ্বাসাঘাতো দুটা— সাধাৰণ বাক্য শ্বাসাঘাত আৰু গুৰুত্বজ্ঞাপক শ্বাসাঘাত।

শাব্দিক শ্বাসাঘাত — গুৰু শ্বাসাঘাত, লঘু শ্বাসাঘাত

বাক্য শ্বাসাঘাত — সাধাৰণ বাক্য শ্বাসাঘাত, গুৰুত্বজ্ঞাপক শ্বাসাঘাত

গুৰু শ্বাসাঘাত শব্দৰ প্ৰথম নাইবা দ্বিতীয় অক্ষৰত পৰে। বাকী গুৰু শ্বাসাঘাত বহন নকৰা অক্ষৰসমূহত লঘু শ্বাসাঘাত পৰে।

উচ্চাৰণৰ তাৰতম্য অনুসৰি শ্বাসাঘাত তিনিধৰণৰ হ'ব পাৰে। যেনে—

মুখ্য শ্বাসাঘাত / | /

গৌণ শ্বাসাঘাত / v /

লঘুতম শ্বাসাঘাত /\/

শ্বাসাঘাতৰ প্ৰয়োগ সম্পৰ্কত অক্ষৰৰ কথাটো জড়িত থাকে বাবে অক্ষৰৰ বিষয়ে কিছু কথা কৈ লোৱা ভাল। অক্ষৰৰ ব্যুৎপত্তিগত অৰ্থ হ'ল 'একতগ্ৰথিত'। শব্দ এটা উচ্চাৰণ কৰোঁতে উচ্চাৰণত সামান্য ছেদ বা ব্যৱধান পৰে। এটা ছেদৰ পৰা আন এটা ছেদলৈকে উচ্চাৰিত ধ্বনি বা ধ্বনিসমষ্টিকে অক্ষৰ (Syllable) বোলে। অক্ষৰ বুলিলে সাধাৰণতে উচ্চাৰণাত্মক গোট বা একক বুজা যায়। অক্ষৰ সম্পৰ্কে বহুতে বিভিন্ন সূত্ৰ দাঙি ধৰিছে। কোনোৱে অক্ষৰক 'এক শ্বাসবৰ্গ', কোনোৱে একে উশাহতে উচ্চাৰণ কৰিব পৰা ধ্বনি আৰু আন কোনোবাই একে শ্বাস স্পন্দনতে উচ্চাৰিত ধ্বনি বা ধ্বনিসমষ্টি বুলি কৈছে। স্বৰধ্বনি নিজেই অক্ষৰ হ'ব পাৰে। কিন্তু ব্যঞ্জন ধ্বনি স্বৰধ্বনিৰ সহায়তহে অক্ষৰ হ'ব পাৰে।

অক্ষৰ দুই প্ৰকাৰৰ— মুক্তাক্ষৰ আৰু বদ্ধাক্ষৰ। ইয়াক বিবৃত আৰু সংবৃত্ত বুলিও কোৱা হয়। এটা অক্ষৰ যদি স্বৰধ্বনিৰে শেষ হয়, তাক মুক্তাক্ষৰ বা বিবৃত অক্ষৰ বোলা হয়। আনহাতে এটা বা একাধিক ব্যঞ্জন ধ্বনি যদি অক্ষৰটোৰ শেষত থাকে তাকে বদ্ধাক্ষৰ বা সংবৃত্ত অক্ষৰ বুলি কোৱা হয়।

অক্ষৰ

মুক্তাক্ষৰ/বিবৃত (Open Syllable) — বদ্ধাক্ষৰ/ সংবৃত্ত (Close Syllable)

উদাহৰণ :

মুক্তাক্ষৰ	বদ্ধাক্ষৰ
উপাধি, উপআধই	কলম, কঅলঅম
মেঘালী, মএঘআলঈ	দাপোণ, দআপওণ
চেনাই, চএনআই	মৰম, মঅৰঅম

অসমীয়া ভাষাত শ্বাসাঘাতৰ প্ৰয়োগ :

নব্য ভাৰতীয় আৰ্য্যভাষা হিচাপে উত্তৰ-পূৰ্বাঞ্চলত প্ৰচলিত অন্যতম ভাষা অসমীয়া। পৃথিৱীৰ ভিন ভিন ভাষাৰ দৰে অসমীয়া ভাষাতো শ্বাসাঘাতৰ গুৰুত্ব আছে। অসমীয়া ভাষা-ভাষীসকলে বিভিন্ন পৰিস্থিতিত অসমীয়া ভাষা উচ্চাৰণ কৰোঁতে প্ৰয়োগ কৰা শ্বাসাঘাত বৈচিত্ৰ্যপূৰ্ণ তথা অৰ্থপূৰ্ণও। ড° বাণীকান্ত কাকতিয়ে তেওঁৰ 'Assamese, Its Formation and Development' নামৰ গৱেষণা গ্ৰন্থতেই পোনপ্ৰথমে অসমীয়া ভাষাৰ শ্বাসাঘাতৰ প্ৰসংগ অৱতাৰণা কৰিছে আৰু আলোচনা কৰি দেখুৱাইছে। তেখেতৰ পৰৱৰ্তী ড°গোলোকচন্দ্ৰ গোস্বামীয়ে 'অসমীয়া বৰ্ণ প্ৰকাশ'ত অসমীয়া ভাষাৰ শ্বাসাঘাতৰ বৰ্ণনামূলক আলোচনা আগবঢ়াই গৈছে। তেখেতসকলৰ পাছতো ভাষা বিজ্ঞানৰ আলোচকসকলে শ্বাসাঘাত সম্পৰ্কে বিচাৰ-বিশ্লেষণ কৰিছে।

নব্য ভাৰতীয় আৰ্য্যভাষাসমূহৰ শ্বাসাঘাত পদ্ধতি সম্পৰ্কে ভাৰতীয় ভাষাতত্ত্বৰ বিদ্বানমণ্ডলীয়ে কেইটামান ভিন্ন মত পোষণ কৰিছে। ভাষাতাত্ত্বিক পণ্ডিত পিশ্চেলৰ মতে বৈদিক সংস্কৃতৰ যিটো সুৰ, সেই সুৰৰ অৱস্থান অনুসৰি পৰা স্বৰাঘাতৰ প্ৰভাৱতে প্ৰাকৃত উপভাষাবোৰৰ ধ্বনিৰ পৰিৱৰ্তন ঘটিছে।

য়াকোবিয়ে এই স্বৰাঘাত বা প্ৰাকৃতত হোৱা ধ্বনি পৰিৱৰ্তনত পিশ্চেলৰ মত গ্ৰহণ কৰিব খোজা নাই বৰঞ্চ তেওঁ কৈছে যে ক্লাছিকেল লেটিন ভাষাত যি অৱস্থানত শ্বাসাঘাত পৰে, সেই অৱস্থানত প্ৰাকৃততো শ্বাসাঘাত পৰে বুলি যুক্তি প্ৰদৰ্শন কৰিছে।

আকৌ ড° ব্লখে মত প্ৰকাশ কৰিছে যে প্ৰাচীন ভাষাৰ স্বৰাঘাত সম্পৰ্কে আমি নিশ্চিতভাৱে একো নাজানো, গতিকে নব্য ভাৰতীয় আৰ্যভাষাবোৰত কোনো শ্বাসাঘাত নাই।

তথাপি শ্বাসাঘাতৰ অস্তিত্ব যে আছিল তাৰ সপক্ষেই মতবাদবোৰ গঢ় লৈ উঠিছে যেন লাগে। উল্লেখযোগ্য যে মাৰাঠী ভাষাৰ বাহিৰে সকলো নব্য ভাৰতীয় আৰ্যভাষাতে য়াকোবিয়ে কোৱা স্বৰাঘাতৰ প্ৰসংগটো প্ৰযোজ্য বুলি ক'ব পাৰি। কিয়নো ড° টাৰ্ণাৰে 'The Indo-Germanie accent in Marathi' (J R A S, 1946) প্ৰবন্ধত এই মতবোৰ বিতংকৈ আলোচনা কৰিছে আৰু মাৰাঠীৰ বাদে আন নব্য ভাৰতীয় আৰ্যাভাষাত য়াকোবিৰ ক্লাছিকেল লেটিন আৰোপিত স্বৰাঘাত সূত্ৰটি খটুৱাব পাৰি বুলি কৈছে। 'ইণ্ডিয়ান এণ্টিকোৱেৰি' নামৰ প্ৰবন্ধত গ্ৰীয়াৰ্ছনেও য়াকোবিৰ সূত্ৰৰ ভিত্তিতেই নব্য ভাৰতীয় আৰ্যভাষাৰ স্বৰাঘাতৰ প্ৰশ্নটো বিচাৰ কৰিছে।

মন কৰিবলগীয়া যে নব্য ভাৰতীয় আৰ্য্য ভাষাবোৰৰ তুলনাত্মক ব্যাকৰণবোৰত অসমীয়া ভাষাৰ আলোচনা যিহেতু কম, সেয়েহে এই প্ৰখ্যাত পণ্ডিতমণ্ডলীয়ে আগবঢ়োৱা মতামতৰ ভিত্তিতেই অসমীয়া শ্বাসাঘাতৰ অধ্যয়ন কৰিব লগা হয়।

ড° বাণীকান্ত কাকতিয়ে লিখিছে— 'From the Phonological details in the body of this book it would appear that there are two different system of stress in Assamese Sharply differentiated from one another in two different dialectical areas. The stress in Kamrupi dialect in Western Assam is dominantly initial where as the stress in the standard colloquial of eastern Assam is medial. The stress in the standard colloquial seems to fall in a line with the prevailing pan-Indian system in being placed on the penultimate. The initial stress of the Kamrupi dialect has in some instances influence the phonology of the standard colloquial' (AFD. P-69)

ড° বাণীকান্ত কাকতিৰ মতে, অসমীয়া ভাষাৰ দুটা উপভাষীয় অঞ্চলত তীব্ৰ পাৰ্থক্য থকা দুটা শ্বাসাঘাত পদ্ধতি আছে। পশ্চিম অসমৰ কামৰূপী উপভাষাৰ শ্বাসাঘাত পদ্ধতি আৰু পূব অসমৰ মান্য কথিত শ্বাসাঘাত পদ্ধতি। নামনি অসমৰ ভাষাত অৰ্থাৎ কামৰূপী উপভাষাত শব্দৰ আদি অক্ষৰত বলবান শ্বাসাঘাত পৰে; উজনি অসমৰ অৰ্থাৎ মান্য অসমীয়া ভাষাত শব্দৰ উপধা অক্ষৰত শ্বাসাঘাত পৰে। গতিকে কামৰূপী উপভাষাৰ শ্বাসাঘাত প্ৰধানকৈ আদ্যকেন্দ্ৰী, আনহাতে মান্য কথ্যৰ শ্বাসাঘাত মধ্যকেন্দ্ৰী। তেওঁ উজনি আৰু নামনি অসমৰ ভাষাত শ্বাসাঘাতৰ বৈশিষ্ট্য বহলভাৱে দেখুৱাই ইয়াৰ প্ৰভাৱত অসমীয়া তদ্ভৱ শব্দবোৰৰ কেনেধৰণৰ পৰিবৰ্তন ঘটিছে সেয়া দাঙি ধৰিছে।

দুয়োটা উপভাষীয় অঞ্চলৰ দুটা শ্বাসাঘাতৰ প্ৰভাৱ আৰু পৰিণতিৰ ফলত দুয়োটা

উপভাষীয় অঞ্চলৰ উচ্চাৰণত ভিন্নতাই দেখা দিছে। নামনি অসমৰ শ্বাসাঘাতৰ মাত্রা উজনি অসমৰ তুলনাত বেছি গুৰু হৈ পৰিছে। ফলত একেটা মূল শব্দৰ ধ্বনি পৰিবৰ্ত্তন ঘটি বিভিন্ন শব্দৰ সৃষ্টি হৈছে। অপিনিহিত প্রচুৰ হৈছে। মধ্যস্থ স্বৰবোৰ বিৰলভাৱে উচ্চাৰিত হৈছে, সৰহভাগ ক্ষেত্রত অস্পষ্ট ৰূপত হৈছে। ইয়াৰ তত্ত্বৰ শব্দবোৰত সংযুক্ত ব্যঞ্জন, দ্বিস্বৰ আৰু ত্রিস্বৰৰ সংখ্যা বাঢ়িছে।

মান্য অসমীয়াত শ্বাসাঘাত :

মান্য অসমীয়া ভাষাৰ শ্বাসাঘাত পদ্ধতি সম্পৰ্কে ক'ব পাৰি যে সংস্কৃতৰ পৰা উদ্ভৱ হোৱা অসমীয়া ভাষাৰ শব্দৰ উপধা অক্ষৰত শ্বাসাঘাত পৰে যদিহে উপধা অক্ষৰটো দীৰ্ঘ হয়; যদি উপধা অক্ষৰটো হ্রস্ব হয়, তেনেহ'লে শব্দৰ শেষৰ পৰা চতুৰ্থ অক্ষৰত শ্বাসাঘাত পৰে। যেনে—

<u>সংস্কৃত</u>	<u>অসমীয়া</u>
ৱিতপন, বৰ্ইতঅপঅনঅ>	বিতোপন
চিক্কন, চৰ্ইককঅনঅ >	চিকোণ
চত্বাল, চতৰ্তআলঅ >	চোতাল
ভগিনিকা, ভৰ্অগইনইকআ >	ভনী
মেখলা, মৰ্এখঅলআ >	মেখেলা
দৰ্পণ, দৰ্অৰপঅনঅ >	দাপোণ
বন্ধন, বৰ্অনধঅনঅ >	বান্ধোন
ক্রন্দন, কৰঅ'নদঅনঅ >	কান্দোন
কৰ্পট, কৰ্অৰপঅতঅ >	কাপোৰ

ইয়াত বদ্ধাক্ষৰৰ শ্বাসাঘাতযুক্ত অ অসমীয়াত আ হৈছে। উপধা অক্ষৰৰ শ্বাসাঘাত পদ্ধতিটোকে [Penultimate Stress System] মুখ্য শ্বাসাঘাত বুলি কোৱা হয়। যদি শব্দটোত তিনিটাতকৈ বেছি অক্ষৰ থাকে, তেনেহ'লে সেই শব্দত মুখ্য শ্বাসাঘাত পৰা অক্ষৰটোৰ পৰা আটাইতকৈ দূৰৰ অক্ষৰটোত গৌণ শ্বাসাঘাত পৰে। গৌণ শ্বাসাঘাত পৰিলে হ্রস্ব স্বৰ হ্রস্ব হৈয়ে থাকে, দীৰ্ঘ স্বৰ হ্রস্ব হয় আৰু যুক্ত ব্যঞ্জনবোৰ পূৰ্ববৰ্তী স্বৰৰ ক্ষতিপূৰণ দৈৰ্ঘ্য নোহোৱাকৈ সৰলীকৃত হয়। যেনে—

হ্রস্ব অক্ষৰৰ ক্ষেত্রত :

পৰিবাৰ, পৰ্অৰইবৰ্আৰঅ >	পৰিয়াল
তৰবাৰি, তৰ্অৰঅবৰ্আৰই >	তৰোৱাল

ভাদ্রপদ, ভৰ্আদৰঅপৰ্অদঅ > ভাদ

গৰ্দভক, গৰ্অদৰঅভঅকৰ্অ > গাধ

দীৰ্ঘ অক্ষৰৰ ক্ষেত্ৰত :

চক্ৰবাক, চঅকৰঅবৰ্আকঅ > চকোৱা

ব্যাখ্যান, বয়আখয়ৰ্আনঅ > বখান

প্ৰকৃষালয়তি, পৰঅকচৰ্আলঅয়তই > পখালে

জামাতৃক, জআমৰ্আতৰইকঅ > জোঁৱাই, জোঁৱাই

অন্ত্যস্বৰৰ বেলিকা মধ্য ভাৰতীয় আৰ্য্যভাষাৰ ব্যঞ্জনৰ পাছত থকা অন্ত্যস্বৰ অসমীয়াত লোপ হয়। যেনে—উল্লাস > উললৰ্আসঅ > উলাহ

ভেল > ভৰ্এলঅ > ভেল

শিলা > চৰ্ইলআ > শিল

পিপাসা > পইপৰ্আচআ > পিয়াহ

কিন্তু কিছুমান ৰূপ উপধা অক্ষৰৰ শ্বাসাঘাত পদ্ধতিৰ পোহৰত ব্যাখ্যা কৰিব নোৱাৰি, অৰ্থাৎ শ্বাসাঘাতৰ স্থানান্তৰ ঘটে। সেইবোৰত সদায়েই আদ্য অক্ষৰত শ্বাসাঘাত পৰে। এনে ব্যতিক্ৰম চাৰিধৰণে শ্ৰেণীবদ্ধ কৰিব পাৰি—

(ক) সাদৃশ্যৰ ফলত শ্বাসাঘাত স্থানান্তৰ

(খ) প্ৰমূল্য অনুসৰি শ্বাসাঘাত স্থানান্তৰ

(গ) উপভাষীয় প্ৰভাৱত শ্বাসাঘাত স্থানান্তৰ

(ঘ) দীৰ্ঘ অন্ত্যস্বৰৰ ফলত শ্বাসাঘাত স্থানান্তৰ

কামৰূপী উপভাষাত শ্বাসাঘাত :

ধ্বনিতত্ত্বৰ দিশত মান্যভাষা আৰু কামৰূপী উপভাষাৰ এটা প্ৰধান পাৰ্থক্য হৈছে শ্বাসাঘাত। শ্বাসাঘাত অনুযায়ী উপভাষীয় ক্ষেত্ৰবিশেষে ব্যক্তিৰ উচ্চাৰণ ভিন্ন হয়। John lyon-এ উল্লেখ কৰিছে—"Every one speaks in one dialect or another just as every one speak with one accent or another. It is quite posible for different people to speak the same dialect with strikingly different accent."

উপধা অক্ষৰৰ শ্বাসাঘাত পদ্ধতিটোৰ পৰিৱৰ্তে প্ৰবল আদ্য শ্বাসাঘাত বহন কৰা পশ্চিম অসমৰ উপভাষাই অসমীয়া শ্বাসাঘাতৰ প্ৰসংগত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সংস্কৃত প্ৰধান ভাষা এটাৰ পৰা অসমীয়া ভাষা বিকশিত হওঁতে প্ৰাক্ পৰ্যায়ত উপধা অক্ষৰৰ শ্বাসাঘাত পদ্ধতিটোকে অনুসৰণ কৰিছিল। অসমীয়া ভাষা আৰ্য্য-অনাৰ্য্য

সকলোৱে ব্যৱহাৰ কৰে। অসমীয়া ভাষা আৰ্য্যভিন্ন ভাষা সাগৰৰ মাজত থকা এটা দ্বীপৰ দৰে। সেয়েহে স্বাভাৱিক প্ৰভাৱবশতঃ প্ৰবল আদ্য শ্বাসাঘাতযুক্ত ভাষা কোৱা মানুহৰ সংস্পৰ্শত তথা ভাষাৰ সংস্পৰ্শজনিত কাৰণত সম্ভৱতঃ উপধা অক্ষৰৰ শ্বাসাঘাত স্থানান্তৰিত হৈ পশ্চিম অসমৰ ফালে আগৰ অক্ষৰলৈ আহিল। পূব অসমত শ্বাসাঘাত মধ্যকেন্দ্ৰী হিচাপেই থাকি গ'ল। আনহাতে পশ্চিম অসমত আদ্যকেন্দ্ৰী হিচাপে দেখা দিলে। কামৰূপী উপভাষাত সকলো শ্ৰেণীৰ শব্দতে আদ্য অক্ষৰতে শ্বাসাঘাত পৰে। প্ৰাচীন অসমীয়া লেখকসকলৰ ৰচনাত, বিশেষকৈ অসমীয়া ধৰ্মীয় সাহিত্যত উপভাষীয় ৰূপবোৰৰ সানমিহলি হৈছিল। দুয়োটাই ইটোৰ পৰা সিটোলৈ মুক্ত ঋণ লৈছিল। আনকি আধুনিক অসমীয়া ভাষাটোত সকলো ফালৰ পৰা নানান পৰিস্থিতিত দুয়োটা উপভাষাৰ মিশ্ৰণ ঘটিব ধৰিছে। সেয়েহে শ্বাসাঘাতৰ ক্ষেত্ৰতো স্পষ্ট প্ৰভাৱ দৃষ্টিগোচৰ হৈছে।

কামৰূপী উপভাষাত মুক্ত অক্ষৰত আদ্য শ্বাসাঘাত পৰিলে মধ্যবৰ্তী অক্ষৰবোৰ হ্ৰস্বীকৃত বা লোপ হয়। তলত মান্য অসমীয়া আৰু কামৰূপী উপভাষাৰ লগত তুলনা কৰি দেখুওৱা হ'ল—

সংস্কৃত	মান্য অসমীয়া	কামৰূপী উপভাষা
উদঘাটয়তি	উঘালে	উঘ্‌লে
বদাল	বৰালি	বাল্লি/বল্লি
শাৰিকা	শালিকা	শালকা
প্ৰস্থাপয়তি	পঠায়	পঠই

অন্ত্য অক্ষৰ মুক্ত হ'লে অন্ত্যস্বৰত গৌণ শ্বাসাঘাত পৰে আৰু তেতিয়া মধ্য অৱস্থানৰ স্বৰবোৰ উচ্চাৰিত নহয়। যেনে—

সংস্কৃত	মান্য অসমীয়া	কামৰূপী উপভাষা
কুষ্মাণ্ড	কোমোৰা	কুম্‌ৰা
কবন্ধ	কোৰোকা	কব্‌কা
কুক্কুট	কুকুৰা	কুক্‌ৰা
চক্ৰবাক	চকোৱা	চকা
চত্বাল	চোতাল	চতাল
প্ৰস্তাৰ	পথাৰ	পথৰ

এগুৰাছনে 'Stress and pitch in Indian Languages' (JRASP 869)-ত বাংলা ভাষাতো আদ্য শ্বাসাঘাত আছে বুলি কৈছে কিন্তু তুলনামূলকভাৱে বঙলাৰ আদ্য শ্বাসাঘাত দুৰ্বল আৰু আন ক্ষেত্ৰতো ই কামৰূপী স্বৰাঘাতক বেলেগ বুলি দেখুৱাইছে। তেওঁ (Accent and prosody in Bengali : JRASP 865)-ত বাংলা ভাষাৰ

উৎস সম্বন্ধে তিনিটা উৎস নিৰূপণ কৰি যিকোনো এটাৰ পৰা আহিব পাৰে বুলি কৈছে—

(১) জন্মদাতা মাগধী প্ৰাকৃতৰ পৰা

(২) দ্ৰাবিড়ী ভাষাৰ পৰা

(৩) তিব্বতবৰ্মী ভাষাৰ পৰা

যিহেতু বংগদেশৰ সৰহ অংশ কোচ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল আৰু এই ভাষাৰ স্বৰাঘাত আদ্য, সেইকাৰণে তৃতীয় উৎসকে বেছি ওচৰ চপা বুলি তেওঁ বিবেচনা কৰে। সোতৰ শতিকাৰ আগৰ কালছোৱাত প্ৰায় চতুৰ্থ-পঞ্চম শতিকাৰ পৰা অসমৰ কামৰূপ অঞ্চলত কোচসকলৰ অৱস্থিতি আছিল আৰু বহুকালজুৰি কোচ ৰাজ্যৰ অন্তৰ্ভুক্ত হৈ আছিল। যিহেতু সুদীৰ্ঘ দিন ধৰি কামৰূপৰ পশ্চিম অঞ্চল কোচ ৰাজ্যৰ ভিতৰুৱা হৈ আছিল, সেইবাবে কামৰূপী উপভাষাত তিব্বতবৰ্মীয় ভাষাৰ স্বৰাঘাতৰ প্ৰভাৱ পৰিব পাৰে। এইটো ঠিক যে অসমীয়া ভাষা আৰ্য্য-অনাৰ্য্য সকলোৰে ভাব প্ৰকাশৰ মাধ্যম। জন্মক্ষণৰে পৰা এই ভাষা ব্যৱহাৰ কৰা লোকসকল বিভিন্ন জনগোষ্ঠীৰ। বৃহত্তৰ অসমত প্ৰজাতিগত সংমিশ্ৰণ ঘটিলেও জনগোষ্ঠীয় লোকসকলে নিজস্ব ভাষা ৰক্ষা কৰি আহিছে। সেয়েহে সংযোগী ভাষা হিচাপে অসমীয়া ভাষা ব্যৱহাৰ কৰিলেও নিজৰ ভাষাৰ ধ্বনিৰ উচ্চাৰণো সোমাইছিল। ড°গোলোকচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাত শ্বাসাঘাত বৰ্ণ দুটা বুলি উল্লেখ কৰিছে— (ক) গুৰু শ্বাসাঘাত (খ) লঘু শ্বাসাঘাত। সদৃশ আৰু অভিন্ন পৰিৱেশত অসমীয়া ভাষাৰ শব্দৰ কেনেদৰে বিৰোধ দেখা যায়, তাৰ উদাহৰণস্বৰূপে—

সদৃশ পৰিৱেশত শাব্দিক শ্বাসাঘাতৰ বিৰোধ :

এঘাৰ, এঘৰ্অৰিঅ

বাৰ, বৰ্অৰিঅ

তেৰ, তৰ্এৰঅ

অলকা, অলৰ্অকআ

শলকা, সঅলৰ্অকআ

চনকা, চঅনৰ্অকআ

অভিন্ন পৰিৱেশত শাব্দিক শ্বাসাঘাতৰ বিৰোধ :

পিছে, অৰ্ইসএ

পিচে, অইসৰ্এ

নদি, নৰ্অদই

নদী, নঅদর্ঈ

বদ্ধাক্ষৰত সদৃঢ় পৰিৱেশত বিৰোধ ঃ

বন্ধ, বৰ্অনধঅ

পিন্ধ, অইনধৰ্অ

মন্ত্র, ম অনতৰৰ্অ

অভিন্ন পৰিৱেশত বিৰোধ ঃ

কাণ্ড, কৰ্অানদ অ — চেনাই, সৰ্অনআই

কান্দ, কআনদৰ্অ — চেনাই, সঅনআঁই

বান্ধ, বৰ্অানধঅ

বান্ধ, বআনধৰ্অ

বাক্য শ্বাসাঘাত ঃ

কোনো এটা বা ততোধিক বাক্যত পৰা আপেক্ষিক শ্বাসাঘাতকেই বাক্য শ্বাসাঘাত বুলি কোৱা হয়। অসমীয়া ভাষাত বাক্য শ্বাসাঘাত দুবিধ—

(ক) সাধাৰণ বাক্য শ্বাসাঘাত

(খ) গুৰুত্বজ্ঞাপক বাক্য শ্বাসাঘাত।

সাধাৰণভাৱে বাক্য শ্বাসাঘাত পৰিলে তাৰ জোৰ কম হয়। সাধাৰণ বাক্য শ্বাসাঘাত বহন কৰা অক্ষৰৰ সুৰ আপেক্ষিকভাৱে নিম্ন। ইয়াৰ জোৰ বা বল শাব্দিক শ্বাসাঘাতৰ প্ৰায় সমান বুলিব পাৰি।

গুৰুত্বজ্ঞাপক শ্বাসাঘাতৰ জোৰ সকলোবোৰ শ্বাসাঘাততকৈ বেছি। এনে শ্বাসাঘাত বহন কৰা অক্ষৰৰ মুখৰতা আৰু সুৰ যথেষ্ট উচ্চ। অসমীয়া ভাষাত অন্যান্য ভাষাৰ দৰেই কিছুমান শব্দই জোৰ বা গুৰুত্ব বুজায়। যেনে— নিশ্চয়, অসম্ভৱ, কেতিয়াও, তথাপি বাক্যত এনে শব্দ থাকিলে সেই বাক্যত জোৰ বুজাবলৈ সেই শব্দতে গুৰুত্বজ্ঞাপক শ্বাসাঘাতৰ প্ৰয়োগ হয়। সাধাৰণ বাক্য শ্বাসাঘাত আৰু গুৰুত্বজ্ঞাপক শ্বাসাঘাতৰ জোৰৰ অভিন্ন পৰিৱেশত বিৰোধ ঘটে। উদাহৰণস্বৰূপে—

<u>তুমি</u> পথাৰত কি কৰিলা? (তুমি, আনে নহয়)

তুমি <u>পথাৰত</u> কি কৰিলা? (ঘৰত নহয়, পথাৰত)

তুমি পথাৰত <u>কি</u> কৰিলা? (কিবা কাম কৰাৰ কথা)

এইকেইটা একো একোটা সাধাৰণ বাক্য। ইয়াৰ প্ৰথম তিনিটা শব্দৰ যিকোনো এটাত সাধাৰণ বাক্য শ্বাসাঘাত প্ৰয়োগ কৰিব পাৰি নাইবা গুৰুত্বজ্ঞাপক শ্বাঘাত প্ৰয়োগ কৰিব পাৰি। লক্ষণীয় যে গুৰুত্বজ্ঞাপক শ্বাসাঘাতৰ স্থান সলনি কৰি উচ্চাৰণ কৰিলে তাৰ

অৰ্থও পৃথক হৈ পৰে। উক্ত উদাহৰণটো তিনিটা শব্দৰ যিকোনো এটাৰ উচ্চাৰণত জোৰ দিয়াত তাৰ অৰ্থৰ সলনি ঘটিছে। একাধিক বাক্যাংশযুক্ত বাক্যত গুৰুত্বজ্ঞাপক শ্বাসাঘাতে সাধাৰণ বাক্য শ্বাসাঘাতৰ স্থান গ্ৰহণ কৰে। তলত বাক্য শ্বাসাঘাত আৰু গুৰুত্বজ্ঞাপক শ্বাসাঘাত প্ৰয়োগৰ আন এটি উদাহৰণ দাঙি ধৰা হ'ল—

"এইদৰে অতুল জ্ঞান সঞ্চয় কৰি আঠাইশ বছৰ বয়সত আমীয়েল জেনেভালৈ ঘূৰি আহে।" (ডঃ বাণীকান্ত কাকতি, পণ্ডিতৰ ভূমাস্পৃহা)

এই বাক্যত 'জ্ঞান সঞ্চয়', 'আঠাইশ বছৰ বয়সত' আৰু 'জেনেভালৈ'ৰ ওপৰত জোৰ দিয়া হৈছে, সেয়ে ইয়াত গুৰুত্বজ্ঞাপক শ্বাসাঘাত পৰিছে। আনবোৰ শব্দত সাধাৰণ বাক্য শ্বাসাঘাত পৰিছে। ❑

গ্ৰন্থপঞ্জী :

গোস্বামী, গোলোকচন্দ্ৰ : ধ্বনিবিজ্ঞানৰ ভূমিকা

অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ, ১৯৮৭

অসমীয়া বৰ্ণ প্ৰকাশ, ১৯৯০, ১৯৯৬

পাঠক, ৰমেশ : ভাষা বিজ্ঞানৰ ভূমিকা, ১৯৮০

অসমীয়া ভাষাৰ ইতিহাস, ১৯৮৫

Gleason, H A : An Introduction to Descriptive Linguistics 1961

Kakati, B : Assamese : Its Formation and Development,1941

লোকভাষা আৰু গালি-শপনিত প্ৰয়োগ হোৱা শব্দ

ভাষা সংস্কৃতিৰ অন্যতম বাহক। সমাজ-সংস্কৃতিৰ লগত ভাষাৰ সম্পৰ্ক ব্যাপক আৰু সুদূৰপ্ৰসাৰী। লোকভাষা [Folk speech] হৈছে সকলো ভাষাৰ বুনিয়াদ। সমাজৰ কোনো ব্যক্তিসমষ্টিয়ে ব্যাকৰণৰ অনুশাসন মানিয়েই হওক বা নামানিয়েই হওক স্বাভাৱিকভাৱে যি মাত-কথা প্ৰয়োগ কৰে, তাকে লোকভাষা আখ্যা দিয়া হয়। অৰ্থাৎ সমাজৰ সৰ্বসাধাৰণ লোকবিশেষৰ মুখৰ যি প্ৰকৃত, স্বতঃস্ফূৰ্ত বাচিক আচৰণ বিশেষ 'Actual functioning of Language', তাকে লোকভাষা বুলি কোৱা হয়।

ভাষাৰ প্ৰধানতঃ দুটা ৰূপ— কথিত আৰু লিখিত। কথিত ৰূপেই ভাষাৰ মৌলিক ৰূপ। পৃথিৱীৰ ভাষাসমূহৰ কিছুমানৰ লিখিত ৰূপ আছে, কিছুমানৰ লিখিত ৰূপ নাই। ঐতিহাসিক দৃষ্টিকোণৰ পৰা চালে দেখা যায়— ভাষাই লিখিত ৰূপ পৰিগ্ৰহণ কৰাৰ আগতে কথিত ৰূপতহে বৰ্তি আছিল। ভাষাৰ প্ৰধানতঃ দুটা ৰূপৰ ভিতৰত এটা সৰ্বসাধাৰণ লোকবিশেষৰ দৈনন্দিন কথিত ভাষা, আনটো সাহিত্যিকৰ, পুথিপত্ৰৰ, মাৰ্জিত ৰুচিসম্পন্ন লোকৰ, সাংস্কৃতিক কাম-কাজৰ লিখিত ভাষা। ভাষাতত্ত্বৰ ফালৰ পৰা সাধাৰণ লোকবিশেষৰ ভাষা আৰু সাহিত্যিক লিখিত ভাষা দুয়োটাৰেই গুৰুত্ব অপৰিসীম।

সৰ্বসাধাৰণৰ মুখৰ শব্দ, বাক্য উচ্চাৰণৰ পৰাও ভাষিক আচৰণৰ বহুতো তথ্যৰ সম্ভেদ পোৱা যায়। কোনো এখন সমাজৰ অন্তৰালত থাকে সেই সমাজৰ সাংস্কৃতিক জীৱনধাৰা। ব্যক্তিসমষ্টিয়ে অনাদি কালৰ পৰাই সেই জীৱনধাৰাত অভ্যস্ত হৈ আহিছে। সমাজৰ পুৰুষ-মহিলাই তেওঁলোকৰ দৈনন্দিন জীৱনত, বিশেষকৈ খেতি-বাতি, বোৱা-কটা, বন্ধা-বঢ়া, মাছ-মৰা, দৈনন্দিন ব্যৱহাৰ্য্য সামগ্ৰী, সাজ-পাৰ সম্বন্ধীয় অলেখ শব্দ, বাক্যাংশ আদি ব্যৱহাৰ কৰি আহিছে। আৰ্য্য-অনাৰ্য্য প্ৰত্যেক সমাজতেই নিজ নিজ ভাষাৰ এনে বহুতো শব্দ নিশ্চয় আছে। আচলতে এনে বাছকনীয়া শব্দ আৰু জতুৱা ঠাঁচবোৰ উলিয়াই আনি সাহিত্যৰ ভাষাত অতুল অৰ্থব্যঞ্জনাৰে ব্যৱহাৰ কৰিব পাৰি। এইক্ষেত্ৰত শব্দৰ ভঁৰাল সমৃদ্ধিময় হোৱাৰ লগতে ভাষাটোৰ প্ৰকাশিকা শক্তি, কালিকা বৃদ্ধি পায়।

ভাষাৰ মৌলিক সত্য— ইয়াৰ বিভিন্নতা। এখন দেশৰ লগত আন এখন দেশৰ, এটা অঞ্চলৰ লগত আন এটা অঞ্চলৰ, এটা শ্ৰেণীৰ লগত আন এটা শ্ৰেণীৰ, এটা জাতিৰ লগত আন এটা জাতিৰ ভাষাৰ ক্ষেত্ৰত বিভিন্নতা দেখা যায়। ভাষাৰ বিচিত্ৰতাৰ লগত সামাজিক অন্যান্য ক্ৰিয়াৰ বিশেষ সম্পৰ্ক লক্ষ্য কৰিব পাৰি।[১]

সাধাৰণতে লোকভাষা কোনো এক আঞ্চলিক উপভাষাৰ অন্তৰ্গত সাক্ষৰতাহীন সম্প্ৰদায়ৰ মাজত প্ৰচলিত ভাষা যিটো সাধু বা মান্যভাষাতকৈ তুলনামূলকভাৱে পুৰণি। এই সম্পৰ্কে W Edson Richmond-এ এনেদৰে ব্যাখ্যা কৰিছে— "We are not here concerned with cultivated speech, that is, the speech patterns of the highly educated, but rather with folk speech, the speech patterns that develop independently of formal schooling and are characteristics of, but by no means entirely limited to, the older and relatively uneducated group within any regional area."[2]

স্বাধীনভাৱে গ্ৰামাঞ্চলত বসবাস কৰা শিক্ষা আৰু আধুনিকতাৰ পৰশ নপৰা চহা লোকসকলৰ ভাষিক আচৰণৰ বৰ্ণনা তথা বৈশিষ্ট্য বিশ্লেষণৰ মাজতে লোকভাষাৰ অধ্যয়ন জড়িত হৈ থাকে। সকলো ভাষাতে নিষেধাত্মক [Linguistic taboo] বাক্যৰ প্ৰয়োগ কম-বেছি পৰিমাণে থাকে, যিবোৰে সামাজিক মূল্যবোধ প্ৰতিপন্ন কৰে, সমাজৰ তেনে নিষিদ্ধ ভাষাৰ ক্ষেত্ৰত লোকভাষাৰ প্ৰভাৱেই সুস্পষ্ট। স্কুলীয়া শিক্ষাৰ পোহৰ নোপোৱা লোকসকলে নিষিদ্ধ শব্দৰাজি প্ৰাত্যহিক জীৱনত প্ৰায়ে প্ৰয়োগ কৰে। কোনো কোনো ভাষাত নিষিদ্ধ অশ্লীল শব্দক সাহিত্যৰ ভাষালৈ উন্নীত কৰিছে। অসমৰ লোক-সাহিত্যত নিষিদ্ধ অশ্লীল ভাষাৰ সাহিত্যিক প্ৰয়োগ ৰকৈ নাই যদিও লোকজীৱনত কথিত প্ৰয়োগ আছে। অঞ্চলভেদে নিষিদ্ধ শব্দবোৰৰ ব্যৱহাৰ আৰু তাৰ অৰ্থৰ বিভিন্নতা মন কৰিবলগীয়া।

লোক-সংস্কৃতিত ভাষাৰ যি নিষিদ্ধ ৰূপ [taboo speech] লক্ষ্য কৰা যায়, সি কোনো এটা ভাষাত স্থানবিশেষে নিষিদ্ধ হয়, কেতিয়াবা সময়বিশেষে নিষিদ্ধ হয়। উদাহৰণস্বৰূপে দিনত চলিত কিন্তু ৰাতি নিষিদ্ধ তেনে কেইটামান শব্দ হ'ল— বেজী, হালধি, সাপ, চুণ ইত্যাদি। তেনেদৰে বসন্ত ৰোগৰ বিষয়ে বুজাবলৈ 'বসন্ত' শব্দটো ব্যৱহাৰ নকৰি আই, আইভাগ, আই শীতলা আদি শব্দ উচ্চাৰণ কৰে। কোনো কোনো অঞ্চলত মানুহৰ মৃত্যুৰ প্ৰসংগত 'মৰিলে' শব্দ ব্যৱহাৰ নহৈ 'ঢুকালে' শব্দহে প্ৰয়োগ হোৱা পৰিলক্ষিত হয়। মান্য

---

১. Susan M. Ervin Tripp : 'Sociolinguistic' in Advances in the sociology of Language ed. Joshua Fishman, 1971, p. 6 নবীন শৰ্মা : অসমীয়া লোক সংস্কৃতিৰ আভাস।

২. W. Edson Ricimond : নবীন শৰ্মা, অসমীয়া লোক সংস্কৃতিৰ আভাস, পৃষ্ঠা নং- ৯০

ৰূপত বিয়োগ ঘটা, বৈকুণ্ঠ প্ৰয়াণ হোৱা, পৰলোকপ্ৰাপ্তি ঘটা ইত্যাদি সবৰৰহী।

অঞ্চল বিশেষে অসমীয়া ভাষা সম্প্ৰদায়ৰ মাজত বিভিন্ন কথ্যভাষা বা লোকভাষা প্ৰচলিত হৈ আছে। সাধু বা মান্যভাষাৰ লগত লোকভাষাৰ ধ্বনি, ৰূপ, শব্দ প্ৰয়োগ আৰু অৰ্থৰ পাৰ্থক্য দেখা যায়।

উদাহৰণস্বৰূপে ঃ ধ্বনিৰ স্তৰত

মান্য অসমীয়া		লোকভাষা
অ> আ	ৰজা	ৰাজা
	চকা	চাকা
	তৰা	তাৰা
	কণা	কাণা
	পঠা	পাঠা
	মখা	মাখা
	সোণ	সোণা
ঔ> ও	কাৰৌ	কাবো
	ভাটৌ	ভাটো
	কপৌ	কপো
ঐ > এ	গৰৈ	গৰে
	কাৰৈ	কাৰে/ কৰেই
আ> এ	আদা	এদা
	চাদা	চেদা/চেধা
	আলৈ-আথানি	আলৈ-এথানি
	আন্ধাৰ	এন্ধাৰ

ৰূপৰ স্তৰত

বোৰ, বিলাক, হঁত	গিলা, গিলাক, হাঁত, হানা, গুলা, ভুৰ
এতিয়া	ইতা
অলপতে	ইন্না
এইপিনে	অহাঁই, আঁহে
এনেকৈ	এঙ্কে
ক'লৈ যোৱা?	কক্ যা?
সি গ'ল	সি গেল।

শব্দমূলক ঃ

আমলখি	গুইলান
উৰুলি	জকাৰ
জলফাই	বেলফই
সুমথিৰা/কমলা	কম্‌লা/সন্তৰা
টোপনি	টুপ্‌নি/নিন্‌/ঘুম্‌টি
নিসনি	নিহ্‌নি/মাৰ
পায়স	ভোগ/ভুগ
গুৰ	মিঁথে
শিঙৰা মাছ	টেংৰা/হিঙৰা
লাউ	জাতিলাউ/পানীলাউ
পইতাচোৰা	তেলচোৰা, তেলভালুকী, তেলভৌকা, নিমচাপ
কেৰাচিন তেল	কাচতেল
ঢেকীশাল	ঢেকিলা
গামোছা	মুক্‌চা
গেদগেদী	ঘুমেখাইতী, ভেঁহেৰী, সথ্‌লী, সথাগেলী, ঘাগ্‌চী কাঞ্চনমতী
ধনিয়া	মেমেধু
ধোঁৱা খোৱা	হোকা, চিলিম

এনেদৰে শব্দৰ তালিকাখন বঢ়াই গৈ থাকিব পাৰি। ইয়াত কেইটিমান শব্দৰহে উদাহৰণ দিয়া হৈছে।

লোকবিশেষে ব্যৱহাৰ কৰা ভাষা ভাবৰ দ্যোতক হৈ পৰে, সৰল আৰু চিত্ৰধৰ্মী প্ৰয়োগৰ বাবেই নহয়, উচ্চাৰণ আৰু কথনভংগীৰ লয়ৰ বাবেও। ভাব প্ৰকাশ কৰিবলৈ যাওঁতে সদায় দেখি থকা জীৱন আৰু জগতৰ পৰাই শব্দ আহৰণ কৰে। সেয়েহে লোকভাষা চিত্ৰসম্পন্ন আৰু বাস্তৱধৰ্মী হয়। গ্ৰাম্য সমাজৰ খেতি-বাতি, বোৱা-কটা, ৰন্ধা-বঢ়া, মাছ মৰা, উৎসৱ-পাৰ্বণ আদিৰ লগত জড়িত বহু উদাহৰণ পোৱা যায়। যেনে—

খেতি-বাতি সম্বন্ধীয় ঃ

ন-ভুঁই
কঠীয়াহে চুটি, জেঠতে পৰা
ধান পকে মানে টুনিৰ মৰণ
বুকুৱে ধান বনা
পতান ধানেৰে ভঁৰাল ভৰোৱা

নল মাৰি গজালি ওলোৱা
চকুৰে সৰিয়হ ফুল দেখা

তাঁতশাল সম্বন্ধীয় ঃ

মাকো মৰাদি মৰা
টাকুৰী ঘূৰাদি ঘূৰা
টোলোঠামূৰীয়া
মাকে নাজানে তাঁতৰ বিহা
জীয়েকৰ গাত ফুলাম বিহা

খাদ্য সম্বন্ধীয় ঃ

অবুজনক বুজোৱা ঢেকৰা ঠাবি সিজোৱা
কৰকৰা লৰমৰা
পইতা পালমৰা
তপত দিনটোলৈ গাটো শকত
আবৈতকৈ উখুৰাৰ খচ্‌খচনি
বান্ধনী উচটাই জোল খোৱা
ধোদৰ পচলা।
ওচৰৰ পুঠী-খলিহনা,
দূৰৈৰ বৌ-বৰালি।
সাতঘাটৰ চেঙেলি
মাছে গৰকা পাচলি খাবা
শাহুৱে গৰকা বোৱাৰী বাবা।

উৎসৱ-পাৰ্বণ সম্বন্ধীয় ঃ

সাত বিহু
গাত দেওধনি লগা
নটুৱা নচা, গুচি লোৱা, আগ অনা (কাতি বিহুত)

লোকভাষাত কিছুমান যুৰীয়া আৰু ধ্বন্যাত্মক শব্দও ব্যৱহাৰ হৈ থকা দেখা যায়। যেনে—

আধানাৰ্জি
টটা-টিঙা
ঢোপাংপাং
চেলেংপেতেং

চিত্তসংপাতলং
টিক্‌চি-বিক্‌চি
তৰ্জন-গৰ্জন
লাংখা-লিংখি
জলৌ-জগৌ
হক্‌হকাই
মাধমাৰ

মান্যভাষা আৰু লোকভাষাৰ মাজত শ্বাসাঘাত, শব্দৰূপৰ উপৰি বাক্যতো পাৰ্থক্য সূচিত হয়। যেনে—

(ক) আপুনি কেতিয়া আহিল? (মান্যভাষা)
আপুনি কাহানি আহিলে? (লোকভাষা)
আপুনি কেইতা/ কেথেন আহিলি? (লোকভাষা)
(খ) ৰ'দ লৈছে
ৰ'দ পুৱাইছে
(গ) গাখীৰ পগাইছে
গাখীৰ উতলাইছে
গাখীৰ গৰম কৰিছে
(ঘ) তামোলে মূৰত ধৰিছে
তামোলে গাত ধৰ্‌ছি

দৰাচলতে লোকভাষাৰ পৰাই অলেখ জতুৱা ঠাচ আৰু ফকৰা-যোজনা অসমীয়া ভাষালৈ আহিছে আৰু ই অসমীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্য ৰক্ষা কৰিছে। লোকভাষাৰ পৰা অনুপম চিত্ৰসম্পন্ন শব্দৰাজি আহৰণ কৰি মান্যভাষাৰ শব্দসম্ভাৰ বৃদ্ধি কৰাৰ লগতে প্ৰকাশিকা শক্তি বৃদ্ধি কৰাৰ যথেষ্ট সমল আছে। বিশেষকৈ আজিৰ বিশ্বায়নৰ যুগতো সাহিত্যত লোক-সাহিত্য, লোকভাষাৰ বিজ্ঞানসন্মতভাৱে চিন্তা-চৰ্চাৰ বাট মুকলি হৈছে। এই প্ৰসংগত বিশ্বকবি ৰবীন্দ্ৰ নাথ ঠাকুৰে কোৱা কথাষাৰ আজিও প্ৰণিধানযোগ্য। তেওঁ কৈছে— 'এলাগী কুঁৱৰীৰ দৰে ইমানদিন লোকভাষাৰ ঠাই আছিল জুপুৰিত, ৰান্ধনিঘৰত, গোহালিত, গোবৰৰ ভেৰৰ ওচৰে-পাঁজৰে, চোতালৰ তুলসী তলত। ...কিন্তু মোৰ বিশ্বাস, লাগী কুঁৱৰীয়ে বিদায় ল'ব লাগিব; আৰু এলাগী আহি ৰাজ-আসনত বহিব।'[৩]

ভাষাতত্ত্বৰ ফালৰ পৰা লোকভাষাৰো বিশেষ মূল্য আছে। বিশেষকৈ সমাজ ভাষাতাত্ত্বিক

---

৩. বৰুৱা, বিৰিঞ্চি কুমাৰ, অসমৰ লোক-সংস্কৃতি, পৃষ্ঠা নং- ২২৯

অধ্যয়নত গালি-শপনি জাতীয় শব্দসমূহৰ প্ৰসংগ উল্লেখযোগ্য। সমাজত বসবাস কৰোতে মানুহে ইজনৰ লগত সিজনৰ কথা পাতোঁতে অকল সুভাষিত বাক্যই ব্যৱহাৰ নকৰে; কেতিয়াবা কেতিয়াবা অশ্লীল বাক্যও ব্যৱহাৰ কৰে। লোক-সংস্কৃতিত অশ্লীল কাৰ্য্য, বচনৰো তাৎপৰ্য্য আছে। সাধাৰণতে ক্ৰোধ, ঘৃণা, বিৰক্তি আৰু অসন্তোষ প্ৰকাশৰ চিনস্বৰূপে অসন্তোষৰ ভাব প্ৰকাশ কৰিবলৈ বুঢ়া আঙুলি দেখুওৱা, ভেঙুচালি কৰা হয়। আনকি ধৰ্মানুষ্ঠান আৰু সামাজিক অনুষ্ঠানতো এইবোৰৰ প্ৰয়োগ দেখা যায়। "কালিকা পুৰাণত উল্লেখ থকা সবৰোৎসৱত অশ্লীল শব্দ উচ্চাৰণ কৰাটো উৎসৱৰ অন্তৰ্ভুক্ত কাৰ্য্য। আমাৰ বসন্তোৎসৱ বিহুত ডেকা-গাভৰুৱে একেলগে নাচে আৰু কিছুমান নৃত্য-গীত যৌন-সংক্ৰান্ত বিষয়ক কেন্দ্ৰ কৰি হোৱা বিদ্ৰূপেৰে পূৰ্ণ নাচৰ ভংগীতো অশ্লীল সংকেত থাকে। এই নৃত্যবোৰ শস্যৰ উৰ্বৰতা বৃদ্ধিৰ লগত সম্বন্ধ থকা বুলি বিশ্বাস। অশ্লীল বিদ্ৰূপ আৰু অশ্লীল গীত-মাত বিয়াত আৰু বিয়ানাম (জোৰানাম, খিচাগীত)তো ব্যৱহাৰ হয়।"[৪]

সমাজৰ সকলো স্তৰৰ মানুহৰ মাজত অভিশাপ আৰু আশীৰ্বাদ— এই দুটা সম্পূৰ্ণ পৰস্পৰ বিৰোধী কথা প্ৰচলিত হৈ আহিছে। ভাষাৰ ক্ৰমবিকাশৰ লগত মানুহৰ মাজত প্ৰচলিত হৈ অহা এই দুটা বিষয় জড়িত হৈ আছে।

এই তাৎপৰ্য্যসমূহৰ উপৰি মানুহৰ মৌলিক প্ৰয়োজনসমূহ, যেনে— গৃহ বা বাসস্থান, সাজ-পাৰ, খোৱা-লোৱা আদিক কেন্দ্ৰ কৰিও শাও-শপনিৰ সৃষ্টি হৈছে। সামাজিক জীৱনত এই শাও-শপনিবোৰৰ বিশেষ তাৎপৰ্য্য আছে। মানুহৰ ঘৰৰ লগত সম্বন্ধ থকা শাও-শপনিত প্ৰয়োগ হোৱা বাক্যাংশ হৈছে— ভেটি উছন হোৱা, ভেটিত তিতা লাও গজা, মাটিতে ভেটিয়ে খন্দা, ঘৰতে বুঢ়ী হোৱা। ঘৰৰ এক অপৰিহাৰ্য অংগ হৈছে চোতাল। অসমৰ সকলো জনগোষ্ঠীয় লোকজীৱনৰ লগত চোতালৰ সম্বন্ধ আছে। চোতাল সৰা-মচা কৰিবলৈ ব্যৱহাৰ হোৱা বাঢ়নি আদিক লৈও শাও-শপনিৰ সৃষ্টি হৈছে। যেনে— বুটী বাঢ়নিৰে কোবোৱা, শোটাৰে সোপা দিয়া।

অংগ সঞ্চালন, অংগী-ভংগী আদি কৰি শাও-শপনি উচ্চাৰণ কৰিলে সি যাদু বা মন্ত্ৰৰ ক্ৰিয়া কৰে বুলি লোকবিশ্বাস। কেতিয়াবা থু পেলাই শাও দিয়া হয়। থু পেলোৱাটো বিৰক্তি, অপমান আৰু ঘৃণাৰ চিন। কেতিয়াবা আঙুলি টোৱাই শাও দিয়া হয়। ইয়াৰ উপৰি হাত দঙা, বাহু জোকৰা, মেখেলা ঢপলা পিটা আদি অংগ সঞ্চালন শাও-শপনিৰ ভিতৰুৱা কথা। হাত, বাহু আদি আস্ফালন কৰি দিয়া শাওৰ লগত যেন যাদুৰহে সম্পৰ্ক আছে।

আহুদি কৰি শাও-শপনি উচ্চাৰণ কৰিলে সেইবোৰে অধিক ক্ৰিয়া কৰে বুলিও কিছুমান মানুহৰ মাজত বিশ্বাস। কেতিয়াবা কেতিয়াবা শত্ৰুপক্ষলৈ হুল, জেং, শিলগুটি আদি দলিয়াই

---

৪. প্ৰাগুক্ত, পৃষ্ঠা নং- ১২২

দলিয়াই শাও-শপনি দিয়া হয়। অসমীয়া মানুহৰ মাজত আৰু এটা গালি বৰ প্ৰচলিত, সেইটো হৈছে— 'গুৱাল গালি' অৰ্থাৎ কোনো কোনো ক্ষেত্ৰত কাৰো নাম নধৰাকৈ খণ্ডতে বকি থকা গালি।

গালি, শাও-শপনিৰ উপৰ্য্যুক্ত তাৎপৰ্য্যসমূহৰ উপৰি এটা কথা মন কৰিবলগীয়া যে পাত্ৰ অনুসৰি প্ৰয়োগ হোৱা গালি-শপনিয়ে বিশেষ ধৰণে ক্ৰিয়া কৰে। এইক্ষেত্ৰত গুৰুজনে নাইবা বয়োজ্যেষ্ঠজনে অভিশাপ বা আশীৰ্বাদ দিলে অধিক ফলিয়াই বুলি সৰ্বসাধাৰণ লোকৰ বিশ্বাস। মৃত্যুৰ সময়ত উচ্চাৰণ কৰা শাও অতি ভয়াবহ।

উপভাষীয় ক্ষেত্ৰৰ অধ্যয়নত দেখা যায়— সহজ-সৰলভাৱে প্ৰকাশ কৰা গালি, শাও-শপনি জাতীয় শব্দসমূহে অঞ্চল বিশেষৰ কথা-বতৰাৰ গ্ৰাম্য ৰূপটো ৰক্ষা কৰি আহিছে। গালি আৰু শাও-শপনিত প্ৰয়োগ হোৱা শব্দসমূহত বিভিন্ন লোকৰ মনস্তত্ত্ব, কৰ্ম, পাৰিপাৰ্শ্বিক অবস্থা আৰু ধৰ্ম-ধাৰণাৰ পৰিচয় পোৱা যায়।

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা গালি-শপনি জাতীয় শব্দসমূহৰ উৎসক আমি তিনিটা ভাগত ভগাই ল'ব পাৰো। যেনে— আৰ্য্যমূলীয়, অনাৰ্য্যমূলীয় আৰু বিদেশী। তলত প্ৰতিটো ভাগৰে উদাহৰণ দাঙি ধৰা হ'ল—

আৰ্য্যমূলীয় :

অলাগী অভং, অগঢ়ী, অকাজী, অসজাত, গাধ, শাকিনী, চৰ, আঁকোৰগোজ, পাষণ্ড, নটিনী, অমূৰ্তক, বৃন্দামাৰ, পাতকী, মেলেচ, পাখৰী, পামৰী।

অনাৰ্য্যমূলীয় :

আকো-গোজ, আলা-বাদু, ভোঁদা, ভূত-কোৰা, তেজপীয়া, গোংগোৰা, চেংগা, গাহৰি, খং, কেতি, কেলা, টেলেকা, থালামুৰি, হাবাং, হাই, আমেৰা, ফাং, চদকাখোৱা, ঘেকেটো খোৱা, চেলেপু।

বিদেশী :

অহম্মক, বেকাৰ, বেকুপ, বেকুফ, বদজাত, বে-চৰম, বেইমান, বেহুদা, গোলাম, দগাবাজ, জালিম, জানোৱাৰ, জহুদ, জহন্নাম, না-লায়েক, ফক্কৰ, হাৰামী, হাৰামজাদা, হাৰামখোৰ, নিমখহাৰাম, নিচাখোৰ, হাৰামৰ নেগুৰ।

এই তিনিওটা উৎসৰ পৰা অহা গালি-শপনি জাতীয় শব্দসমূহক পুনৰ কেইটামান শ্ৰেণীত বিভক্ত কৰিব পাৰি। যেনে- অৰ্থগত উদ্দেশ্য অনুসৰি, ধৰ্মমূলক, নৈতিক আৰু সামাজিক চিন্তামূলক।

অৰ্থগত উদ্দেশ্য :

সাধাৰণতে মানুহে খঙৰ বশবৰ্তী হৈ কিছুমান শব্দ, বাক্য প্ৰয়োগ কৰে। লোকজীৱনত দূৰ অতীতৰ পৰাই লোকসকলৰ মুখে মুখে শব্দবাজি প্ৰচলিত হৈ আহিছে। লোকবিদ্যা,

লোকজীৱনৰ হৃদয়স্পন্দন। ই সামাজিক সম্পৰ্ক প্ৰতিষ্ঠা কৰাৰ উপৰি জনজীৱনৰ অভিব্যক্তি প্ৰকাশ কৰে। লোকবিদ্যাত বিশেষকৈ বাচিক লোকবিদ্যাত সমাজৰ বিভিন্নজনৰ মানসিক অভিব্যক্তিৰ সুপ্ৰকাশ ঘটে। সমাজ জীৱনৰ বিভিন্ন সংযুক্তিসমূহৰ সুখ-দুখ, আনন্দ-বেদনা, হাঁহি-কান্দোন, অভাৱ-অভিযোগ, অৰ্থনৈতিক দুৰৱস্থা, ৰাজনৈতিক অস্থিৰতা আদিয়ে লোকবিদ্যাৰ সংযোগতে বাংময় ৰূপ লাভ কৰে।

অৰ্থগত উদ্দেশ্যৰ ফালৰ পৰা মানুহৰ গালি-গালাজ দুই ধৰণৰ হ'ব পাৰে— প্ৰকৃত আৰু উপকৰা। অধিক খণ্ডত লোক-বিশেষৰ মাত-কথাত প্ৰকৃত গালি ব্যৱহাৰ হয়। সাধাৰণতে পতি-পত্নীৰ মাজত দ্বন্দ্ব খৰিয়াল, বাদ-বিবাদ, ওচৰ-চুবুৰীয়া মানুহৰ মাজৰ কাজিয়াত গালি বা শাও-শপনি দিয়াৰ ধৰণ লক্ষ্য কৰিবলগীয়া। আনহাতে গ্ৰাম্য অঞ্চলৰ লোকৰ মুখত কিছুমান গালি বা শাও-শপনি সততে ব্যৱহাৰ হয় যিবোৰ অন্তৰৰ গভীৰতাৰ পৰা কোৱা নহয় অৰ্থাৎ উপকৰাহে। উপকৰা গালি-গালাজত গ্ৰাম্য লোকসকলৰ কথা কোৱাৰ সাধাৰণ গতটোৱেই ধৰা পৰে, লগতে কিছু বিৰক্তি ভাব প্ৰকাশ কৰিবলৈ অংগী-ভংগী কিছুমান দেখুৱায়। শাও-শপনি দিয়াটো গ্ৰাম্য ৰাইজৰ যেন নিত্য-নৈমিত্তিক ঘটনা, বিশেষকৈ চদকা খোৱা, হতচিৰি হোৱা, জহনীত যোৱা (শিৱসাগৰৰ লোকভাষা) উপকৰা গালি-গালাজৰ শব্দবিলাকৰ ভিতৰত সাধাৰণতে বিদ্ৰূপাত্মক শব্দ, উপলুণ্ডা নাম দি মতা, অশ্লীল বাক্য প্ৰয়োগ, যৌন সম্বন্ধীয় বিষয়ৰ উল্লেখেই প্ৰধান। যেনে— মৰতী, ফেদুৱা, কেলা, গৰু, গাধ, কনৰী, কেতি, তেজখোৱা, টেলেকা।

প্ৰকৃত গালি বা শাও-শপনিত ক্ৰোধ, ঘৃণা বিৰক্তি আৰু অসন্তোষৰ ভাব প্ৰকাশ পায়। অভিশাপ আৰু আশীৰ্বাদ মানুহৰ ইচ্ছাবাহক শব্দাৱলী। কুশল কামনা কৰিলে আশীৰ্বাদ আৰু অকল্যাণ কামনা কৰিলে অভিশাপ দিয়া হয়। কিছুমান বস্তু, কাৰ্য্যত সদায়ে অভিশাপ থাকে; আন কিছুমান বস্তু অভিশাপৰ প্ৰতীক হিচাপে ধৰা হয়। গতিকে এনে বস্তু বা কাৰ্য্য প্ৰকৃত গালি-শপনিৰ বাহন হয়।

ধৰ্মমূলক ঃ সাধাৰণ ধৰ্মবিশ্বাস আৰু দেৱ-দেৱী সম্বন্ধীয় শাও-শপনি কিছুমান লোকজীৱনত প্ৰচলিত হৈ থকা দেখা যায়। যেনে— অধৰমীৰ পো, অশৰণীয়াৰ জাত, গো-বধী, ব্ৰহ্ম বধী, গুৰু-গোসাঁই নমনা, দেওমনিছ নমনা, ৰসাতললৈ যোৱা, যমে নিব নজনা, শিৰত শনি চৰা, শনিয়ে পোৱা। মুছলমান সম্প্ৰদায়ৰ লোকসকলে সাধাৰণতে প্ৰয়োগ কৰা ধৰ্মমূলক গালিসমূহ এনেধৰণৰ— আল্লাই বিচাৰ কৰিব, ৰছুলে চাফাইত নকৰিব।

নৈতিক চিন্তাযুক্ত ঃ

সাধাৰণতে নৈতিক স্খলনৰ ফলস্বৰূপেও কিছুমান অশ্লীল বাক্যাংশ আৰু প্ৰবাদবাক্য লোকজীৱনত প্ৰয়োগ হয়। যেনে— বাপেৰৰ মূৰ খোৱা, পৈয়েৰৰ মূৰখাতী, পাখৰী, কনৰী, ছেলেপু, বাঘেখাতী, পাষণ্ডী, বাৰভতেৰী, নাতেশৰী। নৈতিক স্খলনৰ ফলস্বৰূপে ব্যৱহাৰ

হোৱা গালিবোৰক নাৰী-পুৰুষভেদেও বিচাৰ কৰি চাব পাৰি। পুৰুষৰ ক্ষেত্ৰত পুৰুষক উদ্দেশ্য কৰি পৰা গালি-শপনিবোৰ এনেধৰণৰ— চুৰা খোৱা, তেজখোৱা, নেওচা খোৱা, তিৰোতা সেৰুৱা, মেখেলা পিন্ধা, মেখেলাতলীয়া। নাৰী বা মহিলাক উদ্দেশ্য কৰি যি গালি বা শাও-শপনি প্ৰয়োগ কৰা হয়, সেইবোৰ এনেধৰণৰ— এলাগী, কুলক্ষণী, নতিনী, পাখৰী, থুপৰী, কাঠবাজী, চৰখাতী, বহিয়া পৰতী, যখিনী, ঢেমনী, ডাইনী, ডাঁহী, বতাহী, বান্দৰী, গাধী। কিছুমান শাও-শপনি কেৱল তিৰোতাৰ উদ্দেশ্যেহে প্ৰয়োগ হয়। যেনে- জীয়াবাৰী হোৱা, ফুলতে বাৰী হোৱা।

সামাজিক চিন্তামূলক ঃ

কিছুমান গালি-গালাজত সমাজৰ উচ্চ-নীচ জাতিভেদৰ আভাস পাব পাৰি, যেনে— অজাতৰীয়া, অজাতিত খোৱা, জাত যোৱা, গৰিয়াৰ গৰু, মটকৰ সঁচ, গৰিয়াত খোৱা।

কিছুমান ব্যৱসায়ক সমাজত হীন বুলি গণ্য কৰা হয় আৰু সেই ব্যৱসায়ধৰ্মী শব্দবিলাক জড়িত কৰি গালি দিয়া হয়। যেনে— গোলামৰ সঁচ, গৰু খুন্দা মহাজন, আদাৰ বেপাৰীক জাহাজৰ খবৰ, নাতেশৰি, আদাক দেখি উঠিল গা কেতুৰীয়ে বোলে মোকো খা।

সমাজত প্ৰচলিত দুৰাৰোগ্য ৰোগ আৰু মৃত্যুৰ কামনা কৰিও শাও-শপনি দিয়া হয়। যেনে— হাইজাত যোৱা, জহনীত যোৱা, তেজ বতিয়াই মৰা, মুখত পোক লগা, ভেটিত তিতা লাও গজা, অচিন বেমাৰে লগ লোৱা, মৰচিৰি টনা, বৰ ৰোগে ধৰা।

নিকৃষ্ট বুজাবলৈ মানুহক জন্তুৰ লগত তুলনা কৰি দিয়া গালি-গালাজো সমাজত প্ৰচলিত। যেনে— কুকুৰৰ পোৱালি, কুকুৰৰ জাত, গৰু, গাধ, খাইগাহৰি, চোঁৰৰৰ জাত, চোঁৰৰৰ বাচ্চা, শগুনে খোৱা।

দৰিদ্ৰতাক সকলো সমাজতেই পৰম দুৰ্ভাগ্য বুলি ধৰা হয়। গতিকে দাৰিদ্ৰ্যক কেন্দ্ৰ কৰিও অনেক শাওৰ সৃষ্টি হৈছে। যেনে— চুৰাপাত চেলেকা, পদুলি শুঙা, ভিকহুৰ জাত, ভিকহুৰ পোৱালি, টোকোনাৰ জাত, তেজখোৱা, হাড়ে-ছালে লগা।

কিছুমান গালিত দৈহিক বিকৃতিবো উল্লেখ থাকে। সেইবোৰ বিশেষকৈ জীৱ-জন্তুৰ লগত তুলনা কৰি লোকজীৱনত ব্যৱহৃত হয়। যেনে— ফেঁচামুৱা, ফেঁচা নকা, ছাগলীমুৱা, বান্দৰমুৱা, গজমুৰা, বুঢ়া শগুন, জপৰা ভালুক ইত্যাদি।

আচলতে মানুহে অন্তৰত এখন লোকায়ত পৃথিৱী লৈ ফুৰে। চহা খেতিয়কেই হওক, শিক্ষিত বা অশিক্ষিতই হওক, সকলোৱে। লোককলাৰ দৰে লোকভাষাও চহা লোকসকলেই জীয়াই ৰাখিছে, ই ধ্ৰুৰুপ। ❑

দশমৰ 'গোপী-উদ্ধৱ-সংবাদ' ঃ এটি অনুভৱ

শ্ৰীমন্ত শঙ্কৰদেৱ এনে এগৰাকী বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি যাৰ সৃজনী প্ৰতিভাৰ পৰশত অসমীয়া ভাষা আৰু সাহিত্যৰ কমনীয়তা আৰু প্ৰকাশিকা শক্তিৰ শ্ৰীবৃদ্ধি সাধন হৈছে। শঙ্কৰদেৱৰ বিশাল সাহিত্যৰ ৰূপ ভিন্নতা আৰু বিষয়বস্তুৰ বৈচিত্ৰ্যই ৰসাস্বাদী পাঠকৰ চিত্ত স্পৰ্শ কৰি যায়।

মহাপুৰুষ শঙ্কৰদেৱৰ আধ্যাত্মিক জীৱনৰ শ্ৰেষ্ঠ দান 'দশম স্কন্ধ' অসমৰ বৈষ্ণৱ ধৰ্মৰ চাৰি পুথিৰ ভিতৰত অন্যতম। শঙ্কৰদেৱ অনূদিত দশম স্কন্ধ অকল আধ্যাত্মিক ভাবৰ পুথিয়ে নহয়, সাহিত্যৰ ফালৰ পৰাও অনুপম। এই অনূদিত পুথিখনৰ প্ৰত্যেকটো খণ্ডই স্বকীয় বৈশিষ্ট্যৰে সমুজ্জ্বল বাবে সুকীয়া কাব্যৰূপেও সজাব পাৰি। শঙ্ককৰদেৱৰ সাহিত্যিক জীৱনৰ পৰিণত বয়সৰ ৰচনা 'আদি দশম'ৰ অন্তৰ্গত প্ৰত্যেকটো খণ্ডতে শ্ৰীকৃষ্ণৰ জীৱনৰ ৰূপৰেখা প্ৰতিভাত হোৱাৰ লগে লগে বৈষ্ণৱ ধৰ্মৰ মূলতত্ত্বও অধিক ৰসালকৈ বৰ্ণিত হৈছে। পূৰ্বাৰ্ধ আৰু উত্তৰাৰ্ধ— এই দুই খণ্ডত বিভক্ত দশম স্কন্ধত শ্ৰীকৃষ্ণৰ লীলা-মাধুৰিমা ৰূপায়িত হৈছে। কোনো কোনোৱে শ্ৰীকৃষ্ণৰ লীলামালাক গোকুল লীলা, মথুৰা লীলা আৰু দ্বাৰকা লীলাৰ অন্তৰ্ভুক্ত কৰা দেখা যায়। শঙ্কৰদেৱৰ আদ্য দশমত শ্ৰীকৃষ্ণৰ গোকুল লীলাৰ প্ৰাধান্য মন কৰিবলগীয়া।

দশম স্কন্ধৰ অন্তৰ্গত অন্যান্য অধ্যায়ৰ দৰে 'গোপী-উদ্ধৱ সংবাদ' এক মনোৰম অধ্যায়। প্ৰকৃততেই 'গোপী-উদ্ধৱ সংবাদ' শ্ৰীকৃষ্ণৰ একান্ত ভক্ত গোপ-গোপীসকলৰ কৃষ্ণ বিৰহত বিগলিত মন-প্ৰাণৰ কাতৰ অৱস্থাৰ এক সকৰুণ চিত্ৰ। কৃষ্ণৰ প্ৰতি গোপীসকলৰ আত্মীয়তা গভীৰভাৱেই ইয়াত প্ৰকাশ পাইছে। গোপীসকলে শ্ৰীকৃষ্ণক স্তুতি কৰি কৈছে—

হে কৃষ্ণ লক্ষ্মীনাথ ব্ৰজৰ বান্ধৱ।
ভকতৰ ভয়হাৰী তুমিসি মাধৱ।।
ঘোৰ-শোক সাগৰে মজিলো ব্ৰজবাসী।
প্ৰাণনাথ গোবিন্দ উদ্ধাৰ কৰা আসি।। ২৪২৯

শ্রীকৃষ্ণক অক্রূৰে গোকুলৰ পৰা মথুৰালৈ কংস নিধনৰ বাবে লৈ গৈছিল। কৃষ্ণই অক্রূৰৰ সৈতে মথুৰালৈ যাত্রা কৰাত গোপ-গোপীসকল দুখত কাতৰ হৈ পৰিল। কৃষ্ণ অবিহনে বৃন্দাবন দিনতে আন্ধাৰ যেন হ'ল। বৃন্দাবনত কৃষ্ণৰ পদতলৰ ধ্বজ, বজ্র, অংকুশ দেখি গোপ-গোপীসকলৰ চিত্ত অত্যন্ত বিমর্ষিত হৈ পৰিল—

খোজসব পৰি আছে কৃষ্ণৰ ভৰিৰ।
তাক দেখি দশগুণে দগধ শৰীৰ।।
ধ্বজ বজ্র পংকজ অংকুশে অলংকৃত।
ধ্বংশ নযায় আউৰ তাক দেখি চিত্ত।। ২৪২৫

যমুনাৰ সুকোমল বালিয়ে, প্রকৃতিৰ মনোমোহা দৃশ্যৰাজিয়ে তেওঁলোকৰ প্রাণসম কৃষ্ণৰ স্মৃতিকেই সোঁৱৰাই দিলে। ৰাতিপুৱা আনদিনাৰ দৰে দধি মথোঁতে কৃষ্ণ চৰিত্রকেই সুঁৱৰি গোপীসকলৰ চকুলো বৈ আহিল আৰু দধি মথিবলৈ এৰি কৃষ্ণৰ কথা ভাবি ভাবি স্তম্ভিত হৈ পৰিল। গোপীসকলৰ এনে হৃদয় বিদাৰক অৱস্থাৰ কথা জানি মথুৰাত থকা কৃষ্ণও বিষন্ন বদন হৈ পৰিল আৰু কেনেকৈ গোপীসকলক শান্ত কৰিব পাৰি তাকে ভাবি উদ্ধৱক গোকুললৈ যাবলৈ নির্দেশ দিলে। উদ্ধৱেও কৃষ্ণ-বাক্য সাৰোগত কৰি গোকুল অভিমুখে যাত্রা কৰিলে।

দশোদিশ সূৰ্য্যৰ কিৰণে আলোকিত কৰাৰ সময়ত নন্দৰ দ্বাৰত স্বর্ণৰথ এখন বৈ থকা দেখি গোপ-গোপীসকল সেইফালে আগবাঢ়িল। কৃষ্ণৰ সাৰূপ্য উদ্ধৱক দেখি উৎসুক গোপীসকলে আথে-বেথে সেৱা-শুশ্রূষা কৰি কৃষ্ণৰ বাতৰি সুধিবলৈ ব্যগ্র হৈ পৰিল। কৃষ্ণৰ প্রতি গোপীসকলৰ আকুলতা শংকৰদেৱে হৃদয়স্পর্শীকৈ বর্ণনা কৰিছে।

ৰাত্রি দিনে গোপীসবো নৈৰে সন্নিহিত।
আনন্দে উদ্ধৱে কন্ত কৃষ্ণৰ চৰিত।। ২৪৩৮
যত দিন হৰিদাস আছিলা ব্রজত।
ক্ষণ প্রায় গৈল গোপীসবৰ মনত।।

মন কৰিবলগীয়া যে কৃষ্ণৰ প্রতি গোপীসকলৰ প্রেমত অভিমানো আছে। সেয়েহে কেতিয়াবা গোপীসকলে কৃষ্ণৰ প্রতি শঠ, অবিশ্বাস্য আদি নিন্দাসূচক বাক্যও প্রকাশ কৰিছে উদ্ধৱৰ আগত। কৃষ্ণই গোকুল এৰি মধুপুৰলৈ যাত্রা কৰাত গোপীসকল কৃষ্ণৰ বিৰহত ইমানেই আচ্ছন্ন হৈ আছিল যে তেওঁলোকে হিতাহিত জ্ঞান হেৰুৱাই ভোমোৰাক কৃষ্ণৰ দূত বুলি ভাবি তেওঁলোকৰ প্রাণসম কৃষ্ণৰ বাতৰি সুধিছে। তেওঁলোকে আক্ষেপ কৰি ভোমোৰাক সুধিছে— যিজন কৃষ্ণ ভকতীয়াসকলৰ প্রতি ইমান নির্দয়, সেই কৃষ্ণক লক্ষ্মীয়েনো কেনেকৈ সেৱা কৰে? গোপীসকলে নিজেই

আকৌ কৈছে যে কৃষ্ণৰ মায়াই তেওঁলোকক ইমানেই মুগ্ধ কৰি ৰাখিছিল যে গোপীসকল কৃষ্ণৰ প্ৰেমতেই নিমজ্জিত থাকিল। তেতিয়া কৃষ্ণৰ আগত কৃষ্ণৰ নিষ্ঠুৰতা, কপটতাৰ কথা প্ৰকাশ্য কৰিব নোৱাৰিলে। সম্বন্ধীয় পদকেইফাঁকি শঙ্কৰদেৱে শ্ৰীধৰ স্বামীৰ অনুকৰণত ৰচনা কৰিলেও তাতেই শংকৰদেৱৰ সৃজনী প্ৰতিভা লক্ষ্য কৰা যায়। উদাহৰণস্বৰূপে—

প্ৰিয় কৃষ্ণ পঠাইলন্ত তাকে দূত মানি।
ভ্ৰমৰক লগাই উদ্ধৱক বোলে বাণী।। ২৩৪৯
হেনবা বুলিলা কিয় বোলা হেন বাণী।
কৰিলন্ত কৃষ্ণে তোমাসাৰ কিবা হানি।।
কৃষ্ণৰ দুশ্চেষ্টা বন্ধু মধুকৰ শুনা।
কৃষ্ণৰ সমান নাই পুৰুষ নিৰ্গুণ।। ২৩৫৩

প্ৰকৃততে গোপীসকলৰ অভিমানসুলভ খং-ৰাগত তেওঁলোকৰ শ্ৰীকৃষ্ণৰ প্ৰতি থকা গভীৰ প্ৰেমৰ পৰকাষ্ঠাহে প্ৰকাশ পাইছে। মূল ভাগৱতত গোপী-উদ্ধৱ সংবাদক ভ্ৰমৰ গীত বুলিও জনা যায়। ভ্ৰমৰ গীতৰ মাজেদি গোপীসকলৰ প্ৰেমৰ ব্যাকুলতা আৰু অন্তৰৰ একান্ত ভক্তি পৰিস্ফুট হৈছে। ভোমোৰাৰ প্ৰসংগৰ জৰিয়তে প্ৰকাৰান্তৰে গীতাৰ একাত্মবোধৰ সুৰ ফুটি উঠিছে। ইয়াৰ অৰ্থ এজনৰ ওচৰত অব্যভিচাৰীভাৱে নিজৰ ভক্তি অৰ্পণ কৰা। প্ৰকৃততে গোপীসকলে পূৰ্ণ ব্ৰহ্মস্বৰূপ শ্ৰীকৃষ্ণতেই তেওঁলোকৰ সহৃদয় ভক্তি অৰ্পণ কৰিছে।

'দশম' মহাপুৰুষ শঙ্কৰদেৱৰ সৰ্বাধিক জনপ্ৰিয় গ্ৰন্থ। অসমৰ সামাজিক আৰু ধৰ্মীয় জীৱনত সম্পূৰ্ণ ভাগৱতকৈ শঙ্কৰদেৱৰ দশম স্কন্ধৰ প্ৰভাৱহে বেছি। ভক্তিতত্ত্বৰ অফুৰন্ত প্ৰকাশ আৰু ভগৱান শ্ৰীকৃষ্ণৰ কৈশোৰ তথা যৌৱনৰ প্ৰাণময় লীলাৰ কলাত্মক ৰূপায়ণেই ইয়াৰ জনপ্ৰিয়তাৰ কাৰণ নহয়; চিত্ৰধৰ্মী বৰ্ণনা, বিভিন্ন শব্দালংকাৰ, অৰ্থালংকাৰৰ প্ৰাচুৰ্য্যই, বিভিন্ন ৰসৰ বৰ্ণনাই আৰু তাৰ আবৃত্তি আৰু গায়নে সৰ্বসাধাৰণক ৰসাপ্লুত কৰি তুলিছে। বিপ্ৰলম্ভ শৃংগাৰৰ যি চাৰিটা ভাগ— মান, প্ৰৱাস, খেদ আৰু কৰুণ— সেয়া 'গোপী-উদ্ধৱ সংবাদ'ত সুন্দৰকৈ প্ৰকাশ পাইছে। উল্লিখিত পদকেইফাঁকিয়ে তাৰ স্পষ্ট নিদৰ্শন।

মান ঃ আমি বনচাৰী আনো ৰাজ ভাৰ্যাগণ।
লক্ষ্মীৰ স্বামীত তাত কোন প্ৰয়োজন।।
কৃষ্ণৰ পাইবাৰ আশা নঘটে আমাত।
তথাপি আকুল মন কি কৰিবো তাত।।

প্ৰবাস ঃ ভৈল আতি প্ৰীতি পাইল গাৱত চেতন।
দুনাই উদ্ধৱত কথা সোধে গোপীগণ।।
গোবিন্দৰ বাৰ্ত্তা কহ বান্ধৱ উদ্ধৱ।
মথুৰাত কুশলে কি আছন্ত মাধৱ।।
খেদ ঃ কৃষ্ণক সুমৰি পাৱৈ খোজতে লোটাৰি
হা কৃষ্ণ কৈক গৈলা আমাসাক মাৰি
শোকতে আন্ধাৰ দেখো ফুটে যেন বুক।
কোনমতে পাসৰিবো মাধৱ বন্ধুক।।/২৪২৬/
কৰুণ ঃ পুৰি আছো আমি আতি বিৰহৰ জুই।
আমাক জীয়াইবা দুনাই কৃষ্ণে কৰে চুই।।
জুৰাইবন্ত প্ৰাণ পুনু মধুৰ বচনে।
ইন্দ্ৰে যেন জীয়ান্ত বনক বৰিষণে।।
* * * *
এহিমতে মাধৱক স্মৰি প্ৰেমভাৱে।
কান্দে গোপীগণ নিৰন্তৰে আৰ্ত্তৰাৱে।।
দেখিয়া উদ্ধৱ ভৈলা সজল নয়ন।
বুলিলা সবাকো মাতি প্ৰবোধ বচন।।

বিশেষকৈ কৃষ্ণক কাষত পাওঁতে গোপীসকলৰ যি মান-অভিমান আৰু কৃষ্ণক হেৰুৱাই যি দুখ দুয়োটাই মৰ্মস্পৰ্শী। প্ৰকৃতপক্ষে মহাপুৰুষ শঙ্কৰদেৱৰ 'আদি দশম' এখনি অনূদিত গ্ৰন্থ হ'লেও ইয়াত থকা লৌকিক আৰু সাহিত্যিক সৌন্দৰ্য্যই ইয়াক এখন মৌলিক গ্ৰন্থৰূপে স্বীকৃতি দিব পাৰে। ❑

শঙ্কৰদেৱৰ সংগীত

সংগীত, সাহিত্য, দৰ্শনৰ দেশ অসমৰ সাংস্কৃতিক ইতিহাস সুপ্ৰাচীন আৰু সমৃদ্ধিশালী। অসমৰ সংগীতৰো এক পৰম্পৰা আছে আৰু গীত-পদ আদিৰে সমৃদ্ধ জাতীয় সাহিত্যৰ এইভাগত অকল ব্যক্তিবিশেষৰ কল্পনাৰ স্ফুৰণ নাই; এই সাহিত্য সমাজৰ সৰ্বজনৰ আনন্দ বিনোদনৰ কলাক্ষেত্ৰ। পুৰণি অসমীয়া সাহিত্য গীত-পদ-নাট পূৰ্ববৎ চহকী। তথাপি মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱ বিৰচিত গীতবোৰে সমসাময়িক সাহিত্য আৰু সমাজত এক যুগান্তৰ আনিছিল। শঙ্কৰদেৱৰ বিশাল সাহিত্য প্ৰতিভাৰ অনুপম স্বাক্ষৰ শঙ্কৰদেৱৰ সংগীত। শঙ্কৰদেৱৰ সংগীতৰ মাধুৰ্য্য, গভীৰতা আৰু ভক্তিৰ গাঢ়তাই অসমীয়া সমাজ আৰু সাহিত্যলৈ এক অপূৰ্ব পৰিৱৰ্তন আনিছিল।

শঙ্কৰদেৱৰ সংগীত বুলিলে প্ৰধানকৈ বৰগীত, ভটিমা আৰু অংকৰ গীতসমূহকে বুজা যায়। ভাৰতৰ আন ঠাইৰ বৈষ্ণৱ আন্দোলনৰ দৰে অসমৰ নৱবৈষ্ণৱ আন্দোলনেও গীতি-সাহিত্যৰ সৃষ্টি কৰিছে। এইক্ষেত্ৰত শঙ্কৰদেৱ-মাধৱদেৱৰ গীতসমূহে অসমৰ বৈষ্ণৱ আন্দোলন নৱ প্ৰচাৰিত ভক্তিৰসেৰে আপ্লুত কৰি অসমীয়া সাহিত্যত আধ্যাত্মিকতাৰ ভাব সঞ্চাৰ কৰে।

লৌকিক গীত কিছুমান পূৰ্বৰে পৰা মানুহৰ মুখে মুখে প্ৰচলিত হৈ আহিছে আৰু কিছুমান গীত পুৰণি পুথিত লিপিবদ্ধ হৈছে। অসমীয়া ওজাপালি অনুষ্ঠান শঙ্কৰদেৱৰ পূৰ্বৰ এক জনপ্ৰিয় অনুষ্ঠান আৰু সেই অনুষ্ঠানৰ যোগেদি বিবিধ বিষয়ক গীত-মাতৰ প্ৰচলন আছিল। বেউলা-লখীন্দৰৰ গীতবোৰৰ পুৰণি দিনত সমাদৰ আছিল। গীতৰ আকাৰত পুথি লিখাটো তেতিয়াৰ দিনৰ প্ৰচলিত ৰীতি আছিল। শঙ্কৰদেৱৰ সমসাময়িক পীতাম্বৰদ্বিজেও গীতৰ আকাৰত কাব্য ৰচনা কৰিছিল বুলি অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে কয়। এই গীত-পদসমূহৰ বিষয়বস্তু ৰামায়ণ আৰু পুৰাণক আশ্ৰয় কৰি ৰচিত হৈছিল আৰু লৌকিক ভাব-অনুভূতিৰ ব্যতিৰেকে তাত ধৰ্ম আৰু ভক্তিৰ উচ্ছ্বাস নাছিল। এই গীতসমূহ মূলতঃ লোক-মনোৰঞ্জনৰ নিমিত্তে ৰচিত হৈছিল। সাধাৰণতে এই গীত-পদসমূহ আছিল প্ৰেম ৰসাত্মক আৰু সাধাৰণ নায়ক-নায়িকাৰ সুখ-দুখৰ অনুভূতি ব্যাপক। উদাহৰণস্বৰূপে পীতাম্বৰ কবিৰ ভাগৱতৰ দশম স্কন্ধৰ পদফাঁকি আৰু 'উষা

পৰিশয়' কাব্যৰ কিছু আভাস দাঙি ধৰিব পাৰি—

বিলাপ কৰি কান্দে মাই ৰুকমিণী।
কোন অঙ্গে খুন দেখি নাইলা যদুমণি।।
বিষাদে বিমনা উষা হে, সময় মধুমাসে।
হেন সময় ফুলবনে স্বামী নাহি পাশে।।

পুৰণি সাহিত্যত গীত-পদৰ প্ৰাচুৰ্য্য থাকিলেও খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষ দশকৰ আৰম্ভণিত শঙ্কৰদেৱ-মাধৱদেৱ সৃষ্ট গীতসমূহৰ ভাব-ভাষা, বিষয়বস্তু, প্ৰকাশভংগী, সংগীতৰ ৰাগ-তাল আদি বেলেগ ধৰণৰ। এই গীতসমূহ উচ্চ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণে অন্যান্য সাধাৰণ গীতৰ বিপৰীতে এই গীতসমূহক 'বৰগীত' বোলা হৈছে। সাহিত্য আৰু ধৰ্ম জগতত বৰগীতে এফালে নান্দনিক, আনফালে আধ্যাত্মিকতাৰ ওখ আদৰ্শ লৈ জনগণৰ মন আকৰ্ষণ কৰি নতুন যুগৰ সূচনা কৰিছিল। 'সৰ্বগুণাকৰ' শঙ্কৰদেৱে গীতসমূহত ৰাগ সংগীতৰ সংযোগ কৰি নিজস্বভাৱে উদ্ভাৱন কৰা তাল সমন্বিতে এক বিশেষ ধাৰাৰ সংগীতৰ সৃষ্টি কৰি যায়।

'বৰগীত' নামকৰণ মহাপুৰুষ জনাই কৰা নাই; পৰৱৰ্তী বৈষ্ণৱ ভক্তইহে মহাপুৰুষ দুজনে ৰচনা কৰা মহত্বপূৰ্ণ গীতসমূহক বৰগীত আখ্যা দিয়ে। প্ৰকৃতাৰ্থত বিষয়বস্তুৰ মহত্ত্ব, প্ৰকাশভংগীৰ সৌন্দৰ্য্য, কল্পনাৰ সংযম আৰু সুৰৰ গাম্ভীৰ্য্যই শঙ্কৰদেৱ-মাধৱদেৱৰ দ্বাৰা ৰচিত বৰ গীতসমূহক সমসাময়িক আন আন গীতৰ পৰা পৃথক কৰিছে আৰু সেইকাৰণে 'বৰগীত' বোলা হৈছে। বৰগীত আলোচনা প্ৰসংগত ড° বাণীকান্ত কাকতিয়ে মন্তব্য কৰিছে এইবুলি— "ইংৰাজ কবি হেৰিকেও (Herrick) কেতবোৰ আধ্যাত্মিক ভাবৰ কবিতা ৰচনা কৰি সেইবোৰৰ নাম দিছিল 'Noble Numbers'; আমাৰ সাহিত্যতো বৰগীতবোৰ 'Noble Numbers'". (পুৰণি অসমীয়া সাহিত্য)

চৰিত পুথিৰ উল্লেখ মতে মহাপুৰুষ শঙ্কৰদেৱে প্ৰথমবাৰ তীৰ্থভ্ৰমণ কৰি ফুৰোঁতে যেতিয়া বদৰিকাশ্ৰমত উপস্থিত হয়, তেতিয়া তেওঁ 'মন মেৰি ৰাম চৰণহি লাগু' বৰগীতটো ৰচনা কৰে। পৰৱৰ্তী সময়ত বিভিন্ন ঠাইত বিভিন্ন উপলক্ষে মহাপুৰুষজনাই বৰগীত ৰচনা কৰিছিল। বহু সমাদৃত গুৰু-চৰিতত উল্লেখ আছে যে গুৰুজনে আদিতে বাৰকুৰি সংখ্যক বৰগীত ৰচনা কৰিছিল। বৰপেটাৰ কমলা গায়ন নামে এজনে আওৰাবলৈ নিছিল। চ'তমহীয়া বনপোৰা জুয়ে ঘৰ পোৰাত সেইবোৰ নষ্ট হয়। মনৰ বেজাৰত মহাপুৰুষে আৰু গীত ৰচনা নকৰি প্ৰিয় শিষ্য মাধৱদেৱক নতুনকৈ গীত ৰচনা কৰিবলৈ উৎসাহ দিয়ে। কথা-গুৰুচৰিতৰ মতে— "গুৰুজনে খেদকৈবোলে, 'বৰাপো, অনেক শ্ৰমকৈ গীত খানি কৈলো, পুইলে। গীত কিছু কৰা। আমি নকৰোঁ আৰু।" তেহে মাধৱদেৱে গুৰু বাক্য ধৰি কৰিছে। "আতে সবৰ মুখত বোৰা আগে

গুড়ি, বিহা-গাবি ক্রমে দি মাজত ছোট আতাই গীত কৈলে ন-কুৰি এগাৰ বৰগীত ছয় ৰসে চোৰ চাতুৰী।”

নাট-পদ আদিৰ দৰে বৰগীতসমূহতো শ্ৰীকৃষ্ণৰ বিশাল পুৰুষত্ব পৰিস্ফুট হৈ উঠিছে। এফালে শ্ৰীকৃষ্ণৰ পৰম পুৰুষত্ব, আনফালে সাধাৰণ মানবীয় লীলা প্ৰকাশ— এই দুই তৰপৰ ব্যক্তিত্বৰ বিকাশ দেখা যায়। শঙ্কৰদেৱৰ যিখিনি বৰগীত এতিয়াও আছে, সেই বৰগীতসমূহ প্ৰাৰ্থনাসূচক। মানৱ জীৱন দুষ্প্ৰাপ্য অথচ ক্ষণস্থায়ী আৰু মায়াময়। এই দুৰ্লভ আৰু ক্ষণস্থায়ী জীৱন সাৰ্থক কৰিবৰ একমাত্ৰ উপায় হৰিভক্তি। হৰিক আশ্ৰয় কৰিয়েই এই মোহাচ্ছন্ন জীৱন-সমুদ্ৰ পাৰ হ'ব পাৰি— এয়ে শঙ্কৰদেৱৰ বৰগীতসমূহৰ প্ৰধান বক্তব্য তথা তাৎপৰ্য্য। মাধৱদেৱৰ বৰগীতসমূহত এই ভাব থাকিলেও তেওঁৰ বেছিভাগ গীততেই শিশুকৃষ্ণৰ বাল্যজীৱনৰ বিচিত্ৰ চিত্ৰহে ফুটি ওলাইছে। বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব। গীত-পদ-নাট সকলোবোৰতেই মাধৱদেৱে শ্ৰীকৃষ্ণৰ শিশু চৰিত্ৰ সজীৱ কৰি তুলিছে। শঙ্কৰদেৱৰ বৰগীতত খেদোক্তি, অনুশোচনা আৰু ভগৱানৰ চৰণত আত্মসমৰ্পণৰ ভাব দেখা যায়। শঙ্কৰদেৱৰ এই ভাবসমৃদ্ধ বৰগীতৰ এটি চানেকি দাঙি ধৰা হ'ল—

গীত ঃ ৰাগ-ধনশ্ৰী (তাল-পৰি)

ধ্ৰুং - শাৰঙ্গপাণি পাহি, পামৰ মতি হামি
নিৰয় নিবাৰ আৰবি নাহি হেৰহো, বিনে তযু চৰণস্বামী।।

পদ।।

জৰা মৰণ মেৰি নিকটহি আয়া
কায়া পৰত কেতি বেৰি।
কৰতহু পাপ সমাপল আয়ি
ভাবি চৰণনা তেৰি।।
দেখহু ক্ষীণ দিনে দিনে দেহা
আধি ব্যাধি বিঘাত।
অন্তকালে গতি মেৰি কমলাপতি
শঙ্কৰ কৰু প্ৰণিপাত।।

বৈষ্ণৱসকলৰ মতে, বৰগীতসমূহত ছটা বিষয় সন্নিবিষ্ট আছে। সেইকেইটা হৈছে— পৰমপুৰুষ শ্ৰীকৃষ্ণৰ অৱতাৰী লীলা, যশোদা আৰু গোপ-গোপীৰ কৃষ্ণ-বিদায়ত বিৰহ-বেদনা, পৰামৰ্শ, সংসাৰৰ প্ৰতি বিৰক্তি, কৃষ্ণৰ চৌৰ্য্যক্ৰিয়া আৰু কৃষ্ণৰ চাতুৰী। অৱতাৰী লীলা বিষয়ক গীতত জাগৰণ, চলন, খেলন আৰু নানাধৰণৰ অৱতাৰী কাৰ্য্য বৰ্ণনা কৰা হয়। মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীতসমূহত পাৰমাৰ্থিক তত্ত্ব, বিশেষকৈ সংসাৰৰ

প্ৰতি বিৰাগ ভাব প্ৰকাশ পাইছে। কেইটামান বৰগীতত পৰমপুৰুষৰ অৱতাৰী লীলাৰ বৰ্ণনা আৰু কেইটামানত বিৰহ বিষয়ক করুণ বৰ্ণনাত্মক গীতো আছে।

মন কৰিবলগীয়া যে মহাপুৰুষ দুজনাৰ বৰগীতসমূহৰ কিছুমান সুনিৰ্দিষ্ট লক্ষণ আছে। সেই লক্ষণবোৰৰ ভিতৰত প্ৰথম হ'ল— ইয়াৰ ভাষা। অংকীয়া নাটৰ দৰে বৰগীতৰ ভাষা ব্ৰজাবলী। মৈথিলী কবি বিদ্যাপতিৰ উপৰি বংগদেশ, উৰিষ্যাৰ বৈষ্ণৱ কবিসকলেও কৃষ্ণলীলা বিষয়ক গীতসমূহ এই ব্ৰজাবলী ভাষাতে ৰচনা কৰিছিল। মৈথিলী ভাষাই ব্ৰজাবলীৰ ভেটি। তাৰ ওপৰতে অসমীয়া বৈয়াকৰণিক আৰু আভিধানিক ৰূপৰ লগত পশ্চিমা হিন্দীৰ কিছুমান ৰূপ লগ লগাই অসমীয়া ব্ৰজাবলী ভাষাৰ ঘৰটো সজা হৈছে।

বৰগীতৰ অন্য এক লক্ষণ হৈছে বিষয়বস্তুৰ সংযম বা সংৰক্ষণশীলতা। পীতাম্বৰ কবিৰ গীত, দুৰ্গাবৰ, সুকবি নাৰায়ণদেৱৰ গীত বা বৈষ্ণৱ সাহিত্যৰ অন্য ঐহিক ভাব বা চঞ্চল ভাব প্ৰাধান্যৰ পৰা বৰগীতসমূহ মুক্ত। হৰমোহন, কেলিগোপালৰ কাহিনী বৰগীতত নাই। বৰগীতত আছে আধ্যাত্মিক চিন্তা আৰু ঐকান্তিক ভক্তিৰ সুৰ। শ্ৰীকৃষ্ণৰ বিশ্ববিমোহন বাল্যৰূপ, ক্ৰীড়া-কৌতুক, আমোদপ্ৰিয় বৰ্ণনাৰ আঁৰতো সঞ্চাৰিণী দীপশিখাৰ দৰে ভাস্বৰ হৈ আছে এক আধ্যাত্মিক জগত।

বৰগীতৰ তৃতীয় লক্ষণ সুৰৰ। বিষয়বস্তু, উদ্দেশ্য আৰু উপলক্ষ্য অনুসৰি এই গীতসমূহত শঙ্কৰদেৱ-মাধৱদেৱে ৰাগৰ সংযোজনা কৰিছে। বৰগীতক পুৰণি সংগীত শাস্ত্ৰৰে এক বিশিষ্ট অংগ বুলি ক'ব পাৰি। বৰগীতৰ গায়ন-বায়ন পদ্ধতিৰ এক নিজস্ব বৈশিষ্ট্য আছে। অৱশ্যে বৰগীতৰ গায়ন-বায়ন পদ্ধতি নাটৰ লগত একে হ'লেও নাটৰ গীতক বৰগীত বোলা হোৱা নাই। বৰগীত পুথিত গুৰুজনাৰ 'ষড়ছন্দ গীত'ত ৰাগ আৰু তালৰ উল্লেখ আছে। সেই ৰাগ আৰু তালসমূহ হৈছে ঃ ৰাগ ঃ ভূপালি (তাল-পৰি) ৰাগ ঃ ধনশ্ৰী (তাল- একতালী) বা (তাল- পৰি) ৰাগ ঃ ওহিৰ (তাল - মান জ্যোতি) ৰাগ ঃ আসোৱাৰী (তাল - পৰি) ইত্যাদি। শঙ্কৰদেৱৰ সৃজনী প্ৰতিভা আছিল বহুমুখী। শঙ্কৰদেৱে নাট, সংগীতৰ লগত সংগত কৰা বাদ্যসমূহ, যেনে— খোল, তাল, নাগাৰা, বৰকাঁহ, দবা, কালি আদিৰ অপূৰ্ব সন্নিবেশ ঘটাই পৰিৱেশন কৰিছিল।

শঙ্কৰদেৱে বৰদোৱা, গাংমৌ, ধুৱাহাটা আদিত বৰগীতৰ চৰ্চা কৰিলেও পৰৱৰ্তী কালছোৱাত পাটবাউসীতেই বিশেষভাৱে চৰ্চা কৰিছিল। শঙ্কৰদেৱে উজনি এৰি অহাৰ পাছত মাধৱদেৱে পুনৰ তাত ধৰ্ম প্ৰচাৰৰ ব্যৱস্থা কৰি বৰগীতৰ চৰ্চা আৰম্ভ কৰে। এটা জাতীয় আন্দোলন আগবঢ়াই লৈ যোৱাত সাহিত্য-সংগীতে বিশেষভাৱে সহায় কৰে। নাট-পদ আদিতকৈও শঙ্কৰদেৱৰ সমসাময়িক সমাজখন একত্ৰিত কৰাত গীতসমূহে বিপুলভাৱে সহায় কৰিছিল। চৰিত-পুথিত বৰগীতে কেনেকৈ প্ৰধান

শিষ্যসকলক শঙ্কৰদেৱৰ ওচৰলৈ আকৰ্ষণ কৰি আনিছিল তাৰ উল্লেখ আছে। ৰামৰায় আতাৰ কন্যা কমলাপ্রিয়া দেৱীৰ মুখত "পামৰ মন ৰাম চৰণে চিও দেহু" এই গীতটো শুনি তেওঁৰ স্বামী চিলাৰায় দেৱানে শঙ্কৰদেৱৰ মহিমা বুজি শৰণ প্রার্থনা কৰে। ব্রহ্মপুত্র আৰু মানাহ্ নদীৰ সংগমত খাগৰিকটা ভকতৰ মুখত বৰগীত এটি শুনি নাৰায়ণদাস ঠাকুৰ আতায়ো শ্রীশঙ্কৰদেৱক সাক্ষাৎ কৰিছিল। তদুপৰি শঙ্কৰদেৱৰ পৰম শিষ্য মাধৱদেৱৰ সমধুৰ কণ্ঠও আছিল বৰগীতসমূহৰ লোকপ্রিয়তাৰ অন্যতম কাৰণ। এইক্ষেত্রত ডঃ বাণীকান্ত কাকতিয়ে আলোচনা কৰি কৈছে— "বৰগীতবোৰৰ ইমান বিস্তৃতি ঘটিছিল যে মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয় বিচৰাৰ দৰে তৃষিত মানৱসকলেও বৰগীতৰ ধ্বনি-প্রতিধ্বনিক লক্ষ্য কৰি গুৰু দুজনাৰ ওচৰত উপস্থিত হৈছিল।"

শঙ্কৰদেৱৰ সংগীতৰ বিষয়ে আলোচনা প্রসংগত অংকীয়া নাটৰ গীতসমূহৰ আলোচনাক নুই কৰিব নোৱাৰি। গীতিধর্মিতা অংকীয়া নাটৰ অন্যতম বিশেষত্ব। নাটৰ আৰম্ভণি আৰু পৰিসমাপ্তি কেৱল গীতিমুখৰেই নহয়, সমগ্র নাটকীয় কাহিনী বা বিষয়বস্তু গীতৰ মাধ্যমেদি পৰিণতিৰ পথলৈ আগবঢ়াই নিয়া হয়। অংকীয়া নাটৰ কাহিনীৰ বিভিন্ন স্তৰ, পৰিস্থিতি, চৰিত্রৰ ব্যৱহাৰ, মানসিক অৱস্থা আৰু কার্য্যকলাপ সকলোবোৰ গীতৰ যোগেদিয়ে আকর্ষণীয়ভাৱে প্রকাশ কৰা হয়। সূত্রধাৰৰ বচন, পাত্র-পাত্রীৰ সংলাপ বা সংস্কৃত শ্লোকৰ সমাৱেশেৰে অঙ্কীয়া নাটৰ বৈচিত্র্যৰ সৃষ্টি কৰা হ'লেও সেই আটাইখিনি বাদ দি গীতাংশ পাঠ কৰি গ'লেও নাটৰ কাহিনী পূর্ণৰূপে বুজা যায়।

শঙ্কৰদেৱৰ অংকীয়া নাটসমূহত তিনিপ্রকাৰৰ গীতৰ প্রয়োগ হৈছে— ১। ভক্তিপ্রধান, গুৰুগম্ভীৰ ভটিমা, ২। নাট্যকাহিনীৰ অংগীভূত ৰাগ-তালযুক্ত অনুভূতিশীল গীত আৰু ৩। বর্ণনাত্মক পয়াৰ।

প্রশস্তি বা গুণ-গৰিমা প্রকাশক গীতসমূহকে ভটিমা বুলি কোৱা হয়। প্রকাশভংগীৰ গাম্ভীর্য্য ইয়াৰ বিশেষ লক্ষণ। পুৰণিকালত প্রশস্তিসূচক স্তুতিপদ গাই ফুৰা ভ্রাম্যমাণ গায়কক 'ভাট' বুলিছিল। এই 'ভাট'ৰ মুখৰ ভক্তিপদ গীতকে ভটিমা বোলা হৈছে। মহাপুৰুষ শঙ্কৰদেৱে তিনিপ্রকাৰৰ ভটিমা প্রৱর্তন কৰে— নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমা। নাটৰ আৰম্ভণি আৰু পৰিসমাপ্তিত প্রয়োগ কৰা ভটিমাই নাট ভটিমা, দেৱতাৰ প্রশস্তিমূলক ভটিমাক দেৱ ভটিমা আৰু ৰজা-মহাৰজাৰ গুণ-গৰিমা প্রকাশক ভটিমাই ৰাজ ভটিমা। ইয়াৰ লগত মাধৱদেৱে গুৰুৰ গুণ-গৰিমা প্রশস্তিমূলক গুৰু ভটিমা সংযোগ কৰি চাৰি শ্রেণী ভটিমাৰ পৰম্পৰা সৃষ্টি কৰে। নাট ভটিমাত আকৌ তিনিপ্রকাৰৰ ভটিমাৰ উল্লেখ পোৱা যায়, যেনে— উপাস্য দেৱতাৰ গুণানুকীর্তন কৰা ভটিমা, নাটৰ মাজৰ দেৱতাৰ গুণানুকীর্তন কৰা ভটিমা, নাটৰ মাজৰ প্রধান চৰিত্রৰ ৰূপ-গুণ বর্ণোৱা ভটিমা আৰু নাটৰ শেষত সভাসদ, দর্শকবৃন্দৰ মুক্তি কামনা কৰা

ভটিমা অৰ্থাৎ মুক্তিমংগল ভটিমা। অংকীয়া নাটৰ নায়ক সাধাৰণতে শ্ৰীকৃষ্ণ বা শ্ৰীৰাম। প্ৰথম ভটিমাটোত তেওঁলোকৰ গুণানুকীৰ্তনেই কৰা হয়। যেনে—

জয় জয় যদুকুল কমল প্ৰকাশক
নাশক কংসক প্ৰাণ
জয় জয় জগতক ভকতক ভীতি
তিনি কৰু নিৰমাণ (কালিয় দমন)

মহাৰাজ নৰনাৰায়ণৰ গুণ-কীৰ্তন কৰি মহাপুৰুষ শঙ্কৰদেৱে লিখা 'জয় জয় নৃপবৰ ৰসজ্ঞান' শীৰ্ষক ৰাজ ভটিমাটি ৰাজ ভটিমাৰ সুন্দৰ উদাহৰণ। মাধৱদেৱে 'জয় গুৰু শঙ্কৰ সৰ্বগুণাকৰ যাকেৰি নাহিকে উপাম' ভটিমাটিৰে গুৰুৰ গুণ-গৰিমা প্ৰকাশৰ শ্ৰেষ্ঠ নিদৰ্শন ৰাখি থৈ যায়।

অংকীয়া নাটত পয়াৰ নামৰ এটা বিশেষ গীতৰ সংযোজনা কৰা হয়। এই পয়াৰ হ'ল বিলাপ সংগীত। বিলাপৰ বাবেই যেন পয়াৰৰ সৃষ্টি। ইয়াৰ জৰিয়তে নাটকত কৰুণ ভাব ঘনীভূত কৰি তোলা হয়। 'কালিয় দমন' নাটত নাগৰ মুমূৰ্ষু অৱস্থা দেখি নাগপত্নীয়ে দুখ বৰ্ণাই কৈছে এনেদৰে—

পিউক সন্তাপ তাপে প্ৰাণ ফুটি যাই।
ফোকাৰই ঘন ঘন চেতন নাই।।
পৰি এ হৰিক আগু কৰু পৰিণাম।
কহতু শঙ্কৰ গতি গোবিন্দ নাম।।

পুত্ৰশোকত তাপিত হৈ যশোদাই যিদৰে বিলাপ কৰিছে, সেই বিলাপ সংগীততো কাৰুণ্য প্ৰকাশ পাইছে—

"এ সুত মাধৱ হে, কি মেৰি কপাল।
কহিৰ দাৰুণ সৰ্পে তেৰি ভৈল কাল।।
কাহা যাব অগনি জানিয়া মেৰি গাব।
কোন আসি হামাক বোলব তাৰ মাব।।
ধূলা ঝাৰি কাহাক ধৰবো বুকে তুলি।
হৃদয়ে ধাকুৰে যশোমতী উহি বুলি।।"

শঙ্কৰদেৱৰ নাটৰ গীতসমূহৰ মাজত কাব্যিক সৌন্দৰ্য্যৰ পৰিস্ফুৰণ ঘটিছে। শঙ্কৰদেৱৰ নাটৰ প্ৰায়বোৰ গীততে চিত্ৰধৰ্মী মনোৰম বৰ্ণনা আছে। ভটিমা আৰু গীতকে ধৰি পত্নীপ্ৰসাদত দহোটা, পাৰিজাত হৰণত তেইশটা, ৰুক্মিণীহৰণত পঁইত্ৰিশটা, কালিয়দমনত যোল্লটা, ৰামবিজয়ত ছবিশটা গীত আছে। এই গীতসমূহত বৰগীতৰ দৰে ৰাগ-তাল বান্ধি দিয়া আছে। এই নাটসমূহত সন্নিবিষ্ট গীত আৰু ভটিমাসমূহৰ

সুকীয়া বৈশিষ্ট্য আৰু মূল্য আছে। ভটিমা আৰু পয়াৰসমূহৰ ছন্দ ব্যঞ্জনা, শব্দচয়ন, চিত্ৰ আকৰ্ষণীয় আৰু উচ্চ খাপৰ। শঙ্কৰদেৱৰ অংকীয়া নাটকেইখনৰ গীত-ভটিমাৰ বিষয়েও বিশদ আলোচনা হ'ব পাৰে।

এটা বিশেষ জাতীয় আন্দোলনত গীত বা কবিতা জনসমাজৰ সাধাৰণ ভাষাৰূপে পৰিগ্ৰহণ হ'ব পাৰে। বিভিন্ন দেশৰ সাংস্কৃতিক বুৰঞ্জী অধ্যয়ন কৰিলে এই কথা প্ৰতীয়মান হয় যে জাতীয় জাগৰণৰ সময়ত গীত-কবিতাই জনতাৰ মনত জাতীয় ভাব-চেতনাই নহয়, আধ্যাত্মিক চেতনা জগাই তোলাতো দ্ৰুতভাৱে কাম কৰে। বৈষ্ণৱ আন্দোলনত আধ্যাত্মিক গীতৰ প্ৰাচুৰ্য্য আছিল; এইক্ষেত্ৰত শঙ্কৰদেৱৰ সংগীতেও আধ্যাত্মিক ভাব-চেতনা সজাগ কৰি তুলিছিল তাত সন্দেহ নাই। শঙ্কৰদেৱৰ সংগীতে সাহিত্যিক মূল্য প্ৰদান কৰাৰ উপৰি ভাৰতবৰ্ষৰ আন আন ঠাইৰ লগত অসমৰ শিক্ষা-সংস্কৃতিৰ সমন্বয়ৰ ভাব-আদৰ্শৰ পৰিচয় আৰু প্ৰেৰণা দিয়ে।

উনবিংশ শতিকা আৰু অসমৰ নাট্যচিন্তা

লোকৰঞ্জন আৰু লোকশিক্ষাৰ এটি বলিষ্ঠ মাধ্যম হৈছে নাটক। নাটক হৈছে এবিধ মিশ্ৰ কলা য'ত পাঠ্য, শ্ৰব্য আৰু দৃশ্য এই তিনিটা দিশ নিহিত হৈ থাকে। নাটকৰ ইতিহাস সু-প্ৰাচীন; বিশেষকৈ অসমীয়া নাটকৰ বুনিয়াদ সুদূৰ পঞ্চদশ শতিকাতে শঙ্কৰদেৱে নিৰ্মাণ কৰি গৈছে। শঙ্কৰদেৱ, মাধৱদেৱ এই দুয়োজনা মহাপুৰুষৰ প্ৰচেষ্টাক অসমীয়া নাট্যধাৰাৰ প্ৰথম পদক্ষেপ বুলিব লাগিব। সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ দৃষ্টি আৰু দৰ্শনবো যথেষ্ট পৰিবৰ্তন সাধিত হ'ল। গতিকে কলা-সাহিত্যত নতুন নতুন দৃষ্টিভংগী, আধুনিক চিন্তা-ধাৰা সাহিত্যৰ বিভিন্ন অংগৰ যোগেদি ৰূপায়িত হ'বলৈ ধৰিলে। আধুনিক মানে দৃষ্টিভংগীৰ আধুনিকতা, য'ত ঈশ্বৰৰ বাহিৰে মানুহৰ চিন্তা, পৰজন্মৰ বাহিৰে ইহ জীৱনৰ কথা, মানুহৰ বাস্তৱসন্মত চিন্তা-চৰ্চাকে বুজোৱা হৈছে।

উনবিংশ শতিকাৰ অসমত নাটকৰ ক্ষেত্ৰখনত কেনেধৰণৰ চিন্তা-চৰ্চা হৈছিল সেয়া মন কৰিবলগীয়া বিষয়। উনবিংশ শতিকাৰ অসমীয়া নাটকৰ উৎস বা জন্মকথা অসমৰ সমাজ আৰু জীৱনৰ প্ৰসংগৰ মাজেদিয়েই বিচাৰ কৰিবলগীয়া হয়। বিশেষকৈ উনবিংশ শতিকাৰ নাট্যচিন্তাৰ পটভূমি আৰু স্বৰূপ অৱলোকন কৰিবলগীয়া হয়।

সমাজৰ বিবৰ্তনৰ লগে লগে জীৱনৰ মূল্যবোধো সলনি হয় আৰু সেই অনুসৰি সাহিত্যৰ ৰূপ আৰু ৰীতিৰ পৰিবৰ্তন ঘটে। ৰাজনৈতিক পৰিস্থিতি আৰু অৱস্থানেও এখন দেশৰ ভাষা-সাহিত্য কলাৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পাৰে। আহোমৰ ছশ বছৰীয়া ৰাজত্বৰ শেষৰ দিনবোৰ অসমৰ কাৰণে বৰ প্ৰশস্ত দিন নাছিল। মানৰ আক্ৰমণ আৰু অত্যাচাৰত দেশৰ অৱস্থা শোচনীয় হৈ পৰিছিল। সাহিত্য আৰু আন সুকুমাৰ কলাৰ সাধনাৰ অনুকূল পৰিবেশ নথকাত উনবিংশ শতিকাৰ প্ৰথম ত্ৰিশ বছৰত অসমীয়া সাহিত্যৰ আকাশ অন্ধকাৰাচ্ছন্ন হৈ পৰিছিল। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি মতে ইংৰাজে অসম অধিকাৰ কৰিলে আৰু দেশত শান্তিৰ বা বলিবলৈ ল'লে যদিও সমসাময়িক ভাষা-সাহিত্যৰ উন্নতিৰ প্ৰতি উদাসীন মনোভাব, অসমীয়া ভাষাৰ ঠাইত স্কুল-আদালতত বঙলা ভাষাৰ প্ৰবৰ্তন কৰি, অসমীয়া ভাষা-সাহিত্যৰ পথ ৰুদ্ধ কৰি

দিলে। পৰৱৰ্তী বেপ্টিষ্ট মিছনেৰীসকলৰ প্ৰচেষ্টা আৰু স্বনামধন্য কেইজনমান অসমীয়াৰ যত্নত অসমীয়া সাহিত্যত এটি নতুন প্ৰবাহৰ আৰম্ভণি হ'ল। অৱশ্যে এই সাহিত্য পুৰণি সাহিত্যৰ ক্ৰমবিকাশৰ ফল নহয়, নতুনকৈ অহা ভাবধাৰাৰ ফল। শাসন পৰিবৰ্তনৰ লগে লগে অসমীয়া সাহিত্যত নিত্য-নতুন ভাবধাৰা সোমাবলৈ ধৰাৰ লগতে অসমীয়া নাটকৰ আংগিক আৰু বিষয়বস্তুৰো পৰিবৰ্তন সাধিত হ'ল।

উল্লেখযোগ্য যে সাম্ৰাজ্যবাদী ব্ৰিটিছসকলে ভাৰতবৰ্ষক শাসন কৰিবলৈ লোৱাৰ পাছৰে পৰা ভাৰতবৰ্ষত ইংৰাজী শিক্ষা আৰু সংস্কৃতিয়ে গা কৰি উঠে। উপনিবেশ স্থাপনত গুৰুত্ব দিয়া ব্ৰিটিছ চৰকাৰে ভাৰতীয়সকলক প্ৰকৃতাৰ্থত শিক্ষিত কৰি তুলিব বিচৰা নাছিল যদিও এচাম সচেতন ভাৰতীয়ৰ প্ৰচেষ্টাত তেওঁলোকে ইয়াত ইংৰাজী শিক্ষাৰ পাতনি মেলিছিল। এই নতুন শিক্ষাৰ প্ৰথম আৰু মুখ্য কেন্দ্ৰ আছিল কলিকতা। নতুনকৈ প্ৰৱৰ্তিত পাশ্চাত্য শিক্ষাৰ পৰশত বংগদেশত এটা নতুন শ্ৰেণীৰ জন্ম হৈছিল। এই নতুন মধ্যশ্ৰেণীটোৱে পাশ্চাত্য শিক্ষাৰ মাজেদি লাভ কৰা জ্ঞানৰ সহায়ত নিজকে যুক্তিবাদী আৰু মানৱতাবাদী ধ্যান-ধাৰণাৰে উদ্বুদ্ধ কৰি তুলিছিল আৰু আগৰ পৰা চলি অহা কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ প্ৰতি সচেতন হৈ তেওঁলোকে এক সংস্কাৰবাদী আন্দোলন গঢ়ি তুলিছিল। পাশ্চাত্য শিক্ষাৰ অলপ পোহৰ পোৱা ব্যৱসায়ী আৰু চাকৰিজীৱীসকলে অসমৰ বিভিন্ন কেন্দ্ৰস্থলত এটি নতুন জীৱন ধাৰাৰ পাতনি মেলিবলৈ যত্নপৰ হৈ পৰে। উনবিংশ শতিকাৰ প্ৰথমছোৱাত ছশ বছৰীয়া আহোম ৰাজত্বৰ অৱসান আৰু ব্ৰিটিছ শক্তিয়ে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনত অনা পৰিবৰ্তন আৰু সংস্কাৰে অসমীয়া মন আৰু সাহিত্যকো স্পৰ্শ কৰা স্বাভাবিক। পাশ্চাত্য নতুন চিন্তা-ভাবধাৰাই সাহিত্য কলা আদিৰ ক্ষেত্ৰতো এক অভূতপূৰ্ব পৰিবৰ্তন আনিছিল আৰু তাৰ লগে লগে অসমীয়া নাটকৰ পুৰণি ঈশ্বৰকেন্দ্ৰিক সুঁতিটো ক্ষীণ হৈ আহিছিল।

সেই সময়ত অসমীয়াৰ কাৰণে একমাত্ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল আছিল কলিকতা। গতিকে পাশ্চাত্য কলা-সাহিত্যৰ আদৰ্শ আৰু অনুপ্ৰেৰণা প্ৰতিবেশী বংগদেশৰ পৰা পৰোক্ষভাবে লাভ কৰিছিল। উনবিংশ শতিকাৰ শেষৰ ফালে কলিকতাত উচ্চ শিক্ষা ল'বলৈ যোৱা ডেকাসকলে সেই প্ৰভাৱতে নাটক আৰু অভিনয় কৰিবলৈ প্ৰয়াস কৰে। অসমত উনবিংশ শতিকাৰ শেষ দশকমানৰ পৰা ৰংগমঞ্চ স্থাপন আৰু অভিনয়ৰ প্ৰচেষ্টা চলে যদিও তাৰ আগতে যিকেইখন নাটক ৰচিত হৈছিল, সেয়া সম্পূৰ্ণভাবে কোনো নাট্য আন্দোলন বা ৰংগমঞ্চক উপলক্ষ্য কৰি ৰচনা কৰা হোৱা নাছিল। প্ৰাচীন কাব্যধৰ্মী নাটকৰ ধাৰাৰ পৰিবৰ্তে বাস্তৱমুখী নাটক ৰচনা কৰি ব্যক্তিজীৱনৰ সুখ-দুখ বিজড়িত আৰু লৌকিক আশা-আকাংক্ষা মিশ্ৰিত জীৱন ৰসত দৰ্শকক অৱগত কৰা নতুন নাটকৰ

উদ্দেশ্য আছিল। এই আধুনিক ধাৰাটোৰ প্ৰথম স্তৰত অসমৰ সামাজিক দুৰৱস্থা আৰু দুৰ্নীতিক জনসাধাৰণৰ দৃষ্টিগোচৰ কৰি সেই অৱস্থাৰ সংশোধন ঘটোৱাই প্ৰধান লক্ষ্য আছিল, সমাজ সংস্কাৰৰ প্ৰচেষ্টা আছিল।

ঊনবিংশ শতিকাৰ আধুনিক অসমীয়া নাট্য সাহিত্যৰ যিটো যুগ আছিল সেয়া আছিল সমস্যামূলক নাটক ৰচনাৰ যুগ। প্ৰথমভাগৰ সামাজিক নাটক আছিল প্ৰহসনাত্মক, ব্যংগ-হাস্যৰস প্ৰধান য'ত নাট্যকাৰে লঘু দৃষ্টিৰে কোনো ব্যক্তি বা সমাজৰ বাহ্যিক দোষ-ত্ৰুটি বা অসংগতিক সমলস্বৰূপে লৈ হাস্যোদ্দীপক চিত্ৰৰ অৱতাৰণা কৰে। দ্বিতীয় ধাৰাৰ গহীন সামাজিক নাটকত সমাজৰ নগৰকেন্দ্ৰিক সভ্যতাৰ বা-বতাহ পোৱা নৰ-নাৰীৰ বিবিধ সামাজিক দাবী আৰু সমস্যা বিশ্লেষণৰ প্ৰয়াস দেখা যায়। সমসাময়িক সমাজৰ সমস্যা আৰু জীৱনবোধে নাট্যকাৰসকলৰ ধ্যান-ধাৰণা আৰু চিন্তা-চৰ্চাৰ নতুন বাট মুকলি কৰি দিছে। শিক্ষাৰ বিস্তাৰ, ঔদ্যোগিক বিকাশ, স্ত্ৰী-শিক্ষা আৰু নাৰী-পুৰুষৰ সমতাৰ অধিকাৰ আৰু স্বীকৃতি আদিয়ে শিক্ষিত সমাজৰ পাৰিবাৰিক আৰু দাম্পত্য জীৱনতো নতুন অৱস্থাৰ সৃষ্টি কৰিছে। মানুহৰ জীৱন-যাত্ৰাৰ প্ৰণালী ক্ৰমে জটিল হৈ আহিছে; প্ৰাচীন ধৰ্মবিশ্বাস, সংস্কাৰ, ৰীতি-নীতি আদিত মানুহৰ আস্থা ক্ৰমে নোহোৱা হৈ আহিছে। নতুন পৰিবেশত নতুন সমস্যাৰ প্ৰতিবিম্ব আধুনিক সামাজিক নাটকত বিৰাজমান। গহীন সামাজিক নাটকবোৰৰ বিষয়বস্তু, নাট্যকাৰৰ নিৰ্মাণ-কৌশল, জীৱনবোধ আৰু নাট্যৰসৰ আবেদন কেনে সেয়া বিচাৰ্য বিষয়। এসময়ত অসমৰ নাট্যকাৰসকলে নাটকৰ এটি প্লট বা কাহিনী বিচাৰি কল্পনা জগতত বিচৰণ কৰিছিল বা প্ৰাচীন অতীতত ভুমুকি মাৰিছিল। কিন্তু ঊনবিংশ শতিকাৰ নাট্যকাৰসকলে সম্পূৰ্ণ বাস্তৱ ক্ষেত্ৰত ভৰি দিছে। প্ৰাচীন নাইবা ৰোমাণ্টিক নাটকত মানুহৰ ভাব-চিন্তাৰ পৰা পৃথক অলৌকিক শক্তিৰ লগত মানুহৰ সংঘৰ্ষ প্ৰায়ে দেখুওৱা হৈছিল, কিন্তু বৰ্তমান সামাজিক নাটকত সংঘৰ্ষ অকল মানুহৰ মাজতে সীমিত ৰখা হয়।

দ্বিতীয়তে, আধুনিক সামাজিক নাটকত নায়ক চৰিত্ৰৰ ওপৰত বেছি প্ৰাধান্য নিদি নায়কৰ ব্যক্তিত্বতকৈ পাৰিপাৰ্শ্বিক অৱস্থা আৰু সমাজে ব্যক্তিৰ জীৱনত কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰে তাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হয়। এনেধৰণৰ নাটকবোৰৰ নায়ক-নায়িকা সমসাময়িক সামাজিক অৱস্থা বিশেষৰ প্ৰতিনিধি বুলি ক'ব পাৰি।

তৃতীয়তে, নাটকৰ বিষয়বস্তুৰ ক্ষেত্ৰত যেনেকৈ পৰিবৰ্তন লক্ষ্য কৰা যায়, তেনেকৈ উপস্থাপন ৰীতিতো নতুন আংগিক প্ৰয়োগৰ দ্বাৰা অভিনৱত্ব আনিবলৈ চেষ্টা কৰা পৰিলক্ষিত হয়। ফলত পৌৰাণিক নাটকৰ সুঁতিটো ক্ৰমে শুকাই গৈ সামাজিক আৰু অন্তৰ্মুখীৰ নতুন সুঁতি বৰলৈ ধৰিলে। বিশ্বৰ নাট্য সাহিত্যলৈ মন কৰিলেও দেখা যাব, আধুনিক নাটকৰ অন্যতম বৈশিষ্ট্য এই অন্তৰ্মুখী গুণ। আধুনিক জীৱনৰ জটিলতালৈ

চাই, সমস্যালৈ চাই নাট্যকাৰসকলে ঈশ্বৰ অভিমুখী আৰু ৰোমাণ্টিক ভাব-বিলাসিতা এৰি বাস্তৱৰ ফালে গতি কৰিলে। মনস্তত্ত্বৰ চিন্তা-চৰ্চাই অৱচেতন মনৰ গভীৰ দুৱাৰডলিত প্ৰৱেশ কৰিবলৈ সুবিধা দিলে। মনোবিজ্ঞানে মানুহক নতুন সত্যৰ সন্ধান দিবলৈ ল'লে। ছুইডেনৰ প্ৰখ্যাত নাট্যকাৰ অগাষ্ট ষ্টিণ্ডবাৰ্গে কৈছিল— "আমাৰ অনুসন্ধিৎসু অন্তৰে ঘটনা এটা ঘটালে চাই তৃপ্ত নহে জানিব বিচাৰে কেনেকৈ সেই ঘটনা ঘটিল। আমাক লাগে মনৰ খবৰ; স্থূলদৃষ্টিৰ অন্তৰালৰ মনস্তাত্ত্বিক বিশ্লেষণ।" কথাষাৰে আধুনিক বাস্তৱধৰ্মী আৰু সামাজিক সমস্যামূলক নাটকৰ বিষয়বস্তুৰ কথাকে মনত পেলাই দিয়ে।

উল্লেখযোগ্য যে আধুনিক অসমীয়া নাটক হিচাপে গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটকেই প্ৰথম গহীন সামাজিক নাটক। আধুনিক আৰু সামাজিক সমস্যাপ্ৰধান নাটক হিচাপে গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটকৰ এখন বিশিষ্ট আসন আছে। পাশ্চাত্য নাটকৰ বিবিধ নাটকীয় কৌশলসমৃদ্ধ এইখন নাটকেই অসমীয়া অংকীয়া নাটৰ সুদীৰ্ঘ পৰম্পৰা আৰু ঐতিহ্যৰ যতি পেলায় আৰু এক নতুন ধৰণৰ নাট্য পৰম্পৰাৰ সূচনা কৰে। সেয়ে গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' অসমীয়া আধুনিক নাটকৰ মাইলৰ খুঁটি। নাট্যকাৰে আগৰ ধৰ্ম আৰু ঈশ্বৰভিত্তিক উদ্দেশ্যৰ পৰা ফালৰি কাটি আহি সামাজিক তথা মানৱকেন্দ্ৰিক আদৰ্শ আগত ৰাখি এই গহীন সামাজিক নাটক ৰচনা কৰে। সেয়ে এইখন নাটকৰ বিষয়বস্তু পাৰ্থিব সমাজ জীৱনৰ সমস্যা-সংঘাত, আচাৰ-নীতি, বিধি ব্যৱস্থা আদিৰ সৈতে সংপৃক্ত। ইয়াৰ পটভূমি হৈছে উনবিংশ শতিকাৰ থৰক-বৰক, কু-সংস্কাৰাচ্ছন্ন আৰু অনীতিগ্ৰস্ত অসমীয়া সমাজ।

১৮৫৭ চনত গুণাভিৰাম বৰুৱাই কলিকতাৰ পৰা অসমলৈ প্ৰত্যাৱৰ্তন কৰে। কলিকতাৰ কলেজত শিক্ষা লাভ কৰি, ত্ৰিশ বছৰ কাল ব্ৰিটিছ চৰকাৰৰ এক্সষ্ট্ৰা এছিছটেণ্ট কমিছনাৰ বিষয়া পদত থকা গুণাভিৰাম বৰুৱাই ব্ৰিটিছ ৰাজত্বৰ পোহৰ পাইছিল আৰু ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰাজা ৰামমোহন ৰায়ৰ ব্ৰাহ্ম সমাজ আদি আন্দোলনৰ যোগেদি হিন্দু সমাজ সংস্কাৰৰ যি প্ৰচেষ্টা চলিছিল, তাৰ প্ৰভাৱে সেই সময়ত তেওঁৰ গৃহাভিমুখী হৃদয়-মন আচ্ছন্ন কৰি ৰাখিছিল। ফলস্বৰূপে বিধবা বিবাহ প্ৰচলনৰ উদ্দেশ্য সাৰোগত কৰি গুণাভিৰাম বৰুৱাই ১৮৫৭ চনত 'ৰাম-নৱমী' ৰচনা কৰে। ১৮৫৮ চনৰ মাৰ্চ সংখ্যাৰ পৰাই ই ধাৰাবাহিকভাৱে 'অৰুনোদয়' কাকতত প্ৰকাশ পাইছিল। ১৮৫৭ চনত ৰচিত হ'লেও গ্ৰন্থ আকাৰে 'ৰাম-নৱমী' নাটক প্ৰকাশিত হয় ১৮৭০ চনত। নাট্যকাৰে ভূমিকাত উল্লেখ কৰিছে "অৰুনোদয়ত যেনে— ছপা হইছিল এতিয়া তাতকৈ অলপ লৰচৰ হইছে। আৰু আমি যেনে ভাষাৰে সদায় কথা বাৰ্তা কওঁ, তাকেহে ইয়াত ব্যৱহাৰ কৰা হৈছে।" ইয়াৰ পাছত নাটকখন সম্পাদনা কৰি উলিয়ায় ১৯৬৫ চনত অধ্যাপক

যতীন্দ্ৰমোহন ভট্টাচাৰ্যই। এই সংস্কৰণটিত বিশিষ্ট সমালোচক পণ্ডিত তীৰ্থনাথ শৰ্মাই এটি সুদীৰ্ঘ আৰু সাৰুৱা ভূমিকা লিখিছিল। ১৯৮৯ চনত নাটকখন পুনৰ সম্পাদনা কৰে প্ৰসেনজিৎ চৌধুৰীয়ে। চৌধুৰীৰ সম্পাদকীয় আছিল তথ্যনিষ্ঠ আৰু তাৎপৰ্য্যপূৰ্ণ।

'ৰাম-নৱমী' নাটকৰ কাহিনীভাগ গঢ় লৈ উঠিছে নৱমী নামৰ বাল্য বিধৱা ছোৱালী এজনীৰ লগত ৰামচন্দ্ৰ নামৰ ডেকাৰ গোপন প্ৰণয়ৰ ভিত্তিত। এফালে বিধৱাৰ ক্ষেত্ৰত আৰোপিত কঠোৰ নীতি-নিয়মৰ শৃংখলত জৰ্জৰিত নৱমী, আনফালে ৰামচন্দ্ৰৰ সমাজৰ প্ৰতি ভয়, শিক্ষিত হৈও সৎ সাহসৰ অভাৱত শেষত নৱমীৰ দৰে আত্মহত্যাৰ পথ অনুসৰণ কৰাৰ কাৰণে, তেওঁলোকৰ জীৱনৰ শোকাবহ পৰিণতি ঘটিছে। ৰামচন্দ্ৰই বন্ধু কামদেৱৰ আগত বিধৱা বিবাহৰ সপক্ষে নানান যুক্তি-তৰ্কত অৱতীৰ্ণ হৈছে যদিও অন্তঃসত্ত্বা নৱমীক গ্ৰহণ কৰি অভিলেখ স্থাপন কৰিবলৈ সক্ষম হোৱা নাই। কাহিনীৰ পৰিণতিলৈ চাই পাশ্চাত্যৰ বিশেষকৈ শ্বেইক্সপীয়েৰৰ ট্ৰেজেদিৰ প্ৰভাৱ নাটকখনত লক্ষ্য কৰিব পাৰি। শ্বেইক্সপীয়েৰৰ নাটকৰ দৰে 'ৰাম-নৱমী'ত পাঁচটা অংক আৰু প্ৰতিটো অংকত পাঁচটাকৈ দৃশ্য সংযোজিত হৈছে। তদুপৰি উপ-কাহিনীৰ সংযোজন, কাষৰীয়া উক্তিৰ প্ৰয়োগ, স্বগতোক্তি, লঘু হাস্যোদ্দীপক দৃশ্যৰ অৱতাৰণা, ঘটনাৰ পূৰ্বাভাস দাঙি ধৰা সংলাপ ব্যৱহাৰ ইত্যাদি নাটকীয় কৌশল প্ৰয়োগৰ ক্ষেত্ৰত পাশ্চাত্য ট্ৰেজেদিৰ লক্ষণসমূহ পৰিস্ফুট হৈছে বুলি ক'ব পাৰি। 'ৰাম-নৱমী' নাটকৰ চৰিত্ৰসমূহ অসমীয়া সমাজৰ পৰাই লোৱা হৈছে; কোনো কোনোটো অভিজাত শ্ৰেণীৰ, কোনো কোনোটো সাধাৰণ শ্ৰেণীৰ প্ৰতিনিধি। আকৌ কোনোটো সাধু, সৰল আৰু কোনোটো নিষ্ঠুৰ, জটিলতাৰ পৰিচায়ক। চৰিত্ৰসমূহৰ ভাব-চিন্তা আৰু কৰ্মই উনবিংশ শতিকাৰ অসমীয়া সমাজখনক জীৱন্ত ৰূপত দাঙি ধৰিছে। নাটকীয় চৰিত্ৰৰ গতিদান আৰু চৰিত্ৰৰ মহিমা প্ৰকাশ আৰু পৰিৱেশ সৃষ্টি কৰাত সংলাপৰ ভূমিকা গুৰুত্বপূৰ্ণ। এইক্ষেত্ৰত 'ৰাম-নৱমী'ত সংযোজন কৰা সংলাপ দুই-এটা দৃশ্যত সাৱলীল হ'লেও কেতিয়াবা কেতিয়াবা সৰহভাগ সংলাপেই কৃত্ৰিম আৰু অনাটকীয় যেন ধাৰণা হৈছে। ইয়াৰ কাৰণ নথকা নহয়; যিহেতু উদ্দেশ্য আগত ৰাখি নাটকখন ৰচনা কৰিছে, তাৰ কাৰণে সংলাপ বক্তৃতাধৰ্মী হৈ পৰিছে। আনহাতে প্ৰথম স্তৰৰ এখন গহীন নাটক হিচাপে সজীৱ, বুদ্ধিদীপ্ত সংলাপ ৰচনা কৰাৰ অভিজ্ঞতাও তেনেই চালুকীয়া বুলিব পাৰি। তথাপি কেইটিমান দৃশ্যত সংলাপ নাটকীয় আৰু মধুৰ। উদাহৰণস্বৰূপে চতুৰ্থ অংকৰ দ্বিতীয় দৰ্শনৰ একাংশ সংলাপ—

জয়ন্তী। সখী! আজি গা কেনে পাইছা?

নৱমী। সখী! যেনে ৰাখিছা।

জয়ন্তী। তোমালোকৰ ভাল যোৱা খাইছে।

নৱমী। কেনে?

জয়ন্তী। কিয় ৰাম-নৱমী। কেনে চিকোন জোৰা খাইছে।

নৱমী। তোমাৰ আশীৰ্বাদ সখী।

এইটো ঠিক যে 'ৰাম-নৱমী' গুণাভিৰাম বৰুৱাৰ মানৱতাবোধ আৰু নৈতিকতাৰ উজ্জ্বল স্বাক্ষৰ। ঊনবিংশ শতিকাৰ অসমীয়া সমাজ জীৱনত বিধৱাৰ নিৰ্মম যি যন্ত্ৰণা সেই ছবি দাঙি ধৰি বিধৱাৰ পুনৰ বিবাহৰ প্ৰচলনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাই আছিল এই নাটক ৰচনাৰ মূল উদ্দেশ্য। বিধবা বিবাহ আন্দোলনক ভিত্তি কৰি বঙালী ভাষাতো ১৮৫৬ চনত উমেশ মিত্ৰ ৰচিত 'বিধবা বিবাহ' নাটকখনেই আছিল প্ৰথম নাটক যিখন নাটকত নাট্যকাৰে বিধবা বিবাহ সমৰ্থন কৰিছিল। এই উদ্দেশ্যৰ মাজেদিয়েই গুণাভিৰাম বৰুৱাৰ সমাজ সচেতনতা আৰু আদৰ্শবাদী মনোভাব জিলিকি উঠিছে। অকল সেয়ে নহয়, এইক্ষেত্ৰত গুণাভিৰাম বৰুৱা নিজেই এক দৃঢ় আৰ্হি। সমসাময়িক সমাজত প্ৰচলিত কু-সংস্কাৰ, অন্যায়, শোষণ, নিৰ্যাতন আদিৰ চিত্ৰও নাটকত অংকন কৰিছে আৰু সিবোৰক নাইকিয়া কৰিবৰ উপায়ো দেখুৱাই সহানুভূতিশীল দৃষ্টিভংগীৰে অসমৰ সমাজ জীৱনক শুদ্ধ কৰাৰ প্ৰচেষ্টা চলাইছে। তীব্ৰ ব্যংগ-বিদ্ৰূপ তেওঁৰ নাটকত দেখা নাযায়। ৰাম আৰু নৱমীৰ শোকাবহ মৃত্যুৰ পাছত এটা সপোন দেখাৰ অন্তত মহাজনৰ মনৰ যি পৰিবৰ্তন আৰু তেওঁৰ কৃতকৰ্মৰ বাবে যি অনুশোচনা নাটকত ৰূপায়ণ কৰিবলৈ যত্ন কৰিছে, তাত নাট্যকাৰে প্ৰকাৰান্তৰে সমাজত প্ৰচলিত পংকিল অৱস্থা নিৰ্মূল কৰাৰ এটা প্ৰত্যয় প্ৰদান কৰিছে। ঊনবিংশ শতিকাৰ এইজনা নাট্যকাৰৰ এনেধৰণৰ চিন্তা আৰু দৃষ্টিভংগী নিশ্চয় আধুনিকতাৰে পৰিচায়ক। প্ৰসেনজিৎ চৌধুৰীয়ে লিখিছে, 'এক অৰ্থত গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটক আত্মসমালোচনামূলক স্বদেশানুৰাগৰ এক স্মৰণীয় দৃষ্টান্ত।'

গুণাভিৰাম বৰুৱা আছিল সন্ধিক্ষণৰ নাট্যকাৰ। তেওঁৰ নাটকৰ পূৰ্বে আধুনিক অসমীয়া নাটকে জন্মলাভ কৰা নাছিল। সেই অৰ্থত আধুনিক নাটকৰ কলাত্মক বৈশিষ্ট্য সুস্থ ৰূপত প্ৰতিভাত নহ'লেও প্ৰথম অসমীয়া আধুনিক নাটকৰ শুভাৰম্ভ কৰা নাটক হিচাপে আৰু সমসাময়িক সামাজিক সংঘাতৰ জীৱন্ত চিত্ৰ হিচাপেও ইয়াৰ মূল্য যথেষ্ট।

গুণাভিৰাম বৰুৱাৰ দ্বিতীয় সামাজিক নাটক 'বিবাহ ৰহস্য'ৰ দুটি দৃশ্য 'আসাম বন্ধু' (১৮৮৬-৮৭) কাকতত ওলাইছিল। সম্ভৱতঃ গুণাভিৰাম বৰুৱাই লিখা এই নাটক অসম্পূৰ্ণ হৈয়ে ৰ'ল।

ঊনবিংশ শতিকাত অসমীয়া নাটকৰ বিষয়ে চিন্তা-চৰ্চা কৰা, নাটক সৃষ্টি কৰা আন এজন স্বনামধন্য ব্যক্তি হৈছে অসমীয়া ভাষা-সাহিত্যৰ ভেটি নিৰ্মাতা সংস্কাৰবাদী লেখক হেমচন্দ্ৰ বৰুৱা। গুণাভিৰাম বৰুৱাৰ সমসাময়িক হেমচন্দ্ৰ বৰুৱাই ১৮৬১ চনত

'কানীয়াৰ কীৰ্তন' নামৰ নাটক ৰচনা কৰে। উনবিংশ শতিকাৰ অসমীয়া সমাজখন কানি ৰৰবিহৰ দ্বাৰা গভীৰভাৱে আক্ৰান্ত হৈছিল। হেমচন্দ্ৰ বৰুৱা আছিল সমাজ সচেতন লোক; কানিৰ অপকাৰিতা সম্পৰ্কে সেই সময়ৰ জনসাধাৰণক সজাগ কৰি তাৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰি লগতে সমাজৰ উচ্চশ্ৰেণীৰ লোকৰ ভেম-ভণ্ডামি, অন্যায় অনীতি আদি উদঙাই দি ব্যংগ-বিদ্ৰূপৰ ছলেৰে তেওঁলোকক উদ্ধাৰৰ মানসেৰে 'কানীয়াৰ কীৰ্তন' ৰচনাত প্ৰবৃত্ত হয়। নাটকখনৰ কাহিনীভাগ বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত আৰু সম্পূৰ্ণৰূপে উদ্দেশ্যধৰ্মী। কানিৰ গৰাহত পৰি কেনেদৰে মৌজাদাৰ ভদ্ৰেশ্বৰ বৰুৱাৰ পুতেক কীৰ্তিকান্তই সৰ্বস্ব হেৰুৱাই তিলতিলকৈ মৃত্যুক সাবটি ল'লে, তাকেই নাট্যকাৰে পোনপটীয়াকৈ দাঙি ধৰিছে, অসমীয়া সমাজৰ এটি প্ৰত্যক্ষ সমস্যাক নাটকীয় ৰূপদান কৰিছে। নাটকখনৰ অংক মুঠতে চাৰিটা। প্ৰতিটো অংকত মুঠতে চৈধ্যটা দৃশ্য সংযোজিত হৈছে। 'কানীয়াৰ কীৰ্তন'ৰ উপস্থাপন আৰু বিন্যাসৰীতি হাস্য-ব্যংগাত্মক। সমাজত যেতিয়া কু-সংস্কাৰে মূৰ দাঙি উঠে, মানুহৰ ব্যৱহাৰ অসংগতিপূৰ্ণ হয়, উক্তি আৰু কাৰ্য্যৰ সামঞ্জস্য নাথাকে, বাহ্যিক আৱৰণৰ অন্তৰালত ফোপোলা মনোবৃত্তি ধৰা পৰে, নতুন পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই ল'ব নোৱাৰে, তেনে অৱস্থাতেই প্ৰহসন বা লঘু সামাজিক নাটকৰ জন্ম হয়। গ্ৰীক জাতিৰ মানসিক আৰু ৰাজনৈতিক অধঃপতনে Middle Comedy আৰু New Comedy সৃষ্টি হোৱাত উপাদান যোগাইছিল। ইংলেণ্ডতো Restoration Comedy নামৰ এক শ্ৰেণীৰ লঘু নাটকৰ সৃষ্টি কৰিছিল। উনবিংশ শতিকাত অসমীয়া সামাজিক জীৱনৰ নৈতিক অধঃপতনে প্ৰহসন আৰু লঘু নাটক ৰচনাৰ সমল যোগাইছিল। ব্ৰিটিছে অসমত কানিক ৰাজহ অৰ্জনৰ আহিলাস্বৰূপে ব্যৱহাৰ কৰিছিল আৰু অসমীয়া মানুহে কানিকে অমৃত বুলি গ্ৰহণ কৰি অধঃপতনৰ পথত ভৰি দিছিল। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন' উদ্দেশ্যধৰ্মী প্ৰহসন আৰু তাত ব্যংগ-বিদ্ৰূপৰ প্ৰাধান্য প্ৰকটভাৱে আছে। নাটকখনত নাট্যকাৰে উচ্চশ্ৰেণীৰ লোকসকলৰ প্ৰতি ব্যংগ-বিদ্ৰূপাত্মক মনোভাব প্ৰকাশ কৰিয়েই ক্ষান্ত নাথাকি সেই সময়ৰ মানুহৰ ইংৰাজী শিক্ষাৰ প্ৰতি থকা অনীহা আৰু বিৰূপ মনোভাব ব্যক্ত কৰিছিল। তীব্ৰ ব্যংগই নাটকখনৰ ৰচনা-ৰীতিৰ বিশেষত্ব। নাটকখনত চাৰিটা নাৰী চৰিত্ৰৰ লগতে বহুতো পুৰুষ চৰিত্ৰ সন্নিৱেশ কৰিছে। আটাইকেইটা নাৰী চৰিত্ৰৰ ভিতৰত কীৰ্তিকান্তৰ পত্নী চন্দ্ৰপ্ৰভাৰ চৰিত্ৰটি নাট্যকাৰে সহানুভূতিৰে আৰু অসমীয়া আদৰ্শৱতী নাৰীৰ এক উজ্জ্বল নিদৰ্শনৰূপে থিয় কৰাইছে। পুৰুষ চৰিত্ৰসমূহ অসমীয়া সমাজৰে একো একোটা টাইপ চৰিত্ৰ। যদিওবা কীৰ্তিকান্তৰ শেষ পৰিণতি মৃত্যু, তথাপি নাটকখনত ট্ৰেজিক উপাদান আছে বুলি ক'ব নোৱাৰি।

গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱা উভয়েই একে সংস্কাৰবাদী আদৰ্শৰে

অনুপ্ৰাণিত হৈ নাটক ৰচনা কৰিছিল যদিও দুয়োৰে নাটকৰ মাজত মৌলিক পাৰ্থক্য আছে। গুণাভিৰাম বৰুৱাই সমাজ আৰু মানুহৰ প্ৰতি সহানুভূতিশীল মনোভাব, আনহাতে হেমচন্দ্ৰ বৰুৱাই কঠোৰ আৰু ক্ষুৰধাৰ মনোভাব পোষণ কৰিছিল। গুণাভিৰাম বৰুৱাৰ সংস্কাৰৰ ক্ষেত্ৰখন আছিল সীমিত, হেমচন্দ্ৰ বৰুৱাৰ সংস্কাৰৰ ক্ষেত্ৰখন বিস্তৃত। গুণাভিৰাম বৰুৱাই সজ পথে আগবাঢ়িবলৈ মানুহক আহ্বান জনাইছে, কিন্তু হেমচন্দ্ৰ বৰুৱাই তেনে কোনো পথৰ নিৰ্দেশ দিয়া নাই।

'কানীয়াৰ কীৰ্তন'ৰ পাছতে উল্লেখযোগ্য এখন নাটক হ'ল নগাঁৱৰ ৰুদ্ৰৰাম বৰদলৈ ৰচিত 'বঙাল-বঙালনী'। ১৮৭১ চনত এই নাটক প্ৰকাশিত হয়। এই নাটকখনো সামাজিক প্ৰহসন শ্ৰেণীৰ নাটক। সেই সময়ৰ অসমৰ গাঁৱে-ভূঞে ঘটা ঘটনাৰ দৃশ্য তাত সংযোজিত হৈছে। আঠ অংকত বিভক্ত এই নাটকখনত অসমলৈ জীৱিকা বিচাৰি অহা বঙালী, হিন্দুস্তানী, মাৰোৱাৰী আদি বেপাৰীৰ ব্যভিচাৰ আৰু কু-ব্যৱহাৰ, লগতে ব্যভিচাৰিণী অসমীয়া নাৰীৰ চাৰিত্ৰিক দোষ-ত্ৰুটি নাটকখনত চিত্ৰিত হৈছে। এই নাটত কোনো স্পষ্ট কাহিনী আৰু যথাৰ্থ চৰিত্ৰৰ বিকাশ ঘটা নাই।

ঊনবিংশ শতিকাত ৰচিত, বিশেষকৈ উল্লিখিত গহীন আৰু লঘু সামাজিক নাটক তিনিখনৰ পাছত ৰমাকান্ত চৌধুৰীয়ে 'সীতাহৰণ' আৰু 'ৰাৱণবধ' নামৰ আধুনিক পৌৰাণিক নাটক ৰচনা কৰে। ৰমাকান্ত চৌধুৰীৰ নাট দুখনৰ বাহিৰেও ঊনবিংশ শতিকাৰ শেষৰফালে কেইবাখনো পৌৰাণিক নাটক ৰচিত আৰু অভিনীত হৈছিল। ভাৰত চন্দ্ৰ দাসৰ 'অভিমন্যু বধ', কনকলাল বৰুৱা, গোপালকৃষ্ণ দে আৰু ৰজনীকান্ত বৰদলৈৰ যুটীয়া ৰচনা 'সাবিত্ৰী-সত্যবান', পূৰ্ণকান্ত শৰ্মাৰ 'হৰিশ্চন্দ্ৰ' আৰু 'হৰধনু ভংগ', দুৰ্গানাথ চাংকাকতিৰ 'চন্দ্ৰহংস' আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

১৮৮৮ চনত কলিকতা প্ৰবাসী অসমীয়া শিক্ষিত ব্যক্তি যোৰহাটৰ ৰমাকান্ত বৰকাকতী, গোলাঘাটৰ ঘনশ্যাম বৰুৱা, শিৱসাগৰৰ গুণ্জানন বৰুৱা আৰু নগাঁৱৰ ৰত্নধৰ বৰুৱাই মহাকবি শ্বেইক্সপীয়েৰৰ Comedy of Errors-ক 'ভ্ৰমৰঙ্গ' নাম দি অসমীয়ালৈ ভাঙনি কৰে। 'ভ্ৰমৰঙ্গ' নাটকেই অসমীয়া নাট্য সাহিত্যত প্ৰথম অনুদিত নাটকৰ সূচনা কৰে।

'ভ্ৰমৰঙ্গ' প্ৰকাশৰ বছৰতে কলিকতীয়া অসমীয়া বিদ্বৎ সমাজৰ উদ্যোগত অ ভা উ সা সভা গঠিত হয় আৰু ১৮৮৯ চনত সভাৰ মুখপত্ৰ 'জোনাকী' প্ৰকাশ পায়। 'জোনাকী' কাকত প্ৰকাশ পোৱাৰ লগে লগে আধুনিক অসমীয়া সাহিত্যৰ এটি নতুন যুগৰ সূচনা হয়। তাৰ লগে লগে পশ্চিমীয়া সাহিত্যৰ লগত অসমীয়া সাহিত্যৰ প্ৰত্যক্ষ সংযোগ স্থাপন কৰি প্ৰাচ্য-পাশ্চাত্য ভাব-চিন্তাৰ মাজত এক নতুন সাঁকো গঢ়ি তোলে। 'জোনাকী'ত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ 'লিতিকাই' নাটক ধাৰাবাহিকভাৱে প্ৰকাশ পায় আৰু ১৮৯৪ চনত এইখন পুথিৰ আকাৰত প্ৰকাশিত হয়। ১৮৯৭ চনত

পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' প্ৰকাশ হৈ ওলায়। ঊনবিংশ শতিকাৰ শেষ দশকৰ পৰা অসমৰ বিভিন্ন ঠাইত ৰংগমঞ্চ স্থাপন হ'বলৈ ধৰে অসমীয়া নাটকৰ উন্নতিৰ বাবে ৰংগমঞ্চত অসমীয়া নাটক অভিনীত হোৱাকৈ নাটক ৰচনাৰ বাবে 'জোনাকী যুগ'ৰ লেখকসকল আগবাঢ়ি আহিল। প্ৰকৃতপক্ষে ঊনবিংশ শতিকাৰ শেষ আৰু কুৰি শতিকাৰ আৰম্ভণিৰ লগে লগে অসমীয়া নাটকৰ পৰিসৰ বৃদ্ধি হ'বলৈ ধৰিলে আৰু পাশ্চাত্য নাট্যকলাৰ লগত সম্পৰ্ক নিবিড় হৈ উঠিল। ঊনবিংশ শতিকাত, বিশেষকৈ লঘু, গহীন, সামাজিক আৰু পৌৰাণিক নাটকে অসমীয়া নাট্য সাহিত্য পৰিপুষ্ট কৰা পৰিলক্ষিত হৈছে আৰু অসমীয়া নাটকৰ শৈশৱ অৱস্থা অতিক্ৰম কৰি কুৰি শতিকাত অসমীয়া নাটকে কৈশোৰ অৱস্থাত ভৰি দিছে। শিক্ষা-সংস্কৃতিৰ প্ৰচলনে, শিল্প-বিপ্লৱৰ প্ৰসাৰে জাতীয় চেতনা জাগ্ৰত কৰিছে আৰু অতীতৰ গৌৰৱোজ্জ্বল অধ্যায়ৰ প্ৰতি মানুহ আকৰ্ষিত হৈছে। লগে লগে কুৰি শতিকাৰ আৰম্ভণিতে অসমীয়া নাটকৰ সুঁতিটো ঐতিহাসিক নাটকৰ সুঁতিৰ পিনে গতি কৰিছে।

চুটিগল্প, উপন্যাস, কবিতা স্বয়ংসম্পূৰ্ণ সাহিত্য কলা। পাঠকে পঢ়িয়েই ৰস উপভোগ কৰিব পাৰে। কিন্তু নাটকৰ কথা সুকীয়া। নাটকৰ লগত ৰংগমঞ্চৰ সম্বন্ধ ঘনিষ্ঠ। মঞ্চত অভিনয় কৰি দেখুৱালেহে নাট্যৰস সম্পূৰ্ণভাৱে উপভোগ কৰা সম্ভৱ হয়। সময়ৰ অগ্ৰগতিৰ লগে লগে মঞ্চৰ ৰীতি-পদ্ধতি, দৰ্শকৰ ৰুচি-অভিজ্ঞতাবো পৰিবৰ্তন ঘটে। গতিকে নাটকত সততে পৰীক্ষা-নিৰীক্ষা চলি থাকিবই। এই কথা ঠিক যে নাটকৰ আবেদন-ক্ষেত্ৰ যথেষ্ট বহল; পৃথিৱীৰ বিপুল জনগণক আনন্দ দিয়াৰ আকাংক্ষাই নাট্যকাৰক সদায়ে প্ৰেৰণা আৰু উদগনি যোগাই যাব।

<u>প্ৰাসংগিক গ্ৰন্থপঞ্জী</u> :

বৰুৱা, বিৰিঞ্চি কুমাৰ (সম্পাঃ) : অৰুনোদয়ৰ ধলফাট
ভট্টাচাৰ্য, বসন্ত কুমাৰ : অৰুনোদয় যুগৰ সাহিত্য, ১৯৯৩
নেওগ, মহেশ্বৰ (সম্পাঃ) : অৰুনোদয়
সত্যেন্দ্ৰ নাথ শৰ্মা : অসমীয়া নাট্য সাহিত্য, ১৯৮৩
অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ১৯৮৯
সত্যপ্ৰসাদ বৰুৱা : নাটক আৰু অভিনয় প্ৰসংগ
হেৰম্বকান্ত বৰপূজাৰী : আমেৰিকান মিছনেৰীসকল আৰু ঊনবিংশ শতিকাৰ অসম, ১৯৮৩
হোমেন বৰগোহাঞি (সম্পাঃ) : বিংশ শতাব্দীৰ অসমীয়া সাহিত্য
যতীন্দ্ৰ নাথ গোস্বামী : অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী
যোগেন্দ্ৰ নাৰায়ণ ভূঞা : ঊনবিংশ শতিকাৰ অসম সংবাদ
আব্দুছ ছাত্তাৰ (সম্পাঃ) : সপ্তম দশকৰ অসমীয়া ভাষা-সাহিত্যৰ ইতিবৃত্ত

ৰহস্যবাদ আৰু নলিনীবালা দেৱীৰ কবিতা

বিশ্লেষণৰ দৃষ্টিৰে যেতিয়া কবিতাক বিচাৰ কৰা হয়, তেতিয়া কবিতাত আমি কিছুমান 'বাদ' থকা দেখিবলৈ পাওঁ। মানুহৰ মনত অহৰহ কিছুমান ৰহস্যৰ ভাব বা প্ৰশ্ন থাকেই। কবিসকলৰ সংবেদনশীল হৃদয়ত এই প্ৰশ্নই আচলতে বেছি ক্ৰিয়া কৰে। অসমীয়া কবিতাত ৰহস্যবাদৰ এটি সুস্পষ্ট ধাৰা প্ৰবাহিত হৈ থকা দেখা যায়। শঙ্কৰী যুগতে মহাপুৰুষ মাধৱদেৱৰ অনুপম গ্ৰন্থ য'ত ধৰ্ম, দৰ্শন, কবিতা, সংগীতৰ প্ৰতিফলন ঘটিছে, সেই 'নামঘোষা'তে অসমীয়া কবিতাৰ ৰহস্যবাদৰ প্ৰথম সুৰ ধ্বনিত হৈছে।

ৰহস্যবাদ এক গভীৰ বিষয়। নজনাক জানিবলৈ চিৰন্তন ঔৎসুক্য মানুহৰ সদায়ে থাকে। যেতিয়াই অনুসন্ধিৎসু মানৱ প্ৰাণে অজ্ঞেয় জগতখনৰ বিষয়ে জানিবলৈ ব্যাকুল হৈ পৰে তেতিয়াই ৰহস্যবাদৰ জন্ম হয়। এই পৰিদৃশ্যমান জগতখন মানুহে সদায় দেখি থাকে, ৰূপ, ৰস, গন্ধ পঞ্চেন্দ্ৰিয়ৰে অনুভৱ কৰে; কিন্তু ইয়াৰ ওপৰতো যে এখন জগত আছে, এক পৰমসত্তা আছে, সেইকথা ৰহস্যবাদীসকলে উপলব্ধি কৰে।

ৰহস্যবাদ এক সামগ্ৰিক অনুভূতি, মানসিক বাতাৱৰণ। জগতৰ প্ৰত্যেক বস্তুৰ মাজতেই এক পৰমসত্তাৰ উপলব্ধি কৰি, গভীৰ আত্মিক সম্বন্ধ স্থাপন কৰি এক পৰম সত্যত উপনীত হয় ৰহস্যবাদীসকল। ৰহস্যবাদৰ এটা সাধাৰণ বৈশিষ্ট্য হৈছে ঐক্যানুভূতি।

তিনিটা স্তৰৰ মাজেদি ৰহস্যবাদীসকলে ভগবান অৰ্থাৎ পৰমজনক পাবলৈ যত্ন কৰে। সেই স্তৰকেইটা হৈছে— সত্যৰ অন্বেষণ, ধ্যান আৰু অন্তিম স্তৰত মিলন।

সংবেদনশীল কবিয়ে পৰম সত্তাক প্ৰেম, প্ৰকৃতি, সৌন্দৰ্য্য, জ্ঞান, ভক্তিৰ মাজেদি সন্ধান কৰে। মানৱীয় সম্পৰ্কৰ ভিত্তিত, সুন্দৰতাৰ মাজত অপাৰ্থিৱ সুন্দৰৰ স্থিতি অনুভৱ, সীমাৰ মাজত অসীম সুৰ শুনিবলৈ পায়।

অসমীয়া ৰহস্যবাদী কবিতাৰ সন্দৰ্ভত প্ৰথমে মাধৱদেৱৰ 'নামঘোষা'ৰ ৰহস্যবাদৰ কথা ক'ব পাৰোঁ। পৰৱৰ্তী নলিনীবালা দেৱী, অম্বিকাগিৰী ৰায়চৌধুৰী, দুৰ্গেশ্বৰ শৰ্মা, পাৰ্বতিপ্ৰসাদ বৰুৱা আদিয়ে ৰহস্যবাদৰ শ্ৰেষ্ঠ নিদৰ্শন দাঙি ধৰিছে। বিশেষকৈ নলিনীবালা দেৱীৰ 'পৰমতৃষ্ণা', 'শেষ অৰ্ঘ্য' সাৰ্থক ৰহস্যবাদী কবিতা।

ৰহস্যবাদৰ ইংৰাজী প্ৰতিশব্দ Mysticism গ্ৰীক ভাষাৰ Muco-ৰ পৰা আহিছে বুলি কোৱা হয়। ৰহস্যবাদ বা অতীন্দ্ৰিয়বাদ কোনো ধৰ্মীয় মতবাদ নহয়, সত্য উপলব্ধিৰ এটি বিশেষ অনুভূতি নাইবা এটি বিশেষ মনোভাবহে। ই মায়া-মোহেৰে আবৰা ধুঁৱলি-কুঁৱলী এই জগতখনত পৰমজনক চোৱাৰ, এক পৰমসত্তাক উপলব্ধি কৰাৰ এটি যেন দৃষ্টিচাকি। সাধাৰণ দৃষ্টিত এই জড় আৰু জীৱ-জগতখন বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। জগতৰ প্ৰতিটো বস্তুৰেই যেন একোটা সুকীয়া সত্তা আছে। বিশেষকৈ কবিসকলৰ এই জড় জগতৰ বৈচিত্ৰ্যৰ মাজতো এক ঐক্যৰ সন্ধান দৃষ্টিগোচৰ হয়। তেওঁলোকে জগতৰ বিভিন্ন সত্তাবোৰৰ বিশেষ অস্তিত্ব অনুভৱ নকৰে; বৰঞ্চ সকলো সত্তাৰ মূলতে এক পৰম সত্তাৰ অস্তিত্বহে উপলব্ধি কৰে। মানুহৰ সৰ্বশক্তিমানৰ সৈতে একীভূত হোৱাৰ বাসনাৰ কথাটোৰ আঁৰতে ৰহস্যবাদৰ প্ৰকাশ ঘটে। জগতৰ বিভিন্ন বস্তু, নানান প্ৰশ্নৰ পৰা তেওঁলোকে এক পৰম শক্তিমন্ত সত্তাহে উদ্ধাৰ কৰে। এনে দৃষ্টিসম্পন্ন লোকক সাধাৰণভাৱে ৰহস্যবাদী বুলিব পাৰি। এক পৰম শক্তিমান সত্তাৰ সন্ধানত মানৱ-প্ৰাণে অহৰহ যাত্ৰা কৰে। এই যাত্ৰাত ৰহস্যবাদীয়ে অনুভূতিৰ মাজেৰে এক দিব্যদৃষ্টিৰ মাজেৰে পৰমসত্তাক উপলব্ধি কৰিবলৈ বিচাৰে, এটা বিশেষ অৱস্থালৈ নিজক লৈ যাবলৈ বিচাৰে, অন্যহাতে বিজ্ঞানীয়ে জ্ঞানৰ জৰিয়তে, তথ্য আৰু বিশ্লেষণৰ জৰিয়তে পৰমসত্তাক জানিবলৈ বিচাৰে। ইয়াতে বিজ্ঞান আৰু ৰহস্যবাদৰ মাজত পাৰ্থক্য ওলাই পৰে।

ৰহস্যবাদ সাহিত্যৰ সম্পদ যদিও আধ্যাত্মিক জগতখনৰ লগতহে ৰহস্যবাদৰ সম্বন্ধ নিগূঢ়। সাধাৰণতে ধৰ্ম, ভক্তি, দৰ্শন, প্ৰেম-প্ৰকৃতি, সৌন্দৰ্য্যমূলক সাহিত্যত ৰহস্যবাদৰ পৰশ পোৱা যায়। বৈচিত্ৰ্যৰ মাজত ঐক্যৰ সন্ধান, দৈৱী অনুভূতি, প্ৰতীক, প্ৰেম-বিৰহ, আনন্দ, আত্মবিলুপ্তি আদি ৰহস্যবাদৰ বিশিষ্ট উপাদান। নামঘোষা, দেহবিচাৰৰ গীত, বংগৰ বাউল সংগীত আদিত ৰহস্যবাদৰ প্ৰকাশ ঘটিছে। ৰহস্যবাদৰ উৎপত্তি কেতিয়া হৈছিল, ক'ত হৈছিল এই সম্পৰ্কে ক'ব লাগিব যে প্ৰাচ্য-পাশ্চাত্যৰ প্ৰধান ধৰ্ম আন্দোলনৰ লগতে ৰহস্যবাদৰ যোগসূত্ৰ পৰিলক্ষিত হৈছিল। খ্ৰীষ্টীয় যুগৰ আগতে গ্ৰীচ আৰু ইজিপ্তুতো এনে ভাবধাৰাৰ উদ্ভৱ হৈছিল। প্লেটোৰ ভাবধাৰাও মুখ্যতঃ ৰহস্যবাদী ভাবধাৰা আছিল। ভাৰতীয় ৰহস্যবাদৰ সম্বন্ধ উপনিষদ আৰু বেদৰ লগত। উপনিষদৰ সময়ৰ পৰাই ৰহস্যবাদৰ সুৰ শুনা যায়।

অসমীয়া সাহিত্যত কেইবাগৰাকী কবিৰ ৰচনাত ৰহস্যবাদ ভাবধাৰা স্পষ্ট। অসমীয়া ৰহস্যবাদী কবিতাৰ ক্ষেত্ৰত তেনে স্মৰণীয় নাম হৈছে নলিনীবালা দেৱী। অসমীয়া কাব্য কাননৰ এগৰাকী প্ৰসিদ্ধ কবি নলিনীবালা দেৱীক কবিতাৰ অনুশীলনত, বিশেষকৈ 'জয়ন্তী', 'সুৰভি' আৰু 'আবাহন' আলোচনীয়ে উৎসাহিত কৰিছিল। প্ৰকৃতপক্ষে প্ৰথম বিশ্বযুদ্ধৰ পৰৱৰ্তী কালছোৱাৰ পৰাই নলিনীবালা দেৱীয়ে অসমীয়া মহিলা কবিসকলৰ নেতৃত্ব দি আহিছে।

কবিগৰাকীৰ কাব্যৰ সংবেদনশীলতাই আমাক সকলো কালতে এক অনাবিল আনন্দ দি আহিছে।

নলিনীবালা দেৱীৰ কাব্যৰ বিষয়বস্তু আৰু অনুপ্ৰেৰণা কি এই প্ৰশ্নৰ উত্তৰত একেষাৰেই ক'ব পাৰি যে ব্যক্তিগত জীৱনৰ বিষাদ-বেদনা, আশাভংগ আৰু এটি ৰহস্যময় ৰসময় সত্তাৰ ওপৰত গভীৰ বিশ্বাস— এয়েই নলিনীবালা দেৱীৰ কাব্যৰ মূল প্ৰেৰণা বা প্ৰাণশক্তি। বেদনাৰে সিক্ত তেওঁৰ হৃদয়, জীৱনক জৰ্জৰিত কৰা দুখ-বেদনাক তেওঁৰ স্নিগ্ধ কৰুণাভৰা কবিতাবোৰৰ মাজেৰে ৰূপায়িত কৰিছে। সন্ধিয়াৰ সুৰ (১৯২৮), সপোনৰ সুৰ (১৯৪৮), পৰশমণি (১৯৫৫) যুগদেৱতা (১৯৫৮), জাগৃতি (১৯৬২), অলকানন্দা (১৯৬৪) আৰু অন্তিমৰ সুৰ (১৯৭৭) আদি কবিতাপুথি যথেষ্টসংখ্যক কবিতা সম্ভাৰেৰে নলিনীবালা দেৱীৰ কবিতা সমৃদ্ধ।

বিষয়বস্তুৰ পৰিৱেশনলৈ লক্ষ্য ৰাখি নলিনীবালা দেৱীৰ কবিতাসমূহক প্ৰধানকৈ চাৰিটা ভাগত ভগাব পাৰি — (১) শোক কবিতা, (২) স্বদেশ প্ৰীতিমূলক কবিতা, (৩) প্ৰকৃতিবিষয়ক কবিতা আৰু (৪) ৰহস্যবাদী কবিতা। কবিগৰাকীৰ কবিতাসমূহক আন আন ভাগত বিভক্ত কৰিলেও আচলতে তেওঁৰ সৰহভাগ কবিতাত ৰহস্যবাদৰ সুঁতি এটি অহৰহ বৈ আছে। 'সন্ধিয়াৰ সুৰ'ৰ প্ৰায় কবিতাতে বিভিন্ন ভাব-অনুভূতিৰ মাজতো ৰহস্যবাদৰ সুৰ, পৰমজনৰ ওচৰত আত্মসমৰ্পণৰ ভাবৰ চিত্ৰ পৰিস্ফুট হৈছে। সপোনৰ সুৰ, যুগদেৱতা, পৰশমণি আৰু অলকানন্দা সেই ভাবেই ভিন্ন ভিন্ন ৰূপত জিলিকি উঠিছে। কবিয়ে এক অখণ্ড জোৰ পোহৰৰ সহায়ত পৰম সত্যক অন্তৰত উপলব্ধি কৰিছে আৰু সেই সত্যৰ লগত একীভূত হৈ এক অসীম আনন্দ সাগৰৰ ফালে গতি কৰিছে। বাস্তৱ জীৱনৰ সকলো দুখ-বেদনাৰ মাজতো কবিয়ে সত্য আৰু সুন্দৰৰ পৰশ লাভ কৰিবলৈ চেষ্টা কৰা দেখা যায়। নলিনীবালা দেৱীৰ ৰহস্যবাদ তীব্ৰ ভগৱতপ্ৰেমী। তেওঁ ভগৱানৰ ওচৰত প্ৰিয়াৰূপে আত্মসমৰ্পণ কৰিছে। তেওঁৰ আত্মসমৰ্পণত যি কাৰুণ্য আছে, সেই কাৰুণ্য নিয়ৰসিক্ত শেৱালি ফুলৰ দৰেই স্নিগ্ধ।

'পৰশমণি' কবিতা পুথিৰ বাটচ'ৰাতে নলিনীবালাদেৱীয়ে নিজেই লিখিছে— "সত্য উপলব্ধি বা অনুভূতিৰ বস্তু। জীৱনৰ এনে মধুৰ মুহূৰ্তত লাভ কৰা এটি পৰম সত্যৰ সন্ধান মোৰ 'পৰশমণি' যি পৰশমণিৰ পৰশত জীৱনে উপলব্ধি কৰিলে, 'মানুহে তপস্যা নিবিচাৰে, তপস্যাই মানুহক বিচাৰি ফুৰে।" মানুহৰ অনন্ত প্ৰতিভাময় আত্মাক অৱলম্বন নকৰিলে তপস্যাৰ প্ৰকাশৰ পথ নাই। সেইবাবে মহাশক্তিৰ আধাৰ বিশ্বৰ প্ৰতিভূ; সূৰ্য্য-চন্দ্ৰৰ জ্যোতি আৰু শক্তিত, জ্যোতিৰ্ময় অমৰ মানৱ আত্মাক তপস্যাই বিকাশৰ বাহন কৰিবলৈ বিচাৰি ফুৰে।" অন্তৰৰ দুখ-বেদনাৰে বিগলিত কবিতাসমূহৰ জৰিয়তে কবিয়ে পৰম সত্যৰ সন্ধানত ব্ৰতী হৈছে আৰু কৰ্তব্যৰ মাজেদিয়েই সেই সত্যালোকৰ সন্ধান কৰিছে।

কর্তব্যৰ আঁৰে আঁৰে
জীৱনৰ গতি পথে পথে
সত্যালোক পাৱা তুমি দেখা
জীৱনৰ পাৰে পাৰে
চঞ্চল নূপুৰ ধ্বনি
অঁকা দিব্য চৰণৰ ৰেখা।

জগতৰ বৰ্ণ-বৈচিত্ৰ্যৰ অন্তৰালত থকা সত্য শিৱ সুন্দৰৰ লগত মিলনেই কবিৰ একান্ত আকাংক্ষা। এই আকাংক্ষাৰ উৎস হৈছে জীৱনৰ বিৰহ। প্ৰকৃতিৰ সৌন্দৰ্য্য, বিহংগৰ সুললিত সংগীত, নৈ-জান-জুৰি, ধ্যান-গম্ভীৰ পৰ্বতৰ ৰূপৰ মাজতো উপলব্ধি কৰিছে সৰ্বশক্তিমান ভগৱানৰ অবিনশ্বৰ ৰূপ। জগতৰ পৰিদৃশ্যমান সৌন্দৰ্য্যই কবিক চিৰসুন্দৰৰ সনাতন ৰূপৰ পৰিচয় দাঙি ধৰিছে। কবিয়ে অনুভৱ কৰিছে—

তৃপ্তিৰ চন্দনে ব'ব প্ৰাণে প্ৰাণে
প্ৰেমৰ আকাশী মন্দাকিনী
মধুময় শান্তিময়
চিৰসুন্দৰৰ পৰশত
অমৃত চেতনাময় সুধাস্পৰ্শ মণি।

এইগৰাকী কবিৰ চিন্তাধাৰা আছিল আধ্যাত্মিক জ্ঞান আৰু অধ্যয়নেৰে পৰিপুষ্ট। ভাৰতীয় দৰ্শনত গভীৰ আস্থাশীল কবিয়ে জন্মান্তৰবাদৰ কথা বিশ্বাস কৰিছে। আত্মাৰ অবিনশ্বৰতাৰ কথা আৰু আত্মাই যে কৰ্মফল ভোগ কৰিব লাগিব, সেইকথা সন্ধিয়াৰ সুৰৰ সৰহভাগ কবিতাতে প্ৰতিধ্বনিত হৈছে। মানৱ প্ৰকৃতিৰ মাজতো কবিয়ে অন্তহীন ৰহস্য দেখা পাইছে। মানুহৰ বাসনা অন্তহীন; নিজৰ কৰ্মৰ ফলতেই নিজেই আবদ্ধ হৈ বাৰে বাৰে মানুহ সংসাৰ-চক্ৰলৈ গতি কৰে। চিৰন্তন আত্মাৰ সনাতন স্পৃহা হ'ল পৰমাত্মাৰ দেহৰূপী সজাৰ পৰা মুক্ত হৈ পৰম পুৰুষ পৰমাত্মাৰ লগত বিলীন হোৱাৰ বাবে মানুহ সদা ব্যাকুল। কবিৰ 'পৰমতৃষ্ণা' কবিতাত সেই সুৰেই অনুৰণিত হৈছে—

"কতবাৰ জনমিলোঁ তোমাৰ কোলাত
গইছিলোঁ আকৌ উভতি
অপূৰণ কৰমৰ ভাৰ বান্ধি লই
ঘূৰি ঘূৰি আহিছোঁ উভতি।"

○ ○ ○

"দূৰণিৰ পখীজাক মিলি যায় দিগন্তত

মাতি যায় আকুল সুৰত
প্ৰতিধ্বনি বাজে সুদূৰত
জীৱন লগৰী মোৰ পিঞ্জৰাৰ পখীটিও
মিলি যাব খোজে অনন্তত
অসীমৰ অচিন বাটত।"

সাংসাৰিক জীৱনৰ প্ৰেম আৰু বিৰহে কেনেকৈ ঐশ্বৰিক প্ৰেমৰ পথ উজলাই তুলিছে তাৰ স্মৃতি আছে কবিগৰাকীৰ 'অনাহুত' কবিতাটিত -

"জীৱনত কোনো দিনে
নপৰিল তোমাক মনত
আজি এই আবেলিৰ বিদায় পৰত
গহীন এন্ধাৰে ঢকা
সীমাহীন সাগৰ পাৰত
তোমালৈ পৰিছে মনত।"
অ' মোৰ পৰম প্ৰিয়
তুমি ক'ত তুমি ক'ত?

জীৱনত যাত্ৰাপথত কবিৰ পৰমেশ্বৰক দেখাৰ আগ্ৰহ পলে পলে বাঢ়িছে। মোহত অন্ধ কবিৰ মনে তেওঁক বাহিৰত অন্বেষণ কৰিছে। অথচ সেই পৰমজন আছে তেওঁৰ হিয়াতে। কবিয়ে নিজৰ অনুভূতিৰে গম পাইছে যে কোনোবাই যেন তেওঁক আকুল সুৰেৰে সুদূৰৰ পৰা মাতিছে— সেই আকুল সুৰেই হ'ল পৰমজনাৰ সুমধুৰ সুৰ।

"কোনেনো সদাই মাতে
আকুল উতলা মাতে
কোন দূৰ-সুদূৰৰ পৰা
যদি তেওঁ থোৱা নাই
বিয়াকুল জীৱনৰ
শান্তিময় সুখৰ নিজৰা।"

মৃত্যু জীৱনৰ চৰম সত্য। মানৱ জীৱনত ইয়াৰ প্ৰভাৱ অনিবাৰ্য্য। বাহ্যিক দৃষ্টিত সৰ্বসাধাৰণৰ কাৰণে মৃত্যু কৰুণ। কিন্তু ৰহস্যবাদীৰ ধ্যান-ধাৰণাত মৃত্যু জীৱৰ আত্মা আৰু পৰমাত্মাৰ মিলন সাঁকোহে। গতিকে তেনে মিলনত বিষাদ নাই, আছে অমল শান্তিহে। নলিনীবালা দেৱীৰ কবিতাতো এই ধ্যান-ধাৰাণাৰ পূৰ্ণ প্ৰকাশ ঘটিছে। উদাহৰণস্বৰূপে - 'শেষ অৰ্ঘ্য' কবিতাটিত কবিয়ে লিখিছে—

"চিতাগ্নি হোমাগ্নি হ'ব
সমীৰণ মলয় চন্দন
সিদিনা সাৰ্থক হ'ব
পূৰ্ণ অৰ্ঘ্য পূৰ্ণ ই জীৱন।"

মন কৰিবলগীয়া যে নলিনীবালা দেৱীৰ আত্মপৰিজন বিয়োগজনিত শোকৰ কবিতাৰাজি অকল বেদনাৰ সংগীয়েই নহয়; এনে সুৰীয়া কবিতাৰাজিৰ মাজেৰেও কবিয়ে সন্ধান দিছে ৰহস্যবাদৰ। দেশপ্ৰেমমূলক কবিতাসমূহত কবিয়ে দেশৰ প্ৰতি থকা গভীৰ অনুৰাগ প্ৰকাশ কৰাৰ লগতে জননী জন্মভূমিৰ বীৰ-বীৰাংগনাসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে।

দৰাচলতে নলিনীবালা দেৱীৰ কবিতাৰ ৰহস্যবাদৰ দিশটো অনুধাৱন কৰিলে কবিৰ প্ৰাচীন ভাৰতীয় সংস্কৃতি আৰু আদৰ্শৰ প্ৰতি যে এক গভীৰ শ্ৰদ্ধা আছিল, কীৰ্তন, দশম, ঘোষা ৰত্নাৱলী, গীতা ভাগৱত গভীৰভাৱে অধ্যয়ন কৰিছিল, কবিগৰাকীৰ অন্তৰত যে এটি আধ্যাত্মিক সাঁচ বহুৱাইছিল, সেইকথা অনুভৱ কৰিব পাৰি। নলিনীবালা দেৱীৰ কবিতাৰ ধাৰা সম্বন্ধে আলোচনা কৰি পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে লিখিছে— "দুখৰ কৰুণ সুৰ শুনা গ'লেও 'সপোনৰ সুৰত' নিৰাশাৰ ভাব দেখা নাযায়। মহিলা কবিৰ আধ্যাত্মিক সাহ প্ৰশংসনীয়। মানৱ জীৱনৰ অসীম ভৱিতব্যতাৰ ওপৰত কবিয়ে বিশ্বাস ৰাখিছে আৰু 'মানুহ ধৰম'ৰ উচ্চত্ব বখানিছে।"

শব্দচয়ন, ভাব-ব্যঞ্জনা, ছন্দ প্ৰয়োগ, প্ৰতীক আদিৰ সমন্বয়ত নলিনীবালা দেৱীৰ কবিতা গীতিময়, সৌন্দৰ্য্যময় হৈ উঠিছে। কবিতাসমূহত কবিয়ে ব্যৱহাৰ কৰা শব্দৰাজি সৰল আৰু কোমল। মিলিতান্ত ছন্দৰ ব্যৱহাৰত কবিতাসমূহৰ সুষমা বাঢ়িছে, শ্ৰুতিমধুৰ হৈছে। যেনে—

"আজি মই সুৰ গীতি ছন্দ
দীপ শিখা ধূপ গন্ধ
আৰতি পঞ্চদীপ পুষ্প উপচাৰ
মই আৰাধনা— পূজাৰিনী চিৰ সুন্দৰৰ।"

প্ৰকৃততে সমসাময়িক ৰোমাণ্টিক আন্দোলনৰ ভৰপক কালতে ৰহস্যবাদী কবিতা ৰচনাৰে অসমীয়া কাব্য কাননত নলিনীবালা দেৱীয়ে এখন অদ্বিতীয় আসন লাভ কৰিবলৈ সক্ষম হৈছে। সাৰ্থক ৰহস্যবাদী কবিস্বৰূপে নলিনীবালা দেৱীৰ স্থান সদায় স্মৰণীয় হৈ ৰ'ব। ❑

দেৱকান্ত বৰুৱাৰ 'সাগৰ দেখিছা'

শব্দৰ যাদুকৰ দেৱকান্ত বৰুৱাৰ কবিতা অসমীয়া সাহিত্যৰ এক অন্তৰংগ সম্পদ। অসমীয়া ৰোমাণ্টিক কবিতা আৰু আধুনিক কবিতাৰ মাজৰ সন্ধিক্ষণৰ কবি দেৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ প্ৰবাহত যি সংগীতময়তা আৰু কথাৰ সুৰ বোৱাই আনিলে সি অনন্য। সীমিত অথচ সুকীয়া কবিতা ৰচনাৰে যিসকল কবিয়ে অসমীয়া সাহিত্যত আলোড়ন তুলিব পাৰিছে, সেইসকলৰ ভিতৰত দেৱকান্ত বৰুৱা অগ্ৰণী আৰু জনপ্ৰিয়। মাথোন এখন কবিতা পুথি ৰচনাৰে দেৱকান্ত বৰুৱাই কবিতাত পুৰণি ছন্দৰ ঘেৰটো ভাঙি ভাব-ভাষা, শব্দ, ছন্দৰ নব বিন্যাসেৰে বোৱাই দিলে এক নতুন কাব্যিক সাজ।

'সাগৰ দেখিছা' কবিগৰাকীৰ একমাত্ৰ কবিতা সংকলন। মুঠতে পঁইয়ত্ৰিশটা কবিতাৰে সমৃদ্ধ 'সাগৰ দেখিছা'ৰ ভাব-ভাষা, প্ৰকাশভংগীত নতুনত্ব আছে। কথাৰ ভাষাৰে কবিতা লিখাৰ যি প্ৰয়াস, সেয়া দেৱকান্ত বৰুৱাৰ কবিতাতেই প্ৰথম লক্ষ্য কৰিব পাৰি। দেৱকান্ত বৰুৱাৰ কবিতা 'সাগৰ দেখিছা'ৰ কেইটামান যুগজয়ী কবিতা এই আলোচনালৈ আনি বিশ্লেষণ কৰি চাবৰ যত্ন কৰা হ'ল।

সংকলনটিৰ সূচীপত্ৰ অনুযায়ী প্ৰথম কবিতা 'সাগৰ দেখিছা?' মুঠতে নটা স্তৱকৰ এক অনুপম সজ্জা। 'সাগৰ দেখিছা?' কবিতাটো আবৃত্তি কৰিলে প্ৰথম দৃষ্টিতে আমাৰ মানসত ভাহি উঠে নাটকীয় ভংগীমা। প্ৰশ্নসূচক বাক্যৰ অৱতাৰণাৰে কবিতাটোৰ আৰম্ভণি হৈ তাৰ বিকাশলৈকে প্ৰশ্নসূচক বাক্যৰ গাঁথনি বিদ্যমান।

"সাগৰ দেখিছা? দেখা নাই কেতিয়াও?...
"মোৰ ই অন্তৰখনি সাগৰৰ দৰে নীলা বেদনাৰে—
দেখা নাই তুমি?"
"শুনা নাই? মোৰ সাগৰত তুমি শুনা নাই ধুমুহাৰ
উতলা সংগীত?
বুজা নাই? অনুভৱো কৰা নাই ফুলনিত বসন্তৰ
কোমল ইংগিত?"

এনেদৰে গোটেই কবিতাটো চৈধ্যটা প্ৰশ্নসূচক বাক্যৰ সান্নিধ্যত নাটকীয় একোক্তিৰ মাজত কবিতাৰ সাংগীতিক লহৰ নিহিত হৈ আছে। এক অভিনৱ ছন্দসজ্জাৰ দ্বাৰা কবিতাৰ ভাষাৰ এক নতুন আয়তন দিছে। দেখা গৈছে, তেওঁৰ কবিতাৰ ভাষা গদ্যৰ সমীপৱৰ্তী অথচ তাত ছন্দৰ সাৱলীলতা আছে।

কবিতাটিত 'সাগৰ' শব্দটি প্ৰতীক হিচাপে গ্ৰহণ কৰা হৈছে। সাগৰৰ বৰ্ণনাত সাগৰ হৈয়ে থকা নাই, প্ৰতীকী ৰূপ ল'বলৈ আৰম্ভ কৰিছে। সাগৰ তীৰত থিয় হৈ মানুহে সাগৰৰ অনন্ত প্ৰকৃতিৰ কথা ভাবি ভাবি আপোন পাহৰা হ'ব পাৰে। কবিৰো মন-চেতনা অনুভূতি সাগৰৰ দৰে নীলাভ, বিশাল আৰু উত্তাল হৈ পৰিছে। 'সাগৰ' শব্দটোৱে তাৰ অভিধাৰ উপৰি ব্যঞ্জনাৰ্থ বহন কৰিছে। সাগৰ শব্দ ব্যঞ্জনাময় হৈ পৰিছে।

কবিৰ মন-চেতনাত অনুভৱ হৈছে যাউতিযুগীয়া প্ৰেম আৰু সেই প্ৰেমৰ পোহৰৰ ছাঁতে বিষাদে লুকাভাকু খেলিছে। মানুহৰ জীৱনৰ এক ঐশ্বৰ্য্যময় সম্পদ প্ৰেম— এইকথা কবিৰ কবিতাসমূহত প্ৰকাশ পাইছে। কবিৰ কবিতাত প্ৰেম হৈ উঠে বাংময়। এই প্ৰেমক চক্চকীয়া কৰি তোলে বিষাদে। সাগৰৰ বুকুৰ সীমাহীন তৰংগৰ দৰে কবিৰ অন্তৰতো প্ৰেম আৰু বিষাদৰ অলেখ ভাবৰ জোৱাৰ উঠিছে। সেয়েহে থুপ খাই থকা স্মৃতি, সংস্মৃতি সংগীতৰ ভাষাৰে সজীৱ কৰি তুলিছে—

"মোৰ ই অন্তৰখনি সাগৰৰ দৰে নীলা, বেদনাৰে
দেখা নাই তুমি?
উঠিছে মৰিছে য'ত বাসনাৰ লক্ষ ঢউ তোমাৰেই
স্মৃতি সীমা চুমি।"

প্ৰকৃতিৰ নিৰ্জনতা, নিশাৰ নীৰৱতাত কোনো পখীৰ কৰুণ মাতত কবিয়ে মানুহৰ দুখ-বেদনাৰে একাত্মীয়তা অনুভৱ কৰিছে। প্ৰকৃতিৰ বৰ্ণনাত্মক ৰূপ ভাবাত্মক দিশলৈ গতি কৰিছে। কবিয়ে গভীৰ নিশা অনুভৱ কৰা জীৱনৰ কাৰুণ্য প্ৰতিজন হৃদয়গ্ৰাহী মানুহৰ জীৱনৰে কাৰুণ্য। কবিয়ে নিজস্ব ভাব-কল্পনা, অনুভূতিৰে মানৱ জীৱনৰ অনন্ত শোকত নিজেও বিহ্বল হৈছে আৰু আনকো নিজৰ ভাবাকুল অৱস্থাত উপনীত কৰাইছে।

"মাজনিশা সাৰ পাই শুনিছানে কেতিয়াবা কৈতেকীৰ
হিয়াভগা মাত?
ভাবিছানে এটিবাৰো পখীৰ ডিঙিত কান্দে মানুহৰ
বুকুৰ সম্বাদ!"

উক্ত স্তৱকটিয়ে প্ৰতিজন ৰসাগ্ৰহী পাঠকৰ অন্তৰৰ সূক্ষ্মতম তাঁৰডালতো জোকাৰণি

তুলিব পাৰে। প্ৰেমিকৰ কাৰণে প্ৰেমিকাৰ প্ৰতি ৰহস্যৰ ভাব থাকিব পাৰে আৰু এই ৰহস্যময়তাতে প্ৰেমিকে প্ৰেমৰ সাৰ্থকতা বিচাৰি পায়। কবিৰ মানসী প্ৰিয়াই নুবুজিলেও দুখৰ পৃথিৱীত কবিয়ে হৃদয়ৰ ৰঙা তেজ ঢালি মৰহি যোৱা মালতীৰে মিলনৰ সোণালী কাৱেং ৰচিবলৈ বিচাৰে। কবিৰ বেদনাসিক্ত অন্তৰখনিয়ে পোৱা-নোপোৱাৰ হিচাপতৈও বুকুত আশাৰ সপোন বান্ধি আগুৱাই যাবলৈকে বিচাৰে—

"মই জানো তুমি কিটো জানা। হেৰা মোৰ হিয়াহীনা প্ৰিয়া!
তুমি জানা মাথোঁ
তুমি তুমি, মই মই। তুমিতো নাজানা হায়, কিয় বাৰু
কিয় আমি গাথোঁ
জঁই পৰা মালতীৰে জয়ৰ গৌৰৱমালা? মিলনৰ
কাৱেং সোণালী

কবিয়ে জীৱনৰ বিষাদ-বেদনাৰ মাজতো কোনো প্ৰাপ্তিৰ সুন্দৰ মুহূৰ্ত্তই যে চৰম সাৰ্থকতা দিব পাৰে তাক মনোৰমকৈ প্ৰকাশ কৰিছে আৰু তাতেই জীৱনৰ মূলমন্ত্ৰ স্পষ্ট হৈ উঠিছে।

ইংৰাজী সাহিত্যৰ প্ৰেমৰ কবিতাৰ ইতিহাসত এক অগতানুগতিক বৈচিত্ৰ্যৰ সমাবেশ ঘটায় ভিক্টোৰিয়া যুগৰ দুৰন্ত আশাবাদৰ কবি লৰ্ড ব্ৰাউনিঙে। ব্ৰাউনিঙৰ 'The last ride together' এটা সুন্দৰ আৰু জনপ্ৰিয় প্ৰেমৰ কবিতা। এই কবিতাটোত ব্যৰ্থ প্ৰেমৰ মাজতো জীৱনৰ সাৰ্থকতা প্ৰকাশ পাইছে। ঐতিহ্যময় প্ৰেমৰ জয়যাত্ৰা আৰু চিৰ সেউজীয়া বোলৰ মাজতেই নিহিত হৈ আছে জীৱনৰ পৰম অৰ্থ। ব্ৰাউনিঙৰ প্ৰেমৰ কবিতাৰ দৃষ্টিভংগী অকল আবেগধৰ্মীয়েই নহয়, বৌদ্ধিক তাৎপৰ্য্যও পৰিস্ফুট হৈছে—

"What if we still ride on, we two,
With life for ever old yet new,
Changed not in kind but in degree,
The instant made eternity-
And heaven just prove that I and she
Ride, ride together, for ever ride?"

ব্ৰাউনিঙৰ কবিতাৰ নাটকীয় স্বগতোক্তিৰ নিচিনা শৈলী দেৱকান্ত বৰুৱাই অপূৰ্ব আৰু স্বকীয় ভংগীৰে প্ৰয়োগ কৰিছে 'সাগৰ দেখিছা'ৰ কবিতাসমূহত। বিশেষকৈ সাগৰ দেখিছা, কলংপাৰত মাজনিশা, দেৱদাসী, অসাৰ্থক?, বিষকন্যা, আমি দুৱাৰ মুকলি কৰো, ৰঙা এটি কৰবীৰ ফুল আদি কবিতাসমূহত মৌলিকতা আৰু নাটকীয়তা বিশেষ তাৎপৰ্য্যপূৰ্ণ

দিশ। নাটকীয় একোক্তি (*Dramatic monologue*) দেৱকান্ত বৰুৱাৰ কাব্যশৈলীৰ প্ৰধান শিল্প-কৌশল আৰু সেয়েহে তেওঁৰ কবিতা পাঠ কৰিলে চৰিত্ৰসমূহৰ অন্তৰ্জগতখনৰ পৰিচয় আৰু মনস্তাত্ত্বিক স্পৰ্শ অনুভৱ কৰিব পাৰি।

দেৱকান্ত বৰুৱাৰ কবিতাৰ মূল সুৰ হৈছে প্ৰেম। এই প্ৰেম মানৱীয় প্ৰেম। জীৱনৰ সৌন্দৰ্য্য আৰু মহত্ব প্ৰেমৰ মাজেদিয়েই সূচিত হয়। জীৱনৰ সংগ্ৰাম, ক্ষণস্থায়িত্ব আৰু অসহায়তাৰ মাজেদি প্ৰেমৰ যি ক্ষণিক প্ৰভাই জীৱন উজ্জ্বল কৰি তোলে, সেই প্ৰভা দেৱকান্ত বৰুৱাৰ কবিতাত প্ৰতিফলিত হৈছে। মানৱীয় প্ৰেম সগৌৰৱে স্বীকাৰ কৰাৰ আঁৰতো বিষাদৰ সুৰৰ অনুৰণন ধ্বনিত হৈছে। ব্যৰ্থতাৰ মাজেদিয়ে এক শাশ্বত জীৱনৰ সাৰ্থকতাক প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰিছে। প্ৰেমৰ মাজেদিয়েই যে অনন্ত জীৱনৰ স্বপ্ন মুকুলিত হয় তাক প্ৰত্যাশা কৰিছে। গতিকে কবিৰ প্ৰেমৰ ক্ষেত্ৰত যি দৃষ্টিভংগী সি কেৱল আৱেগধৰ্মীয়েই নহয়, আধ্যাত্মিকো।

"আজি মোৰ বাৰ্দ্ধক্য জড়িত কণ্ঠ;
তথাপিও তাৰে কৈ যাওঁ
মাথোঁ তোমাকেই—
হেৰা মোৰ সূৰ্য্যাস্ত পাৰৰ হেমৰেখা!
নিন্দা খ্যাতি জয় পৰাজয়
অসত্য সকলো
সত্য মাথোঁ হে ছলনাময়ী! তোমাৰ গভীৰ প্ৰেম
আৰু সত্য হে তুলনাহীনা!
তোমাৰ দেহৰ খাঁজে খাঁজে থকা
অনুপম
আত্মাৰ সুৰভি।।" (বিষ কন্যা)

পূৰ্ণতা নাথাকিলেও কলঙৰ পাৰত মাজনিশা আনৰ হ'বলৈ ওলোৱা প্ৰেয়সীক ক্ষন্তেকৰ বাবে হ'লেও লগ ধৰি কবিৰ অন্তৰাত্মা আনন্দিত হৈ উঠিছে পৌৰষত্বৰ চৰম আনন্দত

"মোৰ অহঙ্কাৰ
প্ৰথম জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা!
হিয়াৰ তোমাৰ।"

(কলংপাৰত মাজনিশা)

কবিয়ে নিজ অন্তৰৰ সকলো কামনা-বাসনা প্ৰাণখুলি কৈছে, গোপন কৰা নাই। প্ৰেমৰ

আনন্দ, বিষাদ-বেদনা তেওঁ সংযত ৰূপত প্ৰকাশ কৰিছে। কবি দেৱকান্ত বৰুৱাৰ কবিতাত শৃংগাৰ আছে, কিন্তু তাৰ মাজতো সংযতভাৱেই করুণ ৰসৰ সুঁতি এটি প্ৰবাহিত হৈ আছে।

মন কৰিবলগীয়া যে 'লাচিত ফুকন', 'মোৰ দেশ মানুহৰ দেশ' এই কবিতা দুটা কবিৰ আনবিলাক প্ৰেমৰ কবিতাৰ তুলনাত ভিন্নসুৰৰ। এই কবিতা দুটাত কবিৰ ব্যক্তিগত প্ৰেম জাতীয় প্ৰেমলৈ ৰূপান্তৰিত হৈছে। জাতীয় জীৱনৰ ঐতিহ্যৰ স্বৰূপটো ফঁহিয়াই মানুহক পুনৰ আহ্বান জনাইছে মানুহৰ দৰে জীয়াই থাকিবলৈ, আশাৰ প্ৰদীপ জ্বলাবলৈ—

"এই দেশ ৰাখিব লাগিব।
এইখন আপোনাৰ দেশ,
এইখন মৰমৰ দেশ
এইখন মানুহৰ দেশ।"

আচলতে কবিতাৰ ভাষা যাদুকৰী ভাষা। ধ্বনি, শব্দ, বাক্যৰ সংযোগত এই যাদুকৰী ভাষা গঢ় লৈ উঠে। কবিয়ে এনে কিছুমান বাছকবনীয়া শব্দ প্ৰয়োগ কৰে যিয়ে আমাক শব্দ সম্পৰ্কে শিহৰিত কৰে, শব্দৰ ধ্বনিয়ে আনন্দ দান কৰে। ইংৰাজী শব্দও কবিতাৰ মাজত ব্যৱহাৰ কৰিছে। যেনে— লোকেলবৰ্ড, চিভিল-পিনালে-ক'ড, এচেম্ব্ৰী, মক্‌ফাইট।

দেৱকান্ত বৰুৱাৰ কবিতাত ছন্দৰ সাবলীলতা বৰ্তমান। তেওঁৰ কবিতাসমূহ ত্ৰিপদী ছন্দত ৰচা। অসমীয়া কবিতাত ত্ৰিপদী ছন্দৰ গতিময়তা দান কৰিছিল দেৱকান্ত বৰুৱাই। ত্ৰিপদীত যতি নিয়ন্ত্ৰিত তিনিটাকৈ পৰ্ব থাকে। দেৱকান্ত বৰুৱাৰ কবিতা পাঠ কৰিলে এই লক্ষণটো আৰু মিত্ৰাক্ষৰতা সহজতে দৃষ্টিগোচৰ হয়। উদাহৰণ ঃ

"চৰাইৰ মাতত প্ৰিয়া! পখিলাৰ উৰণত
কৰিছোঁ যি সুৰৰ সন্ধান,
কলিৰ-টোপনি-ভাঙি বতাহ বলিয়া কৰা
তুমি মোৰ সেই ছন্দগান" (ওলগ)

"মই কবি
আঁকো সেই অচিনাকি সুন্দৰৰ ছঁয়াময়া ছবি
ভাষাৰ তুলিৰে,
সৃষ্টি কৰোঁ অমৃতৰ অপূৰ্ব মূৰতি
ছন্দৰ ৰহন সানি
ধৰাৰ ধূলিৰে।" (সুন্দৰ)

কবিতা সংগীত আৰু চিত্ৰৰ মিলনভূমি। শব্দৰ ধ্বনিয়ে কবিতাত সংগীতৰ গুণ আনি

দিয়ে আৰু শব্দৰ অৰ্থই চিত্ৰ প্ৰতিভাত কৰে। সুন্দৰ শব্দচয়নে শব্দৰ ধ্বনিৰ সৌন্দৰ্য্য বহন কৰাৰ উপৰি অৰ্থৰো পুষ্টিসাধন কৰে। শব্দৰ সুবিন্যাস সাহিত্যকলাৰ অন্তৰ্গত এটা বিশেষ শিল্প। দেৱকান্ত বৰুৱাৰ কবিতাত শব্দালংকাৰযুক্ত ধ্বনিয়ে আমাক মুগ্ধ কৰে। 'সাগৰ দেখিছা'ত বিশেষকৈ অন্ত্যানুপ্ৰাস অলংকাৰৰ সৰব আৰু সঘন প্ৰয়োগ ঘটিছে। কবিতাৰ বিভিন্ন চৰণৰ শেষৰ ব্যঞ্জন বৰ্ণৰ মিল থাকিলে অন্ত্যানুপ্ৰাস হয়। উদাহৰণ ঃ

"মৰুভূমিৰ নিজান মৰুদ্যান
দূৰত শুনি উটৰ পিঠিত বেদুঈনৰ গান,
তৃষ্ণা-আকুল হায়
মৰু-পথিক যায়
কোন গাভৰুৰ মিলন আশাত হৃদয় বিয়াকুল।
মৰীচি! তোৰ উদাস বুকুত পথিক-তেজৰ বোল!"

(পূজাৰ ফুল)

"সংশয়ৰ ধুমুহাত নাচিছে আমাৰ নাও বেদনাৰ
মহাসাগৰত,
আমাৰ দুখৰ তুমি নলবানে ভাগ বাৰু? ৰং চাই
থাকিবা পাৰত?"

(দেৱদাসী)

"যৌৱন যৌৱন
সৃষ্টিৰ মৌ বন
অনাগত জীৱনৰ অনাহুত গান;
মন্দাৰ সৌৰভ
স্বৰ্গৰ গৌৰৱ
ধূলিময় ধৰণীত মাধুৰীৰ বান।"

(যৌৱন)

দেৱকান্ত বৰুৱাৰ কবিতাত ব্যৱহৃত হোৱা ভাষা প্ৰতীকযুক্ত, কিন্তু জটিল নাছিল। ৰোমাণ্টিক যুগত অসমীয়া কবিতাত প্ৰয়োগ হোৱা ইমেজ বা চিত্ৰকল্পই কবিতাক এক বিশিষ্ট ৰূপ দান কৰিছে। দেৱকান্ত বৰুৱাৰ কবিতাত চিত্ৰকল্পসমূহ জীৱন্ত আৰু হৃদয়স্পৰ্শী হৈ উঠিছে। দৰ্পণ চিত্ৰকল্প, স্বপ্ন চিত্ৰকল্প, সাধাৰণ চিত্ৰকল্প আৰু বিস্তৃত চিত্ৰকল্পৰ প্ৰয়োগত কবিগৰাকীৰ নিজস্ব দৃষ্টিদৰ্শন, মৌলিকতা আৰু সংবেদনশীলতা ফুটি উঠিছে। আধা পোহৰ, আধা ছাঁয়াৰ ব্যঞ্জনা চিত্ৰকল্পসমূহত আছে।

"মনে মনে আহিবা লাহৰী! যিদৰে সন্ধ্যাৰ ছাঁই
মনে মনে পৃথিৱী আবৰে
লয়লাসে আহিবা সাদৰী! শৰতৰ আকাশত
বগলী উৰণৰ দৰে।"

(ৰঙা এটি কৰবীৰ ফুল)

"ঢুকিয়ে নোপোৱা দীপ্তি নিবিচাৰোঁ মই আকাশৰ
দূৰণি তৰাৰ;
এগছি মাটিৰ চাকি—, সেয়ে হ'ব মোৰ, আঁতৰাব
নিশাৰ এন্ধাৰ"

(ৰহস্য)

দেৱকান্ত বৰুৱাই 'সাগৰ দেখিছা' ৰচনাৰে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক আন্দোলনৰ অন্তিম কালছোৱাত গুৰি ধৰি সাহিত্যজগতৰ পৰা আঁতৰি গ'ল। তেওঁ নতুন যুগৰ নতুন দিনৰ আবাহনী গীত শুনিছিল। তেওঁৰ কবিতাত ৰোমাণ্টিক তৰংগ বিধৌত আছিল অথচ নতুন কবিতাৰ দুৱাৰ মুকলি কৰাৰ ইংগিত আছিল। পৰৱৰ্তী কালত প্ৰথিতযশা কবি অমূল্য বৰুৱা, হেম বৰুৱা, নৱকান্ত বৰুৱাই নতুন কবিতাক অসমীয়া কাব্যধাৰাত বিশেষভাৱে প্ৰতিষ্ঠা কৰে। যি কি নহওক, ব্যক্তিত্ব আৰু বৌদ্ধিক উদ্ভাৱনাৰ দিশত অসমীয়া সাহিত্যত দেৱকান্ত বৰুৱা এক পৰম বিস্ময়। ❑

ড° নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচনাত সমাজ চেতনা

কোনো কলাৰূপৰ উৎসস্থলতে তাৰ পটভূমিৰূপে কিছুমান সামাজিক-সাংস্কৃতিক শক্তি জড়িত হৈ থাকে। সেয়েহে সেই কলাৰূপৰ অধ্যয়ন আৰু বিশ্লেষণত তাৰ সামাজিক দিশসমূহৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কবি, সাহিত্যিক, শিল্পী, অনুসন্ধানকাৰীমাত্ৰেই সেই পাৰিপাৰ্শ্বিক, সামাজিক পৰিমণ্ডলৰ পৰা মুক্ত নহয়, তাৰ প্ৰভাৱ পৰিবই। ব্যক্তিৰ সমৃদ্ধ বৌদ্ধিক চিন্তা-চৰ্চা আৰু সামাজিক-সাংস্কৃতিক চিন্তা-তৰংগই অসমীয়া সাহিত্যৰ সৃষ্টিশীল দিশসমূহ আলোড়িত কৰি আহিছে।

মাতৃভূমি, মানুহ আৰু ভাষা-সাহিত্য-সংস্কৃতি এইকেউটি ক্ষেত্ৰক লৈ যিগৰাকী সু-সাহিত্যিকে জীৱনজোৰা অক্লান্ত সাধনাৰে সময় অতিবাহিত কৰিছে, যাৰ চিন্তা-ভাৱনা উক্ত ক্ষেত্ৰত সন্মিলিত হৈ অসমীয়া সাহিত্য-সংস্কৃতি সমৃদ্ধ কৰিবলৈ যত্নপৰ হৈছে, তেৱেঁই হৈছে ড° নিৰ্মলপ্ৰভা বৰদলৈ। ড° নিৰ্মলপ্ৰভা বৰদলৈ এহাতে প্ৰথিতযশা কবি-গীতিকাৰ, শিশু সাহিত্যিক, প্ৰাচ্যতত্ত্বৰ গৱেষক, ঔপন্যাসিক, আনহাতে এগৰাকী সমাজ সচেতন অনন্য প্ৰতিভাসম্পন্ন নীৰৱ কৰ্মী। এতিয়ালৈকে আগবঢ়োৱা তেওঁৰ অৱদান তথা তেওঁৰ সৃষ্টিসত্তা আৰু চিন্তাৰ পৰিধিয়েই প্ৰমাণ কৰে সাহিত্যিকগৰাকী কিমান সমাজ সচেতন, কিমান আধুনিক চিন্তা-চৰ্চাৰ অধিকাৰিণী আৰু কিমান প্ৰেৰণাময়ী। প্ৰকৃতপক্ষেই তেওঁৰ সাহিত্য দৰ্শনে, সাহিত্যকৰ্মই প্ৰতিষ্ঠা লাভ কৰিছে।

সাহিত্য যদি একপ্ৰকাৰ কৰ্ম হয়, তেন্তে কিহৰ প্ৰেৰণাত মানুহে এই কৰ্ম কৰে, এইটো এটা কঠিন প্ৰশ্ন। সাহিত্যৰ বিষয়বস্তু বৰ ব্যাপক। সাহিত্যত বস্তুনিষ্ঠতা, ব্যক্তিনিষ্ঠতা দুয়োটা উপাদানেই থাকে। সেয়েহে সাহিত্যত বুদ্ধিনিষ্ঠ চিন্তা জড়িত হৈ থাকিলেও মূলতঃ সাহিত্য হৃদয়-আৱেগসৰ্বস্ব। ভাৰতীয় পৰম্পৰাত কোৱা হৈছে— সাহিত্য একপ্ৰকাৰ সুকুমাৰ কলা। 'কলয়তী তু কলা', অৰ্থাৎ কল্ ধাতুৰ পৰা অহা 'কলা' শব্দই বহন কৰিছে— যিটো ক্ষেত্ৰত অনুশীলন বা সাধনাৰ প্ৰয়োজন সিয়েই কলা। সাহিত্য, সংগীত, স্থাপত্য, ভাস্কৰ্য্য আৰু চিত্ৰ— এই পাঁচবিধ সুকুমাৰ কলাই

মানুহক আনন্দ দান কৰে। নন্দন দিব পৰা ক্ষমতাই হৈছে নান্দনিক। ভাৰতীয় নন্দন শাস্ত্ৰত কলাক 'ব্ৰহ্ম' বুলি অভিহিত কৰিছে।

সাহিত্য ৰসঃ ব্ৰহ্ম

সংগীত নাদঃ ব্ৰহ্ম

স্থাপত্য ভাস্কৰ্য্য চিত্ৰাংকনঃ বাস্তু ব্ৰহ্ম।।

এইক্ষেত্ৰত সাহিত্যৰ ৰসৰ জৰিয়তে, গীতৰ মাধুৰ্য্য আৰু সুললিত ধ্বনিৰে, স্থাপত্য, ভাস্কৰ্য্যৰ চানেকিৰ জৰিয়তে নিৰ্মলপ্ৰভা বৰদলৈয়ে যথাৰ্থতে নান্দনিক কলা সাধনাৰ অপূৰ্ব স্বাক্ষৰ সমাজলৈ আগবঢ়াইছে।

১৯৩৩ চন। দিখৌ নৈৰ পাৰৰ বুৰঞ্জীপ্ৰসিদ্ধ নগৰ শিৱসাগৰত জন্মগ্ৰহণ কৰা নিৰ্মলপ্ৰভা বৰদলৈয়ে স্বাভাৱিকতেই সাহিত্য-সংস্কৃতিৰ এক উৰ্বৰ ক্ষেত্ৰৰ পৰা ওলাই আহিছে। তেওঁৰ শৈশৱ, কৈশোৰ, যৌৱন অতিবাহিত হৈছে এক মোহময় পৰিৱেশত, সেউজীয়া প্ৰাকৃতিক পৰিৱেশৰ ছন্দিত ৰূপত আৰু নগৰীয়া কৃষ্টি-সভ্যতাৰ পোহৰত। গাঁৱৰ ভুঁইতলীৰ পৰা নগৰৰ সমাজ-সভ্যতালৈকে তেওঁৰ চিন্তা-চেতনা জাগ্ৰত হৈ আছে। গতিকে সমাজৰ লগত যে তেওঁৰ সম্বন্ধ অতি নিগূঢ় তাত সন্দেহ নাই। সামাজিক ক্ৰিয়া-কাণ্ড, আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, লোক-বিশ্বাস, লোক-কথা, লোক-গালি-শপনি, লোক-সংস্কাৰ, লোকগীত মুঠতে লোকসংস্কৃতি সম্বন্ধে সকলোখিনি অধ্যয়ন তথা জ্ঞানেই তেওঁৰ আছে। গতিকে ড° বৰদলৈৰ ৰচনাৰাজিত সমাজ চেতনাৰ প্ৰতিফলন যে নঘটিব সেইটো নহয়। নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা, গীত, উপন্যাস, সাহিত্য-সংস্কৃতি আৰু গৱেষণাধৰ্মী ৰচনা আদিত সমাজ সচেতনতাৰ আভাস আমি পাওঁ পৰোক্ষভাৱে, কেতিয়াবা প্ৰত্যক্ষভাৱে। দৰাচলতে ড° বৰদলৈৰ ৰচনা আৰু সমাজ চেতনা এটা মুদ্ৰাৰে ইপিঠি আৰু সিপিঠি।

সমাজক বাদ দি, জীৱনক বাদ দি সাহিত্য সৃষ্টি হ'ব নোৱাৰে। সমাজৰ লগত, জীৱনৰ লগত সাহিত্য নিবিড়ভাৱেই জড়িত। ড° বৰদলৈৰ ৰচনাসমূহত মানুহৰ সমাজ জীৱন সম্বন্ধে ইমান সূক্ষ্মভাৱে অথচ সুন্দৰ, সম্পূৰ্ণ ৰূপত বৰ্ণিত হৈছে যে সেয়া ৰসজ্ঞ পাঠকমাত্ৰেই অনুভৱ কৰিব। সমাজত ভাল আৰু বেয়া দুয়োটা দিশেই থাকে। সংবেদনশীল কবিৰ পক্ষে মানুহৰ প্ৰতি যি দৃষ্টি সেয়া সমবেদনাপূৰ্ণ। মানুহৰ মাজতেই, সমাজৰ দুষ্কৃতিৰ কাৰণে মৰ্মান্তিক আঘাত অনুভৱ কৰে। তেতিয়া তেওঁ যন্ত্ৰণাকাতৰ সমগ্ৰ মানৱাত্মাৰ মুক্তিৰ প্ৰতি থকা চিৰন্তন আকুলতাহে প্ৰকাশ কৰে। সংযম আৰু ন্যায়ৰ বাটেৰেহে জীৱনত আগবাঢ়িব বিচাৰে, মানৱবিদ্বেষী হিচাপে নহয়।

নিৰ্মলপ্ৰভা বৰদলৈৰ গীতিসম্ভাৰ অতি জনপ্ৰিয় আৰু চিৰসেউজীয়া। এই গীতসমূহৰ কাব্যিক সৌন্দৰ্য্য, আন্তৰিক ভাব-অনুভূতি, বিষয়বস্তু একপ্ৰকাৰ অতুলনীয়। অসমীয়া সমাজৰ তৃণমূল পৰ্যায়ৰ পৰাই বুটলি অনা বিবিধ চিত্ৰ গীতসমূহৰ মাজত প্ৰকাশিত হৈছে। আন সমাজৰ আন ভাষাত সম্ভৱতঃ এনেধৰণৰ গীতিমালঞ্চ সহজে বিচাৰি পোৱা কঠিন।

১৯৪৭ চন। ভাৰতৰ স্বাধীনতা লাভৰ পৰৱৰ্তী সময়ৰ পৰা প্ৰায় ১৯৭১ চন মানলৈ পটভূমি নিৰ্বাচন কৰি লৈ যিখন উপন্যাস ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখি উলিয়ালে, অসমীয়া উপন্যাসৰ ইতিহাসত সেইখন ব্যতিক্ৰম। ডঃ বৰদলৈয়ে নিজস্ব ভাষাশৈলী আৰু সৃষ্টিনৈপুণ্যৰে অসমৰ সত্ৰ সমাজ আৰু গ্ৰাম্য সমাজ জীৱনৰ ভিত্তিত 'জলপদ্ম' ৰচনা কৰে। উপন্যাসখনিৰ আৰম্ভণিৰ পৰা পৰিসমাপ্তিলৈকে দুখন সমাজৰ ছবি সমান্তৰালভাৱে চিত্ৰিত হৈছে। এখন অসমীয়া সাধাৰণ গ্ৰাম্য খাটি খোৱা মানুহৰ সমাজ আৰু আনখন সত্ৰৰ পৰিশীলিত সমাজ। উপন্যাসৰ বৰ্ণনা, পৰিস্থিতি, চৰিত্ৰবোৰৰ কথোপকথন, আচাৰ-ব্যৱহাৰ, বাক-বিতণ্ডা আদিত অসমৰ সামাজিক আৰু ঘৰুৱা জীৱনৰ ৰেহৰূপ স্বতঃস্ফূৰ্তভাৱে পৰিস্ফুট হৈছে। অসমৰ আৰ্থ-সামাজিক দিশৰ আভাসো উপন্যাসখনৰ জৰিয়তে পৰিলক্ষিত হৈছে।

"পাহিয়ে কি কৰিব! সুমথিৰা বায়ে কয় সবাহ পাতিবলৈ, আই সবাহ। মেধিয়ে কয় নেপাতিবলৈ। 'আমি সত্ৰৰ শিচ হৈছো। এক দেউ, এক সেউ। আই সবাহ পতাতকৈ ল'ৰাটো সত্ৰলৈ আগ কৰ। এটাহে সত্ৰলৈ দিবি। বাকী চাৰিটা পুতেৰ থাকিব নহয়। ঘৰত খুৱাবি কি, পিন্ধাবি কি?" (জলপদ্ম)

পৃথিবীৰ ভিতৰতে সৰ্ববৃহৎ নদীদ্বীপ মাজুলী। মাজুলী বুলি ক'লেই মনলৈ আহে কমলাবাৰী সত্ৰৰ কথা, গড়মূৰ, দক্ষিণপাট আদি সত্ৰৰ কথা। মাজুলীৰ প্ৰকৃতিৰ লগত উমলি-যামলি দিন পাৰ কৰা সহজ-সৰল মাটিৰ মানুহখিনিয়েই প্ৰকৃততে পবিত্ৰ অন্তঃকৰণেৰে পৰমানন্দৰ লগত বিলীন হৈ যাব বিচাৰে। বাৰিষাৰ প্লাৱনে প্ৰতিবছৰেই জুৰুলা কৰে মাজুলীৰ ৰাইজক, অথচ সত্ৰৰ নৃত্য-গীত, ভাওনাৰ ত্ৰুটি হ'বলৈ নিদিয়ে। চাৰুকলা, কাৰুকলা সকলোতে মানুহখিনিৰ ৰাপ। মুঠতে সকলো প্ৰচেষ্টাৰে, পৰম্পৰাগতভাৱে অসমক যাউতিযুগীয়া কৰি ৰাখিব বিচাৰে। কিন্তু জগত পৰিৱৰ্তনশীল। ঋতুৰে-ঋতুৰে প্ৰকৃতিয়ে সাজ সলোৱাৰ দৰে মানুহে পৰিৱৰ্তন বিচাৰে, সেই পৰিৱৰ্তন সুন্দৰৰ বাবে, উন্নত জীৱনৰ বাবে— 'জলপদ্ম'ই যেন সেই কথাকেই কৈ যায়। টুনি নৈৰ পাৰত বহি ভালপোৱা গোবিন্দই ভৱিষ্যতৰ সোণালী দিনৰ কল্পনাৰে মনক প্ৰস্তুত

কৰি তুলিছে এই কাৰণেই। শৈশৱ পাৰ কৰি কৈশোৰত ভৰি দিয়া যুৱক গোবিন্দৰ মানসিক দিগন্তৰ ছবিখনৰ লগতে আশাভৰা ভৱিষ্যতৰ সপোন ঔপন্যাসিকগৰাকীয়ে জীৱন্ত কৰি তুলিছে। সত্ৰ-সংস্কৃতিৰ চিন্তা-চৰ্চা চলাই ৰখাবো উৰ্ধ্বত শিক্ষাৰ পোহৰত বাট বুলিবলৈ গোবিন্দৰ যি মানসিকতা, সেই প্ৰচেষ্টা প্ৰশংসনীয়। 'জলপদ্ম' আমাৰ জাতীয় জীৱনৰ সঁচা প্ৰতিচ্ছবি।

ড° নিৰ্মলপ্ৰভা বৰদলৈৰ 'দেৱী', 'শিৱ', 'সূৰ্য্য' একো একোখন সাৰ্থক গৱেষণাপ্ৰসূত গ্ৰন্থ। ভাৰতবৰ্ষ তথা অসমৰ সমাজ-সংস্কৃতিত দেৱ-দেৱীৰ আৰাধনাই এক বিশেষ গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। ভাৰতীয় সাহিত্যত দেৱীক মাতৃ, জীৱনদায়িনী শক্তি আৰু তনয়াৰূপে কল্পনা কৰি নানাভাৱে দেৱীৰ ৰূপ-বৈচিত্ৰ্য আলোচিত হৈছে। সময়ে সময়ে সমাজত দেৱী পূজা, শক্তি পূজাৰ বিৰুদ্ধে প্ৰবল প্ৰতিক্ৰিয়া হৈ অহা সত্ত্বেও ভাৰতীয় জনমানসত দেৱী উপাসনাৰ প্ৰাচুৰ্য্য কমা নাই। প্ৰাগৈতিহাসিক কালৰে পৰা সমাজত দেৱীৰ মহিমা, শক্তিৰ ধাৰণা কেনেদৰে উদ্ভাসিত হৈছে, জনজাতীয় সমাজ ব্যৱস্থাত দেৱ-দেৱীৰ স্থান সম্পৰ্কে ড° বৰদলৈয়ে তন্ন তন্নকৈ অধ্যয়ন কৰিছে, সৰ্বভাৰতীয় দেৱীৰ প্ৰসংগত অসমৰ পৰ্বতে-ভৈয়ামে থকা দেৱীৰ ঐতিহাসিক বিৱৰ্তনৰ ক্ষেত্ৰ লক্ষ্য কৰিছে লগতে দেৱী মন্দিৰ বা উপাসনাগৃহৰ স্থাপত্য-ভাস্কৰ্যৰ বিভিন্ন দিশ আলোকিত কৰিছে। আমাৰ পুৰাণ, উপ-পুৰাণত স্থান পোৱা দেৱী, স্থানীয় লোক-সাহিত্য, লোক-কিংবদন্তিত স্থান পোৱা দেৱী, অলিখিত লোক-পৰম্পৰা আৰু লোক-কাহিনীৰ দেৱী— এই তিনিটা স্তৰত দেৱী সম্বন্ধে সবিশেষ আলোচনা আগবঢ়াইছে। শিৱতত্ত্বৰ লগত শক্তিতত্ত্বৰ অবিচ্ছেদ্য সম্পৰ্কৰ কথা 'শিৱ' গ্ৰন্থত বৰ্ণিত হৈছে। য'তেই শিৱ ত'তেই মহামায়া। সূৰ্য্য যেনেকৈ তাৰ ৰশ্মি অবিহনে থাকিব নোৱাৰে, তেনেকৈ শিৱশক্তিও পৰস্পৰসাপেক্ষ। তেওঁ লিখিছে—

"উপনিষদত যেনেকৈ দেখা যায় ব্ৰহ্মই এক আৰু অদ্বিতীয়, তেনেকৈ শাক্ত ধৰ্মৰ এক বিশিষ্ট ধাৰাতো দেখা যায়— দেৱীয়েই হৈছে ব্ৰহ্মস্বৰূপিণী, পৰাৎপৰা। কেৱল জীৱ-জগতৰেই নহয়, দেৱ-দেৱীৰো অধীশ্বৰী তেওঁ দ্বয়ৰহিত বুলি নিশ্চয় ক'ব পাৰি। এইকাৰণতে পুৰাণ তন্ত্ৰ আদিত শিৱাশ্ৰিতা শক্তি বা বিষ্ণু আশ্ৰিত শক্তিও নিত্যা অদ্বয়া আৰু পৰমেশ্বৰীৰূপে বন্দিতা। আকৌ কোনো কোনো স্থানত সেই শক্তি স্বআশ্ৰয়া আৰু স্বতন্ত্ৰা।" (দেৱী)

কবি নিৰ্মলপ্ৰভা বৰদলৈৰ বাবে 'জীৱন এক অনন্ত কবিতা'। কবিয়ে লিখিছে— "সুদীৰ্ঘ দিনত প্ৰতিবিম্বিত হৈছে জীৱন। এই জীৱন একে সময়তে ব্যক্তিগত, একে

সময়তে সামাজিক, সামূহিক।” আন্তঃৰাষ্ট্ৰীয় খ্যাতি কঢ়িয়াই অনা কবিসকলৰ ভিতৰৰ আগশাৰীৰ এইগৰাকী কবিৰ কবিতাৰ ভাবৰাশি বৈচিত্ৰ্যময়। অতীত আৰু বৰ্তমান সমাজৰ দুৰ্য্যোগ, দৈন্য, পংকিলতাৰে ভৰা পৰিৱেশৰ প্ৰতি কবি সচেতন। কিন্তু উদাত্তকণ্ঠে প্ৰতিবাদী সুৰৰ অভাব। প্ৰকৃততে তেওঁৰ কবিতাই আমাক দিয়ে এনে এক বাৰ্তা য'ত আছে হিংসাৰ বিপৰীতে অহিংসাৰ জয়গান, সমাজৰ দুষ্কৃতিৰ পৰিবৰ্তে সংস্কৃতি, নিৰাশাৰ পৰিবৰ্তে আশাৰ চিক্‌মিকনি, প্ৰেম, আহিনৰ পথাৰৰ মাণিকী-মাধুৰী জহাৰ সুগন্ধি; নিসংগতাৰ মাজেদিও বৈ অহা জীৱনৰ সুন্দৰতাৰ উপলব্ধি। প্ৰসংগক্ৰমে উল্লেখনীয় যে 'নিৰ্মলপ্ৰভা বৰদলৈৰ ৰচনাত সমাজ চেতনা' শীৰ্ষক নিবন্ধটিত সাহিত্যিকগৰাকীৰ ৰচনাৱলীৰ মাজেৰে নাতিসংক্ষেপেহে ফঁহিয়াই চাবলৈ যত্ন কৰা হৈছে। সূক্ষ্মভাবে বিশ্লেষণ কৰিলে হয়তো সমাজ চেতনা সম্বন্ধীয় বহুদিশেই উন্মোচিত হ'ব। ❑

প্ৰবচন ঃ পৰম্পৰা আৰু তাৎপৰ্য

প্ৰবচন শব্দৰ অৰ্থ প্ৰকৃষ্ট বা উৎকৃষ্ট বচন। লোক-জীৱনত পুৰণি কালৰে পৰা বহুতো প্ৰবচন প্ৰচলিত হৈ আহিছে। লোক সমাজৰ অভিজ্ঞতাত স্বাভাৱিকতে কিছুমান সাৰুৱা অৰ্থপূৰ্ণ কথাৰ উদ্ভৱ হয়। এই কথাবোৰ চুটি চুটি, কিন্তু তাৰ অন্তৰ্নিহিত অৰ্থ গধুৰ। সমাজ-সংগঠন, লোকজীৱন-যাপন আৰু কৰ্মৰ বিস্তৃতি ঘটাৰ লগে লগে মানুহৰ অভিজ্ঞতা, ধ্যান-ধাৰণা, চিন্তা-চৰ্চাৰ প্ৰসাৰ ঘটিছে আৰু প্ৰবচনবোৰ ৰচিত হৈছে। মৌখিক সাহিত্যৰ উল্লেখযোগ্য এক শ্ৰেণী হৈছে প্ৰবাদ-প্ৰবচন। বাচিক কলা হিচাপে কথা সুৱলা কৰিবলৈ এইবোৰ ব্যৱহাৰ কৰা হৈছিল। গ্ৰাম্য সমাজত লোকসকলে কথাৰ লাচত প্ৰবচনসমূহ প্ৰয়োগ কৰিছিল। সেই প্ৰবচনবোৰকে সময়ৰ অগ্ৰগতিত লিখিত সাহিত্যৰ অন্তৰ্ভুক্ত কৰি লোৱা হৈছে। পৃথিৱীৰ সকলো দেশৰে প্ৰায় ভাষাতে প্ৰবচনৰ ব্যৱহাৰ আছে। কথা ৰহন সানি ক'বলৈ, ৰসাল সাহিত্য সৃষ্টি কৰিবলৈ প্ৰবচনবোৰৰ ব্যৱহাৰ অপৰিহাৰ্য। প্ৰবাদ-প্ৰবচনবোৰত বহুজনৰ জীৱন অভিজ্ঞতা, জাতিৰ মনস্তত্ত্ব, আচাৰ-ব্যৱহাৰ, আদৰ্শ, শাসন-নীতি, সমালোচনা ইত্যাদি প্ৰতিফলিত হয়। লোকভাষাত প্ৰবচনসমূহৰ নিশ্চয় গুৰুত্ব আছে।

প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনাৰ সৃষ্ট ৰূপ অসমীয়া ভাষাত অলেখ। প্ৰাক্-বৈষ্ণৱ যুগ, বৈষ্ণৱ যুগ, বুৰঞ্জী সাহিত্য, কথা গুৰুচৰিতত ফকৰা-যোজনা, প্ৰবাদ-প্ৰবচনৰ সুন্দৰ নিদৰ্শনে অসমীয়া ভাষাৰ শৈলী সুন্দৰ কৰি তুলিছে। প্ৰবচনসমূহক প্ৰকাশভংগী আৰু অৰ্থৰ ফালৰ পৰা ছটা ভাগত ভাগ কৰিব পাৰি। যেনে—

(১) ফকৰা

(২) যোজনা

(৩) পটন্তৰ বা দৃষ্টান্ত

(৪) বচন বা ভনিতা

(৫) নীতিবচন

(৬) বাণী

(১) কোনো কথাৰ উদাহৰণ বা দৃষ্টান্তৰে দিয়া দুই বা ততোধিক ফাকি কথাকেই ফকৰা আখ্যা দিয়া হয়। হিন্দী ভাষাত 'ফক্কৰ' শব্দৰ অৰ্থ ধেমেলীয়া কথা কোৱা লোক। এই ফক্কৰ শব্দৰ পৰা ফকৰা অহা বুলি অনুমান হয়। ফকৰাবোৰৰ বাহ্যিক অৰ্থ শুনোতে ধেমেলীয়া যেন লাগিলেও অন্তৰ্নিহিত অৰ্থ কিন্তু গভীৰ। ফকৰাৰ বক্তব্যৰ আঁৰত থাকে একোটা নিগূঢ় অৰ্থ। যেনে—

সিয়ান চৰাইৰ ভাও
লাম্ফ দি দি আহাৰ খায়
ফান্দত নিদিয়ে পাৱ
নাৱ দিলো বঠা দিলো
আৰু দিলো চবি
বাই বতি খাব নোৱাৰে কাৰ কোন বৈৰী ('কথা গুৰুচৰিত')

(২) যোজনা ঃ যোজনা মানে সংযোজন। অৰ্থাৎ কোনো এটা সহজ কথা লগ লগাই দি মূল কথাটিৰ অৰ্থ প্ৰকট কৰি তোলা হয় বাবে ইয়াক যোজনা বোলা হয়। যেনে—

'গছ কাটোঁতাক গছে ছাঁ নিদিয়াকৈ নাথাকে।'
'চৰাইটিহে সৰু লয় হোলোং গছত বাহ।'

হোলোং গছ বৰ ওখ আৰু শকত হয়। তেনে বিশাল গছতো সৰু সৰু চৰায়ে বাহ সাজি থাকিব পাৰে। সামান্য হ'লেও বুদ্ধিৰে মানুহে ভাল কথা ক'ব পাৰে, ভাল কাম কৰিব পাৰে।

(৩) পটন্তৰ বা দৃষ্টান্ত ঃ কোনো কথাৰ উদাহৰণ দি কোৱা কথাটোৰ মূল্য বঢ়ালে তাকে পটন্তৰ বা দৃষ্টান্ত বুলি কোৱা হয়। যেনে— বহুজনৰ অনিষ্ট কৰি ফুৰা লোক বিপদত পৰিলে কোৱা হয়—

'এশ গৰু মাৰিলে বাঘৰো মৰণ।

আকৌ কোৱা হয়— 'ফুল ফুলিলে গোন্ধ ওলাবই।'

(৪) বচন বা ভনিতা ঃ ডাক, খনা আদিৰ মুখ নিসৃত বাণীবোৰক বচন বা ভনিতা বোলে। ডাক স্বল্পকাল জীৱিত আছিল বুলি কোৱা হয় অথচ ডাকৰ বচনবোৰত জ্যোতিষ, কৃষিতত্ত্ব, সমাজতত্ত্ব, বতৰ বিজ্ঞান, ৰন্ধন প্ৰকৰণ, নীতিমূলক আদি বহু অভিজ্ঞতা সঞ্চিত কথা আছে। যেনে—

ভাল আমৰ এচকল খাবা।
সজ্জনৰ লগত এখোজ যাবা।।

(৫) নীতিবচন ঃ মানুহে দৈনন্দিন জীৱনত মানি চলা কিছুমান নীতিমূলক কথা

আছে, তাকে নীতিবচন বুলি কোৱা হয়।

(৬) বাণী ঃ মহান ব্যক্তিসকলৰ অভিজ্ঞতাপুষ্ট সাৰুৱা কথাবোৰক বাণী বুলি কোৱা হয়। যেনে—

'অসীম জ্ঞানৰ সাগৰৰ মই বালিকণা এটিহে বুটলিবলৈ সক্ষম হৈছোঁ।' (নিউটন)

প্ৰবচনবোৰ গতিশীল। ই এটা ভাষাৰ পৰা আন এটা ভাষালৈ, এখন দেশৰ পৰা আন এখন দেশলৈ গতি কৰিব পাৰে। নানা ঠাইৰ বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণ, ব্যৱসায়-বাণিজ্য, আহ-যাহৰ ফলত প্ৰবচনসমূহৰ আগমন আৰু প্ৰচলন হ'বলৈ সুবিধা হয়।

আগশাৰীৰ লোক-সংস্কৃতিবিদ এলান ডাণ্ডেজে লোক বিদ্যা অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰত তিনিটা স্তৰৰ কথা উল্লেখ কৰিছে। প্ৰবচনসমূহৰ অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণৰ ক্ষেত্ৰতো এই তিনিটা স্তৰৰ কথা উল্লেখ কৰিব পাৰি। সেই স্তৰকেইটা আমি এনেদৰে বুজাব পাৰোঁ-

প্ৰবচনৰ অধ্যয়ন

পাঠ	জমিন	প্ৰসংগ
(Text)	(Texture)	(Context)

পাঠ (Text) হৈছে কোনো এটা প্ৰবচন এবাৰ আবৃত্তি কৰা। অকল প্ৰবচন বুলিয়েই নহয়, কোনো এটা সাধু এবাৰ কোৱা বা গীতটো এবাৰ গোৱাই সেই সাধু, গীত বা প্ৰবচনৰ পাঠ।

পাঠ অংশৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যই হৈছে জমিন (Texture)। শ্বাসাঘাত, সুৰ, সুৰলহৰ, ধ্বন্যাত্মকতা আদি জমিনৰ অন্তৰ্গত।

প্ৰসংগ হৈছে পাঠৰ লগতে তাৰ সামাজিক পৰিৱেশ আৰু তাৎপৰ্য। পাঠ, জমিন আৰু প্ৰসংগ— এই তিনিপ্ৰকাৰৰ স্তৰৰ ভিতৰত প্ৰসংগ (Context)ৰ গুৰুত্ব বেছি।

প্ৰবচনৰ অৰ্থ ব্যাখ্যাৰ বাবে প্ৰকৃততে প্ৰসংগ অপৰিহাৰ্য। কাৰণ প্ৰসঙ্গবিহীন প্ৰবচন যেন স্পন্দনহীন দেহৰ নিচিনা। যিহেতু কোনো এক বিশেষ সামাজিক পৰিস্থিতিত লোকবিশেষে লোক-সাহিত্যৰ সমলৰ বিশেষ এটি পাঠ কৰে, সেয়েহে প্ৰসংগ অবিহনে তাৰ যুক্তি নিৰ্ণয় কৰিব নোৱাৰি। ড° নবীন চন্দ্ৰ শৰ্মাই প্ৰবচনৰ প্ৰসংগ সম্পৰ্কত এষাৰ লাগতিয়াল কথা হৈছে— 'প্ৰবচন স্থিৰীকৃত বাগ বিশিষ্ট (Fixed Phrase) একশ্ৰেণীৰ লোকবিদ্যা। সেই কাৰণে প্ৰবচন সংগ্ৰহ কৰোঁতে ইয়াৰ জমিন (Texture) অবিকৃতভাৱে ৰাখিব লাগিব আৰু লগতে ইয়াৰ সামাজিক পৰিস্থিতি অৰ্থাৎ প্ৰসংগৰ বিষয়েও তথ্যপাতি সংগ্ৰহ কৰিব লাগিব।' (পৃষ্ঠা-৭৯)

প্ৰবচনসমূহ সমাজৰ সুনিৰ্দিষ্ট সামাজিক পৰিস্থিতিৰ অভিব্যক্তি। প্ৰবচন উল্লেখ কৰাৰ

অন্তৰালত এক বিশেষ উদ্দেশ্য জড়িত হৈ থাকে। 'What is unsaid is much important than what is said' ভিন ভিন সংস্কৃতিৰ লোকৰ বাবে প্ৰবচন এটা পাঠ কৰিয়েই তাৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰা টান। কিন্তু প্ৰবচনটোৰ প্ৰসংগ অৰ্থাৎ সামাজিক পৰিস্থিতিটোৰ ওপৰত আলোকপাত কৰিব পাৰিলে ইয়াৰ অন্তৰ্নিহিত বিষয় বুজাত কঠিন নহয়। উল্লেখযোগ্য যে অনেক ক্ষেত্ৰত সাধুকথাৰ শেষৰ বাক্যটোৱেই প্ৰবচনৰূপে পৰিগণিত হ'বগৈ পাৰে। তেনেকুৱা উদাহৰণ অসমীয়া ভাষাত কম নহয়। যেনে—

'উপদেশতকৈ আৰ্হি ভাল।'

'বুঢ়াৰ কথা নুশুনা ডেকা, টানত পৰি কিয় কেঁকা।'

'লোভে পাপ, পাপে মৃত্যু।'

অসমীয়া ভাষাত প্ৰবচনৰ ক্ষেত্ৰখন যথেষ্ট সমৃদ্ধ। বাচিক কলা আৰু লিখিত কলাৰ মাজত পাৰস্পৰিক ক্ৰিয়া চলি থাকে। সময়ৰ বিৱৰ্তনত অসমীয়া প্ৰবচনসমূহ সোণসেৰীয়া হৈ লিখিত ৰূপ পাইছে, সমাজত ব্যৱহাৰ হৈছে। এই প্ৰবচনসমূহৰ প্ৰাসংগিক অৰ্থ নিৰূপণ কৰি তাৰ বিচাৰ-বিশ্লেষণৰ প্ৰয়োজনীয়তা আছে। প্ৰবচনসমূহ বিবিধ প্ৰসংগবিশিষ্ট হ'ব পাৰে। যেনে- সামাজিক, অৰ্থনৈতিক, ঐতিহাসিক, ধৰ্মীয় ইত্যাদি। উদাহৰণস্বৰূপে অসমীয়া সমাজ জীৱনত প্ৰচলিত কেইটামান প্ৰবচন উল্লেখ কৰা হ'ল—

'তুলসীৰ লগত কলপটুৱাৰ মুক্তি।'

'চোতালৰ ৰ'দে এণ্ডায় যায়।
তপত ভাতৰ ধোঁৱাই খায়।'

'গাখীৰতে ম'হৰ খুটি।'

'সাগৰ তলিতহে ৰত্ন থাকে।'

'পৰুৱাই পৰ্বত খহায়।'

'জোনাকত হেৰুৱাই আন্ধাৰত বিচৰা।'

'গুটি সিচিবা থলি চাই
অথলত নিদিবা
সাঁচিলে মৰহি যায়
সিঁচিলেহে বৃদ্ধি পায়।'

এই আলোচনাত ঐতিহাসিক প্ৰসংগবিশিষ্ট অসমীয়া প্ৰবচনকেইটামানৰ ব্যাখ্যা আগবঢ়াবলৈ যত্ন কৰা হ'ল। বুৰঞ্জী সাহিত্যৰ অন্তৰ্ভুক্ত কিছুমান প্ৰবাদ-প্ৰবচন ঐতিহাসিক প্ৰসংগত ব্যাখ্যা কৰাৰ স্থল আছে। যেনে—

'নেৰিবা জাতিকুল, নেৰিবা আদিমূল, নেৰিবা বোলা বাক্য।'

উদয়াদিত্য ৰজাৰ পৰৱৰ্তী কালছোৱাত ডাঙৰীয়া, বিষয়াৰ হাতৰ পুতলাসদৃশ ৰজা কেইজনমানৰ শাসন দুৰ্বল হৈ পৰাৰ কাৰণে প্ৰজাৰ যথেষ্ট দুৰ্গতি হৈছিল। তেতিয়া আতন বুঢ়াগোহাঞিক ৰাজযোগ্য হ'ব বুলি ভাবি প্ৰজাবৰ্গই ৰজা হ'বলৈ তিনিবাৰকৈ খাটনি ধৰিছিল। কিন্তু মন্ত্ৰীৰ বংশত জন্ম হোৱাৰ বাবে তেওঁ ৰজা হ'বলৈ অমান্তি হৈছিল। মন্ত্ৰীৰ বংশত ৰজা হোৱাৰ কথা আছেনে বুলি বাইলুং পণ্ডিতক চাই দিবলৈ কৈছিল। পণ্ডিতে তেনে কথা নাই পোৱা বোলাত আতন বুঢ়াগোহাঞিয়ে ৰাজসিংহাসন প্ৰত্যাখ্যান কৰিছিল।

'একে চোঙতে দুটা বাঘ নাথাকে'— এই প্ৰবচনটোৰ সাধাৰণ অৰ্থ দুজন ক্ষমতাশীল মানুহ একেলগে সমভাবেৰে থাকিব নোৱাৰে, যেনেকৈ এখন অৰণ্যৰ একে চোঙতে দুটা শক্তিশালী বনৰ ৰজা নাথাকে। আহোম ৰাজত্বৰ প্ৰতিষ্ঠাতা চুকাফাৰ, চুখ্যাংফা নামৰ এজন ভাঁতৃ আছিল; দুয়োজনেই সমানেই শক্তিশালী আৰু নৰা ৰাজ্যৰ সিংহাসনৰ প্ৰাৰ্থী আছিল। দুয়োজনেই সমান পৰাক্ৰমী অথচ একেখন ৰাজ্যত থাকিবলৈ ইচ্ছা নকৰি চুকাফাই ক্ৰমে চৰাইদেউ অভিমুখে যাত্ৰা কৰি ৰাজ্য স্থাপন কৰিবলৈ অগ্ৰসৰ হোৱা প্ৰসংগত এই প্ৰবচনটোৰ উল্লেখ কৰিব পাৰি।

অসম বুৰঞ্জীত ৰাজ আনুগত্যৰ উদাহৰণো পোৱা যায়। ৰজাই আছিল সৰ্বেসৰ্বা। ৰজাবিশেষে প্ৰজাসকলৰ আনুগত্য কম-বেছি হৈছিল। যি ৰজা স্থিতপ্ৰজ্ঞ, প্ৰজাহিতক, আত্মবিশ্বাসী তেনে ৰজাৰ প্ৰতি আনুগত্য আছিল বেছি আৰু তেওঁলোকৰ মুখত প্ৰকাশ পাইছিল—

'ফুলৰ ভাল পদুম
ৰজাৰ ভাল খাটাং হুকুম।'

আনহাতে ৰজাৰ অবিহনে প্ৰজাৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা কথাও পোৱা যায়। প্ৰজাই শাসনকালত নিজকে পৰম নিৰ্ভয় জ্ঞান কৰিছিল। সেই কথা 'ৰজা নাই পাটত, ধৰি কিলায় বাটত' প্ৰবচনটোৰ পৰাও বুজিব পাৰি।

প্ৰশাসনৰ ক্ষেত্ৰত বুৰঞ্জীত পোৱা যায়— চোৰাংচোৱা ব্যৱস্থা কটকটীয়া আছিল। দূত বা কটকীৰ জৰিয়তেই ৰজাই দেশৰ সমস্যাৱলীৰ বুজ লৈছিল। সেইবাবে দূত আৰু প্ৰজা উভয়েই উভয়ৰ ওপৰত শেনচকু আছিল। দূতৰ জৰিয়তেই ৰজাৰ বিচক্ষণ বুদ্ধিৰ পৰিচয় শত্ৰুপক্ষই পাইছিল। সেয়েহে কোৱা হৈছিল— 'দূতৰ মুখেই ৰজাৰ মুখ।'

'দুই ম'হৰ যুঁজ মাজত বিৰিণাৰ মৰণ'— এই প্ৰবচনটোও লোক-সমাজত বেচ

প্ৰচলিত। গোনা ম'হে যুঁজ কৰোঁতে বহুসময় যুঁজে। যুঁজি যুঁজি ভাগৰি পৰে। সেইটোৱে সিহঁতৰ স্বভাৱ। তাৰবাবে ম'হ দুটাৰ বিশেষ অনিষ্ট নহয়। অনিষ্ট হয় বিৰিণা বনবোৰৰ। বনবোৰ মৰি-মৰহি যাবৰ উপক্ৰম হয়। সেইদৰে সমাজত দেখা যায় সবল প্ৰতিপত্তিশালীসকলে দ্বন্দ্বত লিপ্ত হয়, কিন্তু লগত থকা দুৰ্বল নিশকতীয়াসকলে তাৰ কুফল ভোগ কৰে। উক্ত প্ৰবচনটিও ঐতিহাসিক প্ৰসংগলৈ আনিব পাৰি। কাৰণ দেশত যুদ্ধ-বিগ্ৰহৰ অন্ত নাছিল। আহোম ৰাজত্বৰ কালতো বিদেশী শক্তিৰ বিৰুদ্ধে যুদ্ধ সংঘটিত হৈছিল। তেতিয়া তাত নিৰ্দোষ প্ৰজাই বলি হ'ব লগা হৈছিল। ঐতিহাসিক প্ৰসংগবিশিষ্ট আন দুটি প্ৰবচন যথেষ্ট প্ৰচলিত। যেনে—'হয় ৰঙামাটি, নহয় গুৱাহাটী', 'কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান।'

ব্যক্তিৰ বহুবচনেই সমাজ। সমাজৰ ব্যক্তিসকলৰ বহু সঞ্চিত উৎকৃষ্ট বচন হিচাপে প্ৰবাদ-প্ৰবচনৰ নিশ্চয় মূল্য আছে। সমাজৰ প্ৰয়োজন সাপেক্ষে ইয়াৰ জন্ম আৰু সমাজৰ পৰিবৰ্তনৰ লগে লগে কিছুমান প্ৰবচন লুপ্ত হৈ পৰে। যিবোৰ সময় গৰকি আহি তুলনামূলকভাৱে কাল-নিৰপেক্ষ হয়, সেইবোৰ প্ৰবচন দীৰ্ঘস্থায়ী হয় আৰু আধুনিক জীৱনধাৰাৰ লগত মিলি যায়। বাচিক কলা বা মৌখিক সাহিত্যৰ উপ-বিভাগ এই প্ৰবাদ-প্ৰবচনসমূহৰ সৃষ্টিৰ পৰিৱেশ আৰু তাৎপৰ্য, আন ভাষাৰ সৈতে তুলনা, প্ৰণালীবদ্ধভাৱে অধ্যয়ন আৰু বিশ্লেষণ কৰাৰ যথেষ্ট স্থল আছে ❑

গ্ৰন্থপঞ্জী ঃ

গগৈ, লীলা ঃ অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা, ১৯৮৪

চাও পুষ্প গগৈ, বগেন গগৈ ঃ (সম্পাঃ) টাই সংস্কৃতি, ১৯৯৪

তালুকদাৰ, প্ৰিয়দাস ঃ প্ৰবচন কোষ, ১৯৯৪

বৰুৱা, গুণাভিৰাম ঃ আসাম বুৰঞ্জী, ১৯৭২

মহন্ত, প্ৰদীপজ্যোতি ঃ (সম্পাঃ) সমাজ-সংস্কৃতি, সাহিত্য ১৯৯৯

লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ ঃ (সম্পাঃ) কথা গুৰুচৰিত, ১৯৫২

শৰ্মা, নবীন চন্দ্ৰ ঃ অসমীয়া লোক-সংস্কৃতিৰ আভাস, ২০০৩

মহামায়া থান ঃ এটি বিহংগম দৃষ্টি

দূৰৈৰ পাহাৰ শুৱনি। সেই শুৱনি পাহাৰৰ বুকুলৈ যেতিয়া যোৱা হয়, সেই মাদকতাও অন্য ধৰণৰ। এক অপূৰ্ব মাদকতা। নীলা পাহাৰৰ বুকুতো কত ভাস্কৰ্য্য-স্থাপত্য লুকাই থাকিব পাৰে সেয়া নেদেখিলে জানিব নোৱাৰি। শিলাময় পাহাৰ বগাই যেতিয়া পাহাৰৰ ওপৰতো এডোখৰ সমতল পোৱা যায়, মানুহৰ প্ৰাণৰ আকৃতি লৈ গঢ়ি উঠা মঠ-মন্দিৰ পোৱা যায় তেতিয়া প্ৰকৃতি আৰু মানুহৰ মাজত ইতিহাসে ঢুকি নোপোৱা কালৰে পৰাই যে এক আত্মীয়তা গঢ়ি উঠিছে তাৰেই উমান পোৱা যায়।

পুণ্যভূমি ভাৰতৰ সূৰ্য্য উঠা দেশ অসম অতীজৰে পৰা অসংখ্য তীৰ্থস্থান আৰু মঠ-মন্দিৰেৰে ভৰপূৰ দেশ। সেউজী অসমৰ মনোৰম প্ৰাকৃতিক পৰিৱেশ আৰু নদী-নিজৰাৰ প্ৰান্তত কত যে মঠ-মন্দিৰ গঢ়ি উঠিছিল তাৰ লেখ-জোখ নাই। সপ্তম শতিকাত ভাস্কৰ বৰ্মনৰ ৰাজত্বকালত কামৰূপ ভ্ৰমণ কৰা চীনা পৰিব্ৰাজক হিউৱেন চাঙে এই দেশত কেইবাশ মন্দিৰ দেখা পাইছিল বুলি কৰা ঐতিহাসিক উল্লেখে এইকথাৰে স্পষ্ট প্ৰমাণ দাঙি ধৰে। অৱশ্যে সেই মঠ-মন্দিৰসমূহৰ বেছিভাগেই বৰ্ত্তমান লুপ্তপ্ৰায় অৱস্থাত আৰু যিখিনি আছে সেইখিনিৰো অৱস্থা জীৰ্ণ-শীৰ্ণ। অসমৰ মঠ-মন্দিৰসমূহৰ ক্ষেত্ৰত উল্লেখ কৰিবলগীয়া যে ইয়াত বৰ্ত্তমান যিখিনি মঠ-মন্দিৰ অক্ষত ৰূপত দেখিবলৈ পোৱা যায় সেইখিনিৰ বেছিভাগেই আহোম ৰাজত্বকাল আৰু কোচবংশীয় ৰজাসকলৰ ৰাজত্বকালতহে নিৰ্মিত বা পুৰণি ভগ্নাস্তুপৰ ওপৰত পুনৰ্নিৰ্মিত মাত্ৰ। এই মঠ-মন্দিৰবিলাকৰ স্থাপত্য আৰু ভাস্কৰ্য্যৰ লগতে চিত্ৰকলা আমাৰ সংস্কৃতিৰ এক অপৰিহাৰ্য্য অংগ।

মধ্যযুগত অসমত যিবিলাক তীৰ্থস্থান গঢ়ি উঠিছিল, এইবোৰক সাধাৰণতে থান বা পীঠ আখ্যা দিয়া হৈছিল। অতীজৰে পৰা নানা জাতি, নানা সভ্যতা-সংস্কৃতি সমন্বয়ৰ লীলাভূমি অসমৰ এই থান বা পীঠসমূহত বিভিন্ন ৰীতিৰ অজস্ৰ শিলামূৰ্ত্তি, কাৰু-কাৰ্য্যখচিত শিলাখণ্ড সিঁচৰতি হৈ আছে। এইখিনিতে অসমৰ কাৰ্বি আংলং জিলাৰ ডকমকাত অৱস্থিত মহামায়া থান শিক্ষামূলক ভ্ৰমণস্বৰূপে দৰ্শন কৰাৰ সন্দৰ্ভত কিছু

কথা উল্লেখ কৰিব খুজিছোঁ। মহামায়াতো অসমৰ প্ৰাচীন ভাস্কৰ্য্য আৰু স্থাপত্যৰ কিছু নিদৰ্শন পোৱা গৈছে। প্ৰায় তিনি বৰ্গকিলোমিটাৰজুৰি থকা মহামায়া পাহাৰটো এটা ত্ৰিভুজাকৃতিৰ শিলাখণ্ড। জনশ্ৰুতি মতে, এজন কাৰ্বি বীৰ থং নক্‌বেই সেই পাহাৰত বিচৰণ কৰি ফুৰিছিল। এসময়ত কাৰ্বি আংলঙৰ ডবকা অঞ্চলৰ পৰা টিকা পাহাৰলৈকে সেই ভূখণ্ডত কাৰ্বি ৰজাসকলে ৰাজত্ব কৰিছিল। সেই সময়ত খাচীয়া আৰু কছাৰী ৰজাৰ আক্ৰমণ সঘনে হৈছিল আৰু কাৰ্বি বীৰজনাই প্ৰতিপক্ষৰ লগত যুদ্ধ কৰি বীৰত্ব দেখুৱাইছিল। ১৯৪৬ চনত 'Geological Survey of India' ই মহামায়া পাহাৰৰ ওপৰত ভূতাত্বিক অধ্যয়ন চলাবলৈ আগবাঢ়ি আহিছিল যদিও তাৰ সবিশেষ জনা হোৱা নাই।

মহামায়া পাহৰৰ ওপৰত যিটো মন্দিৰ অৱস্থিত, সেই মন্দিৰত দেৱী মহামায়াৰ শিলত কটা প্ৰতিকৃতিৰ লগতে শিৱলিংগ আৰু শিৱৰ বিগ্ৰহো দেখিবলৈ পোৱা যায়। আকৌ মন্দিৰৰ বাহিৰৰ সন্মুখভাগত ৭/৮ ফুটমান দীঘল আকৃতিৰ শিলৰ গাত নৰমূৰ্তিও দেখিবলৈ পোৱা গৈছে। সৰু সৰু শিলত গণেশৰ প্ৰতিকৃতিও খোদিত কৰা আছে। এচটা শিলত পদুম ফুলৰ চকাৰ দৰে চক্ৰ এটি অংকিত হৈ আছে। মূল মহামায়া মন্দিৰৰ পৰা ওপৰলৈ পাহাৰৰ শিলৰ বুকুত নৰসিংহ, হিৰণ্যকশিপুৰৰ প্ৰতিকৃতি মন কৰিবলগীয়া। জীৱজন্তুৰ ভিতৰত হাতীৰ শুঁৰেৰে সৈতে হাতীৰ চিহ্ন দেখা পোৱা গৈছে। এটা গুহাৰ মাজত শিলৰ দুৱাৰৰ নমুনা এটিও আছে। সম্ভৱতঃ এইটো গুহা মন্দিৰো হ'ব পাৰে। মুঠতে মহামায়া পাহাৰত দেৱ-মনুষ্য মূৰ্তি, জীৱ-জন্তুৰ নক্সা, শিলৰ খলপ, শিলৰ লেখ আদিয়েই প্ৰধানকৈ বৰ্তমান। এইবিলাকত স্থাপত্য আৰু ভাস্কৰ্য্যৰ সুন্দৰ চানেকি পৰিলক্ষিত হয়। এই স্থাপত্য আৰু ভাস্কৰ্য্য প্ৰকৃততে কোন যুগৰ সেয়া বিচাৰ কৰিবলৈ অতীতলৈ ঘূৰি চোৱাৰ অৱকাশ আছে। শিলামূৰ্তি, শিলৰ লেখ আদি সূক্ষ্মাতিসূক্ষ্মভাৱে পৰীক্ষা কৰিলে মহামায়া পাহাৰৰ ভাস্কৰ্য্য-স্থাপত্য কোন সময়ৰ সেয়া প্ৰমাণ কৰিব পৰা যাব। অসমত বৰ্মন বংশীয় আৰু পালবংশীয় ৰজাসকলৰ ৰাজত্ব অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক ইতিহাসৰ এক গৌৰৱপূৰ্ণ অধ্যায়। সেই সময়তে অসমৰ শিল্পকলাই বহুখিনি আগবাঢ়ি যায়। শিলত অংকিত হাতীৰ যি প্ৰতিকৃতি মহামায়া পাহাৰত দেখা গৈছে, সেই প্ৰতিকৃতিয়ে পালবংশীয় ৰজাসকলৰ ৰাজকীয় প্ৰতীক হাতীৰ চিত্ৰ মনলৈ আনে।

অসমত ঘাইকৈ শিৱমন্দিৰ, দেৱ-মন্দিৰ আৰু বিষ্ণু মন্দিৰৰ ভিতৰত শিৱ আৰু দেৱী মন্দিৰৰ সংখ্যাই সৰ্বাধিক। গতিকে শিৱ আৰু পাৰ্বতীৰ যুগ্ম মূৰ্তিও মন্দিৰবিলাকত দেখা যায়। য'তেই শিৱৰ স্থান, তাতেই দেৱীৰো স্থান। সেই হিচাপে মহামায়া থানত

মহামায়াৰ লগতে শিৱৰ বিগ্ৰহ থকাটো পৰিলক্ষিত হৈছে। আনহাতে নৰসিংহ আৰু হিৰণ্যকশিপুৰৰ প্ৰতিকৃতিয়ে যেন বিষ্ণু দেৱতাৰ অৱতাৰী ৰূপ এটাৰে ইংগিত দিছে। কাৰ্বি আংলং জিলাৰ বৰগংগাত মহাভূতি বৰ্মনৰ দিনৰ (৫২০-৫৬০) যি শিলালিপি পোৱা গৈছে, সেই শিলালিপি আৰু এই মন্দিৰৰ ভগ্নাৱশেষ একে সময়ৰ বুলি অনুমান কৰা হয়। বৰগংগাত পোৱা লিপিত ভূতি বৰ্মাক পৰম ভাগৱত বুলি আখ্যা দিয়া হৈছে। ধৰ্মপাল ৰজাৰ পুষ্পভদ্ৰা ফলিত পূৰ্বৰ লিপিবোৰৰ দৰে শিৱক বন্দনা নকৰি বৰাহ বিষ্ণুৰহে বন্দনা কৰা হৈছে। গতিকে সমসাময়িক ভাস্কৰ্য্য-স্থাপত্যত সেইৰূপ প্ৰকাশ পাব পাৰে।

আদিম মানুহে প্ৰাকৃতিক শক্তিসমূহক ভয়, প্ৰেম নাইবা ভক্তিৰে যিকোনো নিৰ্জন ঠাইত, গুহাৰ ভিতৰত নাইবা নৈৰ পাৰত নিজ ভক্তি-অৰ্ঘ্য নিবেদন কৰিছিল। কিন্তু সময়ৰ অগ্ৰগতিত মানুহৰ ধাৰণাৰ পৰিবৰ্তন হ'ল। তেওঁলোকৰ উপাস্য দেৱতাক স্থাপনৰ বাবে এডোখৰ বিশেষ ঠাইৰ আৱশ্যক হৈ পৰিল আৰু কালক্ৰমত মন্দিৰৰ উৎপত্তি হ'ল। তাৰ লগে লগে মঠ-মন্দিৰৰ স্থাপত্য-ভাস্কৰ্য্য আদি কলাসমূহ আমাৰ সংস্কৃতিৰ ঘাই অংগ হৈ পৰিল। গছ-গছনিৰে পৰিবেষ্টিত পাহাৰৰ শিলবোৰ কাটি মন্দিৰৰ বিগ্ৰহ নিৰ্মাণ কৰা সঁচাকৈয়ে এক কঠিন কাম। এই স্থাপত্য আৰু ভাস্কৰ্য্যই শিল্পীপ্ৰাণৰ সূক্ষ্ম চৰ্চা আৰু ৰূপ দক্ষতাৰ পৰিচয় দিয়ে। ❑